PGAS S4 04 (Lit) Part-II (A)
EXAM CODE-127 N

বিশেষ সাহিত্যিক

লক্ষ্মীনাথ বেজবৰুৱা

চতুর্থ ষাণ্মাসিক

অসমীয়া



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° **মালিনী গোস্বামী,** অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড° **উপেন ৰাভা হাকাচাম,** অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

ড° **খগেশ সেন ডেকা,** (অৱসৰপ্রাপ্ত), সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*
১	**দেবযানী পাটৰ,** গৱেষক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
২ আৰু ৫	ড° **স্মৃতিৰেখা ভূঞা,** গুৱাহাটী মহাবিদ্যালয়
৩	ড° **নয়নমণি বৰুৱা,** পূব কামৰূপ মহাবিদ্যালয়
৪ আৰু ৭	ড° **প্রফুল্ল কুমাৰ নাথ,** গুৱাহাটী বিশ্ববিদ্যালয়
৬	ড° **বিজয়া বৰুৱা,** ডিমৰীয়া মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু গাঁথনিক সম্পাদনা ঃ ড° **নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ ডিচেম্বৰ, ২০১৮, **দ্বিতীয় প্রকাশ ঃ চেপ্তেম্বৰ,** ২০২১

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/ For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১০১৭; Web : www.kkhsou.in

মহানগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২

পাঠ্যবিষয়ৰ পৰিচয় ঃ লক্ষ্মীনাথ বেজবৰুৱা

এইখন স্নাতকোত্তৰ অসমীয়া চতুর্থ ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা সংশোধিত পাঠ্যবিষয় 'অনুবাদ সাহিত্য আৰু বিশেষ সাহিত্যিক'ৰ অন্তর্গত দ্বিতীয় খণ্ড 'বিশেষ সাহিত্যিক'ৰ নির্বাচিত সাহিত্যিক 'লক্ষ্মীনাথ বেজবৰুৱা' পাঠ্যবিষয়। অসমীয়া সাহিত্যৰ আধুনিক যুগ বুলিলে পোনচাতেই আমাৰ মনলৈ আহে *জোনাকী যুগৰ* কথা। এই *জোনাকী যুগৰ* তিনি পুৰোধা ব্যক্তিৰ সর্বশ্রেষ্ঠ ৰূপে বিবেচিত লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যৰ প্রায় আটাইকেইটা দিশলৈ যি অৰিহণা আগবঢ়াই থৈ গ'ল সেয়া অতুলনীয়। এই বিশেষ পাঠ্যবিষয়ত আমি সাতটা অধ্যায়ৰ মাজেদি তেওঁৰ অমিত প্রতিভাৰ কেইটামান দিশ বিচাৰ-বিশ্লেষণ কৰিবলৈ প্রয়াস কৰিছোঁ।

পাঠ্যবিষয়ৰ প্রথম অধ্যায়টোৰ শিৰোনাম 'লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু কৃতি'। ইয়াত আধুনিক অসমীয়া সাহিত্যৰ পুৰোধা ব্যক্তি লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন পৰিক্রমাৰ লগতে তেওঁৰ কর্মৰাজিৰ বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। এক কথাত ক'বলৈ গ'লে লক্ষ্মীনাথ বেজবৰুৱাই পয়া লগা অসমীয়া ভাষা-সাহিত্যক বেজবৰুৱাৰ জোলোঙাৰ ঔষধেৰে সুস্থ-সবল কৰি জাকত জিলিকা কৰি তুলিছিল। এই অধ্যায়টিৰ পঠনে শিক্ষার্থীক অধ্যায়টিৰ সীমিত পৰিসৰতে হ'লেও 'জাতীয় অনুষ্ঠান' স্বৰূপ এইগৰাকী মহৎ প্রাণ অসমীয়াৰ জীৱন আৰু কর্মৰাজিৰ লগত পৰিচয় কৰাই দিব। দ্বিতীয় অধ্যায়ত আমি কথা সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱাক এটা বিশেষ ৰূপত লগ পাওঁ। অধ্যায়টোৰ নাম 'কথা সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱা (*মোৰ জীৱন সোঁৱৰণৰ* অন্তর্গত প্রথম ভাগৰ তৃতীয় আৰু চতুর্থ অধ্যায়)' পাঠ্যবিষয়ৰ আটাইতকৈ মনোৰম, চিত্তাকর্ষক অধ্যায় ৰূপে এই অধ্যায়টোৰ কথা ক'ব পাৰি। অৱশ্যে এই কথাষাৰৰ সার্থকতা প্রতিপন্ন হ'ব তেতিয়া, যেতিয়া আগ্রহী শিক্ষার্থীয়ে বেজবৰুৱাৰ আত্মজীৱনী *মোৰ জীৱন সোঁৱৰণখন* পঢ়ে আৰু তাত থকা ৰসৰাজ বেজবৰুৱাৰ আঁৰত থকা সমাজ সচেতন, দায়বদ্ধ লেখক গৰাকীক বুজিবলৈ চেষ্টা কৰে। তৃতীয় অধ্যায়টোৰ শিৰোনাম 'গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱা *(লাওখোলা আৰু মলক-গুইন-গুইন)*'ইয়াত গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ বৈশিষ্ট্যসমূহৰ আলোচনাৰ লগতে দুটা ভিন্নসুৰী গল্পৰ মূল পাঠৰ লগতে তাৰ আলোচনা আগবঢ়োৱা হৈছে। গল্প দুটাৰ ভিতৰত এটাৰ পটভূমি বঙ্গদেশৰ সমাজ আৰু সেই সমাজৰ মুধা ফুটা ব্যক্তিৰ ভণ্ডামী আৰু নাৰীক কৰা অৱদমনৰ ছবি আৰু আনটোৰ পটভূমি অসমৰ গ্রাম্য জীৱনৰ পৰা 'উফৰি গৈ' পাশ্চাত্য শিক্ষাৰে শিক্ষিত অথচ মূলৰ পৰা বিচ্ছিন্ন হোৱা এচাম ফোঁপযহী আভিজাত্যৰ ভেমত ভিণ্ডাকাৰ অসমীয়াৰ স্বৰূপ উন্মোচন কৰা হৈছে। প্রথম গল্পটোৰ ট্রেজিক সূৰৰ বিপৰীতে দ্বিতীয় গল্পটো শ্লেষ, ব্যঙ্গ আৰু হাস্যৰসৰ অপূর্ব মিশ্রণ। চতুর্থ অধ্যায় 'সাহিত্য সমালোচক বেজবৰুৱা (দুই মহাপুৰুষৰ ছন্দ আৰু সূৰবোধ)'ত শঙ্কৰী সাহিত্যৰ আলোচক হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ প্রতিভা মূল্যায়ন কৰিবলৈ প্রয়াস কৰা হৈছে। এই আলোচনাৰ মূল পাঠচোৱা ডঃ সত্যকাম বৰঠাকুৰ আৰু অজয় কুমাৰ ভট্টাচার্যই সম্পাদনা কৰা আৰু 'প্রেমানন্দ ন্যাস' -এ প্রকাশ কৰা 'বেজবৰুৱা -সমগ্র'ৰ অষ্টম খণ্ডৰ পৰা লোৱা হৈছে। পঞ্চম অধ্যায় 'হাস্যৰসিক বেজবৰুৱা 'হাস্যৰসিক বেজবৰুৱা (অসমীয়া জাতি ডাঙৰ জাতি আৰু কঁকালৰ বিষ ভাল কৰিবৰ উপায়)'। 'ৰসৰাজ' উপাধিৰ সার্থকতা প্রতিপন্ন কৰা এই অধ্যায়টিত সন্নিৰিষ্ট হোৱা পাঠকেইটিৰ পঠন আৰু আলোচনাই লক্ষ্মীনাথ বেজবৰুৱাৰ ৰস ৰচনাৰ লগত পৰিচয় কৰাই দিব। ষষ্ঠ অধ্যায় 'বেজবৰুৱাৰ ৰচনাত আধ্যাত্মিকতা (শ্রীকৃষ্ণতত্ত্ব আৰু ৰাসলীলা তত্ত্ব)ত বেজবৰুৱাৰ ৰচনাত আধ্যাত্মিকতাই কেনে গঢ়-গতি লাভ কৰিছে তাৰ আভাস পাব। পাঠ্যত সন্নিৰিষ্ট হোৱা শ্রীকৃষ্ণতত্ত্ব আৰু ৰাসলীলা তত্ত্বৰ তত্ত্বগধুৰ আলোচনা কেনে মনোগ্রাহী কৰি বেজবৰুৱাই শ্রোতা-পাঠকলৈ আগবঢ়াইছে তাৰ মাজেদি এই বিশেষ বিষয়তো থকা বেজবৰুৱাৰ গভীৰ জ্ঞানৰ কথাকে সূচায়। পাঠ্যবিষয়ৰ সপ্তম তথা শেষ অধ্যায় 'সমাজ সচেতক বেজবৰুৱা' (চেৰেপাৰ আমনি)'ত সমাজ-সচেতক লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিচয় পোৱা গৈছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৰিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল ' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্রগতিৰ খতিয়ান'ত সন্নিৰিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্রশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু কৃতি** ৫ - ২২

লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱনী; লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য কৃতি; লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৱলীৰ বৈশিষ্ট্যপূর্ণ দিশসমূহ; অসমীয়া সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাৰ স্থান

অধ্যায় ২ ঃ **কথা সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱা (*মোৰ জীৱন সোঁৱৰণৰ* অন্তর্গত প্রথম ভাগৰ তৃতীয় আৰু চতুর্থ আধ্যা)** ২৩ - ৬৪

দুয়োটা অধ্যায়ৰ মূল পাঠ; দুয়োটি পাঠৰ বিষয়বস্তুৰ আলোচনা, তৃতীয় অধ্যায়ৰ বিষয়বস্তুৰ আলোচনা, চতুর্থ অধ্যায়ৰ বিষয়বস্তুৰ আলোচনা, বেজবৰুৱাৰ গদ্যশৈলীৰ সাধাৰণ আলোচনা; পাঠ দুটাত প্রকাশিত সমাজ বাস্তৱতা; আত্মজীৱনীৰ স্বৰূপ আৰু অসমীয়া আত্মজীৱনী সাহিত্যৰ বুৰঞ্জীত *মোৰ জীৱন সোঁৱৰণৰ* স্থান

অধ্যায় ৩ ঃ **গল্পকাৰ বেজবৰুৱা *(লাওখোলা আৰু মলক গুইন-গুইন)*** ৬৫ - ১০১

লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প; লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ বৈশিষ্ট্যসমূহ; *লাওখোলা;* মূল গল্পটোৰ পাঠ, লাওখোলা গল্পৰ সাধাৰণ আলোচনা, লাওখোলা গল্পৰ চৰিত্র চিত্রণ, লাওখোলা গল্পত ফুটি উঠা নাৰী জীৱনৰ কাৰুণ্য আৰু পুৰুষতান্ত্রিক সমাজৰ স্বার্থপৰতা, *মলক গুইন-গুইন;* মূল গল্পটোৰ পাঠ, *মলক গুইন-গুইন* গল্পৰ সাধাৰণ আলোচনা, মলক গুইন গুইন গল্পৰ চৰিত্র চিত্রণ, মলক গুইন গুইন গল্পত ফুটি উঠা সমাজ বাস্তৱতা

অধ্যায় ৪ ঃ **সাহিত্য সমালোচক বেজবৰুৱা ঃ দুই মহাপুৰুষৰ ছন্দ আৰু সুৰবোধঃ** ১০২ - ১১৮

দুই মহাপুৰুষৰ ছন্দ আৰু সূৰবোধ ঃ পাঠৰ চমু আলোচনা, পাঠৰ আলোচনাত প্রকাশ পোৱা বেজবৰুৱাৰ সূক্ষ্মদর্শী বিশ্লেষণ ক্ষমতা, শংকৰী সাহিত্যৰ আলোচক হিচাপে বেজবৰুৱা।

অধ্যায় ৫ ঃ **হাস্যৰসিক বেজবৰুৱা (নির্বাচিত পাঠ-*অসমীয়া জাতি ডাঙৰ জাতি, কঁকালৰ বিষ ভাল কৰিবৰ উপায়*)** ১১৯ - ১৪০

মূল পাঠ; *অসমীয়া জাতি ডাঙৰ জাতি,কঁকালৰ বিষ ভাল কৰিবৰ উপায়,* মূল পাঠৰ বিষয়বস্তুৰ আলোচনা; পাঠ দুটাৰ গদ্যশৈলীৰ সাধাৰণ আলোচনা; হাস্য-ব্যঙ্গৰ মাজেদি ভূমুকি মৰা সমাজ-সংস্কাৰকজন

অধ্যায় ৬ ঃ **বেজবৰুৱাৰ ৰচনাত আধ্যাত্মিকতা *(শ্রীকৃষ্ণতত্ত্ব আৰু ৰাসলীলা তত্ত্ব)*** ১৪১ - ১৫১

বেজবৰুৱাৰ ৰচনাত আধ্যাত্মিকতা ঃ তত্ত্বমূলক প্রবন্ধৰাজিৰ বিশেষ উল্লিখনেৰে, শ্রীকৃষ্ণতত্ত্ব আৰু ৰাসলীলা তত্ত্বৰ আলোচনা, বিশ্লেষণ আৰু দার্শনিক অভিব্যক্তি

অধ্যায় ৭ ঃ **সমাজ-সচেতক বেজবৰুৱা (চেৰেপাৰ আমনি)** ১৫২ - ১৫৮

দায়বদ্ধ লেখক হিচাপে লক্ষ্মীনাথ বেজবৰুৱা; চেৰেপাৰ আমনি ঃ মূল পাঠৰ বিষয়বস্তুৰ আলোচনা, মূল পাঠৰ বিষয়বস্তুৰ বিশ্লেষণ

প্রসঙ্গ পুথি ১৫৯ - ১৬০

অধ্যায় ১ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু কৃতি

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱনী
১.৪ লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য কৃতি
১.৫ লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৱলীৰ বৈশিষ্ট্যপূৰ্ণ দিশসমূহ
১.৬ অসমীয়া সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাৰ স্থান
১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৮ অধিক জানিবলৈ
১.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১.১০ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিচয় লাভ কৰিব
- লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য কৃতিসমূহৰ লগত পৰিচিত হ'ব
- বেজবৰুৱাৰ ৰচনাৱলীৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰিব পাৰিব
- অসমীয়া সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান আৰু স্থান সম্পৰ্কে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ ষাণ্মাসিকৰ অন্তৰ্গত সাহিত্য শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা চতুৰ্থ পাঠবিষয় 'অনুবাদ সাহিত্য আৰু বিশেষ সাহিত্যিক'ৰ দ্বিতীয় খণ্ডৰ অন্তৰ্গত 'বিশেষ সাহিত্যিক'ৰ 'লক্ষ্মীনাথ বেজবৰুৱা'ৰ এইটো প্ৰথম অধ্যায়। অধ্যয়ৰ শীৰ্ষক 'লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু কৃতি'। এই অধ্যায়টোত আপুনি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱনী আৰু তেওঁৰ বহুমুখী সাহিত্য প্ৰতিভাৰে উদ্ভাসিত সৃষ্টিৰাজীৰ লগত পৰিচিত হ'ব পাৰিব। বেজবৰুৱাৰ সাহিত্য কৃতিসমূহৰ বৈশিষ্ট্যপূৰ্ণ দিশবোৰৰ লগত অধ্যায়টোৰ জৰিয়তে পৰিচিত হ'ব পাৰিব। লগতে অসমীয়া সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাৰ স্থান সম্পৰ্কে আলোচনা কৰিব পাৰিব।

১.৩ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱনী

মহৎ সৃষ্টিৰাজিৰ জৰিয়তে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ অপৰিসীম বৰঙণি আগবঢ়োৱা, বহুমূখী প্রতিভাৰে উদ্ভাসিত দিগন্ত প্রসাৰী ব্যক্তিত্বৰ অধিকাৰী লক্ষ্মীনাথ বেজবৰুৱা শিৱসাগৰৰ এটা সম্ভ্রান্ত পৰিয়ালত জন্ম হয়। পিতৃ দীননাথ বেজবৰুৱা আহোমৰ শাসন কালত ৰাজবৈদ্য আছিল। অসমৰ শেষ ৰজা পুৰন্দৰ সিংহই বৈদ্য শাস্ত্রত নিপুণতাৰ পৰীক্ষা কৰাই দীননাথ বেজবৰুৱাক ৰজাঘৰীয়া বৈদ্য নির্বাচন কৰি কামাখ্যা মন্দিৰত শপত খুৱাই 'বেজবৰুৱা' পদত নিযুক্তি দিছিল। বৈদ্য শাস্ত্রত নিপুণ দীননাথ বেজবৰুৱাই তেওঁৰ দৰেই পুত্রসকলকো বৈদ্য শাস্ত্রত পাৰ্গত হোৱাটো বিচাৰিছিল। পিছলৈ ইংৰাজ শাসনকালত ইংৰাজ চৰকাৰে শিক্ষিত সম্ভ্রান্ত লোকসকলক উচ্চ খাপৰ ৰাজকীয় পদ দিয়াৰ দৰে দীননাথ বেজবৰুৱাক 'মুন্সিফ' পদত নিযুক্তি দিছিল। ডাঙৰীয়া দীননাথ বেজবৰুৱা এজন নৈষ্ঠিক মানুহ আছিল। গোসাঁই ঘৰত দিনটোৰ তিনি প্রসঙ্গৰ কৰাৰে পৰা শালগ্রাম পূজালৈকে সকলোখিনি তেওঁ নিজে অতি নিষ্ঠাৰে পালন কৰিছিল। তেওঁৰ দুগৰাকী ভার্যা আছিল। দ্বিতীয় গৰাকী ভার্যাৰ পুত্র আছিল লক্ষ্মীনাথ।

পিতৃ দীননাথ বেজবৰুৱা ইংৰাজ চৰকাৰৰ মুন্সিফ পদত চাকৰি কৰি থাকোঁতে অসমৰ বিভিন্ন ঠাইলৈ বদলি হৈছিল। নগাঁৱত তিনি বছৰ কাল অতিবাহিত কৰি ১৮৬৪ চনত বৰপেটালৈ বদলি হয়। নগাঁৱৰ পৰা বৰপেটালৈ বুলি সপৰিয়ালে এখন ডাঙৰ নাৱেৰে ব্রহ্মপুত্রইদি যাত্রা কৰোঁতে নগাঁৱৰ আহঁতগুৰি নামে ঠাইত ১৮৬৪ চনৰ নবেম্বৰ মাহৰ লক্ষ্মী পূর্ণিমাৰ নিশা লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হয়। লক্ষ্মী পূর্ণিমাৰ দিনা জন্ম হোৱাৰ বাবেই তেওঁৰ নাম লক্ষ্মীনাথ থোৱা হৈছিল। শৈশৱৰ চাৰিটা বছৰ লক্ষ্মীনাথে বৰপেটাত অতিবাহিত কৰিছিল। চাকৰিসূত্রে পিতৃ দীননাথ বেজবৰুৱা অসমৰ বিভিন্ন ঠাইলৈ বদলি হ'ব লগা হোৱাৰ বাবে লক্ষ্মীনাথে বিভিন্ন ঠাইৰ অপৰূপ প্রাকৃতিক সৌন্দর্য উপভোগ কৰিবলৈ সুযোগ পাইছিল।

শৈশৱতে দেখা বৰপেটাৰ কীর্তন ঘৰৰ সহস্র বস্তি আৰু ভক্তসকলৰ নাম কীর্তনৰ দৃশ্যই লক্ষ্মীনাথক আগলৈ প্রভাৱিত কৰিছিল। শৈশৱৰ এই দৃশ্যই লক্ষ্মীনাথৰ ধর্মীয় অনুভূতি জাগ্রত কৰিছিল। ১৮৭৪ চনত ডাঙৰীয়া দীননাথ বেজবৰুৱা লক্ষীমপুৰলৈ বদলি হৈ যায়। লক্ষীমপুৰতেই লক্ষ্মীনাথৰ বিদ্যাৰম্ভ হয়। লক্ষ্মীনাথৰ শৈশৱ কালত তেওঁলোকৰ ঘৰত ৰবিনাথ মাজুদলৰ বৰুৱা নামৰ এজন দূৰসম্পর্কীয় ককাক আছিল। তেওঁ পৰিয়ালটোৰ তত্ত্বাৱধায়কৰ দায়িত্ব পালন কৰাৰ লগতে ল'ৰাহঁতৰো ধেমালিৰ লগৰীয়া, কার্যৰ অভিভাৱক, সাধুকথাৰ কুকি আছিল। লক্ষ্মীনাথৰ বিদ্যাৰম্ভ কৰাইছিল ৰবিনাথ ককাকে। প্রথমে তেওঁ ভীমকলৰ পাতত আখৰ লিখি বিদ্যার্থী জীৱনৰ পাতনি মেলে। দীননাথ বেজবৰুৱা লক্ষীমপুৰৰ পৰা গুৱাহাটীলৈ বদলি হৈ যায়। গুৱাহাটীতেই পোন প্রথমে লক্ষ্মীনাথৰ আনুষ্ঠানিক শিক্ষাৰ আৰম্ভ হয়। চাকৰি সূত্রে পিতৃ দীননাথ বেজবৰুৱাই সঘনে কর্মস্থলী সলনি কৰি থাকিবলগীয়া হৈছিল বাবে লক্ষ্মীনাথৰ বিদ্যালয় সলনি হৈ আছিল। ১৮৮৬ চনত শিৱসাগৰৰ চৰকাৰী বিদ্যালয়ৰ পৰা লক্ষ্মীনাথে দ্বিতীয় বিভাগত প্রবেশিকা পৰীক্ষাত উত্তীর্ণ হয়। উচ্চ শিক্ষাৰ বাবে তেওঁ কলিকতালৈ যায় আৰু ৰিপন কলেজত

নামভর্তি কৰি এফ.এ পাচ কৰে। ১৮৯০ চনত কলিকতাৰ 'জেনেৰেল এচেম্বলী কলেজ' ৰ পৰা বি.এ. ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছত উকালতি কৰাৰ ইচ্ছাৰে কলিকতাৰ 'ৰিপণ কলেজত' আইনৰ শ্ৰেণীত নামভর্তি কৰে আৰু প্ৰেছিডেন্সি কলেজত ইংৰাজী সাহিত্যৰ এম. এ. শ্ৰেণীত নামভর্তি কৰিছিল যদিও শিক্ষা অসম্পূৰ্ণ হৈ ৰ'ল। বেজবৰুৱাই বি. এ পাচ কৰাৰ পিছত চৰকাৰে দুবাৰকৈ চৰকাৰী পদ যাচিছিল। কিন্তু স্বাধীনচিতীয়া বেজবৰুৱাই দুয়োবাৰেই বিদেশী চৰকাৰৰ অধীনত গোলামী কৰাতকৈ মৃত্যুয়েই শ্ৰেয় বুলি সেই পদ প্ৰত্যাখ্যান কৰিছিল। লক্ষ্মীনাথৰ নিজৰ ভাষাত— 'মই স্বাধীনভাৱে পৰিশ্ৰম কৰি এমুঠি ভাত খাম, পৰৰ গোলামি কৰি নহয়'।

লক্ষ্মীনাথে কলিকতাত অধ্যয়ন কৰি থকাৰ সময়তে পাশ্চাত্য সাহিত্য সংস্কৃতিৰ লগত পৰিচয় হয়। সেই সময়ত কলিকতাত বসবাস কৰা প্ৰবাসী অসমীয়া ছাত্ৰসকলৰ লগ লাগি লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী প্ৰমুখ্যে অসমীয়া ভাষাৰ হৃত মর্যাদাৰ উদ্ধাৰৰ বাবে ১৮৮৮ চনত 'অসমীয়া ভাষাৰ উন্নতি সাধিনি সভা' চমুকৈ 'অ.ভা.উ.সা' নামৰ এটা অনুষ্ঠান গঠন কৰে। এই সভাই অসমীয়া ভাষাৰ পুনৰ উত্থানত মহত্বপূৰ্ণ অৰিহণা আগবঢ়াইছিল। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামী এই ত্ৰিমূৰ্তীৰ প্ৰচেষ্টাত অসমীয়া ভাষা সাহিত্যলৈ এক নতুন জোৱাৰ আহিছিল। ১৮৮৯ চনত *'জোনাকী'* প্ৰকাশ পায়। *'জোনাকী'ৰ* যোগেদি লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যৰ জগতত নতুন যুগৰ সূচনা কৰিলে। অসমীয়া ভাষা উন্নতি সাধিনী সভা আৰু তাৰেই ফলশ্ৰুতিত জন্ম পোৱা *'জোনাকী'* আলোচনীয়ে অসমীয়া ভাষা সাহিত্যৰ সমৃদ্ধি সবল কৰিছিল আৰু প্ৰসাৰৰ বাবে আহোপুৰুষার্থ কৰিছিল। এই ক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱাই *'জোনাকী'ৰ* জৰিয়তে অসমীয়া জাতিটোক অসমৰ অতীত ঐতিহ্য আৰু গৌৰৱৰ সৈতে চিনাকি কৰাই দি, সাহিত্যৰ মাজেদি অসমীয়া জাতি আৰু ভাষা সংস্কৃতিক এটা সুকীয়া মর্যাদা প্ৰদান কৰাৰ চেষ্টা কৰিছিল।


১৮৯১ চনত জোড়াসাঁকোৰ ঠাকুৰ পৰিয়ালৰ জীয়ৰী প্ৰজ্ঞাসুন্দৰীৰ লগত লক্ষ্মীনাথ বেজবৰুৱাৰ বিবাহ সম্পন্ন হয়। প্ৰজ্ঞাসুন্দৰী হ'ল মহর্ষি দেৱেন্দ্ৰনাথ ঠাকুৰৰ তৃতীয় পুত্ৰ হেমেন্দ্ৰ নাথ ঠাকুৰৰ জীয়ৰী আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভতিজাজী।

১৮৯৩ চনত অসমৰ বিখ্যাত ব্যৱসায়ী ভোলানাথ বৰুৱাৰ লগ লাগি লক্ষ্মীনাথ বেজবৰুৱাই কাঠৰ ব্যৱসায় আৰম্ভ কৰে। ১৯০৯ চনত লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত *'বাঁহী'* আলোচনীখন প্ৰকাশ হয়। *'জোনাকী'ৰ* দৰে *'বাঁহী'য়েও* সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰিলে। ১৯১৬ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা অসমীয়া ছাত্ৰৰ সাহিত্য সম্মিলনৰ অধিৱেশনত তেওঁ সভাপতিৰ আসন শুৱনি কৰে। ১৯২৩ চনত শিৱসাগৰত বহা অসম সাহিত্য সভাৰ অধিৱেশনত বেজবৰুৱাক 'ৰসৰাজ' উপাধিৰে বিভূষিত কৰা হয়। ১৯২৪ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সপ্তম অধিৱেশনত তেওঁ সভাপতিৰ আসন অলংকৃত কৰে।

বহুমুখী প্ৰতিভাৰে উদ্ভাসিত হোৱা লক্ষ্মীনাথ বেজবৰুৱা আধুনিক অসমীয়া সাহিত্যৰ

এক উজ্জ্বল নক্ষত্ৰ স্বৰূপ। গোটেই জীৱন সাহিত্য ভাষা সংস্কৃতিৰ ক্ষেত্ৰখনক সুদৃঢ় ভাবে প্ৰতিষ্ঠা কৰাৰ বাবে অসমীয়া সাহিত্যলৈ ন ন সৃষ্টিৰ অৱদান যোগাই অসমীয়া জাতিৰ গঠনত দৃঢ় সংকল্প গ্ৰহণ কৰিছিল। গোটেই জীৱন সাহিত্য সাধনাত ব্ৰতী হোৱা বেজবৰুৱা একাধাৰে অসমীয়া চুটিগল্পৰ স্ৰষ্টা, নাট্যকাৰ, প্ৰহসনৰ লেখক, কবি, সমালোচক, প্ৰবন্ধকাৰ, জীৱনী আৰু আত্মজীৱনীৰ লেখক, প্ৰথম অসমীয়া সাধুকথাৰ সংগ্ৰাহক, অনুবাদক, কাৰ্টুনিষ্ট, গৱেষক আছিল। জোনাকীৰ বাটেৰে সাহিত্যৰ জগতত প্ৰৱেশ কৰা লক্ষ্মীনাথ বেজবৰুৱাৰ মহৎ সৃষ্টিৰাজী সমগ্ৰ অসমীয়া সাহিত্য তথা অসমীয়া জাতিৰ অমূল্য সম্পদ।

অসমীয়া ভাষা সাহিত্যলৈ মহৎ অৱদান আগবঢ়োৱা এই মহান অসমীয়া গৰাকীয়ে সকলোকে কন্দুৱাই ১৯৩৮ চনৰ ২৬ মাৰ্চৰ দিনা ইহলীলা সম্বৰণ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱনৰ বিষয়ে চমু আভাস দিয়ক। (১৫০টা শব্দৰ ভিতৰত)

.....

১.৪ লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য কৃতি

অসম আৰু অসমীয়া জাতীয় সত্তাক উজ্জীৱিত কৰি তোলা অসমপ্ৰেমী লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য কৃতি অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্য সংস্কৃতিৰ প্ৰভাৱ থাকিলেও অসমীয়া ভাষা, সাহিত্য সংস্কৃতিক উচ্চ মৰ্যাদাসম্পন্ন স্থানত প্ৰতিষ্ঠা কৰাৰ বাবে লক্ষ্মীনাথ বেজবৰুৱাই অহোপুৰুষাৰ্থ কৰিছিল। 'জোনাকী'ত সাহিত্যিক জীৱনৰ পাতনি মেলা লক্ষ্মীনাথ বেজবৰুৱাই অৰ্ধ শতিকাজুৰি অসমীয়া সাহিত্য সংস্কৃতিৰ নিৰ্মাণৰ প্ৰধান কাণ্ডাৰী ৰূপে অৱদান আগবঢ়াই থৈ গৈছে।

লক্ষ্মীনাথ বেজবৰুৱাই কলিকতাত অধ্যয়ন কৰি থকা সময়তে আধুনিক বিশ্বৰ দ্ৰুত পৰিৱৰ্তনশীল চিন্তা-ভাৱনাৰে সংপৃক্ত পাশ্চাত্য সাহিত্য জগতৰ বিষয়ে জানিবলৈ সুযোগ পোৱাৰ পৰিপ্ৰেক্ষিততেই অসমীয়া সাহিত্যক নতুন চিন্তা-ভাৱনাৰে সজাই পৰাই এক বহল ক্ষেত্ৰ সৃষ্টি কৰিলে। আধুনিকতাৰ স্পৰ্শত পৰম্পৰাগত ভাষা-সাহিত্যক নতুনকৈ নিৰ্মাণ কৰা বাবে বেজবৰুৱাৰ কাপ-মৈলামৰ পৰা নিসৃত হৈছিল বিবিধ সাহিত্য— কবিতা, গল্প, উপন্যাস, নাটক, গীত, প্ৰবন্ধ, জীৱনী-আত্মজীৱনী ইত্যাদি। সেইবোৰ তলত দিয়া ধৰণৰ—

কবিতা ঃ লক্ষ্মীনাথ বেজবৰুৱাই *জোনাকীৰ* বুকুতে কবি হিচাপে আত্মপ্ৰকাশ কৰে। *জোনাকীৰ* দ্বিতীয় বছৰৰ দশম সংখ্যাত প্ৰকাশিত *মইনা* শীৰ্ষক কবিতাটিয়েই তেওঁৰ প্ৰথম কবিতা আছিল। 'কবিতা হয় যদিও হওক, নহয় যদিও নহওক' এই দৃষ্টিভংগীৰে কবিতা ৰচনাত মনোনিবেশ কৰা লক্ষ্মীনাথ বেজবৰুৱাৰ ১৯১৩ খ্ৰীষ্টাব্দত *কদমকলি* নামৰ এটি কবিতা সংকলন

প্ৰকাশ পায়। বেজবৰুৱাৰ *কদমকলিত* সন্নিৱিষ্ট হোৱা কবিতাবোৰৰ বিষয়বস্তু পৰিসৰ বহল প্ৰেক্ষাপটৰ আধাৰত সৃষ্টি হৈছে। বেজবৰুৱা ইংৰাজী সাহিত্যৰ ৰোমান্তিক কাব্যধাৰাৰ ঐতিহ্য প্ৰবাহৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। 'কদমকলি' কবিতা সংকলনটোত সন্নিৱিষ্ট হৈছে প্ৰণয়, প্ৰকৃতি প্ৰীতি, স্বদেশপ্ৰীতি, মানৱতাবাদৰ কেইবাটাও কবিতা। *'ধনবৰ ৰতনী', 'দেৱযানী', 'বীণ-বৰাগী', 'প্ৰিয়তমা', 'প্ৰিয়তমাৰ সৌন্দৰ্য', 'পকা চুলি'* আদিবোৰ বহু পঠিত কবিতাবোৰত নব্যধাৰাৰ স্পৰ্শ পোৱা যায়।

বেজবৰুৱাৰ অন্য এখন কবিতা পুথি *'পদুমকলি'* ১৯৬৮ খ্ৰীষ্টাব্দত মৰণোত্তৰভাবে সংকলিত হয়। অৱশ্যে *পদুমকলি* নামটো অতুলচন্দ্ৰ হাজৰিকাই দিছিল। *পদুমকলিত* সন্নিৱিষ্ট হোৱা কবিতাবোৰৰ প্ৰায়ভাগ কবিতা বাঁহী আলোচনীত প্ৰকাশ হৈছিল। স্বভাৱকবি গৰাকীৰ কবিতাসমূহ সমাজ, জীৱন, প্ৰকৃতি, প্ৰণয় আদি বিষয় যদিও কবিতাসমূহত বাস্তৱিক চিত্ৰ পূৰ্ণৰূপত প্ৰকাশ হৈছিল।

গল্প ঃ অসমীয়া চুটিগল্পৰ জন্মদাতা লক্ষ্মীনাথ বেজবৰুৱাৰ *জানাকী* আলোচনীখনতে প্ৰথম চুটিগল্প প্ৰকাশ হৈছিল। *জোনাকীৰ* চতুৰ্থ বছৰৰ ১৮৯২ খ্ৰীষ্টাব্দ চতুৰ্থ সংখ্যাত প্ৰকাশিত *সেউতী* নামৰ গল্পটো লক্ষ্মীনাথ বেজবৰুৱাৰো আৰু অসমীয়া ভাষাৰো প্ৰথমটো চুটি গল্প। বেজবৰুৱাদেৱৰ চুটি গল্পৰ সংকলনবোৰ হ'ল- সুৰভি (১৯০৯ খ্ৰীষ্টাব্দ), *সাধুকথাৰ কুকি* (১৯১২ খ্ৰীষ্টাব্দ), *জোনবিবি* (১৯১৩ খ্ৰীষ্টাব্দ) আৰু *কেহোঁকলি*। বেজবৰুৱাৰ গল্প পুথিসমূহৰ গল্পবোৰ বিভিন্ন কাৰণত পাঠকক আকৰ্ষিত কৰে। তেওঁৰ গল্পসমূহৰ ভিতৰত বহুপঠিত গল্প কিছুমানো আছে। তাৰ ভিতৰত উল্লেখযোগ্য গল্পবোৰ হ'ল— *মলক গুইন গুইন, ভদৰী, ধোৱাখোৱা, পাতমুগী, ৰতনমুণ্ডা, মুক্তি* ইত্যাদি।

নাটক ঃ লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্য জীৱনৰ পাতনি মেলিছিল ধেমেলীয়া নাটক *লিটিকাইৰে*। *জোনাকীৰ* প্ৰথম সংখ্যাৰ পৰা প্ৰকাশিত এটি লোককথাৰ আধাৰত ৰচিত *লিটিকাই* নাটকখনৰে আৰম্ভ কৰা বেজবৰুৱাদেৱে অসমীয়া সাহিত্যলৈ কেইবাখনো প্ৰহসন আৰু তিনিখন ঐতিহাসিক নাটক ৰচনা কৰি অসমীয়া সাহিত্যৰ জগত চহকী কৰি থৈ গৈছে। বেজবৰুৱাৰ নাটকসমূহক দুভাগত ভাগ কৰিব পাৰি। এবিধ হ'ল লঘু আৰু হাস্য বংগৰ নাটক আৰু আনবিধ হ'ল ঐতিহাসিক নাটক। নাটকসমূহ মঞ্চ উপযোগীকৈ ৰচনা কৰা হৈছিল। তদুপৰি নাটকবোৰত পাশ্চাত্য নাটকৰ প্ৰভাৱ দেখা যায়। তেওঁৰ নাটকবোৰ এনে ধৰণৰ—

প্ৰহসন ঃ *লিতিকাই* (১৮৮৯ খ্ৰীষ্টাব্দ)
পাচনি (১৯১৩ খ্ৰীষ্টাব্দ)
নোমল (১৯১৩ খ্ৰীষ্টাব্দ)
চিকৰপতি - নিকৰপতি

বুৰঞ্জিমূলক ঃ *বেলিমাৰ* (১৯১৫ চন)
চক্ৰধ্বজসিংহ (১৯১৫ চন)

জয়মতী কুঁৱৰী (১৯১৫ চন)

অন্যান্য নাটক আৰু নাটিকা ঃ

গদাধৰ ৰজা

বাৰেমতৰা

হ-য-ব-ৰ-ল

হেমলেট

মঙলা

বেজবৰুৱাই প্রহসনসমূহ ৰচনাৰ প্রধান উদ্দেশ্য আছিল হাঁহি আৰু আনন্দৰ মাজেৰে সমাজলৈ মানুহৰ দৈনন্দিন সমস্যাসমূহৰ বার্তা প্রেৰণ কৰা। বেজবৰুৱাৰ প্রথম প্রহসন *লিতিকাই* এটা বাংলা কাহিনীক অসমীয়ালৈ ৰূপান্তৰ কৰিছে। অৱশ্যে নাটকৰ কাহিনীভাগ আগবঢ়াওতে পাশ্চাত্য সাহিত্যিকৰো প্রভাৱ পৰিছে। ১৯৩১ খ্রীষ্টাব্দত প্রকাশিত *নোমল* আৰু *পাচনি* নাটক দুখনো প্রচলিত সাধুকথাৰ ওপৰত ভেটি কৰি ৰচনা কৰা। আকৌ *চিকৰপতি নিকৰপতি* নাটকখনতো প্রচলিত সাধুৰ নাটকীয় ৰূপান্তৰ কৰা কাহিনী দেখিবলৈ পোৱা যায়। প্রহসনবোৰ ধেমেলীয়া নাটক। ইয়াৰ মূল উদ্দেশ্য লোক সমাজক আনন্দ দিয়া যদিও সাধুৰ ছাঁত সৃষ্টি হোৱা আধুনিক নাট্যৰূপৰ জৰিয়তে হাস্য আৰু ব্যংগৰ সমান্তৰালকৈ সামাজিক লোকমনৰ সমস্যাবোৰকো মৌলিক ৰূপত উপস্থাপন কৰা হৈছে।

বেজবৰুৱাৰ তিনিখন বুৰঞ্জীমূলক নাটকৰ বিষয়বস্তু আৰু প্রকৃতি অতি গম্ভীৰ বিধৰ। তিনিওখন ঐতিহাসিক নাটকৰ যোগেদি অসমৰ ইতিহাসৰ গৌৰৱোজ্জ্বল কাহিনী আৰু পতনৰ কাহিনী উপস্থাপন কৰিছে। *বেলিমাৰ*নাটকখনত মানৰ অসম আক্রমণৰ কৰুণ কাহিনীক উপস্থাপন কৰিছে। অসমৰ গৌৰৱোজ্জ্বল ইতিহাস আৰু স্বাধীনতাৰ বেলি কেনেদৰে আৰু কিয় মাৰ যাব লগা হয় তাৰেই বিস্তৃত ৰূপৰ নাটকীয় ৰূপ *বেলিমাৰ* নাটকত পোৱা যায়।

স্বর্গদেউ চক্রধ্বজ সিংহৰ ৰাজত্ব কালত লাচিত বৰফুকনৰ নেতৃত্বত মোগলৰ বিৰুদ্ধে যুদ্ধত অসমীয়া ৰণুৱা সকলে কেনেকৈ অতি নিষ্ঠা আৰু ঐকান্তিকতাৰে দেশৰ গৌৰৱ আৰু স্বাধীনতা ৰক্ষা কৰিছিল তাক অসমীয়া জাতিটোৰ আগত দাঙি ধৰাৰ প্রয়াস কৰিছিল *চক্রধ্বজ সিংহ* নাটকৰ জৰিয়তে।

বেজবৰুৱাৰ অন্য এখন ঐতিহাসিক নাটক *জয়মতী কুঁৱৰী*ত মহিয়সী নাৰী জয়মতীৰ দেশপ্রেম আৰু ত্যাগৰ কৰুণ কাহিনীক দাঙি ধৰা হৈছে।

বেজবৰুৱাই নাটিকা কেইখনমান ৰচনা কৰিছিল। *গদাধৰ ৰজা* নামে একাঙ্কিকাখনি প্রহসনো নহয় অথবা বুৰঞ্জীমূলকো নহয়। বেজবৰুৱাই ইয়াৰ নাম দিছে 'চ'ৰাঘৰীয়া ভাওনা' - 'A Drawing Room Play'. আকৌ এই গদাধৰ নাটকখন অসম্পূর্ণ হৈ ৰয়।

সাধুকথা আৰু শিশু সাহিত্য ঃ লক্ষ্মীনাথ বেজবৰুৱা প্রথম অসমীয়া সাধুৰ সংগ্রহক। অসমৰ লোক মূখত প্রচলিত হৈ থকা সাধু কথাবোৰক একেলগে একত্রিত কৰি সেইবোৰ তেওঁৰ নিজস্ব শৈলীৰে ৰচনা কৰি এটি লিখিত ৰূপ প্রদান কৰিছিল। সাধু কথাৰ সংকলিত পুথিবোৰ

এনে ধৰণৰ—

- *বুঢ়ী আইৰ সাধু* (১৯১১)
- *ককা দেউতা আৰু নাতি ল'ৰা* (১৯১৩)
- *জুনুকা* (১৯১৩)

বুঢ়ী আইৰ সাধু পুথিখনত মুঠ একত্রিছটা সাধু সন্নিৱিষ্ট কৰিছে। সাধুবোৰত মৌখিক লোক সাধুবোৰক লিখিত ৰূপ প্রদান কৰিছে। সাধুবোৰত লৌকিক - অলৌকিক, নৈতিক মূল্যবোধৰ ভাব বিশিষ্ট। আকৌ *ককা দেউতা আৰু নাতি ল'ৰা* পুথিখনত ককাক আৰু নাতি ল'ৰাৰ কথোপকথনৰ মাধ্যমেৰে সাধুৰ বর্ণনা কৰা হৈছে, য'ত নৈতিক চৰিত্র গঠন আৰু শিশু জগতৰ মনস্তাত্বিক দিশসমূহৰ সুস্থ বিকাশৰ উদ্দেশ্য নিহিত হৈ আছে। তেনেদৰে *জুনুকা* শীর্ষক পুথিখনতো শিশু উপযোগীকৈ উপদেশমূলক সাধু সন্নিৱিষ্ট কৰিছে।

শিশুৰ নৈতিক চৰিত্র গঠনৰ উদ্দেশ্যে বেজবৰুৱাই দুখন বহুমূলীয়া পুথি ৰচনা কৰি থৈ গৈছে। *ৰাখৰ* আৰু *কামত কৃতিত্ব লভিবৰ সংকেত*। এই দুয়োখন পুথিতে চৰিত্রক সমাজৰ উপযোগী কৈ গঠন কৰাৰ উপদেশসমূহ প্রদান কৰা হৈছে আৰু নিজৰ অভিজ্ঞতাৰ ভিত্তিত পুথি দুখনৰ বিষয়বস্তুক সামৰি লোৱা হৈছে।

এই সমূহ শিশুৰ চৰিত্র উপযোগী পুথিৰ উপৰিও বেজবৰুৱাই *শ্রীভগৱৎ কথা* শীর্ষক এখন আধ্যাত্মিক বিশ্লেষণমূলক পুথি ৰচনা কৰে। এই পুথিখনত বৈজ্ঞানিক দৃষ্টিভংগীৰে আধ্যাত্মিক তত্ত্বকথাবোৰক আলোচনা কৰাৰ প্রয়াস কৰিছে।

বেজবৰুৱাই শিশুৰ উপযোগীকৈ মার্চিডেনৰ *ভাৰত বুৰঞ্জী* শীর্ষক গ্রন্থখন অসমীয়ালৈ অনুবাদ কৰে। এই পুথিখনত প্রথমে অসমৰ বুৰঞ্জী সম্পর্কীয় কোনো অধ্যায় সংপৃক্ত কৰা হোৱা নাছিল। বেজবৰুৱাই অনূদিত গ্রন্থখনত শেহৰফালে *অসম বুৰঞ্জীৰ* সম্পর্কে সংযোজন কৰি প্রকাশ কৰে। তদুপৰি তেওঁৰ বৈজ্ঞানিক চিন্তা-চর্চা তেওঁৰ লেখনিত দেখিবলৈ পোৱা যায়। *ৰেডিয়াম, নীহাৰিকা* নামৰ দুটা বিজ্ঞান ভিত্তিক প্রবন্ধ তেওঁ শিশুৰ বাবে লিখি উলিয়াইছিল।

উপন্যাস ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ একমাত্র উপন্যাস *পদুমকুঁৱৰী* ১৯০৫ খ্রীষ্টাব্দত প্রকাশ হয়। এই উপন্যাসখন *জোনাকীৰ* তৃতীয় বছৰৰ প্রথম সংখ্যাত *পদ্মকুমাৰী* নামেৰে প্রকাশ হয়। অসম বুৰঞ্জীৰ এক গুৰুত্বপূর্ণ অধ্যায় দন্দুৰাদ্রোহৰ আধাৰত ৰচিত উপন্যাসখনৰ কাহিনীত হৰদত্ত আৰু বীৰদত্তৰ বিদ্রোহ, সূর্য্য আৰু হৰদত্তৰ জীয়ৰী পদুমৰ প্রেম কাহিনী, কুমেদানৰ বিশ্বাসঘাটকতা, সূর্যৰ মৃত্যুত পদুমৰ আত্মহত্যা আৰু অন্য এক প্রেমপ্রার্থী ফুলৰো আত্মহত্যাৰ কৰুণ আৰু ব্যথা ভৰা ঘটনাৰ সৰস বর্ণনা আছে। উপন্যাসখনৰ কাহিনীৰ লগত সংপৃক্ত হৈ থকা যুদ্ধ, ৰাজনীতি, হত্যা, আত্মহত্যা আদি ঘটনা পৰিঘটনাবোৰৰ সমান্তৰালকৈ এটা নিপোটল প্রেম কাহিনীয়ে উপন্যাসখনক ৰোমান্সধর্মী উপন্যাসলৈ ৰূপান্তৰিত কৰিছে বুলি সমালোচকসকলে কয়। উপন্যাসখনক প্রেমৰ এক কৰুণ ঘটনাৰে পৰিসমাপ্তি ঘটাইছে যদিও প্রকৃত প্রেমৰ মান্যতা প্রদান কৰিছে। তদুপৰি উপন্যাসখনৰ প্রধান চৰিত্র তিনিটা সূর্য, পদুম আৰু ফুল তিনিওকে প্রতীকধর্মী ৰূপত উপস্থাপন কৰিছে। ৰাতিপুৱা আকাশত সূর্যৰ আগমনে যেনেদৰে পদুম ফুলৰ সৌন্দর্যক

বিকাশিত কৰি মহিয়ান কৰি তোলে তেনেদৰে সূর্যাস্তৰে পদুমফুলৰ পাপৰিক ম্রিয়মান কৰি তোলে। পদুমফুলৰ পাহিৰোৰ পুনৰ জাপ খায় যায়। আকৌ তেনেদৰে জোনৰ জোনাকী পোহৰত ভেটফুলৰ প্রাণচঞ্চল যি বিকাশ হয়, চন্দ্রাস্তৰ লগে লগে ভেটফুল পুনৰ নিস্তেজ হৈ পৰে। কাহিনী, ঐতিহাসিক ঘটনাৰ বিৱৰণ, কৰুণ ৰস আদিৰে পৰিপূর্ণ উপন্যাসখন অসমীয়া সাহিত্যৰ এক আপুৰুগীয়া সম্পদ।

ব্যংগ আৰু হাস্যৰসাত্মক ৰচনা ঃ *কৃপাবৰ বৰবৰুৱা* ছদ্মনামেৰে বেজবৰুৱাই যি সমূহ সাহিত্য ৰচনা কৰিছে এই সমূহত ব্যক্তি জীৱন আৰু সমাজ জীৱনৰ দোষ আৰু দুর্বলতাক হাস্য ব্যংগৰ মাজেৰে সমালোচনা কৰিছে। তেওঁৰ ব্যংগ আৰু হাস্যৰসাত্মক ৰচনাবোৰ এনে ধৰণৰ—

- *কৃপাবৰ বৰুৱাক কাকতৰ টোপোলা*
- *কৃপাবৰ বৰুৱাৰ ওভতনি*
- *বৰবৰুৱাৰ বুলনি*
- *বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি (১ম ভাগ)*
- *বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি (২য় ভাগ)*
- *বৰবৰুৱাৰ চিন্তাৰ শিলগুটি*
- *বৰবৰুৱাৰ সাহিত্যিক ৰহস্য*
- *কৃপাবৰ বৰুৱাৰ সামৰণি*

*বাঁহী*ৰ বুকুত জন্ম হোৱা বেজবৰুৱাৰ এই ৰচনাসমূহে সেই সময়ৰ অসমীয়া সমাজখনৰ কু-সংস্কাৰকামী প্রথা, ৰীতি-নীতি তথা ভণ্ডামি, মিছা ভেম, অনুকৰণপ্রিয়তা, মিছা ধাৰণা তথা অজ্ঞতাৰ কৰাল গ্রাসত হাবু ডুবু খোৱা অসমীয়া জাতিটোক তীব্রভাবে হাস্য বংগৰ যোগেদি সমালোচনা কৰিছে। এই ৰচনাসমূহত সমকালীন সমাজ ব্যৱস্থাৰ বিভিন্ন ধৰণৰ ইতিবাচক আৰু নেতিবাচক দিশসমূহ বেজবৰুৱাই ধৰি ৰাখিবলৈ চেষ্টা কৰিছে। তদুপৰি কৃপাবৰী ৰচনাসমূহৰ বিষয়বস্তুৰ বিচিত্রতাই বেজবৰুৱাৰ দেশৰ জাতিৰ প্রতি থকা প্রেম আৰু উন্নতিৰ প্রতি থকা সংস্কাৰকামী মনোভাবৰে প্রতিফলন কৰে। হাস্য বংগৰ ছলেৰে সমাজৰ দোষ-ত্রুটিৰ সমালোচনা আৰু ইয়াৰ সংস্কাৰ সাধন কৰাই কৃপাবৰী ৰচনাসমূহৰ প্রধান লক্ষ্য আছিল।

জীৱনী আৰু তত্ত্বমূলক ৰচনা ঃ বেজবৰুৱাৰ সাহিত্য সম্ভাৰলৈ দৃষ্টি নিক্ষেপ কৰিলে দুটা স্পষ্ট দিশ দেখা পোৱা যায়। এটা হৈছে সমাজ সংস্কাৰধর্মী দিশ আৰু আনটো আধ্যাত্মিক বিষয়ক। এফালে তেওঁ যেনেদৰে হাস্যবংগ খুহুটীয়া সাহিত্যৰ ৰচনা কৰিছিল আনফালে তেওঁ তত্ত্বগধুৰ বিষয়বস্তুৰ ওপৰত ভিত্তি কৰিও বহুতো প্রবন্ধ ৰচনা কৰিছিল। এই সমূহৰ ওপৰিও আত্মজীৱনী আৰু জীৱনীমূলক গ্রন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভৰাল সমৃদ্ধ কৰি থৈ গৈছে। বেজবৰুৱাৰ আত্মজীৱনীমূলক গ্রন্থ *মোৰ জীৱন সোঁৱৰণ, বাঁহী* আলোচনীৰ দ্বাদশ বছৰৰ ষষ্ঠ সংখ্যাৰ পৰা চতুর্দশ বছৰৰ তৃতীয় সংখ্যালৈকে ধাৰাবাহিক ৰূপে প্রকাশ হৈছিল। ১৯৪৪ চনত গ্রন্থ ৰূপত ই প্রকাশ পায়।

বেজবৰুৱাৰ আত্মজীৱনীমূলক ৰচনাবোৰ এনে ধৰণৰ—

মোৰ জীৱন-সোঁৱৰণ, মোৰ মৃগয়া, মোৰ মাতৃমুখ দৰ্শন, বেজবৰুৱা দিনলেখা, বেজবৰুৱা পত্ৰলেখা। বেজবৰুৱাই ৰচনা কৰা জীৱনী আৰু জীৱনীমূলক ৰচনাবোৰ এনে ধৰণৰ—

ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ সংক্ষিপ্ত জীৱন চৰিত, পুৰুষোত্তম গজপতি, ভবানন্দ বা নাৰায়ণ ঠাকুৰ আতা, হেমকোষ ৰচোঁতা হেমচন্দ্ৰ বৰুৱাৰ আঁতি গুৰি, স্বৰ্গীয় লম্বোদৰ বৰা, হৰিভকত কমলাকান্ত ভট্টাচাৰ্য, স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী, পণ্ডিত হেমচন্দ্ৰ গোস্বামী; দেশবন্ধু চিত্তৰঞ্জন দাশ; ডাঙৰীয়া হৰিবিলাস আগৰৱালা; ঘনশ্যাম বৰুৱা, স্বৰ্গীয় ৰোহিণীকান্ত হাতীবৰুৱা, অনৰেবোল মাণিকচন্দ্ৰ বৰুৱা, কৰ্ণধাৰ নবীনচন্দ্ৰ বৰদলৈ, কমলেশ্বৰী দেৱী, বিশ্বকবি ডক্টৰ ঠাকুৰৰ পূৰ্বপুৰুষ, জয়মতী কুঁৱৰী, স্বৰ্গীয় বিশ্বনাথ বৰুৱা।

তত্ত্বমূলক গ্ৰন্থ ঃ লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যলৈ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ বৈষ্ণৱ ধৰ্মৰ আদৰ্শক ন ৰূপত দাঙি ধৰি ধৰ্মীয় তত্ত্বমূলক ৰচনা আগবঢ়াই থৈ গৈছে। তেওঁৰ তত্ত্বমূলক গ্ৰন্থ তথা ৰচনাৱলীসমূহ এনে ধৰণৰ—

- *শ্ৰীশ্ৰী শংকৰদেৱ (জীৱনী)*
- *মহাপুৰুষ শ্ৰী শংকৰদেৱ আৰু মাধৱদেৱ (জীৱনী)*
- *চৈতন্যদেৱ (জীৱনীমূলক)*
- *শ্ৰীকৃষ্ণ কথা*
- *তত্ত্ব কথা*
- *ৰাস লীলা*
- *ভক্তি মাৰ্গ*
- *Bhakti Marga, the path of Devotion and love (Part I)*
- *Bhakti Marga, the path of Devotion and love (Part II)* ইত্যাদি।

বেজবৰুৱাই *মহাপুৰুষ শ্ৰী শংকৰদেৱ আৰু শ্ৰী মাধৱদেৱ* শীৰ্ষক গ্ৰন্থখনত দুয়ো গৰাকী মহাপুৰুষৰ ঐতিহাসিক ভূমিকা তাৎপৰ্যপূৰ্ণভাৱে দাঙি ধৰাৰ লগতে আধুনিক দৃষ্টিভংগীৰে মহাপুৰুষ শংকৰদেৱৰ ধৰ্মীয় আদৰ্শ আৰু আধ্যাত্মিক দৃষ্টিভংগীক বিচাৰ বিশ্লেষণ কৰি নতুন ৰূপত প্ৰতিষ্ঠা কৰিছিল।

লক্ষ্মীনাথ বেজবৰুৱাই ওপৰত উল্লেখ কৰা এই সমূহ ৰচনাৰ উপৰিও ধৰ্মীয়, তত্ত্বমূলক বহুতো মূল্যবান ৰচনা লিখি থৈ গৈছে। লক্ষ্মীনাথ বেজবৰুৱা অসমৰ ঐতিহ্য, ভাষা, লোক-সাহিত্য, অসমীয়া ভাষাৰ স্বতন্ত্ৰতাৰ হকে বহুকেইটা মূল্যবান প্ৰবন্ধ লিখি থৈ গৈছে। ভাষা, সাহিত্য-সংস্কৃতিৰ সাধক লক্ষ্মীনাথ বেজবৰুৱাই সৃষ্টি কৰি থৈ যোৱা অসংখ্য ৰচনা আৰু সেইবোৰৰ প্ৰাসংগিকতাৰ বাবে আলোচকসকলে ১৮৯০ চনৰ পৰা ১৯৪০ চনলৈকে এই সময়ছোৱাক 'বেজবৰুৱা যুগ' বুলি অভিহিত কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য কৃতি সম্পর্কে আলোচনা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

.....

১.৫ লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৱলীৰ বৈশিষ্ট্য

*'জোনাকী'*ৰ যোগেদি সাহিত্যিক ব্যক্তিত্বৰ আত্মপ্রকাশ হোৱা লক্ষ্মীনাথ বেজবৰুৱা আধুনিক অসমীয়া সাহিত্যৰে প্রধান কাণ্ডাৰি নহয়, সমগ্র অসমীয়া জাতিৰ বৌদ্ধিক চেতনাৰ প্রাণ সঞ্চাৰকাৰী জাতীয় নায়ক স্বৰূপ। অসমীয়া জাতি, ভাষা, সাহিত্য আৰু সংস্কৃতিক নতুন ৰূপেৰে নির্মাণৰ সাধনাৰে ব্রতী হোৱা বেজবৰুৱাই গোটেই জীৱন সাহিত্যৰ ৰৰপথাৰখনত অসমীয়া জাতিৰ বিকাশৰ বাবেই বিবিধ সামাজিক দিশক বিষয়বস্তু হিচাপে লৈ সাহিত্য ৰচনা কৰি গ'ল। তেওঁৰ সমগ্র সাহিত্য পুথি, ৰচনা, প্রৱন্ধ আদিবোৰলৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁ গোটেই জীৱনজুৰি সৃষ্টি কৰা বিবিধ দিশৰ সাহিত্যত এনেকুৱা এক বিষয় নাই যিটো সামাজিক অথবা সময়ৰ পৰিপ্রেক্ষাত অপ্রাসংগিক। তেওঁৰ সমগ্র সৃষ্টিৰাজিৰ কিছুমান বিশেষ বৈশিষ্ট্যও বিচাৰ বিশ্লেষণ মজিয়ালৈ টানি আনিব পাৰি। বেজবৰুৱাৰ ৰচনাৱলীৰ বৈশিষ্ট্যপূর্ণ দিশবোৰ তলত আলোচনা কৰা হ'ল—

হাস্য-ব্যংগ ঃ ৰসপূর্ণ সাহিত্যই পাঠক সমাজক আনন্দ দিয়ে আৰু সেই আনন্দৰ বন্যা অৱধাৰিত ৰূপে পাঠক সমাজৰ মনত আলোড়ন সৃষ্টি কৰে। এনে সাহিত্যৰ গুণাগুণে সাহিত্যৰ সৃষ্টিৰ উদ্দেশ্যৰ স্থিতি সুস্থ আৰু সৱল কৰি তোলে। বহুমূখী প্রতিভাৰে উদ্ভাসিত বিচক্ষণতা আৰু কর্মদক্ষতাৰে পুষ্ট লক্ষ্মীনাথ বেজবৰুৱাৰ সৃষ্টিৰাজিত 'ৰস'ৰ প্রাণ উদ্দীপক চেতনা পোৱা যায়। তেওঁৰ সমগ্র ৰচনাৰাজিৰ ভিতৰত হাস্যৰস সৃষ্টি কৰা যি সমূহ গ্রন্থ অথবা প্রবন্ধ আছে সেইবোৰৰ বিষয়বস্তু লঘু প্রকৃতিৰ নাছিল। সমাজৰ বাস্তৱিক চৰিত্রসমূহক জনমানসত উদঙাই দেখুওৱা, দোষ-ত্রুটিসমূহ সমালোচনা কৰাই এই সাহিত্যবোৰৰ প্রধান উদ্দেশ্য আছিল। বেজবৰুৱাৰ সৃষ্টিৰ বিভিন্ন ধৰণে হাস্যৰস আৰু ব্যংগৰ সমাবেশ ঘটিছে। তেওঁ হাস্য-ব্যংগৰে সমাজৰ কু-সংস্কাৰবোৰ আঁতৰাই এখন নতুন সমাজ গঢ়াৰ চেষ্টা কৰিছিল। *লিতিকাই*নামৰ প্রহসনৰ যোগেদি সাহিত্যিক জীৱনৰ পাতনি মেলা বেজবৰুৱাৰ চুটিগল্প, প্রহসনমূলক নাটক, কৃপাবৰী ৰচনাবোৰত হাস্য-ব্যংগৰ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। হাস্য-ব্যংগৰ ৰসেৰে পৰিপূর্ণ *মলক গুহঁন গুহঁন, ভোকেন্দ্র বৰুৱা* আদি চুটিগল্পবোৰত ইংৰাজৰ পৰাধীন হৈও সেই সকলৰ আচৰণকে আকোৱালি লৈ নিজৰ সত্তাক বিসর্জন দিয়া এচাম অল্পশিক্ষিত মানুহৰ বহুৱালি আচৰণ প্রতিফলিত হৈছে। আকৌ কানিৰ কৰাল গ্রাসত সর্বশ্রান্ত হোৱা সমাজৰ চিত্রখন *ধোৱা খোৱা* গল্পৰ মাধ্যমেৰে কৰুণ হাস্যৰস সৃষ্টি কৰিছে।

আকৌ বেজবৰুৱা প্ৰহসন শ্ৰেণীৰ নাটক *লিতিকাই, নোমল, পাঁচনি, চিকৰপতি-নিকৰপতি* এই সমূহত কাহিনীৰ চিত্ৰায়ণতকৈ হাস্য-ব্যংগ, বিদ্ৰোপ আদিৰহে পয়োভৰ বেছি। ধেমেলীয়া নাটক কেইখনৰ লঘু বিষয়বস্তুক অতি ৰসালকৈ উপস্থাপন কৰাত নাটকৰ কাহিনীয়ে দৰ্শক শ্ৰোতাৰ মাজত হাঁহিৰ জোৱাৰ তুলিবলৈ সক্ষম হৈছে।

'কৃপাবৰ বৰবৰুৱা' ছদ্মনামেৰে যি সমূহ সাহিত্য তেওঁ ৰচনা কৰিছিল সেই সমূহত কুৰি শতিকাৰ অসমীয়া সমাজৰ বিভিন্ন দিশৰ সমস্যাৰাজিক হাস্য-ব্যংগ ৰসেৰে তুলি ধৰিবলৈ প্ৰয়াস কৰিছে।

জাতীয়তাবোধ ঃ লক্ষ্মীনাথ বেজবৰুৱাই অতি সৰুকালৰে পৰা ঘৰুৱা পৰিবেশত জাতীয় সত্তাৰ শিক্ষা পাইছিল। তেওঁৰ প্ৰায়বোৰ লেখনিতে জাতীয়তাবোধৰ নিদৰ্শন পোৱা যায়। যদিও কলিকতাত থাকি লক্ষ্মীনাথ বেজবৰুৱাই পাশ্চাত্য শিক্ষাৰে শিক্ষিত হৈছিল, তেওঁৰ অন্তৰত সন্তৰ্পণে শুই থকা জাতীয় সত্তাটোৰ মৃত্যু হোৱা নাছিল। বৰং পাশ্চাত্য শিক্ষাই এই সত্তাক সাৰ পানীহে যোগান ধৰিলে। অসমীয়া জাতি, ভাষা সংস্কৃতিক ভাল পোৱাৰ স্বাৰ্থতেই বেজবৰুৱাই আধুনিক আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰে ভাষা-সাহিত্য-সংস্কৃতিক নতুন ৰূপত সজাই তোলাৰ চেষ্টা কৰিলে। অসমীয়া জাতীয় সত্তাৰ ধাৰণা তথা অসমীয়া বৌদ্ধিক সমাজত লক্ষ্মীনাথ বেজবৰুৱাই জাতীয়তাবোধৰ নৱ উন্মেষ ঘটাইছিল। তেওঁৰ অমৰ সৃষ্টি 'অ' মোৰ আপোনাৰ দেশ', 'অসম সংগীত', 'কদমকলি', 'পদুমকুঁৱৰী', চুটিগল্পৰ সংকলনসমূহ, নাটক, কৃপাবৰী ৰচনা, মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱ বিষয়ক গ্ৰন্থ— এই সমূহত জাতীয়তাবাদী চেতনাসমূহ অতি সচেতনতাৰে প্ৰকাশ কৰিছে। তেওঁ এই চেতনাক হাস্য-ব্যংগ অথবা গহীন ভাব ভংগীৰে ফুটাই তুলিবলৈ সক্ষম হৈছে। *জোনাকী* আলোচনীৰ আৰম্ভণিৰে পৰা *বাঁহী*লৈকে প্ৰায় অৰ্থশতিকা কাল অসমীয়া জাতীয় সত্তাৰ পুনৰ নিৰ্মাণৰ বাবে বেজবৰুৱাই অতি শক্তিশালী ৰচনা সৃষ্টি কৰিছিল।

সমাজ-সংস্কাৰ ঃ জাতীয় চেতনাৰে উদ্বুদ্ধ লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাবোৰত সমাজ সংস্কাৰৰ এক তীব্ৰ চেতনা দেখা পোৱা যায়। কৃপাবৰী ৰচনা, চুটিগল্প প্ৰায়বোৰতে সমাজ সংস্কাৰৰ নিদৰ্শন দেখা যায়। তেওঁ সমাজৰ পৰম্পৰাগত ৰীতি-নীতি, কু-সংস্কাৰ, শোষণ, মিছা অহংকাৰ, মিছা ভেম আদিবোৰক ব্যংগ বাণেৰে তীব্ৰ সমালোচনা কৰাৰ লগতে সমাজৰ সু সংস্কাৰৰ বাবে অহোপুৰুষাৰ্থ চেষ্টাত কৰা দেখা যায়। তেওঁৰ গল্প আৰু কৃপাবৰী ৰচনাত এনে সংস্কাৰকামী দৃষ্টিভংগী পৰিলক্ষিত হয়।

নাৰী মনৰ বিচিত্ৰতাৰ চিত্ৰণ ঃ বেজবৰুৱাৰ ৰচনাৱলীত নাৰীৰ মনস্তাত্বিক দিশসমূহৰ এখন চিত্ৰ দেখা পোৱা যায়। তেওঁ নাৰী চৰিত্ৰসমূহক অতি সংবেদনশীলতাৰে প্ৰকাশ কৰিছে। তেওঁৰ ৰচনাত নাৰীৰ মহিমা, ত্যাগ, সাহসিকতা, সৰলতা, উপস্থিত বুদ্ধি, সহলশীলতা আদি গুণবোৰ পৰিস্ফুট কৰি তুলিছে। বেজবৰুৱা চুটিগল্প *জয়ন্তী সেউজী, ভদৰী, পাতমুগী* আদিত নাৰীৰ বিচিত্ৰ মনস্তাত্বিক দিশবোৰ ফুটি উঠিছে। ঐতিহাসিক নাটক *জয়মতীত* 'জয়মতী' আৰু 'ডালিমী'ৰ চৰিত্ৰ চিত্ৰায়নত নাৰীৰ মৰ্যাদা আৰু নাৰীমনৰ ভাবনাক অতি সাহসিকতাৰে উপস্থাপন কৰিছে। আকৌ *পদুম কুঁৱৰী* উপন্যাসখনত *পদুম* আৰু *ফুলৰ* চৰিত্ৰক কাৰুণ্য আৰু ত্যাগৰ

আদর্শেৰে জিলিকাই তুলিছে। নৰীৰ শোষণ, লাঞ্ছনা, প্ৰৱঞ্চনা আদি দিশবোৰো তেওঁৰ চুটি গল্প *'কাশীবাসী', 'পাতমুগী'* আদিত প্ৰকাশ পাইছে।

গ্ৰাম্য চিত্ৰ ঃ বেজবৰুৱাই চুটিগল্প, নাটক, কৃপাবৰী ৰচনা, সাধু এইবোৰত অসমীয়া সমাজৰ একোখন নিখুঁত গাঁৱৰ চিত্ৰ বাস্তৱ ৰূপত দেখা পোৱা যায়। চুটিগল্প *মুক্তি, পাতমুগী, ভুৰুকী বৌ* ইত্যাদি, নাটক *লিটিকাই, নোমল, পাচনি, বুঢ়ী আইৰ সাধু* ইত্যাদিত অসমীয়া গাঁৱৰ ছবি ফুটি উঠিছে।


আধ্যাত্মিক চেতনা ঃ লক্ষ্মীনাথ বেজবৰুৱাই কেইবাখনো আধ্যাত্মিক চেতনাযুক্ত গ্ৰন্থ তত্ত্ব বিষয়ক বিবিধ প্ৰবন্ধ ৰচনা কৰিছিল। *শ্ৰীশ্ৰী শংকৰদেৱ, মহাপুৰুষ শ্ৰীশংকৰদেৱ* আৰু *শ্ৰীমাধৱদেৱ, চৈতন্যদেৱ,* শীৰ্ষক পুথিত বৈষ্ণৱ ধৰ্মৰ নীতি আদর্শ তথা মহাপুৰুষ দুজনৰ জীৱন-কৃতিক আধুনিক দৃষ্টিৰে বিচাৰ বিশ্লেষণ কৰাৰ ওপৰিও অসমীয়া সমাজত দুয়োজন গুৰুক নতুন ৰূপেৰে প্ৰতিষ্ঠা কৰিছিল।

তদুপৰি নতুন প্ৰজন্মৰ বাবে আধ্যাত্মিক শিক্ষা সম্বলিত বিবিধ ৰচনা যেনে ভগৱৎ কথা, ধৰ্ম তত্ত্ব, ঈশ্বৰ তত্ত্ব আদিত তেওঁৰ গভীৰ দৃষ্টি, বৈষ্ণৱ সাহিত্যৰাজিৰ গৱেষণাধৰ্মী অধ্যয়ন, গধূৰ ভাৱ বিশিষ্ট চেতনা দেখিবলৈ পোৱা যায়।

মানৱতাবাদ ঃ উদাৰনৈতিক দৃষ্টিভংগী আৰু মানৱতাৰ জয়গান তেওঁৰ লেখনিৰ এটা অন্যতম বৈশিষ্ট্য। বেজবৰুৱাৰ কিছুমান কবিতা, গল্প, নাটক অথবা তেওঁৰ কৃপাবৰী ৰচনাত মানুহৰ সুখ-দুখ, আশা-আকাংক্ষা, ব্যথা-বেদনা, হা-হতাশা আদিবোৰক সংবেদনশীলতাৰে মানৱতাবোধৰ এখন চিত্ৰ দাঙি ধৰিছে। *বীণ বৰাগী, ৰতনীৰ বেজাৰ* আদি কবিতা, *বাপিৰাম, লম্বোদৰ ডেকা, জাতিৰামৰ জাত, জলকুঁৱৰী, নকওঁ, কাশিবাসী, ভদৰী* আদি গল্প, উপন্যাস *পদুমকুঁৱৰীত পদুম আৰু ফুলৰ চৰিত্ৰ, জয়মতী কুঁৱৰী* নাটকত *ডালিমী* চৰিত্ৰ আদিবোৰত ভাস্বৰ হৈ উঠিছে মানৱতাবোধৰ এক সুন্দৰ নিদর্শন।

গদ্যশৈলী ঃ বেজবৰুৱাদেৱৰ সমগ্ৰ ৰচনাসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁৰ গদ্যশৈলীৰ একে বৈশিষ্ট্য সকলোতে বিদ্যমান। তেওঁ গহীন তত্ত্বমূলক ৰচনাবোৰত ভাষাৰ লালিত্য, প্ৰকাশভংগীৰ ক্ষেত্ৰত যেনেদৰে সচেতনা দেখা পোৱা যায়, একেদৰে হাস্য ব্যংগ ৰচনাৱলী, উপন্যাস, গল্প আদিবোৰতো একেই সতর্কতা দেখিবলৈ পোৱা যায়। সততে তেওঁৰ গদ্যৰীতি নিভাঁজ জতুৱা শব্দ, ঘৰুৱা ফঁকৰা যোজনা, প্ৰৱচন-পটন্তৰ, খণ্ডবাক্য, উপমা, অলংকাৰ আদি প্ৰয়োগ কৰি ভাষা ৰীতি অধিক মাধূর্যময় কৰি তোলা দেখা যায়। বিষয়বস্তুৰ লগত সংগতি ৰাখি প্ৰকাশভংগীৰ আকর্ষণীয়তা, বৈশিষ্ট্যপূর্ণ ভাষাৰীতি আৰু উপস্থাপনৰ কৌশল তেওঁৰ গদ্যৰীতিৰ এক ব্যতিক্ৰমী ৰূপ। আকৌ ৰচনাসমূহত ঠায়ে ঠায়ে ইংৰাজী, হিন্দী, সংস্কৃত শব্দৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। অৱশ্যে এনে শব্দ প্ৰয়োগৰ কৌশলে বিষয়বস্তুক সঠিক উপস্থাপন আৰু পাঠকৰ উপলব্ধিৰ ক্ষেত্ৰত সহায়কহে হয়। আকৌ বিষয়বস্তুৰ গুৰুত্বৰ ওপৰত ভিত্তি কৰি উপযুক্ত বাক্য শৈলী প্ৰয়োগ ৰচনাৱলীৰ এটা বিশেষ বৈশিষ্ট্য। প্ৰয়োজন অনুসৰি সৰল, জটিল,

যৌগিক আদি বাক্যৰ প্ৰয়োগৰ লগতে চুটি, দীঘল বাক্যৰ ব্যৱহাৰে ভাববস্তুক অতি সৰল ৰূপত উপস্থাপন কৰাত তেওঁ সিদ্ধহস্ত আছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ বেজবৰুৱাৰ সাহিত্য কৃতিৰ প্ৰধান বৈশিষ্ট্যসমূহৰ চমু আভাস দিয়ক।

.....

১.৬ অসমীয়া সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাৰ স্থান

অসমীয়া ভাষা, সংস্কৃতি, জাতি গঠনৰ ভূমিকাত মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱে যি বৰঙণি আগবঢ়াই থৈ গ'ল, কালৰ কুটিল পৰিক্ৰমাত এইসমূহ পুনৰ নিঃচ্ছিন্ন হোৱাৰ পথতে লক্ষ্মীনাথ বেজবৰুৱাই পুনৰ ঠন ধৰাই তুলিছিল। সময়ৰ গতিশীল পাকচক্ৰত অসমীয়া ভাষাৰ দুৰ্যোগৰ সময়তে কেইগৰাকীমান উদাৰপ্ৰাণ খ্ৰীষ্টিয়ান মিছনেৰীৰ চেষ্টাত আৰু আনন্দৰাম ঢেকীয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদি অসমৰ সুযোগ্য সন্তানৰ নেতৃত্বত অসমীয়া ভাষাৰ পুনৰ উত্থান হ'বলৈ ধৰে। এই সকলৰ আশা-আকাংক্ষাৰ বাটত চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত আৰম্ভ হোৱা *জোনাকীয়ে* সোণালী দলিচা পাৰি দিয়ে। *জোনাকীত* নৱ চেতনাৰ উন্মেষে আধুনিক অসমীয়া সাহিত্যক বৈচিত্ৰ্যপূৰ্ণ সাহিত্য সম্ভাৰেৰে জীপাল কৰি পাশ্চাত্য সাহিত্যৰ লগত নতুন পৰিচয় কৰি দিলে। *জোনাকীয়ে* সৃষ্টি কৰিলে 'ৰোমান্তিক যুগ' ৰ দৰে নব্য ধাৰা। *জোনাকীৰ* বুকুত লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্যৰ পাতনি মেলি উনবিংশ শতিকাৰ শেষ দশকৰ পৰা বিংশ শতিকাৰ ত্ৰিশৰ দশকলৈ সমগ্ৰ সময়খিনি একছত্ৰী সম্ৰাটৰ দৰে লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্যৰ প্ৰধান জুমুঠিটোক দৃঢ়তাৰে ধৰি ৰাখিছিল। *জোনাকীয়ে* সৃষ্টি কৰা অসমীয়া সাহিত্যৰ যি নৱ উন্মেষিত যুগ বুলি পৰিচিত হৈছে তাৰে সিংহভাগ বৰঙণি বেজবৰুৱাৰ ৰচনাৱলীয়ে অধিকাৰ কৰি আছে।

অসমীয়া সাহিত্যত বেজবৰুৱাৰ স্থান নিৰ্ণয় কৰোঁতে সেই সময়ৰ অসমীয়া ভাষাৰ দুৰ্যোগপূৰ্ণ পৰিস্থিতিলৈ উভতি যাব লাগিব। কুখ্যাত ইয়াণ্ডাবু সন্ধিয়ে অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক তথা সামাজিক ব্যৱস্থাকে ধ্বংস কৰি দিয়া নাছিল, ইয়াৰ লগতে ইংৰাজৰ আগমনে অসমীয়া ভাষালৈকো সংকটপূৰ্ণ অৱস্থাৰ সৃষ্টি কৰিছিল। কুটিল ৰাজনৈতিক ষড়যন্ত্ৰত অসমত বাংলা ভাষাৰ প্ৰচলনে অসমীয়া জনসমাজলৈ ভাবুকিৰ সৃষ্টি কৰিছিল। কিন্তু সেইসময়ত কেইগৰাকীমান উদাৰমনা বেপ্তিষ্ট মিছনাৰীৰ সহযোগত অসমীয়া ভাষাৰ ঐতিহ্যক স্বকীয়তাৰে ধৰি ৰখাৰ আপ্ৰাণ চেষ্টা কৰিলে। এই মিছনেৰীসকলৰ ভূমিকা অসমৰ জাতীয় জীৱনত চিৰস্মৰণীয় হৈ ৰ'ব। ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈকে বাংলা ভাষাৰ দৌৰাত্ম্য আৰু অসমীয়া ভাষাক বিদ্ৰূপ কৰি আক্ৰমণাত্মক সমালোচনা কৰি কিছুমান প্ৰবন্ধ বাংলাভাষী আলোচনী

প্রবাসী, মৃন্ময়ী আদিত প্রকাশ পাইছিল। কিন্তু কলিকতাত উচ্চশিক্ষা লাভ কৰি থকা প্রবাসী অসমীয়া ছাত্রৰ জাতীয়তাবোধৰ সন্মিলিত চেষ্টাত জন্ম হোৱা *জোনাকী* আৰু পিছলৈ *বাঁহীত* লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া ভাষা, সাহিত্য সম্পর্কে এলানী তথ্যপূর্ণ প্রবন্ধ ৰচনা কৰি অসমীয়া বিৰোধী ষড়যন্ত্রকাৰীসমূহক উচিত প্রত্যুত্তৰ দিছিল। অসমীয়া ভাষাৰ স্বকীয়তা, ঐতিহ্য, প্রাচীনতা আৰু বিকাশৰ দীঘলীয়া পৰিক্রমাৰ বিষয়ে *জোনাকী* আৰু *বাঁহী* আলোচনীত গৱেষণাধর্মী কিছুমান প্রবন্ধ ৰচনা কৰি বেজবৰুৱাই অসমীয়া ভাষা-সাহিত্যৰ দৃঢ়তাপূর্ণ স্থান নির্ণয় কৰি থৈ গৈছে।

বেজবৰুৱাৰ হৃদয়ত জাতিৰ প্রতি থকা দায়িত্ববোধ, ভাষাৰ প্রতি থকা উচিত মর্যাদাৰ কেতিয়াও হীন দেৰি হোৱা নাছিল। দেশাত্মবোধ, জাতীয়তাবোধ, সংস্কাৰমুখী, ভাবধাৰা, আত্মমর্যাদা আদি বেজবৰুৱাৰ মজ্জাগত বৈশিষ্ট্য আছিল। সেয়েহে তেওঁ কলিকতাত উচ্চ শিক্ষা লাভ কৰিবলৈ গৈ পাশ্চাত্য সাহিত্যৰ বহল ক্ষেত্রখনৰ লগত পৰিচিত হৈও অসমীয়া ভাষা সাহিত্যৰ উত্তৰণৰ বাবে সমগ্র জীৱন উচর্গা কৰি থৈ গ'ল। ভাষা সাহিত্যৰ উত্তৰণৰ বাবেই কলিকতাৰ প্রবাসী ছাত্রসকল চন্দ্রকুমাৰ আগৰৱালা, হেমচন্দ্র গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা প্রমুখে অসমীয়া ছাত্র সকলৰ প্রচেষ্টাত ১৮৮৮ চনত 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা' গঠন কৰে। এই সভাৰ মুখপত্রৰূপে ১৮৮৯ চনত *জোনাকী* আলোচনীখন চন্দ্রকুমাৰ আগৰৱালাৰ সম্পাদনাত প্রকাশ হয়। *জোনাকীয়ে* অসমীয়া সাহিত্যত এক নতুন যুগৰ সৃষ্টি কৰিছিল। *লিতিকাইৰে* সাহিত্যিক জীৱনৰ পাতনি মেলা লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া ভাষা-সাহিত্যলৈ বর্ণাঢ্য বিষয়ক ৰচনা উপহাৰ দিলে।

বেজবৰুৱাৰ হাস্য ব্যংগৰ ৰচনাবোৰে পাঠকক আনন্দ প্রদানৰ লগতে সমাজ, ব্যক্তি, পৰম্পৰা, কু-সংস্কাৰ আদি দিশবোৰকো গভীৰভাবে আলোড়িত কৰে। বেজবৰুৱাৰ হাস্য-ব্যংগ ৰচনাৰাজিৰ ক্ষেত্রত তেওঁক প্রতিদ্বন্দ্বিতা কৰা দ্বিতীয়জন ব্যক্তি আজিলৈকে নাই। হাস্য ব্যংগমূলক 'কৃপাবৰী' ৰচনাসমূহ তেওঁৰ উৎকৃষ্ট ব্যংগ ৰচনা। এইবোৰৰ ওপৰিও চুটিগল্প, প্রহসন নাটকবোৰতো হাস্য ব্যংগৰ দিশটো পৰিস্ফুট হৈছে। হাস্য ব্যংগৰ চলেৰে সমাজৰ ভণ্ডামি, মিথ্যাচাৰ, কু-সংস্কাৰ, মিছা ভেম, অনুকৰণপ্রিয়তাৰ দৰে অসমীয়া সমাজৰ বদ আচৰণবোৰক লক্ষ্য কৰি উপহাস, বিদ্রোপ কৰিছিল। সমাজৰ কু-সংস্কাৰকামী দিশবোৰ তীব্র সমালোচনা কৰি সুস্থ সমাজ গঢ় দিয়াৰ বাবে তেওঁ চেষ্টা কৰিছিল।

অসমীয়া সাহিত্যত পাশ্চাত্য সাহিত্যৰ ধাৰা প্রবাহিত কৰি অসম আৰু অসমীয়া সমাজৰ পটভূমিত সৃষ্টি কৰা নব্য ধাৰাৰ অসমীয়া সাহিত্যৰ বাটকটীয়া স্বৰূপ লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া চুটিগল্পৰ জন্মদাতা তথা ৰোমান্তিক সাহিত্যৰো উন্মেষক। চুটিগল্প, উপন্যাস, আধুনিক নাটক, আধুনিক কবিতা পাশ্চাত্য সাহিত্যৰ অৱদান। বেজবৰুৱাৰ চুটিগল্পবোৰ ইউৰোপীয় সাহিত্যৰ প্রভাৱৰ দ্বাৰা পৰিপুষ্ট যদিও তেওঁৰ গল্পত অসমীয়া সাধুকথাৰ প্রভাৱ পৰা দেখা যায়। গল্পসমূহে সমকালীন সমাজক প্রতিনিধিত্ব কৰিছে যদিও সাধুৰ মায়াজালৰ পৰিবেষ্টনীত বান্ধ খোৱা তেওঁৰ গল্পৰ পৰিধি বহল। তদুপৰি গল্পৰ বিষয়বস্তুৰে সমাজৰ বিভিন্ন দিশৰ সমস্যাক উদঙাই দিবলৈও

চেষ্টা কৰা দেখা যায়। বেজবৰুৱাই চুটিগল্পবোৰক 'সাধুকথা'হে নাম দিছিল। *'ধোৱা খোৱা', 'বাপিৰাম', মুক্তি, ভদৰী* আদিবোৰ উল্লেখযোগ্য চুটিগল্প।

বেজবৰুৱাৰ গদ্য ৰচনাবোৰ সমগ্র অসমীয়া সাহিত্যৰে উৎকৃষ্ট ৰচনা। *'মোৰ জীৱন সোঁৱৰণ' মহাপুৰুষ শ্রীশংকৰদেৱ* আৰু *শ্রীমাধৱদেৱ জীৱনীমূলক* আৰু তত্ত্বমূলক বিভিন্ন প্রৱন্ধ আদি অসমীয়া গদ্য সাহিত্যৰ উল্লেখযোগ্য নিদর্শন। *মোৰ জীৱন সোঁৱৰণ* আত্মজীৱনীমূলক গ্রন্থখন গদ্য সাহিত্যৰে উৎকৃষ্ট নিদর্শন নহয়, ৰৱঞ্চ সমকালীন অসমীয়া সমাজৰো এক দলিল স্ৱৰূপ। তেওঁৰ গদ্যশৈলী স্বকীয় বৈশিষ্ট্যৰে পৰিপূর্ণ। সহজ সৰল ঘৰুৱা শব্দৰ ব্যৱহাৰ, বাক্য ৰীতিৰ পৰিপক্কতা, উপযুক্ত উপমা অলংকাৰৰ প্রয়োগ, হাস্য ব্যংগৰ সমাহাৰে গদ্যৰীতিক অনন্য মাত্রা প্রদান কৰিছে। সুগভীৰ স্বদেশানুৰাগ জাতীয়তাবোধৰ চেতনা তেওঁৰ প্রতিটো ৰচনাতে বিদ্যমান। জাতীয়তাবোধৰ ভাৱৰাশিৰে পৰিপুষ্ট বেজবৰুৱাৰ লেখনিত সমাজ, জাতি, ব্যক্তিৰ উত্তৰণৰ বাবে অনুপ্রেৰণামূলক চিন্তা আৰু চেতনাৰ উন্মেষক বিষয়বস্তু দেখা যায়।

বেজবৰুৱা অসমীয়া লোকসাহিত্যৰ সংৰক্ষণৰ ক্ষেত্রত পথপ্রদর্শক ৰূপ। অসমৰ মৌখিক সাহিত্য লোক সাধুৰ প্রথম সংগ্রাহক আৰু সংকলক। তেওঁৰ প্রচেষ্টাতে *বুঢ়ী আইৰ সাধু* সংকলন, *ককাদেউতা আৰু নাতিল'ৰা, জুনুকা* আদি সাধু পুথিবোৰ প্রকাশ পায়। এই সমূহ শিশুসকলৰে উপযোগী নহয়, সমাজৰ সৰু বৰ সকলোৰে বাবে উপযোগী সাধুৰ সংকলন।

লিতিকাই প্রহসন নাটকেৰে নাট্য সাহিত্যত নৱ সংযোজন কৰা *পাচনি, নোমল, চিকৰপতি নিকৰপতি আৰু চক্রধ্বজ সিংহ, জয়মতি কুঁৱৰী, বেলিমাৰ* আদি ঐতিহাসিক নাটক সমূহে অসমীয়া নাট্য সাহিত্যলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াই থৈ গৈছে।

বেজবৰুৱাৰ মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱনী ৰচনাসমূহৰ সামাজিক প্রভাৱ অন্যতম। তেওঁ মহাপুৰুষ দুজনাৰ জীৱন পৰিক্রমাক বিশ্লেষণ কৰাৰ লগতে নৱবৈষ্ণৱ ধর্ম ধাৰাক আধুনিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰি ন ৰূপেৰে প্রতিষ্ঠা কৰি থৈ গৈছে। মহাপুৰুষ দুজনাৰ ধর্মীয় দর্শন আৰু সামাজিক চেতনাই বেজবৰুৱাক গভীৰভাৱে অনুপ্রাণিত কৰিছিল। সেয়েহে তেওঁ শংকৰদেৱৰ ধর্ম আৰু দর্শন সহজ সৰল ব্যাখ্যাৰে অসমীয়া জাতিৰ ভেটি শক্তিশালী ৰূপত প্রতিষ্ঠা কৰাৰ চেষ্টা কৰিছিল।

লক্ষ্মীনাথ বেজবৰুৱাৰ *কদমকলি* আৰু *পদুমকলিত* সন্নিৱিষ্ট হোৱা কবিতাবোৰ জাতীয় চেতনা সংপৃক্ত হোৱাৰ লগতে দেশপ্রেম, ঐতিহ্য প্রীতিৰ সমলৰে সমৃদ্ধ হৈছে। *কদমকলিত* সন্নিৱিষ্ট হোৱা *বীণ-বৰাগী, প্রিয়তমাৰ সৌন্দর্য, ধনবৰ আৰু ৰতনী,* স্বদেশ প্রেমমূলক অমৰ সৃষ্টি *'অ' মোৰ আপোনাৰ দেশ',* লোক গীতৰ আধাৰত ৰচিত কবিতা, গীতসমূহত বেজবৰুৱাৰ মৌলিকত্ব আৰু অসমীয়া সমাজৰ প্রতিনিধিত্ব দেখা পোৱা যায়। কবি ৱর্ডছৱর্থ, শ্বেলী, নাট্যকাৰ শ্বেইক্সপীয়েৰ, বাংলা সাহিত্য দ্বাৰা প্রভাৱিত লক্ষ্মীনাথ বেজবৰুৱাৰ সৃষ্টিসমূহত স্থানীয় সমাজৰ উপাদানৰ সমন্বয়ত গঢ়ি উঠা নৱ চেতনাৰ উন্মেষ দেখা পাওঁ।

জোনাকী, বাঁহী আলোচনীৰ গুৰি ধৰোঁতা লক্ষ্মীনাথ বেজবৰুৱাৰ মহৎ সৃষ্টিৰাজিক

ইমান কম পৰিধিৰ মাজত আলোচনা কৰাতো অসম্ভৱ বিষয়। অসমীয়া সাহিত্যৰ এনে এটা ভাগ নাই য'ত বেজবৰুৱাক উপেক্ষা কৰি আলোচনা কৰিব পাৰি। তেওঁৰ কবিতা, গীত, নাটক, চুটিগল্প, উপন্যাস, আত্মজীৱনী, জীৱনী, আলোচনামূলক প্ৰবন্ধ, সমালোচনা, অনুবাদ, ইংৰাজী সাহিত্য, তত্ত্বমূলক ৰচনা, হাস্য ব্যংগৰ ৰচনা, সাধুকথা আদিবোৰে অসমীয়া সাহিত্যক ন ৰূপেৰে ন দীপ্তিৰে প্ৰতিষ্ঠা কৰিলে। অসমীয়া ভাষা সাহিত্যলৈ তেওঁৰ যি অৱদান অসমীয়া সাহিত্যক নতুন গতিপথ প্ৰদান কৰাৰ লগতে অসমীয়া ভাষাৰ বিভেদকামী শক্তিবোৰকো নিঃশেষ কৰি দিছিল। বেজবৰুৱাৰ সৃষ্টি কৰ্মই আধুনিক অসমীয়া সাহিত্যৰ বহল ক্ষেত্ৰখনত যি 'বেজবৰুৱা যুগ'ৰ সৃষ্টি কৰিলে সেই স্থান আজিকোপতি দ্বিতীয়জন প্ৰতিদ্বন্দ্বী ওলোৱা নাই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনলৈ বেজবৰুৱাৰ অৱদানৰ বিষয়ে লিখক।

.....



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত আমি লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱনীৰ বিষয়ে আলোচনা কৰিলো।
- লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ মহৎ সৃষ্টিসমূহৰ মাধ্যমেদি কি কি দিশত অসমীয়া সাহিত্য বৰ ভেটি তৈয়াৰ কৰি থৈ গৈছে সেই বিষয়ে আভাস পালো।
- লক্ষ্মীনাথ বেজবৰুৱাৰ মহৎ সৃষ্টিসমূহ কেনেদৰে বিচিত্ৰ বৈশিষ্ট্যৰে অসমীয়া সাহিত্যক নতুন দিগন্তৰ পথ সূচাইছিল এই আলোচনাৰ পৰা সেই কথাৰ ধাৰণা লাভ কৰাত আমাক সহায় কৰিলে।
- অসমীয়া ভাষা সাহিত্যৰ দুৰ্যোগপূৰ্ণ পৰিস্থিতিক লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৱলীয়ে কেনেদৰে উদ্ধাৰ কৰিলে আৰু তেওঁৰ ৰচনাৱলীয়ে কেনেদৰে এটা যুগৰ সৃষ্টি কৰিলে তাৰ সন্ধেদ এই আলোচনাই দিলে।



১.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) তামুলী, লক্ষ্মীনাথ (২০০৩); লক্ষ্মীনাথ বেজবৰুৱা; গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

২) নাথ, ডাঃ প্রফুল্ল কুমাৰ (২০১৪); অসমীয়া নাটক ঃ বিচাৰ আৰু বিশ্লেষণ; গুৱাহাটী ঃ বান্ধৱ।

৩) নেওগ, মহেশ্বৰ (২০১৩); অসমীয়া সাহিত্যৰ ৰূপৰেখা; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪) শইকীয়া, নগেন (সম্পা.) (২০১০); বেজবৰুৱা ৰচনাৱলী (প্রথম খণ্ড), গুৱাহাটী ঃ বনলতা।

৫) শইকীয়া, নগেন (সম্পা.) (২০১০); বেজবৰুৱা ৰচনাৱলী (দ্বিতীয় খণ্ড), গুৱাহাটী ঃ বনলতা।

৬) শইকীয়া, নগেন (সম্পা.) (২০১০); বেজবৰুৱা ৰচনাৱলী (তৃতীয় খণ্ড), গুৱাহাটী ঃ বনলতা।

৭) শইকীয়া, নগেন (সম্পা.) (২০১০); বেজবৰুৱা ৰচনাৱলী (চতুর্থ খণ্ড), গুৱাহাটী ঃ বনলতা।

৮) শইকীয়া, নগেন (সম্পা.) (২০১০); বেজবৰুৱা ৰচনাৱলী (পঞ্চম খণ্ড), গুৱাহাটী ঃ বনলতা।

৯) শইকীয়া, নগেন (সম্পা.) (২০১০); বেজবৰুৱা ৰচনাৱলী (ষষ্ঠ খণ্ড), গুৱাহাটী ঃ বনলতা।

১০) শর্মা, সত্যেন্দ্রনাথ (২০১১); অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, গুৱাহাটীঃ সৌমাৰ প্রকাশ।

১১) হাজৰিকা, অতুলচন্দ্র (২০১৪); বেজবৰুৱা-গ্রন্থাৱলী (দ্বিতীয় খণ্ড), গুৱাহাটীঃ সাহিত্য প্রকাশ।

১.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম.....পিতৃপৰিচয়.....শৈশৱকাল.....শিক্ষা জীৱন.....কর্মজীৱন.....সাহিত্যকৃতি.....তেওঁৰ মৃত্যু।

২নং প্রশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিচয় আৰু *জোনাকী* পাতত আৰম্ভ কৰা সাহিত্যিক জীৱন, কবিতা, নাটক, কৃপাবৰী ৰচনা.....চুটিগল্প.....আত্মজীৱনী আৰু জীৱনী.....উপন্যাস.....সাধুকথা.....বিভিন্ন প্রৱন্ধ.....'বাঁহী'ৰ জন্ম.....সাহিত্য সন্মিলন.....সাহিত্য সভাৰ সভাপতি.....সাহিত্যৰথী আৰু ৰসৰাজ উপাধি প্রদান।

৩নং প্রশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ চমু পৰিচয়.....সাহিত্য কৃতিৰ চমু আভাস..... ৰচনাৱলীৰ প্রধান দিশসমূহৰ আলোচনা।

৪নং প্রশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ চমু পৰিচয়.....সাহিত্যকৃতিৰ চমু আভাস.....আধুনিক

অসমীয়া সাহিত্যৰ আৰম্ভণি.....জোনাকীৰ জন্ম আৰু অৱদান.....লক্ষ্মীনাথ বেজবৰুৱাৰ সৃষ্টিৰাজিৰ চমু বিশ্লেষণ।



১.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু কৃতিৰ আলোচনাসহ ব্যক্তি হিচাপে লক্ষ্মীনাথ বেজবৰুৱাক মূল্যায়ন কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া সাহিত্যত 'বেজবৰুৱা যুগ'ৰ মূল্যায়ন কৰক।

প্ৰশ্ন ৩ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য কৃতিত হাস্যব্যংগ ৰচনাৱলীৰ সামাজিক তাৎপৰ্য বিশ্লেষণ কৰক।

প্ৰশ্ন ৪ ঃ বেজবৰুৱাৰ ৰচনাৱলীত জাতীয়তাবোধ কেনেদৰে প্ৰতিফলিত হৈছে লিখক।

প্ৰশ্ন ৫ ঃ বেজবৰুৱাৰ নাটকসমূহৰ সামাজিক প্ৰাসংগিকতা বিশ্লেষণ কৰক।

প্ৰশ্ন ৬ ঃ বেজবৰুৱাৰ উপন্যাস *'পদুম কুঁৱৰী'ক* আধুনিক উপন্যাসৰ দৃষ্টিভংগীৰে বিশ্লেষণ কৰক।

প্ৰশ্ন ৭ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পসমূহত আধুনিক চুটিগল্পৰ বৈশিষ্ট্য কেনেদৰে ফুটি উঠিছে আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৮ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাপুথি দুখনৰ কবিতাবোৰৰ কাব্যিক বৈশিষ্ট্যসমূহৰ আলোচনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ২ ঃ কথা সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱা (*মোৰ জীৱন সোঁৱৰণৰ* অন্তর্গত প্রথম ভাগৰ তৃতীয় আৰু চতুর্থ আধ্যা)

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ দুয়োটা অধ্যায়ৰ মূল পাঠ

২.৩.১ দুয়োটি পাঠৰ বিষয়বস্তুৰ আলোচনা

২.৩.২ তৃতীয় আধ্যাৰ বিষয়বস্তুৰ আলোচনা

২.৩.৩ চতুর্থ আধ্যাৰ বিষয়বস্তুৰ আলোচনা

২.৪ বেজবৰুৱাৰ গদ্যশৈলীৰ সাধাৰণ আলোচনা

২.৫ পাঠ দুটাত প্রকাশিত সমাজ বাস্তৱতা

২.৬ আত্মজীৱনীৰ স্বৰূপ আৰু অসমীয়া আত্মজীৱনী সাহিত্যৰ বুৰঞ্জীত *মোৰ জীৱন সোঁৱৰণৰ* স্থান

২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৮ অধিক জানিবলৈ

২.৯ অগ্রগতিৰ খতিয়ান(কেৱল ৰূপৰেখা)

২.১০ আর্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনীখনৰ বিষয়বস্তু আৰু ইয়াৰ প্রকৃতিৰ বিষয়ে জানিব পাৰিব
- আত্মজীৱনীৰ স্বৰূপ আৰু অসমীয়া আত্মজীৱনী সাহিত্যৰ বুৰঞ্জীত *মোৰ জীৱন সোঁৱৰণৰ* স্থান সম্পর্কে অৱগত হ'ব
- *মোৰ জীৱন সোঁৱৰণৰ* জৰিয়তে সমকালীন সমাজ বাস্তৱত্যৰ তথ্য কেনেদৰে প্রকাশ পাইছে সেয়া জানিব পাৰিব।
- বেজবৰুৱাৰ গদ্যৰীতিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ যাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা চতুর্থ পাঠ্যবিষয় 'অনুবাদ সাহিত্য আৰু বিশেষ সাহিত্যিকৰ সাহিত্য'ৰ দ্বিতীয় খণ্ড 'বিশেষ

সাহিত্যিকৰ সাহিত্যৰ' 'লক্ষ্মীনাথ বেজবৰুৱা'ৰ এইটো দ্বিতীয় অধ্যায়। বৈচিত্র্যপূর্ণ সৃষ্টিৰে আধুনিক অসমীয়া সাহিত্যৰ এক স্পষ্ট আৰু সুদৃঢ় ভেটি স্থাপন কৰিবলৈ সক্ষম হোৱা লক্ষ্মীনাথ বেজবৰুৱা আছিল *জোনাকীৰ* মূল উদ্যোক্তাসকলৰ অন্যতম। গভীৰ মানৱতাবোধ, দেশপ্রেম, ইতিহাসচেতনা আৰু সামাজিক কল্যাণমূলক মনোভাবেই আছিল বেজবৰুৱাৰ সাহিত্যসৃষ্টিৰ প্রধান প্রেৰণা। সেয়েহে তেওঁৰ সাহিত্যই বর্তমান সময়তো এক সার্বজনীন মূল্য লাভ কৰিবলৈ সমর্থ হৈছে। বেজবৰুৱাৰ বিশাল সাহিত্য সম্ভাৰে অসমীয়া সাহিত্যৰ বিভিন্ন শাখাক পৰিপুষ্ট কৰাৰ দৰে তেওঁৰ *মোৰ জীৱন সোঁৱৰণেও* অসমীয়া আত্মজীৱনী সাহিত্যৰ ভেটি সুদৃঢ় কৰি থৈ গৈছে।

২.৩ দুয়োটা অধ্যায়ৰ মূল পাঠ

২.৩.১ দুয়োটি পাঠৰ বিষয়বস্তুৰ আলোচনা

মোৰ জীৱন সোৱৰণৰ অন্তর্গত প্রথম ভাগৰ তৃতীয় আৰু চতুর্থ অধ্যায়ৰ মূল পাঠ ঃ

তৃতীয় আধ্যা

পিতৃদেৱতা লখীমপুৱৰপৰা গুৱাহাটীলৈ বদলি হয়। অসম-বুৰঞ্জী-লেখক কাশীনাথ তামুলী ফুকনৰ জ্যেষ্ঠ পুত্র, গুৱাহাটী-নিবাসী শ্রীযুত কমলানাথ ফুকনৰ ঘৰত আমি উঠিলোঁহি। ফুকনৰ ঘৰৰে সৈতে বেজবৰুৱাৰ ঘৰৰ ঘনিষ্ঠ সম্বন্ধ পুৰণি কালৰে পৰা চলি আহিছে। তাৰ উপৰি, কমলানাথ ফুকনৰ ভায়েক, শিৱসাগৰ নিবাসী শ্রীযুত মুক্তানাথ খাজাঞ্চী পিতৃদেৱতাৰ জোঁৱায়েক। আমি অলপ দিন মাথোন ফুকনৰ ঘৰত আছিলোঁ। আমাৰ বংশৰ সুবিখ্যাত স্বর্গীয় লক্ষ্মীনাথ গজপুৰীয়া বৰুৱা ডাঙৰীয়াৰ খালী হৈ থকা ঘৰ-বাৰীলৈ সোনকালে উঠি গ'লোঁহঁক।

গুৱাহাটীৰ বিশাল ব্রহ্মপুত্র, আৰু চাৰিওফালৰ পর্বতমালাৰে বিভূষিত মনোৰম দৃশ্যই মোৰ মন অনির্বচনীয় আনন্দেৰে পূৰাই পেলালে। সেই দৃশ্যৰ চিত্রপট মোৰ হৃদয় চিত্রশালাত যাৱজ্জীৱন থাকিব। অশ্বক্রান্ত, উমানন্দ, উর্বশী, নৱগ্রহ , শুক্রেশ্বৰ, বশিষ্ঠাশ্রম আদি তীর্থস্থানলৈ পিতৃদেৱতাৰে সৈতে গৈ মই যে কি অপাৰ আনন্দ উপভোগ কৰিছিলোঁ, কৈ অঁটাব নোৱাৰোঁ। মাথোন কামাখ্যা আৰু হাজোলৈ মোক সৰু বুলি পিতৃদেৱতাই লগত নিয়া নাছিল।

গুৱাহাটীতে প্রথমতে মোৰ স্কুলত প্রৱেশ ঘটে। সঁচাকৈ ক'বলৈ গ'লে, স্কুললৈ যোৱাটো মোৰ মনত বৰ-ফাটেকলৈ যোৱা যেন লাগিছিল। মোৰ পক্ষে স্কুল মানে বন-বিহংগৰ সজাত প্রৱেশ; যদিও তাত অৱস্থিতি চাৰি-পাচঁ ঘণ্টাৰ নিমি কিন্তু হ'লে কি হ'ব, সেই চাৰি-পাচঁ ঘণ্টাৰ পিছত মুকলি হৈ গৈ আকৌ যে কাইলৈ তেনেকৈ তাত পুনৰাবদ্ধ হোৱা অনিবার্য, সেই চিন্তাৰ ভয়ে মোক খুলি খুলি খাইছিল।

পিতৃদেৱতাৰ হুকুম, মই স্কুললৈ যাবই লাগিব; এতেকে যাবই লাগিব— তেহেলৈ মোৰ মনো-ৰাজ্যত 'বামুণেই মৰক বা লগুণেই ছিগক।'

স্কুলত সোমায়েই যেই দেখোঁ, কৰধৃত-ঘূৰ্ণিতশোভিত-বেত্রং মাষ্টৰ মহাপ্রভুসকলৰ বজ্র গম্ভীৰ নিনাদ ছাত্রসকলৰ সম্মিলিত সংযত কণ্ঠ নিসৃত মৃদু-মন্দ গুৰু গুৰু ধ্বনিৰ কটাহ ভেদ কৰি স্কুল ঘৰৰ মূধচ পাইছেগৈ, মোৰ ধাতুটিও মূৰৰ মূধচত উঠিবলৈ লৰ ধৰে। মোৰ মূৰৰ ব্রহ্ম ৰন্ধ্রৰ কাষতে ধাতুটিকে এৰি থৈ মই বহি স্কুলত কিবা শিকা-বুজাৰতো কথাই নাই, ঘৰত অলপ-অচৰপ যি পঢ়ি-শুনি, শিকি-বুজি আহোঁ, সিও পাহৰণিৰ পঞ্চবটীচ সোমাই মায়া-মৃগ হৈ ক'ৰবালৈ লৰি পলাই গুচি যায়। হায়! স্কুল মোৰ মনত ভয়ৰ ভৱন নহৈ যদি আনন্দভৱন হ'লহেঁতেন, আৰু মোৰে নিচিনা দুৰ্ভগীয়া, 'স্কুলাতংকৰোগগ্রস্ত' এশ এটা ল'ৰাৰ পক্ষেও যদি তেনেকুৱই হ'লহেঁতেন, তেন্তে আমাৰ দেশত কি সুস্থ-সবল দেহৰ আৰু মনৰ এচাম প্রজাৰ (generation) সৃষ্টি হ'লহেঁতেন। স্কুলত শিক্ষা দিবৰ কঠোৰ নির্মম নীৰস এটা মাথোন ব্যৱস্থাৰ সলনি যদি তাৰ ওলোটা অৱস্থাৰ প্রচলিত হ'লহেঁতেন, তেন্তে কেনে হাঁহিমুখীয়া কার্যক্ষম, আৰু নিজৰ সাধ্যৰ সীমাত প্রফুল্লিত প্রজা চামে চামে বাঢ়ি আমাৰ জন্মভূমিক উজ্জ্বল আৰু মহিমান্বিত কৰিলেহেঁতেন। দেৱী সৰস্বতীৰ বছৰেকীয়া পূজাৰ উৎসৱ ছাতৰসকলৰ পক্ষে কেনে আনন্দময় হয়— তেওঁৰ দৈনিক পূজাও যদি ছাতৰসকলৰ পক্ষে তেনে আনন্দময় হ'লহেঁতেন, তেন্তে তেওঁৰ অক্ষয় জ্ঞান-ৰত্নৰ সম্ভাৰ হৰিষ মনেৰে সংগ্রহ কৰি কত লোক ধনী আৰু সুখী হ'ব পাৰিলেহেঁতেন।

স্কুলত আমাক অংক শিকোৱা এজন মাষ্টৰ আছিল; তেওঁৰ নামটো (যদি মই পাহৰা নাই) চাখাৱত আলি। তেওঁক দেখিলেই মোৰ মূৰত থাকিব নোখোজা অংকৰ আকৃতিকেইটা বিকৃতি হৈ মাতৃস্তন্যৰে সৈতে মাতৃদত্ত মাতকেইটাক সিহঁতে লগত লৈ মোক স্কুলৰ ক্লাছৰ কাঠৰ বেঞ্চৰ ওপৰতে নিৰুপায় কৰি অকলশৰীয়াকৈ এৰি, তাহানি নিষ্ঠুৰ নলে দময়ন্তীক হাবিৰ মাজত এৰি পলোৱাদি পলাইছিল। তাৰ পিছত কিন্তু মুন্সী চাহাবৰ ৰঙা চকু, আৰু চোকা মুখৰ বাক্যবাণ এই মৃতকৰ ভেলটোৰ ওপৰত যিমান কোবেৰে পৰিছিল, উত্তৰৰ আশাত নিৰাশ হৈ সিমান কোবেৰেই সেইবোৰ তেওঁৰ টোণলৈ উভতি গৈছিল। মুঠতে এই ফেৰা ক'লেই হ'ব যে গুৱাহাটীৰ স্কুল মোৰ পক্ষে আনন্দালয় নহৈ যমালয় হৈ উঠিছিল।

মনত আছে, স্কুলত মোৰ এনে বিদ্যাভ্যাসৰ সংকটময় অৱস্থাতে এবাৰ কলিকতাৰ পৰা তেওঁলোকৰ কলেজৰ বন্ধত ককাইদেওসকল গুৱাহাটীলৈ আহিছিল। মোৰ কলিকতীয়া ককাইদেওসকল আজি আহি পাবহি, এই উৎসাহৰ আনন্দাতিশয্যত মোৰ মাটিত ভৰি পৰা নাই। ককাইদেওসকল আহিল; গুৰুজনসকলক তেওঁলোকে সেৱা কৰি আদৰ-অভ্যর্থনা লাভ কৰিলে; সৰুবোৰক দুই-চাৰি আষাৰ মিঠা কথাৰে

আপ্যায়িত কৰি সেৱা-নমস্কাৰ গ্ৰহণ কৰিলে। কিন্তু এই দুৰ্ভগীয়াৰ দূৰদৃষ্টিৰ কথা কি ক'ম! মোক দেখিয়েই ককাইদেৱে মাত লগালে— 'এইটো ইমান ডাঙৰ হ'লনে! হেৰ তই কি পঢ়িছ? প্ৰশ্নটো শুনিয়েই মোৰ মনৰ আনন্দৰ বাণ একে হেচোকতে হুঁহকি শুকাই গৈ তাৰ তলিৰ ওখোৰা-মোখোৰাবোৰ ওলাই পৰিল। মুখ শুকাই কৰাই-খোলা যেন হ'ল। ভাবিলোঁ, হৰি হৰি! মোক স্কুলৰ বৰ-বাঘে খেদি আহি দেখোন আজিৰ নিচিনা এনে আনন্দৰ দিনতো ঘৰ পালেহি!

কিছুমান বেলিৰ পিছত ককাইদেৱে মোৰ পঢ়া কিতাপকেইটা মোৰ হতুৱাই অনাই, মোৰ পঢ়াৰ পৰীক্ষা কৰিবলৈ লাগি গ'ল; আৰু তেওঁৰ প্ৰশ্নৰ উত্তৰত মোৰ পৰা তেওঁ একো একোটা ফোপোলা আলুগুটি পাবলৈ ধৰিলে! তেওঁৰ উঠিল খং। ধৰি কিল-কীৰ্তন দিবলৈ উঠি দিলে খেদা। মই মাৰিলোঁ লৰ। ক্ষন্তেকতে মই আমাৰ গোটেইখন বাৰীত, পচোৱা বতাহৰ আগ উৰাদি উৰি ফুৰিবলৈ ধৰিলোঁ, আৰু মোৰ পিছে পিছে তেওঁ লৰি ফুৰিবলৈ ধৰিলে। তেওঁ অসাৰ্থক খেদাত ক্লান্ত হৈ পৰিল, মোৰ বেগ কোবতকোবে চৰিল। সকলোৱে অবাক হৈ এই বিপৰীত দৃশ্য চাবলৈ ধৰিলে। অন্তত খেদা আৰু লৰাৰ ধুম যেতিয়া তমোময় হৈ উঠিলগৈ, মাতৃদেৱীয়ে বৰ পুতেকক এই wild goose chase অৰ্থাৎ পলৰীয়া ৰাজহাঁহ ধৰিবলৈ খেদি ফুৰি হাইৰাণ হোৱাৰ পৰা নিবৃত হ'বলৈ বৰকৈ কৈ তেওঁক অলপ ভৎসনা কৰি ক'লে— 'বাৰু হেৰ তই কলিকতাৰ পৰা আহিছ দেখি হেঁপাহ কৰি তোৰ সৰু ভায়েৰে তোক চাবলৈ আহিল; তই তাক ক'ত দুই-চাৰিটা কথা কৈ পোনতে মৰম কৰিবি নাই, তাক আকৌ এইদৰে মাৰিবলৈ চোৰ খেদাদি খেদি লৈ ফুৰাইছে। লাহে-ধীৰেও দেখোন তই তাৰ পঢ়া-শুনাৰ মহলা ল'ব পাৰ।' আইৰ কথা শুনি যদিও ককাইদেও ক্ষান্ত হ'ল, তথাপি আইক মৃদু-মন্দ প্ৰতি-ভৎৰ্সনা কৰিবলৈ নেপাহৰিলে যে 'তোমালোকে তাক মৰম কৰি কৰি তাৰ মূৰ খালাইঁক। ইমানটো ঢোদোংগা ল'ৰাই একো পঢ়া-শুনা নকৰে,— এটা big dunce হ'ল!' এই ঘটনাৰ পিছত ককাইদেওসকল থকা কেইটা দিন মই মন মাৰি আলেঙে আলেঙে ফুৰি কোনোমতে কটাই দিছিলোঁ। বোধকৰোঁ এই ঘটনা, পিতৃদেৱতাই গুৱাহাটীতে কামৰ পৰা অৱসৰ লৈ পেঞ্চন পাই শিৱসাগৰলৈ আহিবৰ কিছুদিনৰ আগতে ঘটিছিল; কাৰণ মোৰ মনত আছে, শিৱসাগৰলৈ আহিবলৈ যাত্ৰা কৰি গুৱাহাটীৰ ঘাটতে আমি সকলোটি নাৱত উঠি ৰাতি বালিত ভাত খাবৰ সময়ত বৰ ডাঙৰ ধুমুহা বতাহ এটাই আমাৰ ৰন্ধা-বঢ়া ভাত বালিৰে পুতি পেলাইছিল, আৰু বালিত তৰা আঁৰ কাপোৰখন উৰাই নি ব্ৰহ্মপুত্ৰৰ মাজত পেলাই দিছিল; আৰু সেই ৰাতিৰ সেই দুৰ্যোগৰ সময়ত দেউতা আৰু ককাইদেওসকলে আন আন মানুহ আৰু নাৱৰীয়াহঁতৰে সৈতে পানীত নামি কান্ধ পাতি আমাৰ নাও দুখন ধৰি থাকি কোনোমতে ৰক্ষা কৰিছিল। মনত আছে, ধুমুহাৰ পিছত সেই ৰাতিয়েই তেওঁলোক দুয়ো কলিকতালৈ উভতি যাবলৈ বুলি

সদাগৰী জাহাজত উঠেগৈ, আৰু পিছদিনা মাতৃদেৱীয়ে চকুৰ লো টুকি এইবুলি বেজাৰ কৰিছিল যে "ল'ৰা দুটাই কালি ৰাতি ইমান দুখো পালে আৰু যোৱাৰ আগেয়ে এসাজ ভাত খাবলৈ আহি খাবলৈকো নাপালে।"

ওপৰত উনুকিয়াইছোঁ, যে পিতৃদেৱতাই গুৱাহাটীতে এক্ষ্ট্ৰা এছিষ্টেণ্ট কামৰ পৰা অৱসৰ লৈ পেঞ্চন পায়। গুৱাহাটীৰ অনেক ভদ্রলোকে, ঘাইকৈ লক্ষ্মীনাথ গজপুৰীয়া বৰুৱা ডাঙৰীয়াই পিতৃদেৱতাক উজনিলৈ উভতি নগৈ গুৱাহাটীতে ঘৰ-বাৰী কৰি থাকিবলৈ অনুৰোধ কৰে। কিন্তু পিতৃদেৱতাই নিজৰ পুৰণি ঠাই শিৱসাগৰলৈ উভতি যোৱাটোকে থিৰ কৰিলে।

গুৱাহাটীৰ ভদ্রলোকসকলৰ ভিতৰত উকীল শ্রীমন্ত সেন, যশোমন্ত সেন এই দুজনৰ কথা, আৰু গোবিন্দৰাম চৌধাৰীৰ কথা মোৰ মনত আছে। এওঁলোক আমাৰ ঘৰলৈ সততে আহিছিল আৰু দেউতাৰ আদৰৰ পাত্র আছিল। গোবিন্দৰাম চৌধাৰী ওখ, ডাঙৰ আৰু দেখিবলৈ বৰ সভা-শুৱনি লোক আছিল। হেজাৰৰ ভিতৰত গোবিন্দৰাম চৌধাৰী চকুত পৰা 'চেহেৰা'ৰ মানুহ।

কমলনাথ ফুকনৰ কথা প্রথমতে অলপ কৈছোঁৱেই। ফুকন ডাঙৰীয়া ৰঙিয়াল, ৰসিক, witty আৰু কৌশল কৰি লোকক বিদ্রুপ কৰিব পৰা লোক আছিল। মোৰ শুনা এতিয়াও মনত আছে,— কোনোবা এজনে হেনো দবা এটা কিনিবলৈ তেওঁৰ পৰা ধন ধাৰে নিছিল। ডবা কিনাও হ'ল আৰু দিনৌ তাৰ ব্যৱহাৰ কিনোতাৰ ঘৰত হ'বলৈ ধৰিলে, কিন্তু ধাৰে নিয়া ধন অনেক দিনলৈকে সেইজনে ফুকন ডাঙৰীয়াক ওভতাই দিবৰ নাম নকৰে। ধৰ্ণাৰ নিশ্চিত গতি দেখি বাৰচেৰেক ফুকনে ধাৰ সাধিলে, কিন্তু ফল একো নফলিল। শেষত নিজৰ মনৰ সন্তোষৰ অর্থে, তেওঁ এই পদ্যটো ৰচনা কৰি সমাগত বন্ধুসকলৰ আগত সুৰ ধৰি গাবলৈ ধৰিলে; যথা—

দলৈ (অমুক)ৰে
ডবা বাদ্য কৰে,
তাৰ ধন আজিলৈকে বাকী।
(অমুকৰ) কথা শুনি
মৰোঁ টকা ভৰি,
ইকি (অমুকৰ) ফাঁকি।।

এই lampoon অর্থাৎ বিদ্রুপাত্মক পদ্য কেইশাৰীয়ে ধৰ্ণাৰ দ্বাৰা ধাৰ শুজাব পাৰিছিলনে নাই ক'ব নোৱাৰোঁ, কিন্তু ই ফুকনৰ মনৰ খেদ অনেক পৰিমাণে কমাইছিল, তাৰ ভূল নাই; কাৰণ তেতিয়া প্রায় সকলো ৰসিক ভদ্রলোকৰ মুখে মুখে এই পদ্যকেশাৰী বাগৰি ফুৰা তাৰ উদ্দেশ্য (mission) এক প্রকাৰে সিদ্ধি কৰিছিল।

গজপুৰীয়া বৰুৱা ডাঙৰীয়াৰ সম্পর্কেও এটি ক্ষুদ্র আমোদজনক কথা মোৰ

মনত আছে। তেখেতৰ এটা ঘোঁৰা আছিল; ঘোঁৰাটো বেগী বা চোকা যে নাছিলেই, বৰং সি বটুৱা বদ্‌নামৰো হাত সাৰিব পৰা নহয়। ঘোঁৰাটোৰ মস্থৰ গতিত বা 'বেগতিত' বৰুৱা ডাঙৰীয়া বিৰক্ত হৈ, এদিন তাক প্ৰকাশ্যে এইবুলি ভৰ্ৎসনা কৰি লজ্জা দিছিল— 'ইস্ নেদেখিছা! জানিবা ইন্দ্ৰৰ উচ্চৈশ্ৰৱাডোখৰহে? বোলোঁ তেওৱা বুটমাহ খোৱাহে খোৱা, খোজ কাঢ়িবৰ ফালে মন হ'লে নাই।'

দুখন ডাঙৰ শুৱালকুচীয়া হোলোং নাৱেৰে আমি গুৱাহাটীৰ পৰা শিৱসাগৰলৈ যাত্ৰা কৰিলোঁহক। গুৱাহাটীৰ পৰা শিৱসাগৰলৈ উজাই আহোতে আমাৰ ২২/২৪ দিন লাগিছিল। ব্ৰহ্মপুত্ৰইদি উজাই অহা এই কালডোখৰ মোৰ পক্ষে অপাৰ আনন্দৰ কাল। ফাগুনৰ শেষছোৱা আৰু চ'তৰ আগছোৱাত বোধকৰোঁ, এই নৌকাযাত্ৰা সংঘটিত হৈছিল। ধৌতময় শুভ্ৰ বালিৰে দুকাষে দুটা তিৰবিৰোৱা পাৰি দিয়া, নিৰ্মল ব্ৰহ্মপুত্ৰখন মোৰ মনত ফটিকৰ সূতাৰে বোৱা এখন ডাঙৰ চেলেং কাপোৰ যেন লাগিছিল। আৰু তৰি থোৱা সেই বগা চেলেংখনত দুটা ক'লা টোকা পৰুৱা বগাই যোৱাৰ নিচিনাকৈ আমাৰ নাও দুখন চৰিৰ ঠেলাত যোৱা যেন লাগিছিল। একো একোটা বালিক দূৰৰ পৰা একো একোটা 'দানাদাৰ দোবৰা' চেনিৰ পৰ্বত যেন, আৰু একো-একোটা মটীয়া বৰণৰ কাশীৰ চেনিৰ দম যেন দেখিছিলোঁ; আৰু দুপৰীয়া টেঙা খাবৰ মন যোৱা কালডোখৰত একো একোটা বালি লোণৰ পৰ্বত বুলি কল্পনা কৰিছিলোঁ। দুপৰীয়া আৰু গধূলি কোনো এটা বালিৰ কাষত নাও ৰাখিলেই, মই সকলোৰে আগেয়েই একে জাপেই নাৱৰ পৰা বালিত পৰি আনন্দত ম'ৰা চৰাইৰ পোৱালি লৰি ফুৰাদি ফুৰিছিলোঁ। মনত এনে ভাব, যেন চকুৰে দেখা দূৰলৈকে যত বালি দেখিবলৈ পোৱা গৈছে, এটাকো বাদ নিদি এটাইবোৰৰ ওপৰত জঁপিয়াই লৰি-ঢাপৰি ভটাগুটি বাগৰাদি বাগৰি ফুৰি শেষ কৰিহে এৰিম।

এদিন দুপৰীয়া ভাত ৰান্ধিবৰ নিমিত্তে এটা বালিত নাও ৰখা হ'ল। দেখিলোঁ, বহুত গঙাচিলনী চাৰিওফালে উৰি ফুৰিছে। কোনোবাই মোক কৈ দিলে যে সেই বালিত নিশ্চয় গঙাচিলনীৰ কণী পোৱা যাব। মই মোৰ ককাইদেও শ্ৰীনাথেৰে সৈতে, বিচাৰি সঁচাকৈয়ে দুটা গঙাচিলনীৰ কণী পাই আনি বুকু ফুলাই সকলোকে দেখুৱালোঁ। শুনিলোঁ, গঙাচিলনী যদিও নাখায়, কিন্তু তাৰ কণী হ'লে খায়। এই সন্তোষজনক বিধান শ্ৰৱণ কৰি কণী দুটা ভজোৱাই দুই ভায়ে পৰম তৃপ্তিৰে সৈতে ভোজন কৰিলোঁ। এদিন আন এটা বালিত বিচাৰি বিচাৰি দুটা ঘঁৰিয়ালৰ কণী পাইছিলোঁ। প্ৰকাণ্ড কণী। কণী দুটা ফুটাই তাৰ ভিতৰৰ কুহুমবোৰ দলিয়াই পেলাই গোটখোলা দুটা বহুত দিনলৈকে নাৱৰ কুন্ধিৰ বাৰত আঁৰি থৈ দিছিলোঁ। ৰংপুৰ পাই নাৱৰ পৰা নামিবৰ সময়ত কিন্তু সেই দুটা মোৰ দৃষ্টিৰ বহির্ভূত হ'ল। বোধকৰোঁ ছুপাৰভাইছ'ৰ ৰবিনাথ ককাই দয়া পৰবশ হৈ অন্তঃসাৰশূন্য অণ্ড-যুগলত মাক ঘঁৰিয়ালৰ বুকুলৈ পানীয়েদি 'চালান' দিলো।

এদিন আবেলি চাৰিমান বজাত এটা ঘুলিত আমাৰ নাও ৰখা হ'ল। সিমান সোনকালে সেইদিনা বন্ধাৰ কাৰণ,— সেই বতাহ ধুমুহাত পৰিণত হ'বগৈ পাৰে, এই আশঙ্কা কৰি। ঘুলিটো ভাল; তাত নাও বান্ধি ফেৰফেৰীয়া বতাহ, সম্ভৱতঃ বতাহৰ কোব ৰাতিলৈ বাঢ়ি থাকিলে কোনো ভয় নাই, আৰু শীঘ্রে তেনে ঘুলি পোৱা নাযাবও পাৰে। নাও বন্ধাৰ পিছত দেখা গ'ল দূৰত বালিৰ ওপৰত দুটা কি তিনিটা ডাঙৰ কাছ বগাই গৈছে। নাৱৰীয়াহঁতে ক'লে— যে কাছকেইটা কাল্‌ঢাপ কাছ। সিহঁতে এনে বতৰত বালিত কণী পাৰিবলৈ উঠে। আমাৰ লগুৱা ধনীয়ে এই খবৰ শুনিয়েই কাছৰ ফালে চোঁচা ল'লে। আমি লৰ দিলোঁ। মানুহ অহা গম পাই, কাছকেইটাই অভীপ্সিত কার্য স্থগিত ৰাখি, উভতি নৈৰ ফালে প্রাণপণে লৰ দিলে। ধনীৰ বেগ অনুপাতত কাছৰ বেগতকৈ বেছি হোৱাত, সি কাছ এটাক আগচি ধৰি ততালিকে লুটিয়াই পেলাই তাৰ বুকুত ডাঙৰ গোৰ এটা মাৰি দিলে, একে গোৰতে অৱশ হৈ পৰিল। বাকীকেইটাই ইতিমধ্যে পানীত পৰি প্রাণৰক্ষা কৰিলে। কাছটো কাটিলত তাৰ পেটত দুকুৰিমান কণী ওলাল।

এদিন নাওখন পাৰৰ নল-খাগৰিৰ কাষে কাষে যাওঁতে নাৱৰীয়াহঁতে চৰিৰ ফেৰেকা মুখেৰে হেঁচা মাৰি ধৰি এটা দুৰা কাছ ধৰিছিল। কাছটোৰ পিঠিত এটা ভোটা কাঁইট বা খড়গৰ দৰে আছিল। সেই কাছটোক হেনো নল দুৰা বোলে; আৰু সি হেনো অখাদ্য। নাৱৰীয়াহঁতে কাছটো কি কৰিলে ক'ব নোৱাৰোঁ। সম্ভৱত তাক খাদ্যৰ শ্রেণীভুক্ত কৰি ৰান্ধি-বাঢ়ি পেটত ভৰাই থ'লে। আমাৰ ধনীয়ে কিন্তু কি কৰিছিল ক'ব নোৱাৰিলো; কাৰণ কাছটো অখাদ্য বুলি শুনি সি দেউতাই নুশুনাকৈ আমাৰ লগত প্রতিবাদ কৰি তলত দিয়া শাস্ত্রৰ বচন মাতি তাৰ অদ্ভুত ব্যাখ্যা কৰি কৈছিল— 'কীর্ত্তন ঘোষাত এই দুৰা কাছ খাবলৈ কৈছে; যেনে 'দুৰাচাৰ মন মোৰ ৰাম হৰি বোল' অর্থাৎ 'মোৰ মনে তোক খাবলৈ কৈছে, তই মই খাব পোৱা হ?'

আমাৰ নাৱৰীয়া এটাই এদিন বালিত ফুৰি উভতি আহি তাৰ চুৰিয়াৰ কোঁচ উবুৰিয়াই আমাৰ আগত একোঁচ কাছ কণী বাকি দিলে; তাৰ কিছুমান সম্পূর্ণ ঘূৰণীয়া, কিছুমান দীঘলীয়া। ঘূৰণীয়াবোৰ বৰকাছৰ কণী আৰু দীঘলীয়াবোৰ দুৰা কাছৰ কণী। পাঁচ-ছদিনলৈকে সেই কণী সিজাই নাইবা ভাতত দি আমি সকলোৱে খাই তৃপ্তি লভিছিলোঁ।

এদিন ৰাতি খাই-বৈ আমি নাৱত শুই আছোহঁক; এনেতে নাৱৰীয়াহঁতে দেউতাক ক'লে যে বৰ ধুমুহা বতাহ আহিবৰ সম্ভৱ, কাৰণ ক'লা মেঘ এচটা পশ্চিমফালে আকাশত ওলাইছে। লৰালৰিকৈ দেউতাই সিহঁতৰ হতুৱাই নাও দুখনৰ গোঁজ কাচি মজবুতকৈ পোতাই বন্ধালে, আৰু আন আন যি সতর্কতা অৱলম্বন কৰিব লাগিছিল, কৰালে। পোন্ধৰ মিনিটমানৰ পিছতে গোটেইখন আকাশ ক'লা মেঘে চাটি পেলালে; হুৱ হুৱ গিৰ গিৰ শব্দ হ'ল; বিজুলী মাৰিবলৈ ধৰিলে, আৰু

লগে লগে ভয়ানক ধুমুহা আৰম্ভ হ'ল; আৰু আমাৰ নাও দুখনক ধুমুহাই পানীত পেলাই বোন্দা থেকেচা দিবলৈ ধৰিলে। যাত্রা কৰি গুৱাহাটীৰ ঘাটত নাৱত উঠাৰ দিনাৰ দৰে সেইদিনাও দেউতাৰ নাৱৰীয়াহঁত আৰু চাকৰ-নাকৰবোৰেৰে সৈতে ৰাতি পানীত পৰি কান্ধপাতি নাও দুখন কোনোমতে ৰক্ষা কৰিছিল। পিছদিনা উজাই যাওঁতে এঠাইত দেখিলোঁ, আমাৰ নাৱৰে নিচিনা নাও এখন উবুৰি হৈ এটা ডাঙৰ জাঁজিত লাগি আছে। পিছত শুনিলোঁ বোলে সেই নাৱৰ সকলোকেইটা আৰোহী, গ'ল ৰাতিৰ সেই ধুমুহাত নাও বুৰি নৈৰ গৰ্ভত চিৰকাললৈ বিলুপ্ত হ'ল। কৰাল কালে কোন দুৰ্ভগীয়াক সপৰিবাৰে এইদৰে পানীৰ মৈদামত দিলে কোনে ক'ব!

যাওঁতে যাওঁতে এদিন পুৱা নল খাগৰি আৰু কঁহুৱা থকা জেকা বালি এটাৰ ওপৰত এজাক বনৰীয়া ম'হ দেখিলোঁ। সশংকিত হৈ নাৱৰীয়াহঁতে নৈৰ সিপাৰলৈ পাৰি দি যাবৰ মনোগত কৰোঁতেই, ম'হজাকেই আত্মশক্তি বিস্মৃত হৈ ভয় খাই টেঁটাই ঢপলিয়াই লৰ মাৰি হাবিত সোমাল। ডাঙৰবোৰৰ লগে লগে সমানে লৰিব নোৱাৰা চাৰি-পাঁচোটা সুন্দৰ ম'হ পোৱালি পিছ পৰি লৰি যোৱা দেখি এনে ভাল লাগিছিল। সিহঁতক পাৰিলে ধৰি মৰম কৰি পুহিবৰ মোৰ বৰ মন গৈছিল।

এদিন দেখা গ'ল, এজোপা ডাঙৰ গছত বহি এটা কুৰুৱা চৰায়ে এটা ডাঙৰ ৰৌমাছ খাবৰ দিহা কৰিছে। আমাৰ নাৱৰ আগোৱাল এটাই কুৰুৱাটোৰ ফালে কাঠখৰি এডাল ফৰ্মুঠি মাৰি পঠিয়ালে। ভোজত বহা কৰুৱাটোৱে ভোজনৰ আগেয়ে ভয় খাই উৰি লৰ মাৰিলে, আৰু মাছটো তাৰ নখৰ পৰা খহি ধুপুৰ কৰে গছৰ তলত পৰিল। ফৰ্মুঠি মাৰোঁতা আগোৱালটোৱে একে জাপেই নাৱৰ পৰা নামি বামত পৰি, লৰি গৈ মাছটো লৈ আহি আমাৰ আগত বুকু ফিন্দাই পেলাই দিলেহি। বৰ ডাঙৰ ৰৌ। কাটিলত পেটৰ ভিতৰত তিনি সেৰমান কণী পোৱা গ'ল। ভোজত বহি বিফল মনোৰথ হৈ গুচি যোৱা কৰুৱাটোৰ বাহিৰে, সকলোৱে সেই মাছ সেইদিনা ভোজন কৰি তৃপ্তি লভিলে।

এদিন দেখিলোঁ, পাৰৰ বালি এটাত থকা জুপুৰি এটাৰ পৰা জালোৱা বুঢ়া-বুঢ়ী দুটা আমাৰ নাৱৰ ফালে বেগাই আহিছে। দেখিলো, বুঢ়াৰ হাতত কিবা এটা ওলমি আহিছে। 'দেউতা এখন্তেক নাও ৰাখক' বুলি কোৱা বুঢ়াৰ মাত শুনি আমাৰ নাও ৰখা হ'ল। দেউতাৰ আগত বৰকাছৰ পোৱালি এটা থৈ বুঢ়া-বুঢ়ীয়ে সেৱা কৰি ক'লে— 'দেউতা ঈশ্পৰে পেঞ্চন লৈ উজাই আহিছে বুলি আমি শুনিছো; সেইবাবে দেউতা ঈশ্বৰক সেৱা কৰিবলৈ আহিলোঁ।' দেউতাই মিঠা কথা কৈ বুঢ়া-বুঢ়ীক আপ্যায়িত কৰাৰ পিছত, বুঢ়াই তাৰ ঘুংৰোগৰ বৃত্তান্ত কৈ দেউতাৰ পৰা দৰব লৈ সস্ত্রীকে সেৱা কৰি প্রস্থান কৰিলে। নিজান বালিৰ ওপৰত বুঢ়া-বুঢ়ীহালি সেইদৰে অকলৈ থকা দেখি মোৰ ল'ৰা মনলৈকো এটা উদাস ভাব আহিছিল। ভাবিছিলোঁ, মোক মোৰ অভিভাৱকসকলে যদি এৰি দিয়ে, ময়ো অকলৈ এইদৰে এনে এটা

বালিৰ ওপৰত পঁজ এটা সাজি লৈ যাৱজ্জীৱন থাকিম।

নল-খাগৰি থকা বালিৰ গৰাৰ পানীৰ যুঁৱলিত কাতি হৈ পৰি থকা নল খাগৰিৰ ওপৰত সৰু সৰু কাছ পোৱালিবোৰ উঠি থাকে; আৰু আমাৰ নাও কাষ পালেগৈয়ে টুপুং কৰে পানীত পৰি বুৰ মাৰে। এই দৃশ্যটো মোৰ বৰ ভাল লাগিছিল। ভাবিছিলোঁ, ময়ো যদি কাছ পোৱালি হ'লোঁহেঁতেন এইদৰে টুপুংকৰে বুৰ মাৰি ক'ৰবালৈ গুচি গ'লোঁহেঁতেন। এনেকুৱা কাছ পোৱালি দেখিলে মই লেখি যাওঁ। এদিন এটাৰ পিছত এটাকৈ লেখোঁতে একুৰি তিনিটা হৈছিল।

ব্রহ্মপুত্রৰ দাঁতিত একো একো ঠাইত মাদুৰি বন হয়। বাকলি গুচাই মাদুৰিৰ শাহটো আৰু কেওঁটো খাবলৈ ভাল লাগে। দেউতাই কিন্তু আমাক মাদুৰি খাবলৈ নিদি কৈছিল— 'এই মাদুৰিৰে কোবাই মৰিয়া-মৰি কৰি যদুবংশ ধ্বংস হৈছিল; এতেকে মাদুৰি খাব নাপায়।' এনে innocent মাদুৰিৰে সৈতে যে এনে ভাষণ স্মৃতি বিজড়িত হৈ আছে, জানিব পাৰি সেই দিনাৰ পৰা মাদুৰি ভোজনৰ পৰা প্রতিনিবৃত্ত হ'লোঁ।

একো একো ঠাইত বালিৰ গৰাত খহনীয়াই ধৰা বাবে, সেইপিনে উজাই যোৱাটো বিপদজনক। সেই দেখি সেই পাৱৰ পৰা সিপাৰলৈ পাৰি দিবলগীয়া হয়। চকুৰে ইপাৰ-সিপাৰ মনিব নোৱৰা ব্রহ্মপুত্রত এইদৰে আমাৰ অনেকবাৰ পাৰি দিবলগীয়া হৈছিল। পাৰি দিওতে নাৱৰ আগোৱালকেইটাই নাৱৰ টিং আৰু গলত বহি প্রাণপণে দাঁৰ মাৰি, আৰু গুৰিয়ালে গুৰিৰ পৰা গুৰি-বঠাৰে চাব দি দি অতি কষ্টেৰে এই দুখৰ কাম সমাপন কৰিছিল। এনেকৈ পাৰি দিওঁতে আমি অনেকবাৰ পিতৃদেৱতাক গুৰিয়ালৰ হাতৰ বঠা কাঢ়ি লৈ নিজে বঠা ধৰা দেখিছিলোঁ। নাও পাৰি দিওঁতে পিতৃদেৱতাই 'ৰাম পাৰ কৰা, এ ৰঘুনাথ সংসাৰ সাগৰে!' এই ঘোষা লগাই পদ দিছিল, আৰু আমি সকলোৱে উচ্চৈস্বৰে গাইছিলোঁহঁক। বাস্তৱিকতে এই নামৰ তালৰ লগত পানীত পৰা দাঁৰৰ ছেও মেলি নাৱৰীয়াহঁতৰ মনত এক অপূর্ব উৎসাহৰ সোঁত বোৱাইছিল। আৰু ফলত নাও হাফোলা-হাফোলে আগবাঢ়ি গৈছিল। এদিন এইদৰে ব্রহ্মপুত্রত পাৰি দি যাওঁতে এবাৰ নৈৰ মাজতে আমাৰ নাওখন ঘপহ্ কৰে এটা চটত লাগিল। ততালিকে নাৱৰীয়াবোৰেৰে সৈতে পিতৃদেৱতাই চটৰ তৰাং পানীত নামি পৰি নাওখন বলেৰে টানি কোনোমতেহে সেই চোৰ বালিৰ চটৰ বিপদৰ পৰা তাক ৰক্ষা কৰিলে।

এদিন পিতৃদেৱতাই আমাক দূৰৰ পৰা আঙুলিয়াই দেখুৱাই ক'লে— 'সৌৱা মোৰ আতাৰ থান স্বর্গীয় কমলাবাৰী সত্রৰ গছ দেখা গৈছে!' পিতৃদেৱতাৰ আদেশ আৰু আর্হি অনুসৰণ কৰি আমি নাৱৰ চৰথত আঁঠু কাঢ়ি পৰি থানৰ উদ্দেশ্যে ভক্তিপূর্ণ সেৱা কৰিলোঁহক। পিতৃদেৱতাই সেৱা কৰি উঠি, তলত দিয়া ঘোষাকেইটা সুৰ ধৰি গাই তাৰ মানে অতি ভক্তিভাৱে আমাক শুনাইছিল—

যিদিশত মহা ভক্তসৱে শ্রীমন্ত কমললোচনক
পৰম সন্তোষ কীর্ত্তন যিটো কৰয়।
সিদিশাক নমস্কাৰ কৰি দুর্ঘোৰ সংসাৰ সুখে তৰি
আপুনি অচ্যুত স্বৰূপ সিটো হোৱায়।।
ৰমানন্দ-পদ-যুগলৰ মকৰন্দ-মধুব্রত-প্রায়।
ভকতসকলে যিদিশত প্রকাশয়।
সিদিশ জানিবা গঙ্গাদেৱী অনেক প্রবাহৰূপে আতি
পৰম নির্মল স্বৰূপে শোভা কৰয়।
শ্রীমধদ্বিষ ঈশ্বৰৰ কীর্ত্তন মংগল নিৰন্তৰ
যিটো ভূমিভাগে শুদ্ধৰূপে হোৱে জাতা।
তাৰ ধূলি যিটো শিৰে ধৰে নিশ্চয়ে জানিবা সিটো নৰে
কৃষ্ণৰ পৰম বল্লভ হোৱে সাক্ষাত।।

মোৰ ভালকৈ মনত আছে, যিদিনা আমি দিখৌমুখত সোমাওঁ সোমাওঁ হৈছোঁ, সেইদিনা দুপৰীয়া, ওচৰৰ মিৰি গাঁও এখনত বৰকৈ ল'ৰা এটাই কন্দা আমি শুনিলোঁ। দেউতাই তেতিয়াই নাও ৰখাবলৈ দি, নাৱৰ পৰা নাৱৰীয়া এটাক কন্দনা ল'ৰাটোৰ মাক-বাপেকক মাতি আনিবলৈ পঠিয়াই দিলে। সিহঁত আহিলত, ল'ৰাটোক সিহঁতে কিয় সিমানকৈ কন্দুৱাইছিল, দেউতাই সুধি, আৰু নকন্দুৱাবলৈ ভালকৈ কৈ সিহঁতক বিদায় দিলে। সিহঁতে দেউতাৰ কথাত সন্তোষ লভি, আমাৰ নাওখন অলপ ৰাখিবলৈ কৈস লৰি গৈ চাইটা মানুহে সাঙী কৰি অনা এটা ডাঙৰ বৰকাছ দেউতাক উপঢৌকন দি সেৱা কৰিলে। লগতে গোটেইখন মিৰি গাঁৱৰ ল'ৰা, বুঢ়া আৰু তিৰোতা আহি আমাৰ নাৱৰ কাষত জুম বান্ধিলে। দেউতাই কাছটো তাতে কটাই তাৰ এটা কি দুটা পিৰা ৰাখি বাকীবোৰ সিহঁতকে বিলাই দিয়ালে। সিহঁতে ৰং মনেৰে মঙহ লৈ দেউতাক সেৱা কৰি গুচি গ'ল। বৰজাপি এটাৰ সমান ইমানটো ডাঙৰ বৰকাছ আগেয়ে মই কেতিয়াও দেখা নাছিলোঁ।

তেতিয়া মোৰ বয়স কিমান ক'ব নোৱাৰোঁ। মই চুৰিয়া যদিও পিন্ধিছিলোঁ, কিন্তু এৰা-ধৰাকৈহে। মই শুনিলোঁ আৰু দুই-এদিনতে আমি ৰংপুৰ পামগৈ। মই ভাবিলোঁ, আমাৰ ৰংপুৰৰ ঘৰৰ ন মানুহবোৰৰ আগত মোৰ কঁকালেৰে সৈতে চুৰিয়াৰ এনে এৰা-ধৰা সম্বন্ধটো বৰ লাজৰ হ'ব। ইয়াকে ভাবি, দিনে-ৰাতিয়ে সম্বন্ধ নিছিগাকৈ পিন্ধি থাকিবলৈ দুখন চুৰিয়া মোক দিবলৈ মাতৃদেৱীকে ক'লোঁ। মাতৃদেৱীয়ে মোৰ প্রার্থনা যুক্তিসংগত বিবেচনা কৰি সেইমতে মোক চুৰিয়া দুখন দিলে, আৰু মই ভব্য-গব্য সভ্য ল'ৰা হৈ আমাৰ ৰংপুৰৰ ঘৰত প্রৱেশ কৰিলোঁ।

চতুর্থ আধ্যা

অসম ৰজাৰ ৰাজধানী ৰংপুৰ বা শিৱসাগৰৰ দৃশ্য অসম ৰাজপ্রতিনিধিৰ

চহৰ গুৱাহাটীৰ দৃশ্যতকৈ সুকীয়া। গুৱাহাটীৰ গাত লুইতৰ বিহা-মেখেলা, ডিঙিত পর্বতৰ সাতসৰী হাৰ, মূৰত ভুবনেশ্বৰীৰ ধৱল কীৰিটি, বুকুত উমানন্দ আৰু উর্বশী। শিৱসাগৰ সমতল, চকুৰে নেদেখালৈকে প্রায় পর্বতশূন্য নিৰাভৰণা, মাথোন তেওঁৰ ক্ষীণ হাত দুটি দিখৌ আৰু দিচাং নামৰ সৰু বলয় এযুৰিয়ে অলপ উজলাই ৰাখিছে। গুৱাহাটীৰ পৰা নাৱেৰে আহোঁতে, ব্রহ্মপুত্রৰ ওপৰত বিদায় লৈ দিখৌৰ বুকুত সোমাওঁতে মোৰ যেন লাগিছিল, নামনি আৰু মাজ-অসম এৰি ৰংপুৰ চহৰত সোমাওঁতেও মোৰ তেনে লাগিছিল। নতুন ঠাই, আমাৰ নিজা পুৰণি ঘৰ ৰংপুৰলৈ যাব লাগিছোঁ, ৰংপুৰ নোপোৱালৈকে এই আনন্দই যেনেকৈ মোক আপ্লুত কৰি ৰাখিছিল, ৰংপুৰ পালত, সেই আনন্দ এটা অনির্বচনীয় বিৰাগে শুকাই পেলালে।

অসম দেশখনক গোটেই ভাৰতৰ আন আন দেশবোৰেৰে সৈতে ৰিজাই কোনো কোনোৱে জকাইচুক বুলি উপলুঙা কৰা শুনিছোঁ; তেনেকুৱা উপলুঙীয়া ৰিজনিকে দি যদি নামনি অসমেৰে সৈতে উজনিৰ শিৱসাগৰক চোৱা যায়, তেনেহ'লে শিৱসাগৰকো অসম-জকাইৰ চুক বুলিলে বুলিব পাৰি। অন্ততঃ আকৃতিত নহ'লেও প্রকৃতিত কিন্তু জকাইৰ চুকটোক অগ্রাহ্য আৰু অমান্য কৰি চলিলে যেনেকৈ জকাইখনৰ কোনো মূল্য নাথাকে, শিৱসাগৰকো সেইদৰে অগ্রাহ্য-অমান্য কৰিলে আসমৰ মূল্য নাথাকে। যি হওক, অতি শীঘ্রে শিৱসাগৰৰ সম্পর্কে বিৰাগৰ এনে ভাব মোৰ মনৰ পৰা আঁতৰি তাৰ ঠাই অনুৰাগে অধিকাৰ কৰিলে। তাৰ কাৰণ, শিৱসাগৰৰ বিশাল বিতোপন বৰপুখুৰী, আৰু তাৰ পাৰত ওখ ডাঙৰ দৌল তিনিটা। শংকৰদেৱৰ ভাষাৰে ক'বলৈ গ'লে, এই দৌল তিনিটাৰ বিষ্ণু দৌল আৰু দেৱীদৌল—

সুৱর্ণ ৰজত লোহা জ্বলে তিনি শৃঙ্গ।
চক্ষুত জমক লাগে দেখিতে বিৰিঙ্গ।।

দুকাষৰ এই দৌল দুটাত যদিও ৰজতৰ শৃংগ নাথাকি লোৰ চক্র আৰু ত্রিশূলে সেই কাম কৰিছে, মাজৰটোৰ অর্থাৎ শিৱদৌলৰ ওপৰত 'চকুত জমক লগোৱা বিৰিংগ শৃংগই তিৰিমিৰি কৰি দশোদিশ প্রকাশি' যে শিৱসাগৰৰ মহিমা উজ্জ্বল কৰি ৰাখিছে, তাক এশখন মুখেৰে ক'ব পাৰি। সুশীতল নির্মল জলেৰে, চপ্চপীয়া শিৱসাগৰৰ বৰপুখুৰীটোকো সৰোবৰৰ সন্মান দি, শ্রীশংকৰদেৱৰ অমৃতময় ভাষাৰে আকৌ এইদৰে বর্ণাব পাৰি—

তাহাৰ মাঝে সৰোবৰ এক।
সাগৰ সংকাশ দেখি প্রত্যেক।।
সুৱর্ণময় পদ্মে আছে জুৰি।
ভ্রমৰে মধু পিয়ে তাত পৰি।।
ৰাজহংস আদি যতেক পক্ষী।
পৰি পৰি থাকে নাযায় উপেক্ষি।।

এনেবিধৰ বৰপুখুৰীটোৱেও অচিৰতে মোৰ মন হৰণ কার্য সম্পাদন কৰিলে। ইয়াৰ উপৰিও কোৱাল সোঁতীয় আৰু 'মানুহ পৰি মৰা' ওখ গৰাৰে দিখৌ নৈয়ে, আৰু দিখৌ সিপাৰৰ ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, জয়সাগৰৰ দৌল আৰু প্ৰকাণ্ড পুখুৰী প্ৰভৃতিয়েও যে সোনকালে এই মোৰ মন হৰণ ভাৱনাত ডাঙৰ ডাঙৰ ভাৱৰীয়াৰ ভাও দি সহায় কৰি সেই ভাৱনা সুকলমে সমাপন কৰিলে এইটো কোৱা বাহুল্য মাথোন। মোৰ পক্ষে শিৱসাগৰ শীঘ্ৰে আনন্দ সাগৰ হ'ল, ৰংপুৰ ৰঙৰ আলয় হ'ল।

শিৱসাগৰৰ ঘৰত উমলিবলৈ মোৰ দুটা ভতিজাক লগৰীয়া স্বৰূপে পালোঁ। এটি মোতকৈ ডেৰ বছৰৰ বৰ আনটি মোতকৈ অলপ সৰু। প্ৰথম দিনতে মই আৱিষ্কাৰ কৰিলোঁ যে সিহঁত দুয়ো মোতকৈ বেছিকৈ পঢ়িছে— অৱশ্যে বঙলা কিতাপ। সিহঁত দুয়ো সিহঁতৰ বঙলা বিদ্যাৰ 'তুবৰি-বাজীৰে' খন্তেকতে মোক অবাক কৰি দিলে! বঙলা পদ্য-পাঠ্যৰ পদ্য মোৰ আগত সিহঁতে মাতি মোক একপ্ৰকাৰ পুতি পেলালে বুলিব লাগে। তাৰ এটা পদ্য মোৰ এতিয়াও মনত আছে, যথা—

পৰ্বতে ধূসল মেঘ হইল উদয়।
ভয়ঙ্কৰ শব্দ কৰি বেগে বায়ু বয়।।
পাতা উড়ে ফল পড়ে ভাঙিতেছে ডাল।
উড়িল বাতাসে সব কুটীৰেৰ চাল।।
নদী জলে উঠে ঢেউ পৰ্বত সমান।
উপায় নাপায় মাঝি কৰে হায় হায়।।

দুয়ো লগ লাগি 'ভয়ংকৰ শব্দ কৰি' এই প্ৰচণ্ড পদ্য মাতি মোৰ ওচৰত প্ৰথম দিনতে এনে 'বেগে বায়ুঙ্গ বোৱাবলৈ ধৰিলে যে মোৰ লখীমপুৰীয়া আৰু গুৱাহটীয়া বিদ্যাৰ গৰ্বেৰে ছোৱা মন-কুটীৰৰ চাল উৰি ক'ৰবাত পৰিলগৈ; মোৰ শান্ত মনাহ নৈৰ জলত পৰ্বত সমান ঢৌ উঠিল; তুলনাত মোৰ বিদ্যাহীনতাৰে চৈ দিয়া টুলুঙা নাওখনি টুলুং ভুটুং কৰি বুৰোঁ বুৰোঁ হ'ল আৰু মই উপায় নাপাই অন্তৰত হায়! হায়! কৰিবলৈ ধৰিলোঁ। তেতিয়াই মই মনতে সংকল্প কৰিলোঁ যে সিহঁতে যিটো খাৰ-ঘৰৰ পৰা খাৰ-বাৰুদ সংগ্ৰহ কৰি মোৰ ক্ষুদ্ৰ কিল্লাটো ফতে কৰিলে, সেই খাৰ-ঘৰৰ পৰাই অতি শীঘ্ৰে ময়ো খাৰ-বাৰুদ সংগ্ৰহ কৰি সিহঁতেৰে সৈতে সমানে ৰণ দিম। যেনে সংকল্প তেনে কার্য্য হ'ল; সিহঁতে পঢ়া বঙলা পদ্যৰ কিতাপখন দুই-চাৰি দিনতে পঢ়ি আৰু সিহঁতে মুখস্থ কৰি থোৱা কবিতাকেইটা মুখস্থ কৰি পেলালোঁ। তেতিয়া সিহঁতে পদ্য মাতিলে ময়ো যেতিয়া সিহঁতৰে সৈতে সমানে সেই পদ্য মাতি বা সিহঁতে মাতোঁতে লৰি আগবাঢ়ি কাউণ্টাৰ ফায়াৰেৰে (counter- fire) অর্থাৎ প্ৰত্যাগ্নিৰে পদ্যাগ্নি নুমাবলৈ ধৰিলোঁ, আমাৰ ভিতৰত সংঘটিত পদ্য-যুদ্ধখন স্থগিত হৈ শান্তি স্থাপন হ'ল। কিন্তু কুইনিনে হেঁচা মাৰি ধৰি ৰখা মেলেৰিয়া জ্বৰৰ নিচিনাকৈ সোনকালে সি আন আকাৰেৰে দেখা দিবলৈ সৰহদিন নালাগিল। ওপৰত

কৈ অহা খণ্ডযুদ্ধত যদিও যোদ্ধা দুজন হাৰিছিল, সিহঁতে আকৌ শক্তি সংগ্রহ কৰি মোৰে সৈতে গেৰিলা-ৰাৰফেয়াৰ (guerrlla-warfare) অর্থাৎ অনিয়মিতভাৱে 'হায়ৰানি যুদ্ধ' আৰম্ভ কৰি দিলে। এই যুদ্ধত বঙলা যাত্রা গানৰ 'টেংক' (tank) ওলাল। আমি শিৱসাগৰলৈ যোৱাৰ কিছুদিনৰ আগতে হেনো বৰপেটাৰ বিখ্যাত তিথিৰাম বায়নে তেওঁৰ বঙলা 'যাত্রা- গানৰ পালা!' লৈ উজনি দিগ্বিজয় কৰি ফুৰিছিল। বায়নৰ সেই যাত্রাগানৰ অন্তর্গত ৰাধাৰ 'মানভঞ্জন পালা'ৰ পৰা একো একোটা গানৰ একো একো বিকৃত টুকুৰা সুৰ-লয়-তান শূন্য কৰি 'গিৰি-গুহা-বন-নদী-সৰোবৰ'ৰ ওপৰেদি দুয়ো হুৰহুৰ কৰে চলিবলৈ ধৰিলে; আৰু তাৰ প্রবল গতিত মান-ভঞ্জনৰ গানবোৰ ডালে-পাতে চূর্ণীকৃত হ'বলৈ ধৰিলে। সেই গীতবোৰৰ এডোখৰ কংকৰ এতিয়াও মোৰ মনত গধু�ৰ হৈ পৰি আছে; যেনে—

ও ৰাই! আগে প্রেম কৰিলি হেসে হেসে।
এখন কান্দ কেন নির্জনে বসে।।

মই ভাবিলোঁ, ই কি হ'ল! এইবাৰতো মোৰ আৰু ৰক্ষা নাই। মোৰফালে দেখোন পতং! তেতিয়ালৈকে মই কোনো বঙলা যাত্রা-গান দেখা নাছিলোঁ, শুনা নাছিলোঁ! গতিকে এই musician 'সংগীতজ্ঞ' দুজনৰ হাতত মোৰ ঘাট অনিবার্য্য। মই দেখা আৰু শুনা অসমীয়া ভাৱনাৰ গীত-পদ-বাইক-বচন দুটা-এটা মাতি এই ভয়ানক 'ধাক্কা' চম্ভালিবলৈ প্রাণপণে চেষ্টা কৰিলোঁ হয়; কিন্তু প্রতিপক্ষই মোৰ সেইবোৰক ধূলি-মাকটি rubbish আৰু অসভ্য বুলি একে টিলিকিতে উৰাই দিলে; যদিও সিহঁতে তেতিয়ালৈকে কোনো ভাৱনা দেখা নাছিল। বঙলা ভাষা, বঙলা গান, বঙালীৰ নিচিনাকৈ চুলি-কটা, চুৰিয়া চোলা পিন্ধা, মুঠতে বঙালী 'ফেশ্যন' (fashion) আৰু everything Benagli অর্থাৎ যি কি নহওক সকলো বঙালী আমাৰ অসমীয়াতকৈ যে শ্রেষ্ঠ, এই ৰোগে তেতিয়াৰ ডেকা তৰপৰ গাত ভালকৈয়ে ধৰিছিল আৰু এই ৰোগৰ প্রকোপ ইমান বাঢ়িছিল যে ডাঙৰ ডাঙৰ সত্রবোৰত সুন্দৰ অসমীয়া অংকীয়া ভাৱনাৰ লগে লগে নাইবা অংকীয়া ভাৱনাক খেদাই নাট ৰচোঁতা গোসাঁই-মহন্তসকলে বাৰেবাংকৰা অশুধ বঙলা ভাষাত নাট ৰচি, ভাৱনা কৰি, নিজকে গৌৰৱান্বিত আৰু দর্শকক সুখী বিবেচনা কৰিছিল। বৰবোৰ যেনি যায় সৰুবোৰো তেনি যায় গতিকে, ময়ো ভাবিলোঁ যে মোৰ বঙলা গানৰ অনভিজ্ঞতা অমার্জনীয়। আকৌ ভাবিলোঁ, মোৰে বা দোষ কি? মই বঙলা যাত্রা দেখিবৰ বঙলা গান শুনিবৰ সুবিধা ক'ত পালোঁ, যে মই ইহঁতেৰে সৈতে সেই বিষয়ত সমানে জোৰ কৰিম? ইয়াকে ভাবি মৌন হৈ, আকাৰে-ইংগিতে প্রতিদ্বন্দ্বীসকলৰ ওচৰত ঘাট মানি শিৱসাগৰলৈ তিথিৰাম বায়নৰ পুনৰাগমনৰ প্রতীক্ষা কৰি 'নিচুকি স্তম্ভিয়া ৰৈলোঁ।'

কিন্তু যি হওক, অচিৰতে আন আন সকলো বিষয়তে ঘৰৰ ল'ৰাবোৰৰ আৰু ওচৰ-চুবুৰীয়া সমবয়স্ক বালকবৃন্দৰ নেতাৰ স্থান মই অধিকাৰ কৰিলোঁ, আৰু

সেই অধিকাৰত কোনো বিবাদী নহ'ল। মোৰ পৰিচালনাত পৰিপক্ক বালকবৃন্দেৰে সৈতে অনেক প্ৰকাৰ ৰং-ধেমালি আৰু খেলত মই পৈণত হৈ পৰিছিলোঁ; যেনে— হৈ-গুদু, টাংগুটি, লুকা-ভাকু, পঁচি, কচুগুটি, বাঘ-গৰু খেলা, গছত উঠা, বৰশী বাই মাছ ধৰা, ইত্যাদি ইত্যাদি। সেইকালত ফুটবল হকী আৰু টেনিছ খেলে আমাৰ দেশত 'উকি মৰা' নাছিল অৱশ্যে ক্ৰিকেট খেলা দেখিছিলোঁ, আৰু অলপ ডাঙৰ হৈ দুই-চাৰি দিন খেলিছিলোঁও। আমাৰ এটা পানীখোৱা পুখুৰী আছিল, আৰু সি আহল-বহলত পৰিমৰা বিধৰো নাছিল; অৰ্থাৎ সেইকালত তাক এটা বুজন বিধৰ পুখুৰীকেই বুলিব লাগে। বাৰিষা তাত পানী উপচি থাকিছিল, আৰু খৰালি পানী শুকাই সি কেটেঙাও নহৈছিল। বাৰিষা পৰ্বতৰ টিঙত যেনেকৈ ম'ৰাৰ আনন্দৰ চালি, বাৰিষা আমাৰো সেই পুখুৰীৰ পাৰত হাঁহি-ধেমালি আৰু খিকিন্দালি। দিন নাই, ৰাতি নাই, সময় নাই, অসময় নাই, কাৰণ-অকাৰণত সেই পুখুৰীত আমাৰ নাদোৰ-সাঁতোৰ জাঁপ আৰু খৰ। থিয় সাঁতোৰ, চিলনী সাঁতোৰ আদি কতৰকমৰ সাঁতোৰৰ আন্দোলনেৰে সেই পুখুৰীত হেন্দোলদোপ লগাইছিলোঁ, তাক আমি জানিছিলোঁ আৰু সেই পুখুৰীয়ে জানিছিল। বোধকৰোঁ আমাৰ অতিৰিক্ত উৎপাতৰ প্ৰতিবাদস্বৰূপেই হ'বলা, এদিন আবেলি সকলোৱে দেখি আচৰিত মানিলে যে হঠাৎ সেই পুখুৰীটো খলকিবলৈ ধৰিলে। চাৰিওপাৰৰ ফালৰ পৰা পানীবোৰ, কিহে ক'ব নোৱাৰো, সামৰি নি পুখুৰীৰ মাজৰ নাদৰ ওচৰত গোটাই পৰ্বতৰ ওখ টিং যেন কৰিলে আৰু খন্তেকতে চাৰিওপাৰৰ ফালে মাৰি পঠিয়ালো; আকৌ সেইদৰে চপাই ওখ কৰিলে, আকৌ মেলি দি চাৰিওপাৰ টোৱাই পেলালে, ঠিক যেন পুৰীৰ সাগৰৰ পানীৰ ঢৌৰ উঠা-নমা আৰু আগবঢ়া পিছহোঁহোকা। এনেকৈ দহ মিনিটমান আন্দোলিত হৈ পুখুৰীটোৱে আকৌ আগৰ সৌম্য শান্ত মূৰ্তি ধাৰণ কৰিলে। এইটো কিবা আধিদৈৱিক বা আধিভৌতিক উৎপাত বুলি ধৰি পিতৃদেৱতাই পণ্ডিত-ব্ৰাহ্মণসকলৰ দ্বাৰায় ইয়াৰ পিছত স্বস্ত্যয়ন, শান্তিকৰ্ম কৰোৱলে, আৰু নামঘৰ বা গোসাঁইঘৰত পালনাম গোৱালে। এই ঘটনাৰ পৰা কিছুদিনলৈকে আমি সেই পুখুৰীত আমাৰ উৎকট জলক্ৰীড়া স্থগিত কৰি ৰাখিছিলোঁ; কিন্তু তাৰ পিছত— 'যথা পূৰ্বং তথা পৰং।' সকলোতকৈ সৰহ সময় মই পানীৰ তলত বুৰ মাৰি থাকিব পাৰিছিলোঁ; আৰু একে বুৰতে চাৰিপৰীয়া পুখুৰীটোৰ এচুকৰ পৰা diagonally আনটো চুকত ওলাইছিলোঁগৈ। পুখুৰীটোৰ এটা পাৰত একে ঠাইতে লগালগিকৈ এজোপা কঁঠাল, এজোপা তামোল আৰু এজোপা তেঁতেলি গছ আছিল। তেতেলি গছৰ ডালবোৰ পুখুৰীটোৰ পানীৰ ওপৰলৈকে মেল খাই গৈছিল। তেতেলিৰ ডালত উঠি তাৰ পৰা জাপ মাৰি জপং কৰে পানীত পৰাটো মোৰ নিত্যকৰ্মৰ এটা কৰ্ম আছিল। পাৰৰ পৰা ওলোটা খৰ মাৰি পুখুৰীত পৰাটোও মোৰ আন এটা বাহাদুৰিৰ কাম আছিল। মুঠতে ঘাটেদি বা সোঁ বাটেদি পুখুৰীত নামি গা ধোৱা বা পুখুৰীৰ সৈতে 'লেনদেন' কৰাটো মোৰ

স্বভাৱবিৰুদ্ধ হৈ পৰিছিল।

মই সাঁতোৰা বিদ্যাত পৰিপক্ক হ'লো যেতিয়া সংগীসকলেৰে সৈতে যুক্তি কৰি একো একোদিন দিখৌত সেই কার্য কৰিবলৈ ধৰিলোঁ। বাৰিষা দিখৌত সাপৰ নেগুৰ ছিগা সোঁত। একো একোদিন তেনে দিখৌত পৰি সাঁতুৰি ইপাৰ-সিপাৰ হৈছিলোঁ। দিখৌৰ দুই পাৰে দুটা খুঁটা পুতি তাৰপৰা লোৰ তাঁৰ লগাই তাত পাৰ নাও বান্ধি মানুহ, ঘোঁৰা, গাড়ী পাৰ কৰা হয়। বাৰিষা আমি সেই পাৰ নাৱত উঠি নৈৰ মাজ পাই তাত নাৱৰ পৰা খৰ মাৰি দি পাৰ সাঁতুৰি পাৰ হওঁ। এইটো উজু কাম যে নহয়েই ৰৰং risky বিপদজনকেই বুলিব লাগে; কিন্তু মোৰ মনত ভয়-সংশয় একো নুপজিছিল। এই কার্য কিন্তু আমি পিতৃদেৱতাৰ অগোচৰতহে কৰিছিলোঁ, কেনেবাকৈ তেওঁৰ গোচৰলৈ আহিলে শাস্তি পাইছিলোঁ।

বুদুৰাম মুক্তিয়াৰ নামৰ ভকত এজনক আমাৰ পুখুৰীৰ পাৰতে ঘৰ দি দেউতাই ৰাখিছিল। তেওঁ কমলাবাৰী সত্রৰ ভকত আছিল। কমলাবাৰীৰ ভকতক সদায় পুৱা-গধূলি একোকঠা চাউল দি আমাৰ ঘৰত পোহা পিতৃদেৱতাৰ এটা অখণ্ড কার্য আছিল। বুদুৰাম মুক্তিয়াৰক আমি সকলোৱে 'বুদু আতৈ' বুলি মাতিছিলোঁ আৰু শ্রদ্ধা আৰু সন্মান কৰিছিলোঁহক। তেওঁ বাঢ়ৈৰ কাম ভালকৈ জানিছিল। তেওঁৰ দ্বাৰাই আমি পমা কাঠৰ সৰু নাও এখন কৰাই লৈ পুখুৰীত নাও বাই ফুৰি, মাজতে আপোন ইচ্ছাতে নাওখন বুৰাই, পানীতে আকৌ সিঁচি লৈ তাত উঠি অপাৰ আনন্দ ভোগ কৰিছিলোঁ। মোৰ এই নৌ-বিহাৰ ইমান বঢ়া-বঢ়িত পৰিছিলগৈ যে দেউতা শুলে জোনাক ৰাতি মনে মনে আহি নাও খেলাই ফুৰিছিলোঁ। 'সর্বমত্যন্তং গর্হিতং' বুলি কোৱা কথাই ফলিল। এদিন ৰাতি সেই কার্য কৰি থাকোঁতেই হাতে-কলমে ধৰা পৰিলোঁ; 'ফলং প্রহাৰং' হ'ল আৰু পিছদিনা নাওখন অর্থাৎ forfeited অর্থাৎ 'জপৎ' বা জৰিমনা হৈ কটা পৰিল আৰু দুই-চাৰি দিনতে সি বুদু আতৈৰ সহায়ত এখন তক্তাপোছ বা চালপীৰাত পৰিণত হ'ল। ইন্দ্রৰ দোষত আশ্রমবিহাৰী অহল্যা সুন্দৰী পাষাণী হৈছিল আৰু মোৰ দোষত আমাৰ জলবিহাৰী নাও সুন্দৰী চালপীৰা হ'ল!

লগুণ-দিয়নি। একেদিনাই মোৰ আৰু মোৰ ভতিজা এটাৰ লগুণ-দিয়নি হৈছিল। যদিও 'প্রাইভেট' (private) অর্থাৎ অশাস্ত্রীয় ৰকমে মোৰ কর্ণবেধ অর্থাৎ কাণ-বিন্ধনি কেতিয়াবাই হৈ, কাণৰ ভোমোলা বিন্ধাত সীহৰ কঁৰিয়া, খৰিকা আৰু কুহিলাৰেপৰা আৰম্ভ কৰি সোণৰ বাখৰ পতোৱা লংকেৰু পর্যন্ত সোমাই ওলমি টিঘিলঘিলাইছিল, তথাপি 'অফিচিয়েলি' (officially) অর্থাৎ শাস্ত্রীয় ৰকমে কর্ণবেধ আৰু চূড়াকৰণ আদি ব্রাহ্মণৰ দশসংস্কাৰৰ ভিতৰুৱা সংস্কাৰ সেইদিনা লগুণ-দিয়নিৰে সৈতেহে সমাপিত হৈছিল। এটা কথা এইখিনিতে কৈ থোৱা যাওক যে লগুণ-দিয়নিলৈ চাৰি-পাচঁ দিন থকাৰে পৰা দিনৌ, আমাৰ টোলৰ ভিতৰত নিবাস কৰোঁতা অব্রাহ্মণসকলৰ বহাৰ পৰা অন্ন-ব্যঞ্জন ভোজনৰ অর্থে মোলৈ ভূৰি ভূৰি নিমন্ত্রণ

আহিছিল আৰু মই আনন্দ মনেৰে নিমন্ত্রণবোৰ ৰক্ষা কৰি আত্মতুষ্টি আৰু পৰতুষ্টি সম্পাদন কৰিছিলোঁ। এনে মূৰামূৰি সময়ত এনে নিমন্ত্রণৰ জাউৰি উঠাৰ অৱশ্যে মানে আছিল। শাস্ত্রৰ বচন হৈছে 'জন্মনা জায়তে শূদ্রঃ' অর্থাৎ উপজিবৰেপৰা যদিও মই বামুণৰ ল'ৰা, তথাপি শাস্ত্রমতে সংস্কাৰ নোহোৱালৈকে এজতুৱা শূদিৰ হৈয়ে আছিলোঁ। যদিও এনেকুৱা শূদ্রত্ব অমুক শর্মা পণ্ডিত বিদ্যার্ণব বাপুৰ ঘৰৰ পখিলী নামৰ মেকুৰীজনীৰ 'মেকুৰীত্ব'ৰ শাৰীৰহে।

অর্থাৎ পণ্ডিত বাপুদেউৰ মেকুৰীজনী যদিও বামুণৰ ঘৰৰ মার্জৰী, তথাপি তাই থিতাতে ওচৰ-চুবুৰীয়া কৈৱর্তৰ ঘৰত সোমাই পোৱা মাছ পঁইতা ভাত খাই জিভাৰে কোৱাৰি চেলেকি আহি, পণ্ডিত বাপুৰ ভাতৰ পাতৰ পৰাও তপত তপত ভজা মাছ লৈ যদিও দ্রুতগতিৰে প্রস্থান কৰে, তথাপি বাপুৰ বঢ়া ভাত অশুচি হ'ব নোখোজে কাৰণ বাপুৰে বিৰালীৰ ব্যৱহাৰ দেখি কিংকর্তব্যবিমূঢ় নহৈ 'মার্জাৰী গমনে শুদ্ধি' বুলি মন্ত্র মাতি সেঅ অন্নকে শুদ্ধ কৰি লৈ, নাগ-কূর্মকে প্রমুখ্যে কৰি পঞ্চ দেৱতাক অর্পণ কৰি পঞ্চগ্রাস কৰি ভোজন কৰাত ত্রুটি নাই। যি হওক, 'সংস্কাৰাৎ দ্বিজ উচ্যতে' অর্থাৎ মোক লগুণ দিলেই মই দ্বিজ হ'ম, আৰু দ্বিজ হ'লেই শূদিৰৰ ঘৰত ভাত খোৱাৰ স্বাধীনতা মোৰ নাইকিয়া হ'ব, মই বামুণৰ শাৰীলৈ উঠিম, আৰু উঠিলেই চিৰকাললৈকে মই শূদিৰ বন্ধুসকলৰ পৰা বিহাৰত নহ'লেও অন্ততঃ আহাৰত এৰা-এৰি হ'ম, এই নিমিত্তে, অর্থাৎ মই বামুণ হোৱাৰ বিপদত বা সম্পদত পৰাৰ আগতে, মোক তেওঁলোকৰে এটা বুলি ইমান দিন ভাব কৰি আহোঁতা তেওঁলোকে ভালকৈ একোসাঁজ খুৱাই তৃপ্তিৰ ধাৰ শুজি লৈছিল।

শিৱসাগৰত ত্রিলোচন শর্মা নাজিৰ বুলি এজন ডাঙৰ পণ্ডিত ব্রাহ্মণ আছিল। তেওঁ সকলো বামুণীয়া বিধি-বিধান দিয়া কার্যত আৰু শান্তিকৰম, গ্রহযজ্ঞ, তিলহোম, বটুক-পাঠ, বিয়া-শৰাধ আৰু লগুণ-দিয়নি আদি কার্যত অতি পৰিপক্ক আছিল। সচাঁকৈয়ে ত্রিলোচন নাজিৰদেউ বৰ পণ্ডিত মানুহ আছিল। নাজিৰ আমাৰ ঘৰৰ পুৰোহিত আছিল। মোৰ লগুণ-দিয়নিতে তেৱেঁই প্রধান পুৰোহিত আৰু প্রধান দ্রষ্টা আছিল। অপ্রধান কার্যকাৰক আন আন অনেক ব্রাহ্মণ পণ্ডিতেৰে সৈতে, লম্বোদৰ নামেৰে বৃদ্ধ পণ্ডিত এজনৰ কথাও মোৰ মনত আছে। হোমৰ অন্তত লম্বো বাপুৰে যেতিয়া হাতত দূর্বা লৈ, শ্রুবৰ নালৰ তলিত হোমৰ ঘিউৰে সৈতে ভস্ম বা ছাই সানি সেই ভস্মৰ ফোট মন্ত্র মাতি আমাৰ কপালত দিবলৈ উদ্যোগ কৰিছিল, সেই উদ্যোগ-পর্বৰ অভিনয় দেখি, হাঁহিয়ে মোৰ পেটত আঙোৰ-পাঙোৰ কৰি মুখৰ পৰা খুকখুকনি তুলি দিছিল। পিতৃদেৱতাৰ এটা ডাবিয়েহে সেই বিদ্রোহী হাঁহিক দবাই তেতিয়া মোক প্রকৃতিস্থ কৰিব পাৰিছিল। হাঁহিৰ কাৰণটো অৱশ্যে মই কওঁ— লম্বো বাপু বুঢ়া মানুহ। তেওঁৰ হাত বৰকৈ কঁপিছিল। 'কাণ্ডা কাণ্ডাৎ প্ররোহন্তীঃ পুৰুষঃ পুৰুষঃ পৰি এৱা নো দুর্বে প্রতন সহস্রেণ শতেন চ' (ইয়াৰ মানে— প্রত্যেক কাণ্ড বা গাঁঠিৰ

পৰা দুর্বাংকুৰ যেনেকৈ উদ্‌গতি হয়, আৰু পুৰুষ পৰম্পৰাক্রমে বর্ধিত হয়, তুমি হে দূর্বা!) সেইদৰে বংশ পৰম্পৰাক্রমে শত-সহস্র বর্ধিত কৰা। বেদৰ এই শ্লোকটো মাতি লম্বো বাপুৱে যেতিয়া আমাৰ কপালত ভস্মৰ ফোট একোটা দিবলৈ গৈছিল, আমি সেই পৱিত্র ফোঁট ল'বলৈ তেতিয়া তেওঁৰ আগত আঁঠুকাঢ়ি আছিলোঁ। তেওঁ কঁপা হাতেৰে অতি কষ্টেৰে ফোঁট দিবলৈ গৈ, সেই ফোঁট ঠিক ঠাইত দিব নোৱাৰি, কাৰো চেলাউৰিত কাৰো নাকত, কাৰো গালত তেওঁৰ অতি অনিচ্ছা সত্ত্বেও দিছিল। দিছিল মানে, তেওঁ দিয়া ফোট আপোন মতলবেৰে য'তে ত'তে পৱিছিল। ফোঁটৰ এনে বিপৰীত বিন্যাস লক্ষ্য কৰি বেদ-মন্ত্রৰ উদাত্ত-অনুদাত্ত স্বৰবিকম্পিত গাম্ভীর্যৰ ব্যোম ভেদ কৰি মোৰ খুকখুকীয়া হাঁহি বিষম বিদ্রোহী হৈ উঠিছিল। এই ব্যাপাৰটো ঠিক যেন— কোনো দ্বাপৰযুগীয়া পূজাৰীয়ে তেওঁৰ গোসাঁইঘৰত অকলে বহি শালগ্রাম বা দেৱতাৰ মূর্তিৰ আগত মৃদু কণ্ঠেৰে একান্ত মনেৰে স্তোত্র পাঠ কৰি থাকোঁতে সেই গোসাঁইঘৰৰ মূধচত জানিবা দুটা ডালশলিয়াৰ দ্বন্দ্ব-হাইৰ ধ্বনিৰে অকস্মাত সেই পবিত্র স্তোত্রৰ পৱিত্রাৱৰণ ভেদ।

লগুণ-দিয়নিৰ অন্তত যেতিয়া টকলামূৰীয়া এডলীয়া টিকনীয়া 'বাচ্চা' ব্রহ্মচাৰী ল'ৰা মই হাতত পলাশৰ ডাল এটাৰ দণ্ড, কমণ্ডলু আৰু ভিক্ষাৰ মোনা হাতত লৈ মাতৃদেৱীৰ আগত উপস্থিত হ'লোঁগৈ, আৰু 'ভৱতি মাতৰ ভিক্ষাং দেহি! ' বুলি তেওঁক ভিক্ষা মাগিলোঁ, আৰু মোক বেঢ়ি থকা নামতী তিৰোতাবোৰে 'এ নাযাবা বৰাগী হৈ এ!' বুলি কৰুণ ৰসাত্মক গীত ধৱিলে, দেখিলোঁ মাতৃদেৱীৰ চকু চলচলীয়া হ'ল, আৰু তেওঁ ৱিহাৰ আঁচলেৰে চকু মচিবলৈ ধৱিলে। কিয় ক'ব নোৱাৰোঁ, ততালিকে মোৰো চকুৰ পৰা দুধাৰ লো বৈ গ'ল। মই তিনিদিনলৈকে এই ব্রহ্মচর্য ৰাখি অন্তত দণ্ড পৱিত্যাগ কৰিলোঁ। সন্ধ্যাৰ সৰু পুথি এখনৰ মন্ত্র এই তিনিদিনৰ ভিতৰত সম্পূর্ণকৈ মুখস্থ কৰিবলগীয়াত পৱিছিলোঁ; আৰু অগত্যা কৰিছিলোঁও। প্রথম দিনচেৰেকলৈকে আনে দেখুৱাই দি মোক সন্ধ্যা কৰিবলৈ শিকাইছিল পিছত নিজেই কৰিব পৰা হ'লোঁ।

তেতিয়া সন্ধ্যাৰ মন্ত্রবোৰ মনত নগাৰ দোৱান যেন লাগিছিল; কাৰণ তাৰ মানে একো নুবুজিছিলোঁ, আৰু আনে বুজাইও নিদিছিল, অথচ মুখস্থ মাতি সেইবোৰেৰে সন্ধ্যা কৰিবলগীয়াত পৱিছিলোঁ; নকৰিলে হেনো ব্রাহ্মণ পতিত হয়। সেইদেখি প্রাণপণে সেই কার্য সমাপন কৰিছিলোঁ। মই অনেক কালৰ পিছতহে হৃদয়ঙ্গম কৰিছিলোঁ যে সন্ধ্যাৰ বেদমন্ত্রবোৰৰ মানে অতি সুন্দৰ; অথচ মোক আগে সেইবোৰৰ মানে কোনেও ভালকৈ বুজাই নিদি সেইবোৰক মোৰ পক্ষে সন্নিপাত জ্বৰত পৰা মানুহৰ বী-বীয়নি আৰু সন্ধ্যাৰ অনুষ্ঠানবোৰক সেই নৰিয়াৰে আনুষংগিক বস্তু বুলি ভবা কৰি তুলিছিল। আগডোখৰত সেইদেখিয়েই মই দিনৌ পাঁজি মেলি আঁউসী একাদশী বিচাৰি ফুৰিছিলোঁ। যাতে সন্ধ্যা খতি পাওঁ; কাৰণ 'সায়ং সন্ধ্যা নাস্তি' পাঁজিৰ বচন

মোৰ পক্ষে স্বস্তি বচন হৈ পৰিছিল।

প্ৰথমত মোক বঙলা স্কুলত নাম লগাই দিয়া হ'ল; একেবাৰেই তৃতীয় শ্ৰেণীত। সেই কালত অসমীয়াৰ মাতৃভাষা বঙলা; অসমীয়া ভাষাটো এটা স্বতন্ত্ৰীয়া ভাষা নহয়, মাথোন বঙলা ভাষাৰহে এটা হেনাহুচা মাত, এই ভ্ৰমৰ বশৱৰ্তী হৈ, গৱৰ্ণমেণ্টে আসামত অসমীয়া ল'ৰাৰ নিমিত্তে 'আদৰ্শ বংগবিদ্যালয়' নাম দি, ছাত্ৰবৃত্তি 'পাছ' কৰিবলৈ বঙলা স্কুলবোৰ পাতি দিছিল। আমাৰ শিৱসাগৱতো ইংৰাজী স্কুলৰ ওচৰতে শাৰী পাতি এনেকুৱা মিছা দাবীৰ ঢোকাৰে থিয় হোৱা 'আদৰ্শ বংগবিদ্যালয়' এটাই বৰঘৰ, বৰ মেজ, বৰ চকী, বেঞ্চ লৈ অসমীয়া কুমলীয়া ল'ৰাৰ কুমলীয়া মনৰ ওপৰত ঘেঁহু পিহা জাতৰ নিচিনা বঙলা ভাষাৰ জাত এখন ঘৰ্ঘৰ কৰে ঘূৰাই আছিল। সেই স্কুলতে প্ৰথমতে মোৰ প্ৰৱেশ ঘটিল। তাৰ হেড্‌পণ্ডিতজন আৰু দ্বিতীয় পণ্ডিতজন বংগদেশীয়; তৃতীয় পণ্ডিতৰে পৰা আৰম্ভ কৰি তলৰকেইজন অসমীয়া আছিল। হেড্‌পণ্ডিতজনৰ নাম তাৰক বাবু (তেওঁৰ উপাধিটো পাহৰিলোঁ), দ্বিতীয়জনৰ নাম প্ৰাণকৃষ্ণ কৰ। যিজন তৃতীয় পণ্ডিতৰ তলত মই বঙলা বিদ্যা উপাৰ্জন কৰিবলগীয়াত পৰিছিলোঁ তেওঁৰ নাম লম্বোদৰ আছিল। তেওঁ তেওঁৰ উপাধিৰ ঠাইত দত্ত নে দাস লেখিছিল মোৰ মনত নাই; কিন্তু এই দুটাৰ এটা নিশ্চয় হ'ব। সেই কালত অনেক অসমীয়া শূদ্ৰ জাতৰ মানুহে বঙালীৰ দেখাদেখি নিজৰ নামৰ লগত দত্তৰ নিচিনা বঙালী উপাধী লগাই দিয়া দেখিছিলোঁ। তেওঁলোকৰ মনত এবাৰো বোধকৰোঁ খেলোৱা নাছিল যে দাস উপাধিটো শাস্ত্ৰমতে লেখি চলাই দিব পাৰিলেও, দত্ত উপাধি অসমীয়াৰ পক্ষে অচল। যি হওক কোনো কোনো অসমীয়াইতো দত্ত হৈয়েই আহুকাল-খৰিয়ালৰ হাত সাৰি ডাঢ়ি-চুলি পকাই দিছিল। মাথোন এদিন এজন অসমীয়া দত্তৰ নাওখন দৈবাৎ আমাৰ ঘৰত ঘপকৰে চটত লগা দেখিছিলোঁ। আমাৰ ঘৰৰ চৰাতে পৰ্বতীয়া গোসাঁইৰ সম্পৰ্কীয় এজন বঙালী ভদ্ৰলোক বহি আছিল; এনেতে অসমীয়া দত্ত এজন উপস্থিত হ'লহি। তেওঁক সেই বঙালী ভদ্ৰলোকজনেৰে চিনাকি কৰি দিয়াৰ পিছত, বঙালীজনে তেওঁৰ নাম সুধি যেতিয়া দত্ত পালে, তেতিয়াই তেওঁ কোন খেলৰ, কোন মেলৰ দত্ত এইবোৰ প্ৰশ্নেৰে তেওঁক তহিলং কৰি পেলালে। দত্তই 'আম্‌তা আম্‌তা' কৰি অলপ পৰ থাকি সভা ত্যাগ কৰিহে এই আহুকলীয়া অৱস্থাৰ হাত সাৰিছিল।

লম্বোদৰ পণ্ডিতৰ বৰণটো ক'লা, মুখত গুটি-সাঁচ আৰু বয়স ভৰ ডেকা আছিল। তেওঁৰ ছাত্ৰক পঢ়োৱা গঢ়টোও সেইকলীয়া স্কুল মাষ্টৰীয়া প্ৰথাৰে অভিন্ন আছিল। মই তেওঁৰ ৰুদ্ৰ তেজেৰে তাপিত হৈ, তেওঁৰ অসমীয়া মুখৰ দ্বাৰায় উচ্চাৰিত হৈ জাত-এৰা বঙলা শুনি, শিকি আৰু পঢ়ি, চকু-মূৰ মুদি কোনোমতে এবছৰ কটাই দিছিলোঁ। মোৰ বঙলা-স্কুলীয়া জীৱনত ঘটা দুটা কথা মাথোন মনত আছে। এদিন মোৰ পেট কামুৰিছে বুলি মই হেড্‌পণ্ডিত তাৰক বাবুৰ ওচৰত ছুটী ল'বলৈ গৈছিলোঁ।

তাৰক বাবুৱে মোক পাই আমাৰ কোমল-চাউল-ভোজনৰ বিৰুদ্ধে অনেক ৰসিকতা কৰি এটা বুজন বিধৰ বক্তৃতা শুনাই দিলে; কাৰণ তেওঁৰ সুযোগ উপস্থিত যে মোৰ ছুটীৰ দৰ্খাস্ত 'পেচ কৰা' কাৰণটো পেট-কামোৰণি আছিল। হেড্‌পণ্ডিত বাবুৰ বক্তৃতাৰ অন্তত মোৰ মনত খেলাইছিল যে কি লাজৰ কথা, কি 'শৰমত মৰিবৰ' কথা, যে আমি অসমীয়াবোৰে কোমল-চাউল খোৱাৰ নিচিনা অসভ্য কাম কৰোঁহঁক। অৱশ্যে এই ধিক্কাৰৰ কাৰণটো মোৰ পেটৰ কামোৰণি নহয়, কিয়নো, আমুকাই একো একোদিন তাতকৈও ডাঙৰ ডাঙৰ পেট-কামোৰণি নাগার্জুনৰ বৰি খাই অম্লানবদনে হজম কৰিছিলোঁ; কাৰণটো হেড্‌পণ্ডিতৰ বক্তৃতাৰ ফলত হোৱা জাতীয় দুষ্কার্যৰ নিমিত্তে আত্মগ্লানিৰ কামোৰণি। 'আমাৰ আদর্শ বংগবিদ্যালয়'ৰ আদর্শ বঙালী হেড্‌পণ্ডিত সর্ববিদ্যা-বিশাৰদ তাৰক বাবুৱে কোমল-চাউলক এনেকৈ কুকুৰে কাঁইট নোখোৱাকৈ যেতিয়া ককর্থনা কৰিছে, আৰু সেই ককর্থনা যেতিয়া তেওঁৰ বিদ্যাৰম্ভ মুখ-নিঃসৃত, কোমল-চাউল খোৱাটো নিশ্চয় আমাৰ অসভ্যতাৰ চিন। দ্বিতীয়টো— আমাৰ শ্রেণীৰে দুষ্ট ল'ৰা এটাই এদিন মোৰ ক্ষেত্রতত্ত্ব (জ্যামিতি) কিতাপটোৰ পাত এটা (যিটোত ৫ম প্রতিজ্ঞা আছিল) মোৰ অসাক্ষাতে বেঞ্চি এটাৰে ফুটাই ঠকা-সৰকা কৰি দিলে। সিযে কিয় তেনে কৰিলে, তাৰ মনৰ কি ভাব, মই বুজিব নোৱাৰিলোঁ; অনুমান কৰোঁ সি সেই প্রতিজ্ঞাটো আয়ত্ত কৰিব নোৱাৰি সম্ভৱতঃ লম্বোদৰ পণ্ডিতৰ হাতত লাঞ্ছিত হৈ, মোৰ কিতাপত থকা প্রতিজ্ঞাটোৰ ওপৰত সেই দৰে প্রতিশোধ ল'লে। যি হওক, শতছিদ্রযুক্ত পাতটিৰ লগে লগে মোৰ মনতো শোকৰ ছিদ্র এশটা হ'ল আৰু শতধা-বিভক্ত ছিদ্রবোৰৰপৰা ততালিকে সন্মিলিত দুধাৰ লো বৈ গ'ল। কিন্তু কাৰো দ্বাৰাই সেই প্রৱাহিনীৰ গতি পৰিলক্ষিত হৈছিল যেন মোৰ মনে নধৰে; কাৰণ সান্ত্বনা বাক্যৰ শুকান কাপোৰৰ আঁচলৰূপী অগস্ত্যক আনি, কোনেও সেই প্রৱাহিনীৰ প্রৱল জল পান কৰি দিবৰ অর্থে মোৰ ওচৰত উপস্থিত কৰা নাছিল।

ইয়াৰ এবছৰ পিছত মোক ইংৰাজী স্কুলৰ তলৰ শ্রেণী এটাত নাম লগাই দিয়া হ'ল। শ্রীযুত লোকনাথ শর্মা নামেৰে এজন মাষ্টৰৰ তলত পৰিলোঁ। তেওঁৰ মতা নাম টেপু আছিল। টেপু মাষ্টৰ ভয়ানক অর্থাৎ নিয়ম-প্রিয় শিক্ষক আছিল। ল'ৰাক পঢ়োৱাতকৈ -ৰ ফালে তেওঁৰ প্রখৰ দৃষ্টি। স্কুলীয়া নিয়মেই হওক বা ঘৰুৱা নিয়মেই হওক, সেইবোৰ নিখুঁতভাৱে ল'ৰাৰ দ্বাৰাই যাতে পালিত হয়, তাৰ নিমিত্তে তেওঁ যত্নশীল আছিল, যদিও সেই নিয়মবোৰৰ অধিকখিনি প্রচলিত পুৰণিকলীয়া অনিয়মৰ নামান্তৰ মাথোন। কোনো ল'ৰাৰ দ্বাৰাই ওপৰত কোৱা কোনো নিয়মৰ গাত আচোঁৰ এটা লাগিলেই তাৰ পিঠিত বেত্রাঘাত পৰিছিল। নিজৰ ঘৰতো কেতিয়াবা কোনো ছাত্রৰে যদি কোনো ঘৰুৱা নিয়মৰ ব্যতিক্রম কৰে, — যেনে ককায়েকৰ মুখে মুখে উত্তৰা-উত্তৰি কৰা, দদায়েকে কিবা কৰিবলৈ পাচিলে নকৰা, বা কৰিবলৈ গাফিলি কৰা, ইত্যাদি— আৰু সেই সংবাদ কিবাস্বৰূপে মাষ্টৰ শ্রীযুত লোকনাথ

শর্মাৰ গোচৰীভূত হ'ল, তেন্তে তাৰ বাবে পিছদিনা স্কুলত সেই ছাত্রৰ পিঠিত বা হাতৰ তলুৱাত তেওঁৰ দ্বাৰায় স্বহস্তদত্ত বেত্রাঘাত, নাইবা বেঞ্চৰ ওপৰত থিয় হোৱা শাস্তি। এই লেখকৰ কপালতো যে তেনেকুৱা কাৰণৰ নিমিত্তে তেনে বিধৰ দণ্ড দুদিন-এদিন নঘটিছিল, এনে নহয়। টেপু মাষ্টৰক লৈ আমি বৰ আহুকালত পৰিছিলোঁহঁক। তেওঁ ক্লাছত বহি থাকোঁতে, কেতিয়াবা থাকি থাকি, আমাক মাৰিবৰ কাৰণ উলিয়াবলৈকে হ'বলা, মুখখন ওফোন্দাই, বা ওঁঠ দুটা বেঁকা কৰি অংগী-ভংগী কৰিছিল, আৰু পাতল মনৰ আমি সেই অংগী-ভংগী দেখি হাঁহি সামৰিব নোৱাৰি হাঁহি দিছিলোঁ, আৰু হাঁহিলেই লাগিছিল লেঠা; তাৰ ফল— হাতৰ তলুৱাত বা পৃষ্ঠদেশত এটি বেতৰ মজলীয়া বিধৰ কোব। কিন্তু মুঠতে শ্রীযুত লোকনাথ শর্মা মাষ্টৰ ৰঙিয়াল মানুহ আছিল; আৰু আমি তেওঁক যে বেয়া পাইছিলোঁহঁক এনে নহয়।

শ্রীযুত ধর্মেশ্বৰ নামৰ আৰু এজন মাষ্টৰ আছিল। তেৱোঁ কম 'ডিছিপ্লিনেৰিয়ান' নাছিল, কিন্তু ওজনত তেওঁৰ পঢ়োৱাৰ জোখ বেছি আছিল দেখি 'ডিছিপ্লিন'ৰ ভৰ আমি কেঁকো-জেঁকোকৈ সহিছিলোঁহঁক। তেওঁৰ মুৰটো টপা আছিল দেখি, আমাৰ ভিতৰৰ দুষ্ট বোৰে তেওঁৰ নাম ৰাখিছিল 'টপা মাষ্টৰ', আৰু তেওঁৰ অসাক্ষাতে তেওঁৰ উল্লেখ সেই নামেৰে কৰিছিল।

মতিলাল ঘোষ নামেৰে বঙালী ছাত্র এজনে প্রথম শ্রেণীত অর্থাৎ এণ্ট্রেঞ্চ ক্লাছত পঢ়িছিল। তেওঁক প্রথম শ্রেণীত ধ্রুৱ তৰাৰ দৰে কত বছৰ যে দেখিছিলোঁ, ঠিক নাই। তেওঁ কটীয়া আৰু ডঢ়ীয়া আছিল। তেওঁৰ মুখত ভোবোকাৰ ডাঢ়িৰ প্রভাৱ ইমান সৰহ আছিল, যে তেওঁৰ মূৰটোতকৈ ডাঢ়িৰ ভৰ সৰহ, এই ভুল ধাৰণা অনেক কাললৈকে মোৰ মনত আছিল। তেওঁক মাজে মাজে আমাৰ শ্রেণীত পঢ়াবলৈ হেড্ মাষ্টৰে পঠিয়াই দিছিল। মনত আছে, তেওঁ আহিলে গোটেইটো স্কুলৰ চকু তেওঁৰ ফালে পোন হৈছিল; কাৰণ তেওঁ আহিয়েই ক্ষন্তেকৰ ভিতৰতে ইটোক 'Stand up on the bench, Sir!' সিটোক 'Go out of the class Sir, You!' এনেবোৰ হুকমৰ ভৈৰৱ নিনাদেৰে স্কুল-ঘৰটো খলক লগাই পেলাইছিল।

শ্রীযুত গোপালচন্দ্র ঘোষ নামেৰে এজন মাষ্টৰে আমাক ওপৰ ক্লাছত পঢ়াইছিল। তেওঁ মৃদু স্বভাৱৰ আৰু সৰল প্রকৃতিৰ মানুহ আছিল। তেওঁলোক বহুকলীয়া আসাম-প্রবাসী বঙলী। আচাৰ-ব্যৱহাৰ মাত-কথাত তেওঁলোক প্রায় অসমীয়াৰ নিচিনা হৈ গৈছিল। তেওঁৰ পিতাক ঠাকুৰদাস ঘোষক দেখা মোৰ এতিয়াও মনত আছে। ঠাকুৰদাস ধার্মিক আৰু মৃদু স্বভাৱৰ মানুহ আছিল। গোপাল বাবুয়ে আনৰ ক্লাছলৈ আহি দিনৌ, ছপা কৰা মানে-কিতাপ এখন হাতত লৈ ক্লাছত বহা প্রথম ল'ৰাটোৰে পৰা আৰম্ভ কৰি, মানে-কিতাপখনত থকা শব্দবোৰৰ মানে এটাৰ পিছত এটাকৈ সুধি গৈছিল। আমি তেওঁৰ গতি বুজি জুৰাচুৰি বুদ্ধি উলিয়াই, ক্লাছত য'ত বহোঁ

তালৈকে, প্ৰথমটো ল'ৰাৰে পৰা লেখি আনি, আৰু মানে থকা কিতাপৰ শব্দবোৰো এইদৰে লেখি আনি কাৰ গাত কোনটো শব্দৰ মানে কোৱাৰ ভাৰ পৰিব সেইটো ঠিক কৰি লৈ মুখস্থ কৰি থওহঁক, আৰু গোপাল বাবুয়ে আমাৰ পৰা নিৰ্ভুল উত্তৰ পাই ভাবে ল'ৰাহতে বঢ়িয়াকৈ সিহঁতৰ 'লেছন' তৈয়াৰ কৰি থৈছে। এনেকৈ অনেক দিন চলি আছিল; আৰু আমিও ভটীৱা পানীত উটি গৈ আছিলোঁহঁক। কিন্তু এদিন বিধি বিবাদী হ'ল আৰু আমাৰ বিড়ম্বনা ঘটিল। গোপাল বাবুৰ বুকুত কিহে খুন্দিয়াই দিলে ক'ব নোৱাঁৰো, তেওঁ সেই কৰাল-বন্ধা নিয়ম ভংগ কৰি, মানে কিতাপখন হাতত লৈ শব্দ-শ্ৰেণীৰ প্ৰাস নাৰাখি য'ৰে ত'ৰেপৰা মানে সুধিবলৈ ধৰিলে; ফলত আমাৰ ছত্ৰভংগ হ'ল। আমাৰ ফলীয়া ৰণুৱাবোৰ বিদ্যাৰ পৰ্বতৰ গাৰ পৰা খহি পৰিবলৈ ধৰিলে। মনত আছে, গোপাল বাবুৱে মোৰ পৰা তেওঁৰ প্ৰশ্নৰ বলিয়ালি অৰ্থাৎ ভুল উত্তৰ শুনি লাহেকৈ মোক তিৰস্কাৰ কৰি ক'লে— 'আজি মদৎখানাৰপৰা এইফালে বতাহ মাৰিছিল নেকি? ' মই সেই তিৰস্কাৰৰ আচল মৰ্মত যদিও তেতিয়া প্ৰৱেশ কৰিব নোৱাৰিছিলোঁ, তথাপি এইটো বুজিছিলোঁ, যে মাষ্টৰে মোক খুব শুনাই দিলে। যি হওক, সেইদিনৰ পৰা মই সকলো চালাকী পৰিত্যাগ কৰি লেছনটোৰ শব্দৰ মানে মুখস্থ কৰি তেওঁৰ সমুখ হ'বলৈ ধৰিলোঁ। ইয়াৰ পিছত দুদিন-চাইদিন গোপাল বাবুৱে আমাক মানে- কোৱা বিদ্যাত ঠিক পাই, আগৰ ৰীতিলৈ উভতি গ'ল, আৰু আমাৰ ভিতৰৰো অনেকে পৰিত্যক্ত টেঙৰালি পুনৰ অৱলম্বন কৰিলে।

শ্ৰীযুত তোয়ধৰ শৰ্মা নামেৰে পণ্ডিত এজন কিছুদিনৰ নিমিত্তে আমাক সংস্কৃত পঢ়োৱা পণ্ডিত হৈছিল। সংস্কৃতত তেওঁৰ প্ৰগাঢ় ব্যুৎপত্তি আছিল। তেওঁৰ সাজ-পাৰ আমাৰ দেশৰ পুৰণি-কলীয়া বিধৰ আছিল। এদিন তেওঁ মুগাৰ চুৰিয়া পিন্ধি আহি ক্লাছত বহিলতে আমাৰ ভিতৰত টপ্‌টপীয়া ল'ৰা এটাই মাত লগালে— 'আজি ছাৰে (Sir) মুগাৰ চুৰিয়া পিন্ধি আহিছে'। এই কথা শুনি পণ্ডিতৰ বৰ খং উঠিল, আৰু তেওঁ ল'ৰাটোৰ ফালে চাই ক'লে— 'হেৰ, তোৰ বাপেৰৰ ঘৰৰ মুগাৰ চুৰিয়া মই পিন্ধি আহিছোঁনে? এই কথা শুনি দমি যোৱা দূৰত থাওক, কিয় ক'ব নোৱাৰোঁ, ল'ৰাবোৰে গিৰ্জনি মাৰি হাঁহিবলৈ ধৰিলে। দুখৰ বিষয় সিহঁতৰ ভিতৰত এই লেখকো আছিল। পণ্ডিতে মোৰ পিতৃদেৱতাক বৰ সন্মান আৰু ভক্তি কৰিছিল, আৰু পিতৃদেৱতাইও তেওঁক পুত্ৰৱতে স্নেহ কৰিছিল; তাৰ ঘাই কাৰণ পণ্ডিত পিতৃদেৱতাৰ বন্ধু সুবিখ্যাত মিত্ৰধৰ অধ্যাপকৰ ছাত্ৰ আছিল। পণ্ডিতে আনবোৰক এৰি, মোৰ ফালে চাই বিৰক্তি প্ৰকাশ কৰি ক'লে— 'তুমি সিংহৰ পোৱালি হৈ শৃগালৰ নিচিনা হ'লা কিয়?' মই সেই তিৰস্কাৰ শুনি লাজত তললৈ মূৰ কৰি ৰ'লোঁ আৰু সেই দিনাৰে পৰা আন আন দুষ্ট ল'ৰাৰ লগ নলওঁ বুলি মনতে সংকল্প কৰিলোঁ।

বৰ আচৰিত কথা যে ইমানবোৰ শিক্ষকৰ তলত মোৰ বিদ্যা ঘটিছিল, কিন্তু প্ৰকৃত শ্ৰদ্ধা, ভক্তি বা ভালপোৱাৰে এজনেও মোৰ মন আকৰ্ষণ কৰিব নোৱাৰিছিল।

এইটো শিক্ষকসকলৰ গুণৰ ত্রুটিৰ বাবতকৈও সেইকালৰ শিক্ষা-প্রণালীৰ দোষ বুলি ধৰিলেহে ঠিক হ'ব হ'বলা। যি হওক, ইয়াৰ এটা ব্যতিক্রম ঘটিছিল, এমাহমানৰ নিমিত্তে। শ্রীযুত কেশৱনাথ ফুকনে (যি পিছত তেজপুৰত হেড্‌মাষ্টৰ হৈ সুখ্যাতিৰে কাম কৰিছিল) এমাহমানলৈ আমাৰ স্কুলত কাম কৰি আমাক পঢ়াইছিল। তেওঁৰ পঢ়োৱা প্রাঞ্জল প্রণালীয়ে মিষ্ট ব্যৱহাৰে আমাক তেওঁৰ প্রতি শ্রদ্ধাবান কৰি তুলিছিল। দুখৰ বিষয়, তেওঁ স্কুলত সৰহ দিন নাথাকিল।

আমাৰ স্কুলৰ ছেকেণ্ড মাষ্টৰ আছিল বাবু বিষ্ণুচন্দ্র চক্রৱৰ্তী। তেওঁ দীর্ঘকাল অসম-প্রবাসী বঙ্গালী। কিন্তু আশ্চৰ্যৰ বিষয় যে তেওঁ এষাৰো অসমীয়া কথা ক'ব নাজানিছিল। তেওঁৰ তলত মই সৰহ দিন পঢ়া নাছিলোঁ, কাৰণ মই ছেকেণ্ড ক্লাছলৈ উঠাৰ অলপ দিনৰ পিছতে তেওঁ বদলি হৈ গ'ল। তেওঁৰ সম্পর্কে মোৰ তিনিটা কথা মনত আছে।— তেওঁৰ গোঁফ্‌টাৰ সর্বসাধাৰণ গোঁফ্‌তকৈ দীঘল। দ্বিতীয়তে, তেওঁ কথা কওঁতে খোনাই খোনাই কথা কৈছিল, আৰু প্রত্যেকষাৰ কথাত 'অ কর্ছ' 'অ কর্ছ' (of course) শব্দটোৰ পোহ ইমানকৈ দিছিল যে শিৱসাগৰ জিলাৰ বান্‌মুখ নামৰ গাঁৱৰ গাখীৰ বেচোঁতা মানুহে গাখীৰত পানী দি বেচিবলৈ অনা গাখীৰৰ দৰে তাত তিনি ভাগ 'অ কর্ছ' পানীৰ পোহ পৰিছিল। তৃতীয়টো, তেওঁ আনতকৈ যে ভালকৈ ইংৰাজী জানে, এইটো বুজাবলৈ দেশৰ মানুহৰ ইংৰাজীত ভুল ধৰি দেখুৱাই আমাৰ আগত পেংলাই কৰিবলৈ ভাল পাইছিল। গণিত বিদ্যাৰে সৈতে কিন্তু বিষ্ণু বাবুৰ সতিনীৰ আঁহ আছিল, আৰু ঘনে ঘনে নিজেই সেই কথা জাহিৰ কৰি সুখ লভিছিল।

আমাৰ হেড্‌মাষ্টৰজনৰ নাম আছিল শ্রী শ্রীনাথ গুহ। আমাৰ দেশত যোৱাযোৱে শ্রী ব্যৱহাৰ কৰোঁতাসকলক কোনো সত্রৰ গোসাঁই বুলি মই জানিছিলোঁ। সেই দেখি এযোৰ শ্রীৰে গুহ বাবুৰ চহীৰ বঙলা হস্তলিপি এখন এদিন দেখি, সৰুতে মই ভাবিছিলোঁ, যে আমাৰ হেড্‌মাষ্টৰজনো বংগদেশৰ কোনোবা এখন সত্রৰ গোসাঁই প্রভু বা অধিকাৰ পুৰুষ। অনেক দিনৰ মূৰতহে মোৰ এই বালকসুলভ ভ্রম ভাগিছিল আৰু জানিছিলোঁ যে শ্রীনাথৰ শ্রীটো নামটোৰেই অন্তর্গত। শ্রীনাথ গুহ গা-গাৰিয়ে বৰ শকত-আবত মানুহ আছিল আৰু তেওঁৰ বৰণটো একেবাৰেই তোৰা ক'লা নহ'লেও দিব্য ক'লা আছিল। তেওঁৰ মাতৰ গুমগুমণিত শিৱসাগৰৰ ডাঙৰ স্কুলঘৰটোৱে দিনৌ থক্‌ থক্‌ কৰে কঁপি মোক কোৱা যেন শুনিছিলোঁ 'আৰু মই নোৱাৰোঁ। দেউতা ঐ! মোৰ কাণ ফাটি যাওঁ ফাটি যাওঁ কৰিছে!' এঘাৰ বজাৰ পৰা চাৰি বজালৈকে তেওঁ তেওঁৰ ক্লাছ প্রথম শ্রেণীত পঢ়াবলৈ নবহি, স্কুলৰ সম্পর্কে লেখা-পঢ়াৰ কাম কৰিবলৈ থকা কাষৰ ঠাই এডোখৰত বহি desk work অর্থাৎ অফিচৰ কামত ব্যস্ত থাকিছিল, আৰু মাজে মাজে থাকি থাকি 'silence!' অর্থাৎ 'চুপ' বুলি এটা বুকু কঁপি যোৱা প্রকাণ্ড গোঁজৰণিৰ ফর্মুটি গোটেইটো স্কুলৰ ছাত্রবৃন্দৰ উদ্দেশ্যে

মাৰি পঠিয়াইছিল। মই বোধকৰোঁ, ওপৰত কৈ অহা মাষ্টৰ হ'বলৈ ক্ষন্তেকীয়া ক্ষমতা পোৱা, প্ৰথম শ্ৰেণীৰ ছাতৰ মতিলাল ঘোষৰ সেই গোঁজৰণিও হেড্‌মাষ্টৰীয়া গোঁজৰণিৰ হাস্যকৰ নকল মাথোন। যি হওক শ্ৰীনাথ বাবুৰ 'ছাইলেন্স' নামৰ গোঁজৰণিৰ ধ্বনিত গোটেইটো স্কুলৰ ছাতৰ আৰু মাষ্টৰৰ মাত দুই-তিনি মিনিটলৈকে মুখৰ পৰা পলাই ফাট মাৰিছিল। এই গোঁজৰণিৰ আচল মানে হৈছিল— 'ছাতৰহঁত! তহঁতে ভাবিছ হ'বলা যে তহঁতৰ হেড্‌মাষ্টৰে নিজৰ কাম লৈয়ে ব্যস্ত আছে, তহঁতৰ ফালে তেওঁৰ চকু নাই? সেইটো নহয়; তেওঁ সজাগ।' এই অৰ্থটো তেওঁ আৰু সুস্পষ্ট কৰিছিল এইদৰে— কোনো ক্লাছৰ কোনো ল'ৰাৰ ব্যৱহাৰত ক্ষুদ্ৰ ব্যতিক্ৰম কেতিয়াবা চকুত পৰিলে, তেওঁ তেওঁৰ সেই সুদূৰস্থিত চকিৰপৰা ঢেৰকনি মাৰি 'you! you! ' অৰ্থাৎ তই! তহ! বুলি তাক তেওঁৰ ওচৰলৈ মাতি নি সোধ-পোছ নাই, তাক 'এই হাত!' 'সেই হাত!' বুলি হাত পাতিবলৈ কৈ তাৰ হাতৰ তলুৱাত বেতেৰে কোব লগাই দিছিল। এনে বেত্ৰাঘাতৰ সুখভোগ এই দুখীয়াৰ ভাগ্যতো এদিন ঘটিছিল। আমাৰ ক্লাছত মহীকান্ত নামেৰে দুষ্ট ল'ৰা এটা আছিল। মোৰ দুৰ্ভাগ্যৰ নিমিত্তে এদিন সি মোৰ ওচৰত ঠাই অধিকাৰ কৰি বহিলহি। মোৰ অমত আৰু আপত্তি অগ্ৰাহ্য কৰি, সি মোৰে সৈতে 'পাঞ্জা লড়িবলৈ' অভিলাষ কৰি মোৰ হাতটো ধৰি টনা-আঁজোৰা লগাই দিলে। 'পাঞ্জাযুদ্ধৰ' এই উদ্যোগ পৰ্বটো পৰিল হেড্‌মাষ্টৰৰ চকুত আৰু যাওঁ ক'লৈ? প্ৰচণ্ড 'you! you!' নিনাদে স্কুলঘৰ কঁপাই দি ততালিকে যুদ্ধ স্থগিত কৰি পেলালে। উভতি চাওঁ যে হেড্‌মাষ্টৰ বাবুৱে অকল মোৰ ফালৈহে সেই 'ইউ' বজ্ৰ মাৰি পঠিয়াইছে। হৰি হৰি! ঘাই দোষী মহীকান্তৰ ফালে নহয়; সি সাৰিল! মই মতলীয়া মানুহৰ দৰে থৰক-বৰক কৰে উঠি গৈ, ততালিকে হাতৰ তলুৱা পাতি দিলোঁ; আৰু তেখেতে তাত বেতৰ দুটি কোব বহুৱাই দি মোক আপ্যায়িত কৰি বিদায় দিলে। এনে অযথা বিচাৰ বা অবিচাৰ দেখি মনত ধিক্কাৰ লাগি ক্লাছলৈ আহি, হিতোপদেশৰ এই শ্লোকটো মাৰি ছিলেটখনত লেখিলোঁ— 'ন স্থাতব্যং ন গন্তব্যং দুৰ্জনেন সমং ক্বচিৎ।' দুৰ্জনৰ লগত থাকিলে বা গ'লে, গছৰ ডালত কাউৰীৰ লগত বহা হাঁহটোৰ দশা ঘটে।

শ্ৰীনাথ বাবুৰ এটা পুতেক আছিল, তাৰ নাম অতুল। সি হেড্‌মাষ্টৰৰ পুতেক, এই বাবেই observed of all ovservers অৰ্থাৎ গোটেই স্কুলৰ সসম্ভ্ৰম আৰু কুতুহলী চকুৰ বিষয় হৈছিল। অতুলেৰে সৈতে যি ছাতৰ বন্ধুতাৰ ডোলেৰে বান্ধ খাব পাৰিছিল, বা অতুলে যাৰে সৈতে হাঁহি মাতি কথা কৈছিল সেই ছাতৰৰ ভাগ্যক আনবোৰ ছাতৰে ঈৰ্ষাৰ লোলুপ দৃষ্টিৰে চাইছিল।

দুইমান বজাত হেড্‌মাষ্টৰৰ ঘৰৰপৰা হেড্‌মাষ্টৰ আৰু পুতেক অতুললৈ জলপান আহিছিল। হেড্‌মাষ্টৰে পুতেকৰে সৈতে স্কুলঘৰৰ পৰা ওলাই গৈ বাহিৰৰ পিৰালিত থিয় দি সেই জলযোগ সমাপন কৰিছিল। সেই বয়সতে মই ভাবি নাপাইছিলোঁ,

কিয় হেড্‌মাষ্টৰ বাবুৱে স্কুলঘৰৰ ভিতৰতে, তেওঁৰ অফিচৰ এচুকত এখন আঁৰ কাপোৰ বা আন ৰকমৰ আঁৰ দি লৈ সেই ভোজৰ ব্যৱহাৰৰ ব্যৱস্থা কৰি নলৈছিল? এই প্ৰশ্ন মোৰ মনতে উঠি অনেক দিনলৈকে থাকি, 'উৎত্থায় হৃদি লীয়ন্তে' হৈছিল।

শ্ৰীনাথ বাবুৰ তলত মোৰ পঢ়া নঘটিল। কাৰণ, মই প্ৰথম শ্ৰেণী পোৱাৰ আগতে শিৱসাগৰতে তেওঁ তেওঁৰ বিপুল বপুটি পেলাই থৈ পলাল। মই পঢ়িবলৈ পাইছিলোঁ অসমত সুপ্ৰসিদ্ধ চন্দ্ৰমোহন গোস্বামী হেড্‌মাষ্টৰৰ তলত। সকলো বিষয়তে এনে প্ৰগাঢ় পণ্ডিত চন্দ্ৰমোহন গোস্বামীৰ নিচিনা কোনো লোকে অসমত হেড্‌মাষ্টৰী কৰা নাছিল। চন্দ্ৰত কলংকৰ দৰে চন্দ্ৰমোহনৰ এটি কলংক আছিল, যে অতিৰিক্ত মদ্যপান। আচল চন্দ্ৰৰ দৰে চন্দ্ৰমোহনো মাহেকত দুই পক্ষ আছিল। তেওঁ মদ খাবলৈ আৰম্ভ কৰিলে ১৫ দিনমান একেৰাহে চলিছিল, আৰু তাৰ পিছত ১৫ দিনমান একেবাৰেই শুকান বাৰে খৰ। তেওঁৰ নিৰামহীয়া কালডোখৰক মই শুক্লপক্ষ বুলিছিলোঁ, আৰু সিডোখৰক কৃষ্ণপক্ষ বুলিছিলোঁ। বেজাৰৰ কথা— এইটোহে যে এই কৃষ্ণপক্ষতো তেওঁ একো একো দিন স্কুলত ভটংকৰে উদয় হৈছিলহি ; আৰু ছাতৰবোৰে তেওঁৰ স্ফূৰ্তিৰ গঢ়-গতি দেখি আমোদ উপভোগ কৰিছিল। এদিন মনত আছে তেওঁ তেওঁৰ কৃষ্ণপক্ষৰ ভিতৰতে ঘপহকৰে স্কুলত ওলালহি ; লগতে বঙলা স্কুলৰ হেড্‌পণ্ডিত বাবু প্ৰাণকৃষ্ণ কৰ। প্ৰাণকৃষ্ণ বাবু নিশ্চয় চন্দ্ৰমোহন বাবুৰ তদাৰক আৰু চম্ভালক হৈ আহিছিল। কিন্তু আচৰিত কথা যে গোস্বামী ডাঙৰীয়াৰ পট্‌লুঙৰ ভিতৰত থকা চুৰিয়াৰ পোন্ধটো যে পট্‌লুঙৰ ওপৰেদি ওলাই ওলমি আছিল, সেইটো গোস্বামী ডাঙৰীয়াক চম্ভালক কৰ বাবুৰ প্ৰফুল্লিত নয়ননিকৰত নপৰিছিল। পৰাহেঁতেন তেওঁ সেইটোকো সেইদৰে নিৰাশ্ৰম কৰি নেৰি গোস্বামী ডাঙৰীয়াৰ পেট্‌লুঙৰ ভিতৰতে ৰক্ষা কৰিবৰ এটা দিহা কৰি দিলেহেঁতেন। গোসাঁয়ে প্ৰথম শ্ৰেণীৰ পৰা আৰম্ভ কৰি ষষ্ঠ শ্ৰেণীলৈকে পৰিভ্ৰমণ কৰি ছাতৰক কিতাপৰ পাঠৰ প্ৰশ্ন সুধি ফুৰিছে, আৰু ফুৰিছে আৰু প্ৰাণকৃষ্ণ বাবু লগে লগে ছাঁৰ দৰে ফুৰি সেই প্ৰশ্ন দোহাৰি (repeat) কৰি ল'ৰাক বুজাই দিছে ; অথচ এই গোটেইডোখৰ কালত বিদ্ৰোহী, জাতীয় (natural) চুৰিয়াৰ পোন্ধৰ অগ্ৰভাগে পতাকাৰ ৰূপ ধৰি বিৰাট ব্ৰিটিশ গৱৰ্ণমেণ্টৰ স্কুলৰ বিজাতীয় 'ইউনিয়ন জেক্' পতাকাৰ 'স্পিৰিট' বা আত্মাক অগ্ৰাহ্য আৰু সম্ভৱতঃ অমান্য কৰি উত্ৰাৱলভাৱে উৰি ফুৰিছে, কিন্তু তাৰ ফালে কৰ বাবুৰ চকু নাই। দৃশ্যটো দেখি, গোটেইটো স্কুল ছাতৰৰ suppressed হাঁহিৰ অৰ্থাৎ হেঁচা মাৰি ধৰি থকা হাঁহিৰ হেঁচাত অধীৰ। যি হওক, ইয়াৰ স্কুলৰ ছেকেণ্ড মাষ্টৰ আৰু মোৰ সহপাঠী প্ৰথম শ্ৰেণীৰ ছাত্ৰ গোস্বামী ডাঙৰীয়াৰ পুতেকে গোস্বামীক ঘৰলৈ লৈ গৈ সেই দৃশ্যপট পৰিৱৰ্তন কৰি দিলে।

বিদ্যাৰ গৌৰৱত চন্দ্ৰমোহন গোস্বামী পূৰ্ণিমাৰ জোন যেন আছিল। তেওঁ

আমাৰ অশেষ ভক্তি-শ্রদ্ধা আকর্ষণ কৰিছিল। কলেজত শিক্ষা শেষ কৰি সংসাৰত সোমাই বিষয়ী হৈও যেতিয়াই অসমলৈ গৈছোঁ বা যেতিয়াই কলিকতাত গোস্বামী ডাঙৰীয়াৰে সৈতে মোৰ দেখা হৈছে, তেতিয়াই তেওঁৰ ওচৰত মোৰ ভক্তিপূর্ণ মূৰ দোঁ খাইছে। তেওঁৰো পুৰণি ছাত্র মোৰ প্রতি সদায় অশেষ স্নেহ থকাটোৰ নিদর্শন পাইছিলোঁ। 'জোনাকী' আৰু 'বাঁহী'ত ওলোৱা মোৰ প্রবন্ধবোৰ তেওঁ পঢ়ি আমোদ পাইছিল, আৰু সেইবোৰৰ বিষয়ে মোৰে সৈতে দেখা হ'লে, মোৰ আগত মতামত প্রকাশ কৰিছিল। মোৰ বিয়াৰ কিছুমান দিনৰ পিছত তেওঁৰে সৈতে এবাৰ কলিকতাত মোৰ দেখা হৈছিল। তেওঁ in a fatherly way অর্থাৎ বাপেকে পুতেকক উপদেশ দিয়াৰ দৰে মোক কৈছিল— 'ঠাকুৰবাড়ীত তুমি বিয়া কৰাই ভাল কৰিছা। মই বৰ সন্তোষ পাইছোঁ। তেওঁলোকৰ পৰিয়াল বংগদেশত বৰ aristocratic (সম্ভ্রান্ত)। কিন্তু সেই বুলি তুমি তেওঁলোকৰ আগত এচুলমানো হীনতা অনুভৱ আৰু প্রকাশ নকৰিবা; কাৰণ এইটো মনত ৰাখিবা, যে তেওঁলোকৰ দেশত তেওঁলোক বংশ-গৌৰৱত যেনেকৈ ডাঙৰ তোমাৰ দেশতো তুমি তেনেকুৱা।' মই অশ্রু গদ্ গদ্ লোচনেৰে মূৰ দোঁৱাই তেওঁৰ কথাৰ মর্যাদানুভৱ কৰি appreciation জনালোঁ।

২.৩.২ তৃতীয় আধ্যাৰ বিষয়বস্তুৰ আলোচনা

মোৰ জীৱন সোঁৱৰণৰ তৃতীয় অধ্যায়ত বেজবৰুৱাই তেওঁৰ লৰালি কালৰ গুৱাহাটীত থকা দিনসমূহৰ কথা লিপিবদ্ধ কৰিছে।দেউতাকে লখিমপুৰৰ পৰা গুৱাহাটীলৈ বদলি হোৱাত পৰিয়ালটো আহি গুৱাহাটীৰ কমলানাথ ফুকনৰ ঘৰত থাকিলহি। কিছুদিনৰ পিছতে তেওঁলোক স্বর্গীয় লক্ষ্মীনাথ গজপুৰীয়া বৰুৱা ডাঙৰীয়াৰ খালী থকা ঘৰ-বাৰীত গৈ থাকিবলৈ ল'লে।পাহাৰ-নদীৰে সুশোভিত; বশিষ্ঠাশ্রম, উমানন্দ, অশ্বক্লান্ত আদি তীর্থস্থানেৰে পৰিৱেষ্টিত গুৱাহাটীৰ সৌন্দর্যই বেজবৰুৱাৰ কোমল মন আনন্দৰে ভৰাই তুলিছিল। কামাখ্যা আৰু হাজোৰ বাহিৰে প্রায়কেইখন তীর্থস্থানলৈ তেওঁ দেউতাকৰ সৈতে গৈছিল।

গুৱাহাটীত থকা কালত যশোমন্ত সেন, গোবিন্দৰাম চৌধাৰী, উকীল শ্রীমন্ত সেন আদি তেওঁলোকৰ ঘৰলৈ অহা-যোৱা কৰিছিল।এইসকলৰ ভিতৰৰে কমলানাথ ফুকনৰ কথা তেওঁ উল্লেখ কৰিছে।তেওঁ ৰসিক ব্যক্তি আছিল।এবাৰ এজনে ডবা কিনিবলৈ তেওঁৰ পৰা টকা ধাৰে নিছিল। কিন্তু ডবা কিনাৰ বহুত দিনৰ পিছতো টকা ঘূৰোৱাৰ কাণসাৰ নোহোৱাত তেওঁ পদ্য লিখি বন্ধুসকলৰ আগত বিদ্রুপ কৰি গাই শুনাইছিল। লক্ষ্মীনাথে গজপুৰীয়া বৰুৱা ডাঙৰীয়াৰ এটা কাহিনীও ইয়াত সন্নিৱিষ্ট কৰিছে। তেওঁৰ এটা ঘোঁৰা আছিল। ঘোঁৰাটোৰ মস্থৰ গতিত বিৰক্ত হৈ এদিন তেওঁ ঘোঁৰাটোক "ইন্দ্রৰ উচ্চৈশ্রৱা" বুলি ভর্ৎসনা কৰিছিল।

গুৱাহাটীতেই লক্ষ্মীনাথৰ স্কুলীয়া শিক্ষা আৰম্ভ হৈছিল। স্কুলৰ জীৱন তেওঁৰ কাৰণে আনন্দৰ নাছিল। বৰঞ্চ বৰ-ফাটেকলৈ যোৱা যেনহে অনুভৱ কৰিছিল। দেউতাকৰ হুকুম মানি তেওঁ কেৱল স্কুললৈ গৈছিল। স্কুলত সোমায়েই চেকনিধাৰী বজ্রকঠিন কণ্ঠৰ শিক্ষক আৰু ভাবে-ভক্তিয়ে বিগলিত কৰি থোৱা ছাত্রসকলক দেখি ভয়ত তেওঁৰ ধাতু উৰি যোৱা অৱস্থা হৈছিল আৰু ঘৰত পঢ়ি-শুনি অহা সকলো কথা সেই ভয়তে পলাই ফাট মাৰিছিল।বেজবৰুৱাই অনুভৱ কৰে যে স্কুল তেওঁৰ লগতে আন ছাত্রৰ কাৰণে আতংকৰ কাৰণ নহৈ যদি আনন্দৰ আলয় হ'লহেঁতেন তেন্তে দেশত সুস্থ-সবল মনৰ এচাম প্রজাৰ সৃষ্টি হ'লহেঁতেন। স্কুলৰ নীৰস, কঠোৰ শিক্ষাব্যৱস্থাৰ পৰিৱর্তে এক আনন্দদায়ক ব্যৱস্থাৰ মাধ্যমেৰে শিক্ষাৰ পৰিৱেশ সৃষ্টি হোৱা হ'লে জন্মভূমিৰ বাবে চামে চামে প্রফুল্লিত মনৰ মানুহ সৃষ্টি হ'লহেঁতেন। স্কুলত তেওঁক অঙ্ক শিকোৱা মাষ্টৰজন আছিল চাখাৱত আলি।তেওঁক দেখিলেই লক্ষ্মীনাথৰ ভয়তে ডিঙি শুকুৱা অৱস্থা হৈ মূৰৰ পৰা সকলো অঙ্কই বিদায় লৈছিল । ইয়াৰ পিছত আৰু শিক্ষকে যি শিকাওক তেওঁৰ মূৰত একো নোসোমাইছিল আৰু তেওঁ মাষ্টৰৰ পৰা শাস্তি পাব লগাত পৰিছিল। মুঠতে গুৱাহাটীৰ স্কুল সকলো ফালৰ পৰা তেওঁৰ কাৰণে আনন্দালয় নহৈ যমালয় হৈ উঠিছিল।

লক্ষ্মীনাথৰ এনে স্কুলীয়া দিনতে এবাৰ কলেজৰ বন্ধত কলিকতাৰ পৰা ককায়েকহঁত ঘৰত আহি আছিলহি। ককায়েকে তেওঁক "কি পঢ়িছ?" বুলি পঢ়াৰ সোধা পোচা কৰিবলৈ ধৰাত লক্ষ্মীনাথৰ নিঃকিন অৱস্থাটো তেওঁৰ আগত ওলাই পৰিল। ককায়েকে খঙত তেওঁক মাৰিবলৈ খেদাত ককায়েক ভায়েকৰ মাজত দৌৰাদৌৰী চলিল। মাকে সেই দৃশ্য দেখি ককায়েকক ভৰ্ৎসনা কৰিলে। সৰু ভায়েকে ইমান দিনৰ মূৰত ককায়েকক লগ পাবলৈ হেঁপাহ কৰি আছিল। সি আকৌ ওলোটাই তাক মাৰিবলৈহে ওলাইছে। পঢ়া-শুনাৰ কথা পিছে পৰে সুধিলেওতো হয়। মাকৰ কথাত ককায়েক ক্ষান্ত হ'ল। ইয়াৰ কিছুদিন পিছতে গুৱাহাটীত থকা কালতে দেউতাকে একষ্ট্রা এচিষ্টেন্ট পদৰ পৰা অৱসৰ লয়। গুৱাহাটীৰ বহুতেই দেউতাকক উজনিলৈ উভতি নাযাবলৈ অনুৰোধ কৰিছিল। কিন্তু দেউতাকে গুৱাহাটী এৰি নিজৰ ঠাই শিৱসাগৰলৈ উভতি যোৱাটোকে থিক কৰিলে। পৰিয়ালটো গুৱাহাটীৰ ঘাটত নাৱত উঠিবলৈ যায়। ৰাতি ধুমুহা অহাত ককায়েক, দেউতাক আৰু নাৱৰীয়াসকলে মিলি নাওখন ক্ষতি নোহোৱাকৈ ধৰি ৰাখিছিল। পিচদিনা কলিকতালৈ বুলি ককায়েকহঁত জাহাজত উঠিছিল আৰু মাকে দুখ কৰিছিল যে লৰাকেইটাই যোৱাৰ আগত ভাতসাজো ভালকৈ খাবলৈ নাপালে।

তেওঁলোকে গুৱাহাটীৰ পৰা শিৱসাগৰলৈ দুখন ডাঙৰ শুৱালকুচীয়া

হোলোং নাৱেৰে যাত্রা কৰিছিল। বাইচ-চৰিচ দিনমান লাগিছিল। নাৱেৰে যাত্রা কৰাৰ সেই সময়চোৱা লক্ষ্মীনাথৰ বাবে সুন্দৰ অভিজ্ঞতা আৰু অপাৰ আনন্দৰ সময় আছিল। সম্ভৱতঃ ফাগুণৰ শেষ আৰু চ'তৰ আগচোৱাৰ এই যাত্রাকালত ব্রহ্মপুত্রখন তেওঁৰ কাৰণে ফটিকৰ সূতাৰে বোৱা ডাঙৰ চেলেং কাপোৰ যেন লাগিছিল। তেওঁলোকৰ নাও দুখন যেন বগা চেলেংখনত থকা দুটা টোকা পৰুৱা।পাৱত নাও লগালেই তেওঁলোকে ম'ৰাচৰাইৰ পোৱালি লৰি ফুৰাদি লৰি ফুৰিছিল। এই নৌকাযাত্রাৰ সময়ৰ বিভিন্ন সৰু-ডাঙৰ অভিজ্ঞতা, ঘটনা আদি লক্ষ্মীনাথে ইয়াত লিপিবদ্ধ কৰিছে। গঙ্গাচিলনীৰ কণী বিচাৰি আনি ভাজি খোৱা, ঘঁৰিয়ালৰ কণী ফুটাই খোলা দুটা নাৱৰ আগত বান্ধি লোৱা, নৈৰ বালিত কণী পাৰিবলৈ উঠা কাছ ধৰি খোৱা, অখাদ্য বুলি ভবা নল-দুৰা কাছ নাৱৰীয়াহঁতে ধৰা, কাছ কণী বিচাৰি অনা,ধুমুহাৰ ৰাতি দেউতাকে পানীত নামি নাৱৰীয়াহঁতৰ সৈতে লগ হৈ নাওখন ধৰি ৰাখি পৰিয়ালটোক বিপদৰ পৰা ৰক্ষা কৰা, নাৱেৰে গৈ থাকোতে বনৰীয়া ম'হৰ জাক দেখা, কুৰুৱা মাছৰ মুখৰ পৰা বুদ্ধি কৰি ৰৌ মাছ আনি খোৱা, দেউতাকৰ পৰা অচিনাকী বুঢ়া-বুঢ়ীয়ে ৰোগৰ দৰব লোৱা, নৈৰ দাঁতিত নল-ঘাগৰিৰ ওপৰত কাছ পোৱালীয়ে ৰ'দ লৈ থকা, মাদুৰী বনৰ শাহ গুচাই খোৱা, গৰাখহনীয়া দেখিলে নাও সিপাৰলৈ কষ্ট কৰি পাৰ কৰোৱা, দেউতাকে নাৱত ঘোষা গাই নাৱৰীয়াহঁতৰ মনত উৎসাহ জোগোৱা, দূৰৈত কমলাবাৰী সত্রৰ গছ দেখি দেউতাকে কোৱাৰ দৰেই নাৱতে আঠুকাঢ়ি সেৱা কৰা, দেউতাকে ঘোষা গাই ব্যাখ্যা কৰি শুনোৱা, দিখৌমুখ পোৱাৰ আগে আগে এখন মিচিং গাঁৱত কোনোবা ল'ৰাই কন্দা শুনি দেউতাকে মতাই আনি মাক-দেউতাকক ল'ৰাটোক নকন্দুৱাবলৈ কোৱা আৰু দেউতাকৰ কথাত সন্তুষ্ট হৈ তেওঁলোকে বৰজাপিৰ সমান এটা বৰকাছ উপঢৌকন দিয়া আদি বিভিন্ন ধৰণৰ আমোদজনক ঘটনাৰে এই তৃতীয় অধ্যায়টো বেজবৰুৱাই ৰচনা কৰিছে।এনেকৈয়ে তেওঁলোকে নাৱেৰে আহি ৰংপুৰ পায়হি আৰু লক্ষ্মীনাথে চুৰীয়া পিন্ধি ভব্য-গব্য হৈ ৰংপুৰৰৰ ঘৰত প্রৱেশ কৰে। এনেদৰেই বেজবৰুৱাই গুৱাহাটীত থকা কালৰ আৰু গুৱাহাটীৰ পৰা শিৱসাগৰলৈ নাৱেৰে ভ্রমণ কৰা সময়ৰ অনেক অভিজ্ঞতাৰ আধাৰত *মোৰ জীৱন সোঁৱৰণৰ* প্রথম ভাগৰ অন্তর্গত তৃতীয় অধ্যায়টো ৰচনা কৰিছে।

২.৩.৩ চতুর্থ আধ্যাৰ বিষয়বস্তুৰ আলোচনা

মোৰ জীৱন সোঁৱৰণৰ প্রথম চতুর্থ অধ্যায়টো বেজবৰুৱাই দেউতাকৰ সৈতে তেওঁলোক গুৱাহাটীৰ পৰা আহি শিৱসাগৰত থাকিবলৈ লোৱা সময়ৰ অভিজ্ঞতাৰ ভেটিত ৰচনা কৰিছে। কাব্যিক আৰু আলংকাৰিক ভাষাৰে তেওঁ

ভাগৰ অন্তর্গত অধ্যায়টোৰ প্রথমতেই গুৱাহাটী আৰু শিৱসাগৰৰ ভৌগোলিক আৰু প্রাকৃতিক পার্থক্যসমূহ উপস্থাপন কৰিছে। শিৱসাগৰৰ প্রতি প্রথমে তেওঁৰ বিৰাগ আছিল। কিন্তু বিশাল বৰপুখুৰী আৰু দৌলসমূহেৰে সৌন্দর্যপূর্ণ হৈ থিয় দি থকা শিৱসাগৰে সোনকালেই তেওঁৰ মনত বিৰাগৰ পৰিৱর্তে অনুৰাগ সৃষ্টি কৰিলে। শিৱসাগৰৰ ঘৰত উমলিবলৈ তেওঁৰ লগৰীয়া আছিল ভতিজাক দুজন। সিহঁত লক্ষ্মীনাথতকৈ পঢ়া-শুনাত আগবঢ়া আছিল আৰু বঙলা (বাংলা) পদ্য আদিও মুখস্থ আছিল। সিহঁতৰ ওচৰত লক্ষ্মীনাথে নিজকে বৰ নিঃকিন অনুভৱ কৰিলে আৰু যিকোনো প্রকাৰে সিহঁতে যি উৎসৰ পৰা বিদ্যা আয়ত্ত কৰিছে সেই উৎসৰ পৰাই জ্ঞান ল'বলৈ প্রতিজ্ঞা কৰিলে। সংকল্প মতেই কাম । লাহে লাহে তেওঁ ভতিজাকহঁতক পদ্যযুদ্ধৰ প্রত্যুত্তৰ দিব পৰা হ'ল আৰু সেয়েহে যুদ্ধয়ো বিদায় লৈ শান্তি স্থাপিত হ'ল। এইবাৰ ভতিজাকহঁতে বঙলা যাত্রা-গানৰ পালাৰপৰা গীত জুৰিলে। ৰাধাৰ মান-ভঞ্জন পালাৰ গীত শুনি লক্ষ্মীনাথেও নিজৰে মানভঞ্জন হোৱা যেন পালে।তেওঁ বঙলা যাত্রা গান আগতে দেখাও নাই, শুনাও নাই। তেওঁ অসমীয়া ভাওনাৰ দুই-এক পদ গাই শুনাইছিল যদিও কাম নিসিজিল। সেই সময়ত অসমৰ মানুহে বঙলা নাজানিলে নিজকে পিছপৰা বুলি ভবা আৰু সকলো কথাতে বঙলা গীত-নাট অনুকৰণ কৰিব বিচৰা মনোবৃত্তিৰ কথা লিখকে ইয়াত উল্লেখ কৰিছে।

লাহে লাহে লক্ষ্মীনাথে নিজৰ বলত ওচৰৰ ল'ৰাহঁতৰ মাজত নেতাৰ স্থান অধিকাৰ কৰিলে। ল'ৰাহঁতৰ লগত টাংগুটি, বাঘ-গৰু, গুড়ু আদি খেলা, পুখুৰীত জলকেলি কৰা, ভৰবাৰিযা দিখৌ সাঁতুৰি ইপাৰ-সিপাৰ হোৱা, বুদু আতৈৰ হতুৱাই নাও সজাই লৈ পুখুৰীত নমাই নাও বুৰাই দিয়া খেল খেলা, দেউতাকৰ শাসন আদি বিভিন্ন ধৰণৰ কথা ইয়াত সন্নিৱিষ্ট হৈছে। লক্ষ্মীনাথৰ লগুণ-দিয়নিৰ বিস্তৃত বর্ণনা তেওঁ ইয়াত আগবঢ়াইছে। ইয়াৰ পিছতে আহিল তেওঁৰ বঙলা স্কুলত শিক্ষাগ্রহণ পর্ব। সেই সময়ত চৰকাৰী ভুলৰ পৰিণতিত ল'ৰা-ছোৱালীয়ে বঙলাতে শিক্ষা গ্রহণ কৰিব লগা হৈছিল। গৱর্ণমেন্টে "আদর্শ বঙ্গ বিদ্যালয়" নাম দি বঙলা স্কুলবোৰ পাতিছিল। তেনেকুৱা এখন স্কুলতে তেওঁৰ শিক্ষা গ্রহণ আৰম্ভ হ'ল। স্কুলৰ হেডপণ্ডিত আৰু দ্বিতীয় পণ্ডিতজন বঙ্গদেশীয়। বঙলা স্কুলৰ সৰু-ডাঙৰ কিছু অভিজ্ঞতা অধ্যায়টোত পোৱা যায়।এবছৰ সেই স্কুলত থকাৰ পিছত তেওঁক ইংৰাজী স্কুলৰ তলৰ শ্রেণীত নাম লগাই দিয়া হ'ল আৰু লোকনাথ শর্মাৰ অধীনত তেওঁৰ শিক্ষাগ্রহণ চলিবলৈ ল'লে। এই লোকনাথ শর্মা বা টেপু মাষ্টৰৰ ল'ৰাক পাঠ পঢ়ুওৱাতকৈ ডিচিপ্লিন বা নিয়ম-নীতিৰ প্রতিহে বেছি মনোযোগ আছিল। বেত্রাঘাত পালেও এইজন শিক্ষকক ছাত্রসকলে ভাল পাইছিল। ধর্মেশ্বৰ নামৰ আন এজন শিক্ষক আকৌ

নিয়ম-নীতিত কঠোৰ নহয়। কিন্তু পঢ়ুওৱাৰ জোখ অলপ বেছি আছিল। স্কুলৰ হেডমাষ্টৰ আছিল শ্ৰীনাথ গুহ। স্কুলত এই হেড মাষ্টৰৰ বিভিন্ন কাৰ্যৰ এখন হাস্যৰসিক চিত্ৰ বেজবৰুৱাই এই অধ্যায়টোত সন্নিৱিষ্ট কৰিছে। তেওঁ ছাত্ৰক পঢ়ুওৱাতকৈ নিজৰ অফিচৰ কামত অধিক ব্যস্ত আছিল। কিন্তু ল'ৰাহঁতৰ মাজত দুষ্টৰ পৰাই যদি নিয়মৰ লৰ দেখে তেন্তে শাস্তি বিহিছিল। তেনেকুৱা বেতৰ কোব দুৰ্জনৰ সঙ্গত পৰি লক্ষ্মীনাথেও খাব লগাত পৰিছিল। শ্ৰীনাথ বাবুৰ তলত বেজবৰুৱাৰ পাঠ পঢ়া নহ'ল। তেওঁ পঢ়িবলৈ পালে সুপ্ৰসিদ্ধ চন্দ্ৰমোহন গোস্বামী হেডমাষ্টৰৰ তলত। তেওঁৰ লগত ঘটা কিছুমান খুহুটীয়া হাস্যমধুৰ আনন্দদায়ক ঘটনা এই অধ্যায়টোত বেজবৰুৱাই অন্তৰ্ভুক্ত কৰিছে। কিন্তু তেওঁৰো কিছুমান কুপ্ৰবৃত্তি আছিল। অৱশ্যে গোস্বামী ডাঙৰীয়াৰ প্ৰতি লক্ষ্মীনাথৰ গভীৰ ভক্তি আছিল।পৰৱৰ্তী সময়ত লক্ষ্মীনাথৰ সাহিত্য পঢ়ি গোস্বামী ডাঙৰীয়াই তেওঁৰ সৈতে সেই সম্পৰ্কে মত বিনিময় কৰিছিল আৰু লক্ষ্মীনাথৰ প্ৰতিভা আৰু পাণ্ডিত্যক পিছৰ কলিকতাত থকা সময়তো তেওঁ সঠিকভাৱেই উপলব্ধি কৰিব পাৰিছিল আৰু স্বীকৃতি দিছিল।



জানি থোৱা ভাল

লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনী *মোৰ জীৱন সোঁৱৰণ* বাঁহী আলোচনীৰ দ্বাদশ বছৰৰ ষষ্ঠ সংখ্যাৰ পৰা চতুৰ্দশ বছৰৰ তৃতীয় সংখ্যালৈকে ধাৰাবাহিকভাৱে প্ৰকাশিত হৈছিল।পৰৱৰ্তী সময়ত বেজবৰুৱাৰ মৃত্যুৰ পিছত ১৯৪৪ চনত পুথিৰ ৰূপত ই প্ৰকাশ পায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ লক্ষ্মীনাথ বেজবৰুৱাই গুৱাহাটীৰ পৰা শিৱসাগৰলৈ দেউতাকৰ সৈতে কৰা নৌকা যাত্ৰাৰ বৰ্ণনা তেওঁৰ আত্মজীৱনীত কেনেদৰে আগবঢ়াইছে?

(২০০টা শব্দৰ ভিতৰত)

.....

২.৪ বেজবৰুৱাৰ গদ্যশৈলীৰ সাধাৰণ আলোচনা

ভাব বা বক্তব্য বিষয়ৰ সৈতে সঙ্গতি ৰক্ষা কৰি প্ৰত্যেক গৰাকী প্ৰতিভাশালী লেখকৰ হাতত বাকভঙ্গীয়ে একোটি সুকীয়া গঢ় লয়। ই একান্তভাবে লেখকৰ ব্যক্তিগত আদৰ্শ, জ্ঞান,

ৰুচি আদিৰ দ্বাৰা প্ৰভাৱিত হয়। সেয়েহে ইয়াৰ বিশ্লেষণৰ জৰিয়তে তেওঁৰ গদ্যৰীতিৰ বৈশিষ্ট্যৰাজিৰ প্ৰকাশ ঘটাৰ লগতে ব্যক্তিত্বৰো আভাস পাব পাৰি। কিন্তু লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্য সাহিত্যৰাজিৰ ৰূপ ইমান বৈচিত্ৰ্যপূৰ্ণ যে সমগ্ৰ ৰচনাৰাজিৰ মাজত একে গদ্যৰীতিৰে প্ৰকাশ ঘটিছে বুলি ক'ব পৰা নাযায়। তেওঁৰ তত্ত্বমূলক পুথিৰ গদ্যৰ ৰূপ ব্যঙ্গ সাহিত্যৰ সৈতে নিমিলে। সেইদৰে তেওঁৰ শিশু সাহিত্যৰ গদ্যৰো এক নিজস্ব ভংগী লক্ষ্য কৰা যায়। কিন্তু পাৰ্থক্য থাকিলেও বেজবৰুৱাৰ সমগ্ৰ সাহিত্যৰাজিৰ গদ্যৰ ক্ষেত্ৰত এটা দিশত সমৰূপতা বিৰাজমান। সেইটো হৈছে অসমীয়া ভাষাৰ বিশুদ্ধ জতুৱা ঠাঁচ আৰু নিভাঁজ শব্দ প্ৰয়োগৰ প্ৰতি থকা তেওঁৰ বিশেষ সচেতনতা।ঃ এনে প্ৰয়োগৰ যোগেদিয়ে প্ৰতিফলিত হৈছে তেওঁৰ বিশেষ দক্ষতা, জাতি-ভাষা-সাহিত্যৰ প্ৰতি থকা প্ৰেম আৰু দায়বদ্ধতা। বেজবৰুৱাৰ ৰচনাৰাজিত দেখা পোৱা তেওঁৰ ভাষাশৈলী আৰু প্ৰকাশভংগীৰ বৈশিষ্ট্যসমূহ তলত দাঙি ধৰা হ'ল—

শব্দচয়ন ঃ বেজবৰুৱাৰ গদ্য বিশ্লেষণ কৰিলে দেখা যায় যে তেওঁৰ ৰচনাত অসমীয়া ভাষাৰ নিভাঁজ জতুৱা শব্দসমূহৰ বিশেষ প্ৰাধান্য আছে। অৱশ্যে এইক্ষেত্ৰত তেওঁ ৰক্ষণশীল নহয়। কাৰণ বিষয়বস্তুৰ লগত সঙ্গতি ৰক্ষা কৰি প্ৰয়োজন বিশেষে তেওঁ ইংৰাজী, হিন্দী আদি শব্দৰো মুকলি ব্যৱহাৰ কৰিছে। তৎসম, অৰ্দ্ধতৎসম, তদ্ভৱ, ঘৰুৱা কথিত, নিজে সজা আদি বিবিধ শব্দৰ সমাৱেশত বেজবৰুৱাৰ গদ্যৰ শব্দসম্ভাৰ আকৰ্ষণীয় হোৱাই নহয় ভাবৰ সাৰ্থক প্ৰকাশতো এইসমূহে বিশেষভাৱে সহায় কৰিছে। তেওঁৰ গদ্যক বিশেষ আকৰ্ষণীয় কৰি তোলা জতুৱা শব্দকেতবোৰ হ'ল— ঢকাডিঙৰা, ওকণীশিৰ, টকচালি, কাঠীয়ক, তৰচেঙেলি, তিলৌতিপৌ, দেওদোপালপৰা, ঘটীয়াশিঙৰা, উখৰামুৰা, গহৰি, টাবচিলিঙি, খেজালনি, তামিঘৰা, এচঁহীয়া, উলাহৰ মাদলি, উভহা ধৰা, বিয়াদান দি ফুৰা, আঁৰি মৰা, কটঙা, টিমক, কুৰুলিপিটা, তীখামোখৰা, উভি যোৱা, কাঠীকৰ, টাটৰি, ঘুগুলাপচলা, ওফোন্দাগালী ইত্যাদি। বেজবৰুৱাৰ গদ্যত জতুৱা বিশেষণ শব্দৰো যথেষ্ট ব্যৱহাৰ দেখা যায়। যেনে— ভমকাফুলীয়া আকাশ, নোকোহা ভুল, কঁঠালকুহীয়া বাটি, কাটন গৰু, লৌৱালপা কথা, গজলীয়া ডেকা, মাটিমহীয়া মাৰ, কটাৰীনলীয়া মানুহ, পিঠিফটা ৰ'দ, হাড় কনকনাই যোৱা জাৰ ইত্যাদি। অসমীয়া মানুহৰ দৈনন্দিন জীৱনত ব্যৱহৃত সাধাৰণ শব্দকেতবোৰৰ কথিত ৰূপসমূহ যথাযোগ্য স্থানত প্ৰয়োগ কৰিব পৰাটোও বেজবৰুৱাৰ শব্দচয়নৰ অন্যতম বৈশিষ্ট্য। তেওঁৰ গদ্যত ব্যৱহৃত এনে শব্দৰ উদাহৰণ হ'ল— দুটা-চাইটা, চাইঠেঙীয়া, দেখৰমানে, খামাখা, সাতছাৰ, উছাহ, চাই-থনীয়া, বৰ্হম্বধী, তেহেলৈ, ৰাইকহ, আইগা, ৰাইকহণী আদি।

অসমীয়া ভাষাৰ নিভাঁজ কথিত আৰু জতুৱা শব্দসমূহক প্ৰাধান্য দিয়া বেজবৰুৱাই ইংৰাজী শব্দকো কিন্তু মুকলিভাবেই তেওঁৰ গদ্যত ঠাই দিছে। বিষয়বস্তুৰ ধাৰণা স্পষ্ট কৰিবৰ বাবে তেওঁ য'তেই প্ৰয়োজন অনুভব কৰিছে তাতেই ইংৰাজী শব্দ ব্যৱহাৰ কৰিছে। যেনে—

"ঈশ্বৰক জানিবলৈ super-sense (অতীন্দ্ৰিয়) লাগে। সেই sense হৈছে আত্মানুভূতি (intention)"

শব্দ ব্যৱহাৰৰ এনে ৰীতি নিজা জাতি-ভাষাৰ প্ৰতি থকা দায়বদ্ধতা সত্বেও তেওঁৰ মুক্ত গ্ৰহণক্ষমতাৰ পৰিচায়ক।এনেদৰে মুকলিভাবে বিভিন্ন শব্দক গদ্যত ঠাই দিয়া বেজবৰুৱাই বহুতো ইংৰাজী শব্দৰ লগতে অসমীয়া অৰ্থটোও উল্লেখ কৰি গৈছে। আন কেতবোৰ শব্দ আকৌ অসমীয়ালৈ ৰূপান্তৰ কৰিহে গদ্যত ব্যৱহাৰ কৰিছে। তেওঁৰ গদ্যত প্ৰয়োগ কৰা এই দুইশ্ৰেণীৰ তেনে কেইটামান শব্দৰ উদাহৰণ দাঙি ধৰা হ'ল—

Medal, টোকমা	জয়লব্ধ চিন (trophy)
ভাপকলৰ চুঙা অৰ্থাৎ ছিমনি	মোনা তাঙৰণ (pocket edition)
টেলিগ্ৰাম অৰ্থাৎ বিজুলী ডাক	home-sick অৰ্থাৎ নিজঘৰ কাতৰুৱা

বৈচিত্ৰ্যময় শব্দসম্ভাৰেৰে গদ্যক ভাবোপযোগী ৰূপত গঢ়ি তোলা বেজবৰুৱাৰ গদ্যত তৎসম শব্দবোৰ এক বিশেষ ভূমিকা আছে। *তত্ত্বকথা, শ্ৰীকৃষ্ণ-কথা* আদিৰ দৰে ধৰ্ম সংক্ৰান্তীয় আধ্যাত্মিক বিষয়সম্বলিত গ্ৰন্থ ৰচনা কৰোতে সংস্কৃত শব্দৰ আশ্ৰয় ল'বলগা হোৱাতো অতি স্বাভাৱিক কথা। কিন্তু প্ৰয়োজনত সংস্কৃত শ্লোক আদি উদ্ধৃত কৰাৰ বাহিৰে জটিল তৎসম শব্দৰে তেওঁৰ ৰচনা ভাৰাক্ৰান্ত হোৱা নাই। সাধাৰণভাবে সকলোৰে চিনাকি সহজ তৎসম শব্দৰ প্ৰয়োগহে তেওঁৰ গদ্যত দেখা পোৱা গৈছে। বেজবৰুৱাৰ গদ্যৰ শব্দসম্ভাৰৰ মূল অবয়বটো জতুৱা অসমীয়া আৰু তদ্ভৱ শব্দৰেই নিৰ্মিত হৈছে যদিও আন বিভিন্ন শ্ৰেণীৰ শব্দৰ ব্যৱহাৰ তেওঁৰ গদ্যত লক্ষ্য কৰা যায়। সাৱলীল আৰু স্বাভাৱিকভাৱে ভাব প্ৰকাশ কৰিবলৈ যাওতেই ঠায়ে ঠায়ে সন্ধিযুক্ত শব্দ, নিজে সজা শব্দ, অৰ্দ্ধতৎসম শব্দ, যুৰীয়া শব্দ, উপভাষাৰ শব্দ আদি চাতুৰ্যপূৰ্ণভাৱে তেওঁ প্ৰয়োগ কৰিছে। লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্যৰ শব্দসম্ভাৰৰ আন এটা উল্লেখনীয় বৈশিষ্ট্য হ'ল দ্বিৰুক্তিবাচক আৰু ধ্বন্যাত্মক শব্দৰ প্ৰয়োগ। এই শব্দসমূহৰ প্ৰয়োগৰ ফলত বিষয়বস্তুৰ ধাৰণা পাঠকৰ বাবে বেছি স্পষ্ট হৈ উঠিছে। ব্যঙ্গ সাহিত্যৰ ক্ষেত্ৰত এইসমূহৰ উপৰিও শব্দ ব্যৱহাৰৰ বিভিন্ন কৌশল অৱলম্বন কৰি তেওঁ ৰচনাৰাজিত হাস্যৰসৰ পৰিপ্ৰকাশ ঘটাইছে। বেজবৰুৱাৰ সাহিত্যৰ পৰা শব্দচাতুৰ্যৰে ব্যঙ্গ সৃষ্টিৰ বিভিন্ন ধৰণৰ কলাকৌশলৰ দুটা উদাহৰণ মাত্ৰ দাঙি ধৰা হ'ল।

ইংৰাজী শব্দৰ ইচ্ছাকৃত বহুল প্ৰয়োগেৰে—

"বৰবৰুৱাক ছোৱালী বিয়া দিওঁতা অসমত কোন কোন আছে, তেওঁবিলাক আগবাঢ়ি ওলাই আহক। আহি কিমান দিনত আৰু কিমান টকাত বৰবৰুৱাৰে বিয়া দিবলৈ এজনী উপযুক্তা দীপলিপ্ কন্যা তেওঁলোকে ছাপ্লাই কৰিব পাৰিব তাৰ কণ্ট্ৰেক্ট বা ঠিকা লওক। বৰবৰুৱাই তেওঁবিলাকৰ পৰা 'টেণ্ডৰ ইনভাইট্' কৰিছে। আৰু টেণ্ডৰৰ লগে লগে কণ্টেক্টৰ বা ঠিকাদাৰসকলে ৫০০ কৈ টকা "আৰ্নেষ্ট মণি" বৰবৰুৱাৰ হাতনি পেৰাত জমা থওক।"

ইচ্ছাকৃতভাবে যুক্তাক্ষৰযুক্ত শব্দৰ প্ৰয়োগেৰে—

"আমাৰ গৃহিণীৰ কোমল কৰবিনিসৃত কৰ্ণমৰ্দ্দন অক্ষুণ্ণভাৱে সেই স্বৰ্গৰাজ্যতো চলি থকাত ব্যাঘাত নঘটিছিল।"

বাক্যৰীতি ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্যৰ শব্দসম্ভাৰৰ দৰেই বাক্যৰ ৰূপো বৈচিত্ৰ্যপূৰ্ণ। বাক্য ৰচনাৰ ক্ষেত্ৰত তেওঁৰ বিশেষ পাৰদৰ্শিতাৰ প্ৰমাণ গদ্যসমূহে দাঙি ধৰিব পাৰে। প্ৰয়োজনবোধে

সৰল, জটিল আৰু যৌগিক তিনিও ধৰণৰ বাক্য তেওঁ গদ্যত প্ৰয়োগ কৰাৰ উপৰিও ভাববোধক, প্ৰশ্নবোধক আদি বাক্যও সফলতাৰে ৰচনাত ব্যৱহাৰ কৰিছে। তদুপৰি কিছুমান বাক্য তদ্ভৱ শব্দৰে বা সম্পূৰ্ণ তৎসম শব্দৰে ৰচনা কৰাৰ লগতে পুৰণি সাহিত্য, সংস্কৃত, ইংৰাজী আদিৰ বাক্য বা বাক্যাংশও বাক্যত সন্নিৱিষ্ট কৰিছে। বিষয়বস্তুৰ প্ৰকাশত সহায় হোৱাকৈ চুটি আৰু দীঘল দুই ধৰণৰ বাক্যই গদ্যত উপযুক্তভাবে ব্যৱহাৰ কৰিব পৰাটোও তেওঁৰ অন্যতম দক্ষতা।

এনেদৰে বিবিধ বাক্য ব্যৱহাৰেৰে গদ্যক সবল ৰূপত গঢ়ি তোলা বেজবৰুৱাৰ ৰচনাৰপৰা আন কেতবোৰ বিভিন্ন ধৰণৰ বাক্যৰ উদাহৰণ দাঙি ধৰা হ'ল—

তদ্ভৱ শব্দৰ বাক্য ঃ "কাছ ধৰিবৰ মনেৰে গঞা মানুহ গৈ পুখুৰীত নামিল"

তৎসম শব্দৰে ৰচা বাক্য ঃ "ৰস স্বপ্ৰকাশ, অখণ্ড আৰু চিন্ময়"

ইংৰাজী বাক্যাংশ সন্নিৱিষ্ট বাক্য ঃ "গতিকে তেওঁ মুখ ফুটাই একো নামাতি ৰাণীয়ে নুশুনাকৈ মনে মনে কিজানি এই শ্লোক মাতিলে, "Marry in haste, repent at leisure"

সংস্কৃত অংশ সন্নিৱিষ্ট বাক্য ঃ "এনে স্থলত ময়ে পৰাজয় স্বীকাৰ কৰি সৈমান হোৱাৰ বাহিৰে নান্যঃ পন্থা বিদ্যতে।"

পুৰণি সাহিত্যৰ পদাংশ সন্নিৱিষ্ট বাক্য ঃ "ৰৰবৰুৱাই নিখুঁটকৈ জানে যে, বঙালীবিলাকৰ ইত্যাদি দৌৰাত্ম্যৰ নিমিত্তে বঙালবিলাকৰ সদায় "উগুল-থুগুল মনে নাহি সুখ শান্তি। নেপান্ত উপায় একো মনে গুণি গান্থি।।"

ভকতীয়া ঠাঁচযুক্ত বাক্য ঃ "এদিন শ্ৰীৰামেৰে সৈতে মাধৱদেৱ ঠাকুৰ-আতাৰ ঘৰলৈ গলত ঠাকুৰ আতাই আগবঢ়াই লৈ গৈ বাৰ্তা পুছি তাতে থাকি ভোজন কৰিবলৈ প্ৰাৰ্থনা কৰিলে। সেইদিনা গধূলি গুৰুজনে ভোজন কৰি তাতে থাকিল।"

প্ৰশ্নবোধক বাক্য ঃ "এই কথাৰ পিছত স্বভাৱতেই সকলোৰে মনত প্ৰশ্ন উঠে যে সঁচাসঁচিকৈয়ে অসমীয়াৰ মনত কৃতজ্ঞতা, ভাতৃভাব আদি ওখ বৃত্তিবিলাকৰ অভাব নেকি? সঁচাকৈয়ে আমি আমাৰ লাভৰ ফালে দিনদুপৰতে কণা নেকি? বাস্তৱিকতে আমি আমাৰ উন্নতি আৰু মঙ্গলৰ বাটত কাঁইট পুতি চকু দুটা বেল এঠাৰে এঠাই বহি আছোঁ নে যে লোকে চকুত আঙুলি দি ঘোকোটা মাৰি দেখুৱাই দিলেও নেদেখো? সঁচা হ'লে আমাতকৈ পুতৌ কৰিবলগীয়া মূৰ্খ মানুহ আৰু কোন আছে?"

ভাববোধক বাক্য ঃ "মানুহৰ সংসাৰ কি কঠোৰহ্ল মানুহৰ অন্তৰ কি নিষ্ঠুৰহ্ল মানুহৰ বিচাৰ কি দুৰ্ঘোৰহ্ল তাত দয়া নাই, চেনেহ নাই, বিবেচনা নাই ধৰম নাইহ্ল ইহঁত হেনো আকৌ পশুতকৈও শ্ৰেষ্ঠ, আমাতকৈও ওখ শাৰীৰ।"

ওপৰত উল্লিখিত উদাহৰণসমূহত দেখা গৈছে যে বিষয়বস্তু সাৱলীলভাৱে দাঙি ধৰিবলৈ যি ধৰণৰ বাক্যৰে প্ৰয়োজন অনুভৱ কৰিছে সেইমতেই বেজবৰুৱাই বাক্য ৰচনা কৰিছে। এনেদৰে বিভিন্ন ধৰণৰ বাক্য ব্যৱহাৰে বেজবৰুৱাৰ গদ্যক অতি বৈচিত্ৰ্যপূৰ্ণ কৰি তুলিছে যদিও তেওঁৰ বাক্যৰচনাৰ প্ৰধান চকুতলগা আৰু মনোৰম বৈশিষ্ট্য হ'ল নিভাঁজ জতুৱা ঠাঁচৰ প্ৰয়োগ। অসমীয়া ভাষাৰ নিজস্ব ঠাঁচ আৰু ৰীতি ইমান সুন্দৰভাবে বেজবৰুৱাৰ গদ্যত সংৰক্ষিত হৈছে যে ই তেওঁৰ

ৰচনাক মহত্ব দান কৰাৰ উপৰিও সমগ্ৰ জাতি আৰু ভাষাৰে বিৰাট কল্যাণ সাধন কৰিলে। তেওঁৰ ৰচনাত ফুটি উঠা এই অকৃত্ৰিম জতুৱা ৰূপৰ প্ৰতি লক্ষ্য কৰিয়ে বাণীকান্ত কাকতিয়ে কৈছিল, "অসমত নিজক বাদ নিদিয়াকৈ সকলো উৎসাহী অসমীয়া লেখকক ক'ব খোজো বেজবৰুৱাৰ ৰচনা পদ্ধতিৰ প্ৰতি সবিশেষ মন নিদিয়াকৈ অসমীয়া লিখিবলৈ যোৱাটো ভাষাৰ প্ৰতি অবিচাৰ কৰা হ'ব।"

অনুচ্ছেদ ঃ গদ্যৰ সফলতাৰ বাবে সুপৰিকল্পিত আৰু সুসংবদ্ধ অনুচ্ছেদ ৰচনাও এটি অতি প্ৰয়োজনীয় বিষয়। বেজবৰুৱাৰ গদ্যত অনুচ্ছেদ ৰচনাৰ ক্ষেত্ৰত সুসংবদ্ধতা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে—

"পৃথিৱীত যত প্ৰকাৰ শাণিত সুতীক্ষ্ণ অস্ত্ৰ আছে সকলোৰে ভিতৰত শব্দ অস্ত্ৰ সকলোতকৈ চোকা। 'কথাতে কটা যায়, কথাতে বঁটা পায়' বুলি কয়। 'ভাতৰ তিতা সহিব পাৰি, মাতৰ তিতা সহিব নোৱাৰি।' এইবোৰ বুঢ়ালোকৰ সাৱৰা বচন। শব্দক সেইদেখি শব্দব্ৰহ্ম বোলে। ওঁকাৰ সেই দেখি মূলমন্ত্ৰ। বাইবেলত সেই দেখি Word is God বুলিছে। প্ৰথমতে মানুহে সেইটো গম ধৰিব নোৱাৰে। অৱশ্যে প্ৰথমতে আওকাণ কৰি উচ্চাৰণ কৰি থকা নামে কালত উচ্চাৰণ কৰোঁতাৰ গোটেই অস্তিত্ব অজ্ঞাতসাৰে অভিভূত কৰি পেলায়। এই বাবেই ভাৰতবৰ্ষৰ মানুহে শাক্তই হওক বা শৈৱই হওক বা বৈষ্ণৱেই হওক, তেওঁলোকৰ উপাস্য দেৱতাৰ নাম তেওঁলোকে নিজ সন্তানসকলক দিয়ে। শাক্ত-শৈৱসকলেও তাৰা দুৰ্গা শিৱ গণপতিৰ নাম নিজৰ সন্তানসকলক দি নামৰ প্ৰাধান্য অজ্ঞাতসাৰে স্বীকাৰ কৰিব লাগিছে।

হাতুৰিৰে কোবাওঁতে কোবাওঁতে প্ৰথমতে নোসোমোৱা গজালও পিছত সোমাই যায়। ঈশ্বৰত ৰতি নোহোৱাই ঈশ্বৰৰ নাম প্ৰথমতে চেলেং-পেতেংকৈ লওঁতে লওঁতে কালত তাৰ মন ঈশ্বৰত নিবিষ্ট হয়।"

ওপৰৰ উদাহৰণটোত দেখা গৈছে যে প্ৰথমৰ অনুচ্ছেদটিত প্ৰথমৰ বাক্যটোৱেই হৈছে মূল আৰু তাক প্ৰতিপন্ন কৰাৰ বাবেই বাকীবোৰ বাক্য অনুচ্ছেদটোত সন্নিৱিষ্ট কৰা হৈছে। আনহাতে সেই অনুচ্ছেদটিৰ ভাবৰ পৰৱৰ্তী অংশই দ্বিতীয় অনুচ্ছেদলৈ প্ৰৱাহিত হৈছে।

লয়, কূটচিহ্ন, খণ্ডবাক্য, ফকৰা-যোজনা, পটন্তৰ-প্ৰবচন ঃ গদ্যত অনুভূত হোৱা লয় বিষয়ৰ লগত সংগতিপূৰ্ণ হ'লে সি পৌনঃপৌনিক গতি ভঙ্গ কৰি ৰচনাটিক মনোৰম কৰাৰ লগতে পাঠকৰ হৃদয়তো আনন্দৰ অনুভৱ সিঁচি দিব পাৰে। বেজবৰুৱাৰ গদ্যসাহিত্যত বিভিন্ন ঠাইত সুন্দৰভাবে লয়ৰ প্ৰকাশ লক্ষ্য কৰা যায়। ইয়াৰ উপৰিও তেওঁ সফলতাৰে কূটচিহ্ন ব্যৱহাৰ কৰা দেখা গৈছে। নিভাঁজ জতুৱা ঠাঁচযুক্ত ভাষা ব্যৱহাৰেৰে অসমীয়া গদ্যক এক উন্নত মৰ্যাদা প্ৰদান কৰিবলৈ সক্ষম হোৱা বেজবৰুৱাৰ সকলো শ্ৰেণীৰ ৰচনাতে জতুৱা খণ্ডবাক্য, ফকৰা-যোজনা, প্ৰবচন আদিৰ বিৰাট সমাহাৰ লক্ষ্য কৰা যায়। ব্যংগ ৰচনা, শিশু সাহিত্যৰ পৰা আৰম্ভ কৰি জটিল বিষয়ৰ তত্ত্বমূলক পুথিলৈকে সৰ্বত্ৰতে প্ৰয়োগ কৰা এই উপকৰণসমূহে বেজবৰুৱাৰ গদ্যক সৰস আৰু আকৰ্ষণীয় কৰাৰ লগতে এক নিজস্ব ৰূপো প্ৰদান কৰিছে। বেজবৰুৱাৰ গদ্যত উপচি থকা প্ৰবচন-পটন্তৰ, ফকৰা আদিৰ দুটামান উদাহৰণ মাত্ৰ দাঙি ধৰা হ'ল—

"মৰে উৰুলিপুঙা, মৰে পদুলিশুঙা,
মৰে অলপ পানীৰ মাছ"
"টিক্ বলদ ওলাই মাটি।
মাক ভালে জীয়েক জাতি।"

অলংকাৰ ঃ বেজবৰুৱাই তেওঁৰ সকলো শ্রেণীৰ ৰচনাতে ব্যাপকভাৱে আৰু সার্থক ৰূপত অলংকাৰৰ প্রয়োগ কৰিছে। বিভিন্ন অলংকাৰেৰে সমৃদ্ধ তেওঁৰ গদ্যত অনুপ্রাস, উপমা, ৰূপক আৰু আৰোহণ অলংকাৰৰ বেছি প্রাধান্য লক্ষ্য কৰা যায়। বিভিন্ন বিষয় স্পষ্ট ৰূপত প্রকাশৰ বাবে তেওঁ সহজতে সকলোৰে চিনাকি থলুৱা তুলনাৰ সহায় লৈছে। বিবিধ অলংকাৰ প্রয়োগৰ উদাহৰণ বেজবৰুৱাৰ গদ্যৰপৰা দাঙি ধৰা হ'ল—

অনুপ্রাস ঃ "বিনাই-গোৱা এই গীতটি বহুত দূৰৰ পৰা বতাহৰ বোকোচাত উঠি আহি মোৰ কাণত পৰিল।"

আৰোহণ ঃ "মোৰ মনৰ পটত চিত্রিত হৈ থকা শিৱসাগৰক কালৰ অনন্ত কোটী উয়ে খাই ধ্বংস কৰিলেহুঁ মোৰ বুকুৰ জপাত সুমাই থোৱা শিৱসাগৰক নিগনিশলিয়াই কুটি খাস্তাং কৰিলে। মোৰ হেঁপাহৰ শিৱসাগৰ বৃন্দাবন পুৰি ছাই হ'ল'হুঁ"

উপমা ঃ "সেউতী কিন্তু কামাখ্যাৰ ভুবনেশ্বৰীৰ মন্দিৰটোৰ নিচিনা গম্ভীৰ স্থিৰ আৰু অটল।"

ৰূপক ঃ "অকস্মাৎ পূর্ণিমাৰ জোনটিক বেজাৰ-ৰাহুৱে কিয় গিলিলে? দেৱী-দলৰ মেঘত লগা সোণৰ কলচীৰ ওপৰথ হঠাৎ আজি চিন্তা-বজ্রপাত কিয় হ'ল?"

অতিশয়োক্তি ঃ "পদুমৰ নলা ডালি যেন কোমল হাতটি মূৰটিৰ ভৰত ভাঙি নেযাব নে? শিলেৰে বন্ধোৱা বুকুৱেও সহিব নোৱাৰা ইমান একোটা হাৰ-মূৰ ভাগি যোৱা দীঘল হুমুনিয়াহ লৱনুৰে সজা এই কোমল হিয়াৰপৰা কেনেকৈ ওলাইছে? ভোমোৱাৰ কঁকালটিৰ নিচিনা সৰু সেই কঁকালটিয়ে তেওঁৰ বুকুৰ ভৰ সহিব নোৱাৰি হালি পৰিছে নে কি?"

সমাসোক্তি ঃ কাব্য সাহিত্যই দুই পাখি মেলি অনন্ত অসীমক আঁকোৱালি ধৰে।"

বেজবৰুৱাৰ ৰচনাত এনেদৰে আৰু বহুতো অলংকাৰৰ সমাহাৰ ঘটিছে আৰু এই সকলোৰে সহযোগত তেওঁৰ গদ্যই এক জকমকীয়া ৰূপ লাভ কৰিছে। আনহাতে লিখাৰ উদ্দেশ্য আৰু বিষয়বস্তুৰ পার্থক্যভেদে প্রকাশৰ ধৰণো বেলেগ বেলেগ হয় বাবে একোজন ভাল সাহিত্যিকৰ ৰচনা বিভিন্ন ৰীতিৰে সমৃদ্ধ হৈ উঠে। লক্ষ্মীনাথ বেজবৰুৱাৰ বিশাল সাহিত্যৰাজিৰ ৰূপ ইমান বৈচিত্র্যপূর্ণ যে স্বাভাৱিকতে ইয়াৰ মাজেদি বিভিন্ন ৰীতিয়ে বিকাশ লাভ কৰিছে। বিষয়সংগতি ৰক্ষা কৰি ক'ৰবাত আলংকাৰিক, ক'ৰবাত সৰল বা পৰিমিত আৰু আন কোনো ক্ষেত্রত ব্যংগাত্মক ৰীতিৰ প্রয়োগেৰে তেওঁ গদ্যক আকর্ষণীয় ৰূপত গঢ়ি তুলিছে। এই তিনিশ্রেণীৰ উপৰিও আন আন ৰীতিৰো বিকাশ বেজবৰুৱাৰ গদ্যত পৰিলক্ষিত হয়। তেওঁৰ *বাখৰ, কামত কৃতিত্ব লভিবৰ সঙ্কেত* আদি পুথিত *জ্ঞাননিষ্ঠ, তত্ত্ব-কথা, শ্রীকৃষ্ণকথা* আদি পুথিত চিন্তামূলক; শিশু-সাহিত্য, উপন্যাস, গল্প আদিত প্রধানকৈ বর্ণনামূলক আৰু নাটকীয় আৰু বিভিন্ন স্থানত

প্রয়োজন সাপেক্ষে যুক্তিনিষ্ঠ গদ্য প্রয়োগ কৰা দেখা গৈছে। আনহাতে ব্যঙ্গ সাহিত্যসমূহত বেজবৰুৱাই বর্ণনাত্মক, নাটকীয় আৰু যুক্তিমূলক তিনিও শ্রেণীৰ গদ্য ব্যৱহাৰ কৰি হাস্যৰস সৃষ্টিৰ মাধ্যমেৰে তেওঁৰ উদ্দেশ্য ফলৱতী কৰাৰ চেষ্টা কৰিছে।

ভাষাশৈলী আৰু গদ্যৰ বিভিন্ন ৰীতিৰ উপৰিও গদ্যৰীতিৰ বিশ্লেষণত প্রকাশভংগীৰ স্থান অতি গুৰুত্বপূর্ণ। সাহিত্যৰ প্রায় প্রতিটো শাখাতে প্রবেশ কৰা বেজবৰুৱাৰ গদ্যৰ প্রকাশভংগীয়ে কেতবোৰ দিশত মহত্ব লাভ কৰিছে। উদাহৰণস্বৰূপে তেওঁ নীতিমূলক পুথি দুখনত দ্ব্যর্থক ভাষাৰে জটিলতা সৃষ্টি নকৰি অতি পোনপটীয়াভাবে বিষয়বস্তু পাঠকৰ আগত দাঙি ধৰিছে। জীৱনৰ বাবে প্রয়োজনীয় সাৰগর্ভ কথাবোৰ জতুৱা ভাষাৰীতিৰে বিবিধ থলুৱা তুলনা আৰু সৰল ব্যাখ্যাৰে দাঙি ধৰিব পৰাটো লেখকৰ বর্ণনাৰীতিৰ দক্ষতা। সেইদৰে গুৰুগম্ভীৰ তত্ত্বপূর্ণ গ্রন্থ *তত্ত্বকথা* আৰু *শ্রীকৃষ্ণকথাতো* আধ্যাত্মিকভাবৰ অতি জটিল বিষয়কো যথাসম্ভৱ সৰল অথচ গাম্ভীর্যপূর্ণ ভাষাৰে প্রকাশ কৰিবলৈ সমর্থ হৈছে। তত্ত্বমূলক আৰু নীতিমূলক এই কেউবিধৰ ৰচনাতে বেজবৰুৱাই অপ্রয়োজনীয় কথাৰে ৰচনা দীঘলীয়া নকৰি সংহত, সংক্ষিপ্ত অথচ স্পষ্ট আৰু সহজবোধ্য গদ্যৰীতিৰ চানেকি দাঙি ধৰিছে। চিন্তাশীল ৰচনাৰ দৰে সৃষ্টিমূলক ৰচনাসমূহৰ প্রকাশভংগীয়েও বেজবৰুৱাৰ প্রতিভাৰ উমান দিব পাৰে। চৰিত্রানুৰূপ ভাষা, সুন্দৰ কল্পনাপ্রয়োগ, গহীন বিষয়ৰ লগতে ঠায়ে ঠায়ে হাস্যৰস সৃষ্টি আদিৰ দিশতো লেখকৰ দক্ষতাৰ সুন্দৰ পৰিচয় উপন্যাসৰ গদ্যই দাঙি ধৰিবলৈ সক্ষম হৈছে। বেজবৰুৱাৰ চুটিগল্পৰ প্রকাশভংগীয়েও তেওঁৰ দক্ষতাৰ চানেকি দাঙি ধৰা দেখা গৈছে। ইংগিতপূর্ণ শিৰোনাম, অর্থব্যঞ্জক ভাষা, প্রতীকৰ ব্যৱহাৰ, আদর্শৰ সু-কৌশলী প্রকাশ, ৰসসৃষ্টি, চৰিত্র-পৰিবেশ আদিৰ সার্থক উপস্থাপনত বেজবৰুৱাৰ বহুকেইটা গল্পই লেখকৰ উচ্চ কল্পনাশক্তি, সূক্ষ্ম দৃষ্টি, গভীৰ অনুভূতিশীল মন আৰু সুন্দৰ ভাষাজ্ঞানৰ পৰিচয় দাঙি ধৰিছে। কন্যা, ধোৱাঁখোৱা, জলকুঁৱৰী আদি গল্পবোৰত কৰুণ ৰসৰ ব্যঞ্জনাময় ৰূপায়ণ অতি হৃদয়স্পর্শী। শিশুসাহিত্যসমূহৰ জৰিয়তেও বেজবৰুৱাৰ গদ্যৰীতিয়ে এক বিশেষ মাত্রা লাভ কৰিছে। শিশুৰ জ্ঞান, বুদ্ধি, মগজুৱে ঢুকি পোৱা বিষয়বস্তু নির্বাচন আৰু তাৰ আকর্ষণীয়, ৰসাল, প্রাঞ্জল উপস্থাপন এই দুয়োটাই শিশুসাহিত্য ৰচনাৰ ক্ষেত্রত অতি গুৰুত্ব দিবলগীয়া দিশ। বিষয়বস্তু পৰিচিতই হওক বা অপৰিচিতই হওক তাক মনোৰম প্রকাশভংগীৰে কলাসন্মত আৰু শিশুৰ মন চুই যোৱাকৈ প্রকাশ কৰিব পৰাতে শিশুসাহিত্যৰ সার্থকতা বহুপৰিমাণে নির্ভৰ কৰে। শিশু মনস্তত্ত্বৰ জ্ঞান আৰু ভাষা প্রয়োগৰ দক্ষতা অবিহনে সফল শিশুসাহিত্য সৃষ্টি সম্ভৱ নহয়।বেজবৰুৱাৰ শিশুসাহিত্যসমূহে এই কেউটা গুণৰ প্রমাণ দাঙি ধৰা দেখা গৈছে। নাটক, গল্প, উপন্যাস, জীৱনী, শিশু-সাহিত্য, প্রবন্ধ, সমালোচনা আদি সাহিত্যৰ প্রায় সকলো বিষয়তে অৰিহণা যোগোৱা বেজবৰুৱাৰ গদ্যত দোষ-দুর্বলতা আদি থাকিলেও অসমীয়া জতুৱা ভংগীৰ সুদক্ষ প্রয়োগ, বিষয়বস্তুৰ ৰসসমৃদ্ধ উপস্থাপন, পাঠকৰ মানসিকতাৰ অনুকূলে সবল ৰূপত ভাষা ব্যৱহাৰ আদি বিভিন্ন দিশৰপৰা তেওঁৰ গদ্যই এক বিশেষ মর্যাদা লাভ কৰিছে।



জানি থোৱা ভাল

বাণীকান্ত কাকতিয়ে কৈছিল, "অসমত নিজক বাদ নিদিয়াকৈ সকলো উৎসাহী অসমীয়া লেখকক ক'ব খোজো বেজবৰুৱাৰ ৰচনা পদ্ধতিৰ প্ৰতি সবিশেষ মন নিদিয়াকৈ অসমীয়া লিখিবলৈ যোৱাটো ভাষাৰ প্ৰতি অবিচাৰ কৰা হ'ব।"

২.৫ পাঠ দুটাত প্ৰকাশিত সমাজ বাস্তৱতা

বেজবৰুৱাৰ আত্মকথা *মোৰ জীৱন সোঁৱৰণ* বেজবৰুৱাৰ জীৱনকালৰ অসমৰ সমাজব্যৱস্থাৰ ভালেমান তথ্যৰ নিৰ্ভৰযোগ্য দলিলস্বৰূপ। ব্যক্তি আৰু সমাজ যিহেতু পৰস্পৰ অঙ্গাঙ্গীভাৱে জড়িত সেয়েহে বেজবৰুৱাই নিজৰ জীৱনৰ বিভিন্ন ঘটনা বৰ্ণনা কৰিবলৈ যাওঁতেই ইয়াত সমকালীন অসমৰ সমাজখনো সোমাই পৰিছে। শিক্ষা, যাতায়ত, পৰিয়াল-ব্যৱস্থা, ধৰ্মীয় সংস্কাৰ, চৰকাৰী ব্যৱস্থাৰ ভালেমান দিশ আত্মজীৱনীখনত পোহৰলৈ আহিছে। তদুপৰি সেই সময়ৰ বঙ্গৰ সাংস্কৃতিক পৰিবেশ, মানুহৰ মানসিক, শৈক্ষিক বাতাবৰণৰ গুৰুত্বপূৰ্ণ তথ্য কেতবোৰো ইয়াত সন্নিৱিষ্ট হৈছে।

বেজবৰুৱাৰ পিতৃ এজন চৰকাৰী কৰ্মচাৰী আছিল আৰু কৰ্মসূত্ৰে ইঠাইৰ পৰা সিঠাইলৈ বদলি হৈ ঘূৰি ফুৰিব লগাত পৰিছিল। এই কথাই সেই সময়ৰ চাকৰিজীৱী অসমীয়াৰ জীৱনচিত্ৰ এখন দাঙি ধৰে। অৱস্থাসম্পন্ন অভিজাত লোকৰ জীৱনশৈলীৰ বিভিন্ন দিশো ইয়াৰ জৰিয়তে উপলব্ধি কৰিব পৰা যায়। বিভিন্ন তীৰ্থস্থান, নদী আৰু পাহাৰেৰে পৰিৱেষ্টিত গুৱাহাটী তেতিয়াৰ সময়ত প্ৰাকৃতিক সৌন্দৰ্যত অতি চহকী আছিল।

বেজবৰুৱাৰ ঘৰখনৰ ধৰ্মীয় সংস্কাৰবোৰো ভালেমান দিশৰ আভাস পাঠ দুটাত পোৱা যায়। গুৱাহাটীত থকা সময়ত কামাখ্যা আৰু হাজোৰ বাহিৰে বশিষ্ঠাশ্ৰম, উমানন্দ, অশ্বক্লান্ত আদি প্ৰায়কেইখন তীৰ্থস্থানলৈ তেওঁ দেউতাকৰ সৈতে গৈছিল। নাৱেৰে শিৱসাগৰলৈ যাত্ৰা কৰোঁতে দেউতাকে ঘোষা গাইছিল। নাৱৰ পৰাই দূৰৈত কমলাবাৰী সত্ৰৰ গছ দেখিবলৈ পাওঁতে দেউতাকৰ আদেশ মানি তেওঁলোকে সত্ৰক উদ্দেশ্য কৰি সেৱা কৰিছিল। বেজবৰুৱাৰ ঘৰখনত বৈষ্ণৱ পৰম্পৰাৰ এক গভীৰ পৰিৱেশ বিৰাজ কৰিছিল। যাতায়তৰ বাবে মানুহে প্ৰধানকৈ নাও ব্যৱহাৰ কৰিছিল আৰু সেই নৌকাযাত্ৰা যথেষ্ট বিপদসঙ্কুল আছিল। বেজবৰুৱা পিতৃ -মাতৃৰ সৈতে গুৱাহাটীৰ পৰা শিৱসাগৰলৈ নাৱেৰে অহা দীঘলীয়া যাত্ৰাৰ সময়ত তেওঁলোকে নাও বালিচটত লগা, গৰাখহনীয়া, ধুমুহা, বৰষুণ আদি বিভিন্ন প্ৰতিকূল পৰিবেশৰ মুখামখি হ'ব লগাত পৰিছিল। তেনেকুৱা ধুমুহাত নাও ডুবি একোটা পৰিয়াল মুহূৰ্ততে নোহোৱা হোৱা তেওঁলোকে দেখিছিল। বেজবৰুৱাৰ দেউতাকে দৰব আদি দি মানুহৰ চিকিৎসা কৰিব জানিছিল। সেইসময়ৰ

অসমৰ চিকিৎসা ব্যৱস্থাৰ পিছপৰা, দুখলগা ছবি এখনৰো আভাস আত্মজীৱনীখনত পোৱা যায়। লক্ষ্মীনাথৰ পিতৃ অৱসৰ লৈ নাৰেৰে আহি আছে বুলি শুনি এহাল অকলশৰীয়া বুঢ়া-বুঢ়ীয়ে দেউতাকৰ পৰা দৰব ল'বলৈ বাট চাই আছিল।

বেজবৰুৱাৰ আত্মজীৱনীখনত সমকালীন অসমৰ শিক্ষা ব্যৱস্থাৰো বিভিন্ন দিশ প্রতিফলিত হৈছে। বেজবৰুৱাই নিজৰ স্কুলৰ জীৱন প্রসংগত কৈছে যে তেওঁৰ কাৰণে গুৱাহাটীৰ স্কুল সকলো ফালৰ পৰা আনন্দালয় নহৈ যমালয় হৈ উঠিছিল। স্কুললৈ গ'লে বৰঞ্চ বৰ-ফাটেকলৈ যোৱা যেনহে তেওঁ অনুভৱ কৰিছিল।দেউতাকৰ হুকুম মানি তেওঁ কেৱল স্কুললৈ গৈছিল। স্কুলত তেওঁক অঙ্ক শিকোৱা মাষ্টৰজন দেখিলেই লক্ষ্মীনাথৰ ভয়তে ডিঙি শুকুৱা অৱস্থা হৈ মূৰৰ পৰা সকলো অঙ্কই বিদায় লৈছিল। ইয়াৰ পিছত আৰু শিক্ষকে যি নিশিকাওক তেওঁৰ মূৰত একো নোসোমাইছিল আৰু তেওঁ মাষ্টৰৰ পৰা শাস্তি পাব লগাত পৰিছিল। এনেবাৰ ঘটনাই শিক্ষাৰ নীৰস দিশ কিছুমান পোহৰলৈ আনিছে। তদুপৰি চৰকাৰে আদর্শ বঙ্গ বিদ্যালয় স্থাপন কৰি অসমীয়া ল'ৰা-ছোৱালীক বাঙালীত শিক্ষা ল'বলৈ বাধ্য কৰোৱা কথাটোৱেও অসমৰ ৰাজনৈতিক দুৰৱস্থাৰ কথা স্পষ্ট কৰিছে। সেই সময়ৰ অসমত ইংৰাজী স্কুলসমূহো আছিল। লক্ষ্মীনাথেও শিৱসাগৰত তেনে ইংৰাজী স্কুলত পঢ়িছিল।লক্ষ্মীনাথৰ এনে স্কুলীয়া দিনতে এবাৰ কলেজৰ বন্ধত কলিকতাৰ পৰা ককায়েকহঁত ঘৰত আহি আছিলহি। অর্থাৎ অৱস্থাসম্পন্ন আগ্রহী ঘৰৰ ল'ৰা-ছোৱালী তেতিয়াও শিক্ষা গ্রহণৰ বাবে মাক-দেউতাকে বাহিৰলৈ পঠিয়াইছিল।

সেইসময়ত বঙলা (বাংলা) যাত্রা-গানৰ প্রচলন অসমত আছিল। ল'ৰা-ছোৱালীৰ মুখতো আনকি বঙলা পালাৰ গান। অসমীয়াসকলে নিজেই বঙালীসকলক সকলো বিষয়তে শ্রেষ্ঠ জ্ঞান কৰিছিল। বঙলা ভাষা কোৱা, বঙলা গান গোৱা, বঙলা লোকৰ নিচিনাকৈ চুলি কটা, তেওঁলোকৰ দৰে চুৰীয়া-চোলা পিন্ধা, মুঠতে সকলো ফালৰ পৰা অসমীয়াই বঙলাসকলক অনুকৰণ কৰাত লাগিছিল। আনকি সত্রবোৰতো অঙ্কীয়া ভাওনাৰ লগতে বাৰেবিংকৰা নাট বঙলা ভাষাত লিখি অভিনয় কৰোৱাই গোঁসাই মহন্তসকলে গৌৰৱ অনুভৱ কৰিছিল আৰু দর্শকো সুখী হৈছিল। আনকি অনেক অসমীয়া লোকে নিজৰ নামৰ লগত দত্ত, দাস আদি বঙলা লোকৰ উপাধি লগাই লৈ সুখ পাইছিল। এয়া আছিল বেজবৰুৱাকালীন অসমৰ দুৰৱস্থাৰ এক ভয়লগা, দুখলগা বাস্তৱ ৰূপ।

লক্ষ্মীনাথে শিৱসাগৰত থকা কালত লগৰীয়াসকলৰ সৈতে খেল ধেমালি কৰি উমলি ফুৰাৰ যিসমূহ বর্ণনা সন্নিৱিষ্ট কৰিছে তাৰ জৰিয়তে কিছুমান লোকধেমালিৰ বিষয়ে জানিব পৰা গৈছে। সেইসময়ত ক্রিকেট খেল আছিল যদিও ফুটবল, টেনিছ আৰু হকী খেলে অসমত 'উকি মৰা' নাছিল বুলি তেওঁ উল্লেখ কৰিছে। কিছুমান আধিভৌতিক বিশ্বাসেযে মানুহক গ্রাস কৰি ৰাখিছিল সেই কথাৰ উমানো আত্মজীৱনীৰ চতুর্থ অধ্যায়ত পোৱা গৈছে। লক্ষ্মীনাথৰ শিৱসাগৰৰ ঘৰৰ পুখুৰীৰ পানীত এদিন হঠাৎ খলকনি উঠি পুখুৰীটোৱে ভয়ানক ৰূপ লোৱা আৰু কিছুসময়ৰ পিছত নিজে নিজে শান্ত হোৱা ঘটনাক

দেউতাকে আধিদৈৱিক প্ৰভাৱ বুলি ভাবিছিল। সেয়েহে স্বস্ত্যয়ন, শান্তিকৰ্ম কৰোৱাইছিল আৰু গোঁসাই-ঘৰত পাল নাম গোৱাইছিল। লগুণ-দিয়নি, কৰ্মবেধ আদি ব্ৰাহ্মণৰ মাজত প্ৰচলিত কিছুমান সামাজিক সংস্কাৰৰ বৰ্ণনাও ইয়াত পোৱা গৈছে। লক্ষ্মীনাথৰ নিজৰ লগুণ-দিয়নিৰ প্ৰসংগতে সেই অনুষ্ঠানত পালন কৰা বিভিন্ন আচাৰ আৰু বিশ্বাসৰ বিস্তৃত বৰ্ণনা ইয়াত সন্নিৱিষ্ট হৈছে।

শিক্ষা, সংস্কৃতি, যাতায়ত, চিকিৎসা আদি বিভিন্ন ক্ষেত্ৰৰ এনেবোৰ গুৰুত্বপূৰ্ণ দিশ সন্নিৱিষ্ট হৈ থকাৰ বাবেই *মোৰ জীৱন সোঁৱৰণ* কৰল এজন ব্যক্তিৰ ব্যক্তিগত জীৱনৰ কথা মাত্ৰ হৈ নাথাকি অসমৰ এটা বিশেষ গুৰুত্বপূৰ্ণ সময়ৰ দলীলস্বৰূপ হৈ পৰিছে। ৰবীন্দ্ৰনাথ ঠাকুৰৰ *জীৱন স্মৃতি* যিদৰে ভাৰতীয় আত্মকথনমূলক সাহিত্যৰ উল্লেখনীয় কীৰ্তিস্তম্ভ, সেইদৰে বেজবৰুৱাৰ *মোৰ জীৱন সোঁৱৰণো* এখন মনোৰম ৰসব্যঞ্জক অথচ তথ্যসমৃদ্ধ সৃষ্টিকৰ্ম।



জানি থোৱা ভাল

মোৰ জীৱন সোঁৱৰণ কৰল বেজবৰুৱাৰ ব্যক্তিগত জীৱন-কথা নহয়। সমকালীন সমাজ-বাস্তৱতাৰ ভালেমান গুৰুত্বপূৰ্ণ তথ্য ইয়াত সন্নিৱিষ্ট হৈ আছে। সেয়েহে অসমৰ এজন যুগনিৰ্মাতা ব্যক্তিৰ আত্মজীৱনীৰ উপৰিও ই অসমৰ এখন সামাজিক দলীলস্বৰূপ গ্ৰন্থ ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ *মোৰ জীৱন সোঁৱৰণত* লক্ষ্মীনাথ বেজবৰুৱাৰ সময়ৰ অসমৰ শিক্ষা ব্যৱস্থাৰ কোনবোৰ দিশ পোহৰলৈ আহিছে আপোনাৰ পাঠৰ আধাৰত আলোচনা কৰক।

(২০০টা শব্দৰ ভিতৰত)


.....

২.৬ আত্মজীৱনীৰ স্বৰূপ আৰু অসমীয়া আত্মজীৱনী সাহিত্যৰ বুৰঞ্জীত *মোৰ জীৱন সোঁৱৰণৰ স্থান*

যিকোনো এজন ব্যক্তিৰ জীৱন আৰু ব্যক্তিত্বৰ পৰিচয় তুলি ধৰিব পৰা এবিধ সাহিত্য হ'ল আত্মজীৱনী। ৰয় পাস্কেলে তেওঁৰ ডিজাইন এণ্ড ট্ৰুথ্ ইন্ অট'বায়গ্ৰাফি গ্ৰন্থত আত্মজীৱনীৰ সংজ্ঞা এনেদৰে দিছে—আত্মজীৱনী এনে এবিধ জীৱন-বৃত্তান্ত, য'ত লেখকে তেওঁৰ জীৱনৰ আৰু মনৰ এটা বিশেষ অৱস্থাত নিজকে আৰু নিজৰ জীৱনৰ কথাবোৰ

যেনেকৈ বুজে আৰু গ্ৰহণ কৰে তেনেকৈ অঙ্কন কৰে। অৰ্থাৎ আত্মজীৱনীত কোনো এজন ব্যক্তিয়ে তেওঁৰ জীৱনৰ আৰু মনৰ এটা বিশেষ অৱস্থাত নিজৰ এৰি অহা দিনৰ ঘটনাৱলী ৰোমন্থন কৰি লিপিবদ্ধ কৰে।সেয়েহে আত্মজীৱনী মনৰ এক বিশেষ অৱস্থাত কৰা আত্মবিচাৰ আৰু আত্মপ্ৰকাশ। অৰ্থাৎ আত্মজীৱনীত আমি ব্যক্তিজনক তেওঁৰ নিজৰ চকুৰেহে দেখিবলৈ পাওঁ। ই সম্পূৰ্ণভাৱে আত্মনিষ্ঠ। কিন্তু যিকোনো ব্যক্তিয়েই নিজৰ ক্ষেত্ৰ ত নিৰপেক্ষ হোৱাটো যথেষ্ট কঠিন। সেয়েহে আত্মজীৱনীত প্ৰকাশিত সত্য একোটা বস্তুনিষ্ঠ সত্য নহ'বও পাৰে। কিন্তু আত্মজীৱনীৰ জৰিয়তে যিহেতু ব্যক্তি এজনৰ ৰাজহুৱা আৰু ব্যক্তগত দুয়োটা জীৱনৰ কথাই পোহৰলৈ আহে সেয়েহে আত্মজীৱনীৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা যথেষ্ট।

লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনী *মোৰ জীৱন সোঁৱৰণ* বাঁহী আলোচনীৰ দ্বাদশ বছৰৰ ষষ্ঠ সংখ্যাৰ পৰা চতুৰ্দশ বছৰৰ তৃতীয় সংখ্যালৈকে ধাৰাবাহিকভাৱে প্ৰকাশিত হৈছিল। পৰৱৰ্তী সময়ত বেজবৰুৱাৰ মৃত্যুৰ পিছত ১৯৪৪ চনত পুথিৰ ৰূপত ই প্ৰকাশ পায়। আত্মজীৱনীখন ১৮ টা অধ্যায়ৰ সমষ্টি। লিখকৰ জন্মৰ পৰা আৰম্ভ কৰি তেওঁৰ শিক্ষা আৰু কৰ্মজীৱনৰ ভালেমান ঘটনা আৰু অভিজ্ঞতা ইয়াত সন্নিৱিষ্ট হৈছে। প্ৰথম ভাগ, দ্বিতীয় ভাগ আৰু পৰিশিষ্ট— এনেদৰে তিনিটা ভাগত আত্মজীৱনীখন বিভক্ত কৰি বেজবৰুৱাই কথাসমূহ লিপিবদ্ধ কৰিছে। অসমীয়া আত্মজীৱনী সাহিত্যৰ ইতিহাসত *মোৰ জীৱন সোঁৱৰণৰ* এক গুৰুত্বপূৰ্ণ স্থান আছে। আদি বৃটিছ যুগত হৰকান্ত শৰ্মা মজিন্দাৰ বৰুৱাই ৰচনা কৰা তেওঁৰ দিনিলিপিসমূহ *সদৰামীনৰ আত্মজীৱনী* হিচাপে প্ৰকাশ পায়। অসমীয়া আত্মজীৱনীৰ ই এক উকমুকনি। পৰৱৰ্তী সময়ত হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা *আত্ম জীৱন চৰিত* আত্মজীৱনীমূলক এটা প্ৰবন্ধ। ইয়াৰ পিছতেই আহে বেজবৰুৱাৰ আত্মকথাখনি। আত্মজীৱনীৰ সকলোবোৰ গুণেৰে পুষ্ট বেজবৰুৱাৰ *মোৰ জীৱন সোঁৱৰণ* সেয়েহে অসমীয়া পূৰ্ণাংগ আত্মজীৱনীৰ বাটকটীয়া পুথি। পুথিখনত বেজবৰুৱাক কোনো দ্বিতীয় ব্যক্তিৰ মাধ্যমেৰে চাবলগীয়া হোৱা নাই। জীৱনৰ এটা বিশেষ সময়ত নিজৰ এৰি অহা দিনবোৰৰ কথা সোঁৱৰণ কৰি তেওঁ নিজেই কথাসমূহ লিপিবদ্ধ কৰিছে। তাকে কৰিবলৈ যাওঁতে নিজৰ জীৱনৰ অভিজ্ঞতাক তেওঁ যিভাবে গ্ৰহণ কৰিছে সেইভাবেই তাত সন্নিৱিষ্ট কৰিছে। গ্ৰহণ-বৰ্জন ৰীতিৰে জীৱনৰ কথাবোৰ চালিজাৰি চাই তেওঁ গুৰুত্বপূৰ্ণ বুলি ভবা ঘটনাসমূহ ইয়াত স্থান দিছে। তেওঁৰ ব্যক্তিগত জীৱনটোৰ লগতে সামাজিক জীৱনটোৰেও আত্মজীৱনীখনত স্থান পাইছে। বেজবৰুৱাৰ ব্যক্তিগত জীৱনৰ তথ্যৰ জৰিয়তে তেওঁৰ ব্যক্তিত্বক উপলব্ধি কৰাৰ লগতে সমকালীন সমাজ বাস্তৱতাৰ ভালেমান গুৰুত্বপূৰ্ণ তথ্য ইয়াৰ জৰিয়তে জানিব পৰা যায়। ইয়াত বেজবৰুৱা আৰু তেওঁৰ সমাজখন আমি লেখকৰ ব্যক্তিগত দৃষ্টিৰেহে জনা আৰু চোৱাৰ সুযোগ পাইছো। *মোৰ জীৱন সোৱঁৰণত* আত্মজীৱনীৰ বাবে থাকিবলগা এই সকলোবোৰ গুণ বিৰাজমান। সেয়েহে বেজবৰুৱাৰ আত্মজীৱনীখন অসমীয়া পূৰ্ণাংগ আত্মজীৱনীৰ বাটকটীয়া বুলি কোৱা হয় আৰু অসমীয়া সাহিত্যৰ ইতিহাসত ইয়াৰ মূল্যও অপৰিসীম।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ আত্মজীৱনী হিচাপে *মোৰ জীৱন সোঁৱৰণৰ* এটি বিশ্লেষণ আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত)

.....



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনীখনৰ বিষয়বস্তুৰ এটা ধাৰণা লাভ কৰিলে ।
- বেজবৰুৱাৰ ল'ৰালি কাল আৰু শিক্ষাজীৱন সম্পৰ্কে জানিব পাৰিলে।
- আত্মজীৱনী কাক বোলে, আত্মজীৱনীৰ লক্ষণ, বেজবৰুৱাৰ আত্মজীৱনীত আত্মজীৱনীৰ লক্ষণসমূহ কিদৰে বিদ্যমান আৰু অসমীয়া আত্মজীৱনী সাহিত্যৰ বুৰঞ্জীত *মোৰ জীৱন সোঁৱৰণৰ* স্থান সম্পৰ্কে আলোচনা কৰা হ'ল।
- *মোৰ জীৱন সোঁৱৰণৰ* জৰিয়তে বেজবৰুৱাৰ সময়ৰ সমাজ বাস্তৱত্যৰ তথ্য আৰু হাস্যৰস কেনেদৰে প্ৰকাশ পাইছে সেয়া অবগত হ'ল।
- বেজবৰুৱাৰ গদ্যৰীতিৰ বৈশিষ্ট্যৰ বিষয়ে বিস্তৃতভাৱে জানিব পাৰিলে।



২.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) নেওগ মহেশ্বৰ (২০০০); অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰ প্ৰকাশ।

২) বৰগোহাঞি, হোমেন (সম্পা.) (২০০৪); বিংশ শতাব্দীৰ অসমীয়া সাহিত্য, বনলতা।

৩) বেজবৰুৱা, লক্ষ্মীনাথ (২০০৪); মোৰ জীৱন সোঁৱৰণ, বনলতা।

৪) ভূঞা, স্মৃতিৰেখা (২০০৭); অসমীয়া গদ্যৰীতি, বৃষ্টি প্ৰকাশন।

৫) শইকীয়া চন্দ্ৰ প্ৰসাদ (সম্পা.) (১৯৬৪); লক্ষ্মীনাথ বেজবৰুৱা, অসম প্ৰকাশন পৰিষদ।

৬) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৩); জীৱনী আৰু অসমীয়া জীৱনী, ষ্টুডেন্টছ্ ষ্টোৰ্ছ।

৭) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰকাশ।

৮) শাস্ত্রী, বিশ্বনাৰায়ণ (১৯৯৪); লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য প্ৰতিভা, শৰাইঘাট প্ৰকাশন।



২.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ তেওঁলোক গুৱাহাটীৰ পৰা শিৱসাগৰলৈ দুখন ডাঙৰ হোলোং নাৱেৰে আহিছিল। বাইচ-চৰিচ দিনমান লাগিছিল।.....নৌকা যাত্ৰাৰ সময়ৰ বিভিন্ন সৰু-ডাঙৰ অভিজ্ঞতা, ঘটনা যেনে— গঙ্গাচিলনীৰ কণী বিচাৰি আনি ভাজি খোৱা, ঘঁৰিয়ালৰ কণী ফুটাই খোলা দুটা নাৱৰ আগত বান্ধি লোৱা, নৈৰ বালিত কণী পাৰিবলৈ উঠা কাছ ধৰি খোৱা, অখাদ্য বুলি ভবা নল-দুৰা কাছ নাৱৰীয়াহঁতে ধৰা, কাছ কণী বিচাৰি অনা, ধুমুহাৰ ৰাতি দেউতাকে পানীত নামি নাৱৰীয়াহঁতৰ সৈতে লগ হৈ নাওখন ধৰি ৰাখি পৰিয়ালটোক বিপদৰ পৰা ৰক্ষা কৰা, নাৱেৰে গৈ থাকোতে বনৰীয়া ম'হৰ জাক দেখা, কুৰুৱা মাছৰ মুখৰ পৰা বুদ্ধি কৰি ৰৌ মাছ আনি খোৱা, দেউতাকৰ পৰা অচিনাকী বুঢ়া-বুঢ়ীয়ে ৰোগৰ দৰব লোৱা আদি সমগ্ৰ কথাসমূহ লিখিব লাগিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ অসমৰ শিক্ষা ব্যৱস্থাৰ বিভিন্ন দিশৰ আভাস আত্মজীৱনীখনৰ জৰিয়তে পোৱা যায়। স্কুলীয়া শিক্ষাৰ নীৰস ৰূপ, ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিব নোৱাৰা পদ্ধতি, আতংকময় পৰিৱেশ, কিছুমান শিক্ষকৰ দুৰ্বল ব্যক্তিত্ব, মাতৃ ভাষাক এলাগী কৰি বঙ্গ বিদ্যালয় স্থাপন কৰি বঙলাতে ল'ৰা-ছোৱালীক শিক্ষা ল'বলৈ বাধ্য কৰোৱা আদি কথাসমূহ বহলাই লিখিব লাগিব। বেজবৰুৱাই অনুভৱ কৰিছিল যে স্কুলৰ নীৰস, কঠোৰ শিক্ষাব্যৱস্থাৰ পৰিৱৰ্তে এক আনন্দদায়ক ব্যৱস্থাৰ মাধ্যমেৰে শিক্ষাৰ পৰিৱেশ সৃষ্টি হোৱা হ'লে জন্মভূমিৰ বাবে চামে চামে প্ৰফুল্লিত মনৰ মানুহ সৃষ্টি হ'লহেঁতেন।

৩নং প্ৰশ্নৰ উত্তৰ ঃ আত্মজীৱনীৰ লক্ষণসমূহ লিখিব....সেই লক্ষণসমূহ *মোৰ জীৱন সোঁৱৰণত* কেনেদৰে বিদ্যমান সেয়া আলোচনা কৰিব লাগিব।



২.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ৰয় পাস্কেলে আত্মজীৱনীৰ সংজ্ঞা কেনেদৰে আগবঢ়াইছে? আত্মজীৱনীৰ লক্ষণসমূহ লিখি *মোৰ জীৱন সোঁৱৰণত* সেইসমূহ কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰক।

প্রশ্ন ২ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীত *মোৰ জীৱন সোঁৱৰণৰ* স্থান কেনেধৰণৰ বিশ্লেষণ কৰক।

প্রশ্ন ৩ ঃ *মোৰ জীৱন সোঁৱৰণত* লক্ষ্মীনাথ বেজবৰুৱাৰ সময়ৰ অসমৰ সমাজ ব্যৱস্থাৰ কোনবোৰ দিশ পোহৰলৈ আহিছে আপোনাৰ পাঠৰ আধাৰত আলোচনা কৰক।

প্রশ্ন ৪ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্যৰীতি সম্পর্কে এটা প্রবন্ধ লিখক।

প্রশ্ন ৫ ঃ 'মোৰ জীৱন সোঁৱৰণ'ত লক্ষ্মীনাথ বেজবৰুৱাই অসমৰ শিক্ষা-ব্যৱস্থাৰ ছবিখন কেনেদৰে অঙ্কন কৰিছে আলোচনা কৰক।

প্রশ্ন ৬ ঃ *মোৰ জীৱন সোৱঁৰণৰ* প্রথম ভাগৰ অন্তর্গত তৃতীয় অধ্যায়ৰ কথাবস্তু কি বহলাই আলোচনা কৰক।

প্রশ্ন ৭ ঃ *মোৰ জীৱন সোৱঁৰণৰ* প্রথম ভাগৰ অন্তর্গত চতুর্থ অধ্যায়ৰ কথাখিনি নিজৰ ভাষাত লিখক।

*** ***** ***

অধ্যায় ৩ ঃ গল্পকাৰ বেজবৰুৱা *(লাওখোলা আৰু মলক গুইন-গুইন)*

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প

৩.৪ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ বৈশিষ্ট্যসমূহ

৩.৫ *লাওখোলা*

- ৩.৫.১ মূল গল্পটোৰ পাঠ
- ৩.৫.২ *লাওখোলা* গল্পৰ সাধাৰণ আলোচনা
- ৩.৫.৩ *লাওখোলা* গল্পৰ চৰিত্ৰ চিত্ৰণ
- ৩.৫.৪ *লাওখোলা* গল্পত ফুটি উঠা নাৰী জীৱনৰ কাৰুণ্য আৰু পুৰুষতান্ত্ৰিক সমাজৰ স্বাৰ্থপৰতা

৩.৬ *মলক গুইন-গুইন*

- ৩.৬.১ মূল গল্পটোৰ পাঠ
- ৩.৬.২ *মলক গুইন-গুইন* গল্পৰ সাধাৰণ আলোচনা
- ৩.৬.৩ *মলক গুইন গুইন* গল্পৰ চৰিত্ৰ চিত্ৰণ
- ৩.৬.৪ *মলক গুইন গুইন* গল্পত ফুটি উঠা সমাজ বাস্তৱতা

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৩.১০ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প সম্পৰ্কে সম্যক আভাস পাব
- লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰিব পাৰিব
- লক্ষ্মীনাথ বেজবৰুৱাৰ *লাওখোলা* আৰু *মলক গুইন-গুইন* শীৰ্ষক দুটি গল্পৰ বিষয়বস্তু সম্পৰ্কে আভাস পাব
- লক্ষ্মীনাথ বেজবৰুৱাৰ *লাওখোলা* আৰু *মলক গুইন-গুইন* শীৰ্ষক দুটি গল্পৰ চৰিত্ৰ-চিত্ৰণ সম্পৰ্কে জানিব পাৰিব
- গল্প দুটাৰ মাজেদি গল্পকাৰ বেজবৰুৱাৰ সমাজ সম্পৰ্কীয় দৃষ্টিভংগী বিশ্লেষণ কৰিব পাৰিব।

৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ যান্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা 'অনুবাদ সাহিত্য আৰু বিশেষ সাহিত্যিক'ৰ দ্বিতীয় খণ্ডৰ অন্তর্গত 'বিশেষ সাহিত্যিক'ৰ 'লক্ষ্মীনাথ বেজবৰুৱা'ৰ এইটো হৈছে তৃতীয় অধ্যায়। আপুনি নিশ্চয় জানে যে লক্ষ্মীনাথ বেজবৰুৱা অসমৰ নৱন্যাস আন্দোলনৰ প্রধান সাহিত্যিক। অসমীয়া সাহিত্যক নতুন গতি আৰু চেতনা প্রদান কৰা বেজবৰুৱা এগৰাকী যুগদ্রষ্টা তথা যুগস্রষ্টা সাহিত্যিক। আধুনিক অসমীয়া সাহিত্যৰ বিকাশৰ ক্ষেত্রত এইগৰাকী সাহিত্য কর্মীৰ সৃষ্টিৰাজি তথা তেওঁৰ বিশাল সাহিত্যিক ব্যক্তিত্বই যথেষ্ট অনুপ্রেৰণা যোগাই থৈ গৈছে। মহেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ ৰূপৰেখাত উল্লেখ কৰিছে, 'বিংশ শতিকাৰ প্রথমার্ধৰ আধুনিক অসমীয়া সাহিত্যক একগোট কৰি তাৰ আধ্যাত্মিক ধৰণীস্বৰূপে একমাত্র লক্ষ্মীনাথ বেজবৰুৱাৰ বিশাল ব্যক্তিত্বই বর্তমান।' তেওঁৰ সাহিত্যিক ব্যক্তিত্বৰ সম্মোহনে এটা সময়ত অসমীয়া লেখকসকলক মনপুতি নিজৰ ভাষা-সাহিত্যৰ চর্চা কৰিবলৈ অনুপ্রাণিত কৰিছিল। আধুনিক অসমীয়া সাহিত্যৰ বিকাশ আৰু সমৃদ্ধিৰ বাবে বেজবৰুৱাৰ সাহিত্যিক কর্মৰাজি তথা তেওঁৰ ব্যক্তিত্বৰ ভূমিকা প্রসংগত মহেশ্বৰ নেওগে এনেদৰে উল্লেখ কৰিছে, 'বেজবৰুৱাৰ লগতে আধুনিক সাহিত্য এক মূর্তিমান আন্দোলনৰ স্বৰূপ ধৰি আৰম্ভ হয়। এই আন্দোলনৰ মূলতে চন্দ্রকুমাৰ আগৰৱালাৰ আৱিষ্কাৰশীলতা আৰু বেজবৰুৱাৰ ব্যাপক ব্যক্তিত্ব। ১৮৫৮ চনত কলিকতা বিশ্ববিদ্যালয় স্থাপিত হোৱাত আন ক্ষেত্রৰ দৰে সেই সময়ৰ বঙ্গৰ সাহিত্যিক জগততো যথেষ্ট আলোড়ন আৰু আধুনিক সাহ্যিতৰ ক্রমবিকাশ ঘটিছিল। এই উদ্দীপনাৰ মাজত থকা অসমীয়া ছাত্রহঁতৰ অন্তৰত আলেকজেণ্ডাৰ ছেলকার্কৰ দৰে যি প্রৱসুৱা স্বদেশ প্রীতিৰ উদ্ভৱ হৈছিল, তাৰ প্রভাৱতেই এওঁলোকৰ জাতীয় সাহিত্য-আন্দোলনে ৰূপ লৈ উঠিছিল। জাতীয় প্রোগ্রেম এটা লৈ প্রকৃত জাতীয় আন্দোলন হিচাপে আধুনিক অসমীয়া সাহিত্য এতিয়াহে আৰম্ভ হ'ল।' বেজবৰুৱাৰ ৰচনাৰাজিৰ গুৰুত্বৰ প্রতি লক্ষ্য ৰাখিয়েই বাণীকান্ত কাকতিয়ে *বেজবৰুৱা* শীর্ষক প্রৱন্ধত এনেদৰে উল্লেখ কৰিছে ঃ 'অসমত নিজক বাদ নিদিয়াকৈ সকলো উৎসাহী অসমীয়া লেখকক ক'ব খোজোঁ, বেজবৰুৱাৰ ৰচনা-পদ্ধতিৰ প্রতি সবিশেষ মন নিদিয়াকৈ অসমীয়া লেখিবলৈ যোৱাটো ভাষাৰ প্রতি অবিচাৰ কৰা।' এফালে তত্ত্বগধুৰ বিষয়ৰ ৰচনা আৰু আনফালে কৃপাবৰী ৰচনা— বেজবৰুৱাৰ সাহিত্যিক ব্যক্তিত্বৰ দুটা গুৰুত্বপূর্ণ দিশ।

আপুনি জানেই যে কবিতা, গল্প, উপন্যাস, নাটক, হাস্য-ব্যঙ্গ ৰচনা আদি বিবিধ সাহিত্য-ৰূপৰ সৃষ্টিৰে বেজবৰুৱাই অসমীয়া সাহিত্যক এক নতুন গতি প্রদান কৰি গৈছে। 'জোনাকী' আলোচনীৰ লগত আলোচনীখনৰ জন্মলগ্নৰে পৰা ওতঃপ্রোতভাৱে জড়িত থকাৰ লগতে তেওঁ বাঁহী আলোচনীৰো প্রতিষ্ঠাপক তথা সম্পাদক আছিল। তদুপৰি অ'ত-ত'ত সিঁচৰতি হৈ থকা বেজবৰুৱাৰ বিভিন্ন লেখা আদি বর্তমানে সংকলিত ৰূপত প্রকাশ কৰা হৈছে। উল্লেখযোগ্য যে পাশ্চাত্য দেশত ইতিপূর্বে অতিশয় জনপ্রিয় হৈ উঠা 'চুটিগল্প'ৰ দৰে নতুন শ্রেণীৰ সাহিত্য বেজবৰুৱায়েই অসমীয়া সাহিত্যলৈ সুৱাগুৰি তুলি আনিলে। তেওঁ হ'ল অসমীয়া চুটিগল্পৰ

জনক। *জোনাকী*-ৰ তৃতীয় আৰু চতুর্থ বছৰৰ সম্পাদক আছিল বেজবৰুৱা। নগেন শইকীয়াই *বেজবৰুৱা ৰচনাৱলী* (বনলতা সংস্কৰণ)ৰ পাতনিত উল্লেখ কৰিছে, *জোনাকী*-ৰ চতুর্থ বছৰৰ (১৮৯২ খ্ৰীষ্টাব্দ) 'চতুর্থ সংখ্যাত তেওঁ *সেউতী* নামৰ গল্পটোৰে অসমীয়া চুটিগল্পৰ প্ৰথম জনক ৰূপে আত্মপ্ৰকাশ কৰে।' অসমীয়া-সাহিত্য-জগতত নতুন সংযোজন এইবিধ সাহিত্য-ৰূপৰ জৰিয়তে বেজবৰুৱাই যেন অসমৰ জাতীয় জীৱনৰ বিভিন্ন দিশ সাধুকথাতকৈও অধিক স্পষ্টৰূপত প্ৰতিভাত কৰি তুলিলে। আপোনাৰ সুবিধাৰ অৰ্থে এই অধ্যায়ত বেজবৰুৱাৰ দুটি গল্প ক্ৰমে, *লাওখোলা* আৰু *মলক গুইন গুইনৰ* বিভিন্ন দিশ সামৰি আলোচনা আগবঢ়োৱাৰ প্ৰয়াস কৰা হৈছে।

৩.৩ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প

বেজবৰুৱাৰ সাহিত্যৰাজিৰ ভিতৰত গল্পসংগ্ৰহ আছে মুঠ চাৰিখন— *সুৰভি* (১৯০৯), *সাধু কথাৰ কুঁকি* (১৯৯০), *জোনবিৰি* (১৯১৩) আৰু *কেহোঁকলি*। ইয়াৰে প্ৰথম তিনিখন বেজবৰুৱাৰ জীৱনকালত প্ৰকাশিত হয়। আনহাতে *বাঁহী* আৰু অন্যান্য ঠাইত সিঁচৰতি হৈ থকা তেওঁৰ গল্পবোৰ *কেহোঁকলিৰ* অন্তর্ভুক্ত হৈছে। ইয়াৰে *সুৰভিত* ১২টা, *সাধু কথাৰ কুকিত* ২৬টা, *জোনবিৰিত* ১৬টা আৰু অন্যান্য ঠাইত সিঁচৰতি হৈ থকা ১৫টা গল্প আছে।

জানি থোৱা ভাল



বেজবৰুৱাৰ জীৱন কালত তেওঁৰ মুঠ তিনিখন গল্প সংকলন প্ৰকাশ পাইছিল। সেইকেইখন হ'ল— *সুৰভি, সাধু কথাৰ কুঁকি আৰু জোনবিৰি*। *বাঁহী* আৰু অন্যান্য ঠাইত সিঁচৰতি হৈ থকা গল্পসমূহ বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে অতুলচন্দ্ৰ হাজৰিকাৰ সম্পাদনাত সাহিত্য প্ৰকাশৰ দ্বাৰা ১৯৬৮ চনত প্ৰকাশিত *বেজবৰুৱাৰ গ্ৰন্থাৱলীৰ* প্ৰথম খণ্ডত সন্নিৱিষ্ট কৰা হৈছে। এই প্ৰসঙ্গত সম্পাদক হাজৰিকাই উল্লেখ কৰিছে [হাজৰিকা ১৯৬৮ ঃ (ছ)]যে 'বাঁহী আৰু আন ঠাইত সিঁচৰতি হৈ থকা আৰু গল্পৰ পুথিত অন্তর্ভুক্ত নোহোৱা পোন্ধৰটা গল্প গোটাই এই গ্ৰন্থাৱলীত 'কেহোঁকলি'ৰ নামেৰে ৰসৰাজৰ চতুর্থখন গল্পৰ পুথি সন্নিবিষ্ট কৰা হৈছে। প্ৰথমটো গল্প 'কেহোঁকলি'ৰ নামেৰেই পুথিখনৰ নামকৰণ কৰা হৈছে— এই নামটোৰ অৰ্থ গল্পটোৰ পাতনিতে লিখকৰ নিজৰ ভাষাতেই পোৱা যাব।'

বেজবৰুৱা চুটিগল্প সম্পৰ্কে নগেন শইকীয়াই উল্লেখ কৰিছে যে 'বেজবৰুৱা হ'ল অসমীয়া ভাষাৰ প্ৰথম গৰাকী চুটিগল্পকাৰ। 'জোনাকী'ৰ তৃতীয় বছৰ আৰু চতুর্থ বছৰৰ সম্পাদক আছিল বেজবৰুৱা। এই জোনাকীৰে চতুর্থ বছৰৰ (১৮৯২ খ্ৰীষ্টাব্দ) চতুর্থ সংখ্যাত প্ৰকাশিত 'সেউতী' নামৰ গল্পটিয়েই আছিল বেজবৰুৱাৰো আৰু অসমীয়া ভাষাৰো প্ৰথম চুটিগল্প। ইয়াৰ

আগতে চতুর্থ বছৰৰ দ্বিতীয় সংখ্যাত 'ঘৰপতা ককা' আৰু তৃতীয় সংখ্যাত 'মূলা খোৱা বুঢ়া' নামৰ দুটা সাধুকথা তেওঁ লিখিছিল। 'জোনাকী'ত সেই দুটাৰ পৰিচয়ো গল্প বুলিয়ে আছিল যদিও সেই দুটা চুটিগল্প নাছিল। চুটিগল্পকাৰ হিচাপে বেজবৰুৱাৰ ৰচনাৰ মাজত আমি বেজবৰুৱাৰ এক গভীৰ মানৱিক দৃষ্টিভংগী, সামাজিক চেতনা, চৰিত্রৰ মনস্তাত্ত্বিক বিশেষত্ব অধ্যয়নৰ পৰিচয় আৰু এগৰাকী সমালোচক বেজবৰুৱাকো লগ পাওঁ। এই সমালোচকজন হ'ল বেজবৰুৱাৰ আঁৰত সদায় থিয় দি থকা কৃপাবৰ বৰুৱা।'

বেজবৰুৱাৰ গল্পৰ বিভিন্ন দিশ সামৰি অতুলচন্দ্র হাজৰিকাই উল্লেখ কৰিছে যে '...লক্ষ্মীনাথৰ কেইবাটাও গল্পত অসমীয়া সমাজখনৰ হুবহু প্রতিফলন হৈছে ভাব, ভাষা, পৰিৱেশ আৰু চৰিত্রচিত্রণৰ ফালৰ পৰা। এইটো সঁচা কথা যে বেজবৰুৱাই বর্ণনা কৰা অসমীয়া সমাজখনে সময়ৰ লগে লগে মোট সলাই আহিছে আৰু হয়তো আঢ়ৈকুৰি বছৰমান পিছত ইয়াৰ আকৃতি সম্পূর্ণ সলনি হৈ যাব। সেই কাৰণে সমাজৰ লগে লগে বেজবৰুৱাৰ গল্পৰ কোনো কোনো চৰিত্রক চিনি পোৱাটো টান হ'ব; তাৰ পৰিৱেশো আচহুৱা যেন লাগিব। কিন্তু তেতিয়াও সকলোবোৰ গল্পৰ মূল্য যে হ্রাস হ'ব আৰু সাহিত্যিক মাদকতা নাইকিয়া হৈ যাব তেনে বুলি আমি নেভাবোঁ। জীয়া সমাজ এখন পৰিৱর্তনশীল হ'বই লাগিব কিন্তু সমাজ মৰিলেও যে তাৰ লগতে ভাল সাহিত্যৰো সহমৰণ হ'ব এনে কথা নহয়। বেজবৰুৱাৰ গল্পত বা ৰচনাত যি কালিকা আছে, সি সহজতে টুটি নেযায়। অসমৰ সামাজিক বুৰঞ্জী-লিখকসকলে এই গল্পবোৰৰ ভিতৰত বিস্তৰ আহিলাপাতি বিচাৰি পাব, ৰসগ্রাহী পাঠকে উৱলি যোৱা দিনৰ ছবিবোৰ দেখি বিস্মিত হ'ব।'

বিশিষ্ট সমালোচক ভবেন বৰুৱাই বেজবৰুৱাৰ গল্পসমূহক প্রধানকৈ দুটা ভাগত ভাগ কৰিছে—

(ক) সামাজিক বিষয় সম্বলিত হাস্য-ব্যঙ্গাত্মক গল্প। উদাহৰণস্বৰূপে, *মলক গুইন গুইন, ভোকেন্দ্র বৰুৱা* আদি। এই ধৰণৰ গল্পসমূহত বেজবৰুৱাৰ প্রবল সমাজ-সচেতন ভাৱধাৰাৰ প্রকাশ ঘটা দেখা যায়।

(খ) ব্যক্তি জীৱনৰ গোপন তথা কঠিন দিশৰ বিষয় সম্বলিত। এনে গল্পবোৰক ভাৱ অনুসৰি পুনৰ কেইটামান ভাগত তেওঁ ভগাইছে—

(অ) মানুহ আৰু প্রকৃতি বিষয়ক। যেনে— *কন্যা, নকওঁ* আদি গল্প। মানুহ আৰু প্রকৃতিৰ সম্পর্ক এনে গল্পত সুন্দৰকৈ ফুটাই তোলা হৈছে।

(আ) প্রেম বিষয়ক। যেনে— *ৰতন মুণ্ডা, মাধৈমালতী* আদি গল্প। প্রেমৰ লগত জড়িত সামাজিক সমস্যাৰ ওপৰতো এই গল্পবোৰে আলোকপাত কৰিছে।

(ই) নাৰী বিষয়ক। যেনে— *লাওখোলা, ভদৰী* আদি গল্প। নাৰীৰ জীৱনৰ বিবিধ সমস্যা সহানুভূতিশীলতাৰে অঙ্কন কৰাৰ লগতে নাৰীৰ আৱেগ-অনুভূতি, সাহস, প্রেম-ভালপোৱা, দায়িত্ববোধ, আত্মাভিমান আদি বিভিন্ন দিশ বেজবৰুৱাই তেওঁৰ গল্পত ফুটাই তুলিছে।

(ঈ) সাধাৰ মানুহৰ জীৱন বিষয়ক। যেনে— *বাৰীছোৱা, ভৈৰা, চোৰ, পুত্রৰান পিতা*

আদি গল্প। বেজবৰুৱাই সাধাৰণ শ্ৰেণীৰ মানুহৰ জীৱনৰ বিভিন্ন দিশ এই গল্পবোৰত প্ৰকাশ কৰাৰ চেষ্টা কৰা দেখা যায়।

(উ) মানুহ আৰু অন্যান্য জীৱ-জগত বিষয়ক। যেনে— *লোভ, মাৰ্জাৰী* আদি গল্প। এই শ্ৰেণীৰ গল্পত বেজবৰুৱাই মানুহৰ লগত আন ইতৰ জীৱৰ সম্পৰ্ক ভাস্বৰ কৰি তুলিছে।

প্ৰহ্লাদ কুমাৰ বৰুৱায়ো বিষয়বস্তুৰ দিশৰ পৰা বেজবৰুৱাৰ গল্পক প্ৰধানকৈ দুটা ভাগত ভগাইছে।

(ক) সমাজ সংস্কাৰধৰ্মী। *মলক গুইন গুইন, ভোকেন্দ্ৰ বৰুৱা, জাতিৰামৰ জাত* আদি এই ভাগৰ;

(খ) ব্যক্তি জীৱন সম্পৰ্কীয়। *পুত্ৰবান পিতা, ভদৰী, জলকুঁৱৰী মুক্তি* আদি দ্বিতীয় ভাগৰ গল্প।

বৰুৱাৰ মতে, ইয়াৰে প্ৰথম ভাগৰ গল্পত 'সমকালীন সমাজৰ ভণ্ডামী, অন্তঃসাৰশূন্যতা আৰু অন্ধবিশ্বাসজনিত সামাজিক কুসংস্কাৰক তীব্ৰ ভণ্ডামী, অন্তঃসাৰশূন্যতা আৰু অন্ধবিশ্বাসজনিত সামাজিক কুসংস্কাৰক তীব্ৰ ব্যঙ্গ কৰি সমাজক সংস্কাৰ কৰিবলৈ প্ৰয়াস কৰা দেখা যায়। *মলক গুইন গুইন, ভোকেন্দ্ৰ বৰুৱা, জাতিৰামৰ জাত* আদি বহু গল্প এই শ্ৰেণীৰ। দ্বিতীয় শ্ৰেণীৰ গল্পত 'ব্যক্তি জীৱনৰ হাঁহি-কান্দোন, সুখ-দুখ নানান সংঘাত আদিৰ চিত্ৰণেৰে মানুহৰ জীৱনক সহৃদয়তাৰে উপলব্ধি কৰোৱাবলৈ যত্ন কৰা হৈছে। 'পুত্ৰবান পিতা', 'ভদৰী', 'নকওঁ', 'জলকুঁৱৰী', 'মুক্তি' আদি বহুবোৰ গল্প এইটো শ্ৰেণীৰ।'

কোনো কোনো সমালোচকে বেজবৰুৱাৰ গল্পসমূহ— অৰ্থনৈতিক, সামাজিক, হাস্য-ব্যঙ্গ, পাৰিবাৰিক আদি ভাগতো ভাগ কৰিব খোজে। তেওঁৰ দুটিমান গল্পত অতিপ্ৰাকৃত উপাদানৰ প্ৰভাৱ পৰিলক্ষিত হয়। বিষয়বস্তুৰ বৈচিত্ৰ্য, অন্তৰ্নিহিত ভাৱ আদিৰ আধাৰত এই ভাগসমূহ সমালোচকসকলে উল্লেখ কৰিছে।

যোগেশ দাসে উল্লেখ কৰিছে যে বেজবৰুৱাই ষ্টিভেনচনে আঙুলিয়াই দিয়া তিনিওটা পদ্ধতি ব্যৱহাৰ কৰি গল্প লিখিছিল। যথা, প্লট এটা লৈ কিছুমান চৰিত্ৰ খাপ খুৱাই দিয়া; চৰিত্ৰ এটাক বিভিন্ন ঘটনা, পৰিস্থিতি আদিৰ জৰিয়তে ফুটাই তোলা আৰু এটা পৰিৱেশ সৃষ্টি কৰি মানুহ আৰু কাৰ্য-কলাপৰ জৰিয়তে সেই পৰিৱেশক মূৰ্ত কৰি তোলা। দাসে উল্লেখ কৰিছে যে, বেজবৰুৱাই এই তিনিও ধৰণৰ পদ্ধতিৰ প্ৰয়োগেৰে চুটিগল্প ৰচনা কৰিছিল। বেজবৰুৱাৰ গল্পসমূহ ভালদৰে পৰ্যবেক্ষণ কৰিলে এই কথাখিনিৰ তাৎপৰ্য বুজিব পাৰি।

মন কৰিবলগীয়া যে, বাটকটীয়া হিচাপে বেজবৰুৱাই অসমীয়া সাহিত্যলৈ যিকেইটা গল্প দি গৈছে, আজিৰ দৃষ্টিৰে চালে তাৰে বেছিভাগেই সমালোচনাৰ চালনিৰে সৰকি যোৱাৰ সম্ভাৱনাই অধিক। আধুনিক সমালোচনাৰ দৃষ্টিৰে লক্ষ্য কৰিলে ইবিলাকৰ বিষয়বস্তু, কলা-কৌশল, চৰিত্ৰসৃষ্টি আদি কলা-কৌশলগত দিশৰ অনেক ত্ৰুটি-বিচ্যুতি বিচাৰি পোৱা যাব। কিন্তু তাৰে মাজৰ কেইটিমান গল্পৰ আৱেদন যে সাৰ্বজনীন আৰু সৰ্বকালীন তাত সন্দেহৰ অৱকাশ নাই। এনে গল্পৰ ভিতৰত *মুক্তি, ভদৰী, ধোঁৱাখোৱা* আদিৰ নাম উল্লেখ কৰিব পাৰি।

বেজবৰুৱাৰ *কোঁহোকলি*-ক বাদ দি বাকী তিনিখন গল্পপুথিৰ ভিতৰত *সাধুকথাৰ কুকি*-ৰ অন্তর্গত *ঘৰপতা ককা* আৰু *মূলাখোৱা বুঢ়া* শীর্ষক লেখা দুটাক প্রকৃতপক্ষে সাধুকথা বোলাহে যুগুত।

অসমীয়া সাহিত্য জগতত বেজবৰুৱাৰ গল্পৰ গুৰুত্ব সম্পর্কে প্রহ্লাদ কুমাৰ বৰুৱাই উল্লেখ কৰিছে, '...বেজবৰুৱাই আধুনিক অসমীয়া সাহিত্যত কেৱল চুটি গল্পৰেই যে ভেটি স্থাপন কৰিলে এনে নহয়; এই গৰাকী লেখকৰ গল্পৰ যোগেদিয়েই অসমীয়া সাহিত্যত আধুনিকতাৰো বাট প্রশস্ত হৈ পৰিল। তদুপৰি বেজবৰুৱাৰ চুটি গল্পৰ যোগেদিয়ে আধুনিক অসমীয়া সাহিত্যই চুবুৰীয়া বাঙালী সাহিত্য আৰু পশ্চিমৰ বৰেণ্য গল্প লেখকসকলৰ চুটি গল্পৰ সৈতে সংযোগ স্থাপনো কৰিলে। গতিকে চুটি গল্পৰ আঙ্গিক অথবা কলা-কৌশলৰ দিশত নিখুঁত নহয় যদিও অসমীয়া চুটিগল্পৰ জনক হিচাপে আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জীত বেজবৰুৱাৰ ঐতিহাসিক গুৰুত্ব সর্বকালৰ বাবে স্বীকৃত হৈ ৰ'ব।'

আপুনি নিশ্চয় বুজি পাইছে যে, বেজবৰুৱাৰ গল্পসমূহত মূলত চাৰি ধৰণৰ ভাৱৰ প্রৱাহ লক্ষ্য কৰিব পাৰি— ব্যক্তিগত অভিজ্ঞতাৰ প্রকাশ, সাধুকথাধর্মী কথন ভঙ্গী, কৃপাবৰী হাস্য-ব্যঙ্গৰ ভাৱ আৰু নতুন ধাৰাৰ চুটিগল্পৰ কলা-কৌশল। মন কৰিবলগীয়া যে তেওঁৰ বেছিভাগ গল্প পাশ্চত্য সাহিত্যৰ গল্পৰ তুলনাত ভাৰতীয় সাহিত্যৰ আখ্যান-উপাখ্যানসমূহৰ বেছি ওচৰ চপা। তেওঁৰ ভালেমান গল্প শিথিলবন্ধী তথা অপ্রয়োজনীয় বর্ণনাৰে ভৰপূৰ যদিও অসমীয়া সাহিত্যত এটা নতুন শৈলীৰ সাহিত্য ৰূপৰ আৰম্ভণি কৰাৰ বাবেই অসমীয়া সাহিত্যৰ জগতত তেওঁৰ নাম স্মৰণীয় হৈ ৰ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বেজবৰুৱাৰ গল্পসমূহ কি কি ভাগত ভগাব পৰা যায়? আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

৩.৪ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ বৈশিষ্ট্যসমূহ

আপুনি জানে যে বেজবৰুৱাৰ হাতত অসমীয়া চুটিগল্পই প্রকাশ আৰু বিকাশ লাভ কৰিছে। অসমীয়া সাহিত্যৰ এই প্রথমগৰাকী গল্পকাৰৰ গল্পসমূহৰ কিছুমান বিশেষত্ব পৰিলক্ষিত হয়। সেই বিশেষত্বসমূহ এনেদৰে বিশ্লেষণ কৰিব পাৰি—

বেজবৰুৱাৰ গল্পসমূহ প্রধানকৈ বর্ণনাধর্মী। বহুসময়ত গল্পসমূহৰ বর্ণনা শৈলী সাধুকথাধর্মী। *যেনে চোৰ তেনে টাঙোন, ভোমকেৰোলা* আদি প্রধানকৈ সাধুকথাধর্মী গল্প। বর্ণনাৰ বাহুল্যৰ বাবে তেওঁৰ বেছিভাগ গল্প আঙ্গিকৰ দিশৰ পৰা নিটোল হৈ উঠিব পৰা নাই।

বেজবৰুৱাৰ গল্পসমূহৰ পটভূমি অকল অসমৰ ভিতৰতে সীমাবদ্ধ নহয়। বঙ্গদেশ আৰু উৰিষ্যাৰ সমাজক পটভূমি হিচপে লৈও বেজবৰুৱাই একাধিক গল্প ৰচনা কৰি গৈছে। তেওঁ এই

ঠাইসমূহৰ লগত কর্মসূত্রে দীর্ঘদিনৰ বাবে জড়িত আছিল। জীৱনৰ দীঘলীয়া সময় তেওঁ এই ঠাইসমূহত অতিবাহিত কৰিছিল। গতিকে এই দুখন সমাজো তেওঁ অতি ওচৰৰ পৰা লক্ষ্য কৰিবলৈ সুবিধা পাইছিল। *লাওখোলা, ডাক্তৰ বাবুৰ সাধু, শিৱপ্রসাদ, ৰতনমুণ্ডা* আদি গল্পৰ কথা এই প্রসঙ্গত উল্লেখ কৰিব পাৰি।

হাস্য, ব্যঙ্গ আৰু শ্লেষৰ প্রাধান্য। বেজবৰুৱাই বহুসময়ত এজন গল্পকাৰৰ দৃষ্টিভঙ্গীৰ সলনি এজন সমাজ সংস্কাৰকৰ দৃষ্টিৰেহে সমাজৰ বিভিন্ন দিশ পর্যবেক্ষণ কৰিছে। বেজবৰুৱাৰ ভালেমান গল্প এই ধৰণৰে, যেনে— *মলক গুইন গুইন, ধোঁৱাখোৱা* আদি।

সমাজ সচেতনতা তথা সংস্কাৰৰ মনোভাৱ বেজবৰুৱাৰ গল্পৰ মন কৰিবলগীয়া দিশ। অৱশ্যে বহুসময়ত সংস্কাৰমূলক মনোভাৱৰ প্রাধান্যৰ ফলস্বৰূপে গল্পসমূহৰ কাহিনী বা চৰিত্র আদি বহুসময়ত শিথিল ধৰণৰ হৈ পৰিছে। *জাতিৰামৰ জাত, পুত্রৰান পিতা* আদি এই শ্রেণীৰ গল্প।

সমাজৰ মধ্যবিত্ত লোক তথা নতুনকৈ পাশ্চাত্য শিক্ষাৰে শিক্ষিত লোকৰ অন্তঃসাৰশূন্য গর্ব-অহঙ্কাৰৰ চিত্রণ বেজবৰুৱাৰ সমাজ সচেতনতাৰে আন এক দিশ। *মলক গুইন গুইন* গল্পৰ কথা এই প্রসঙ্গত উল্লেখযোগ্য।

মানৱীয় মূল্যবোধৰ শ্রেষ্ঠত্ব প্রতিপাদন বেজবৰুৱাৰ গল্পৰ আন এক উল্লেখযোগ্য বিশেষত্ব। ৰোমাণ্টিক যুগৰ গল্পকাৰ হিচাপে বেজবৰুৱাৰ গল্পৰ এই দিশ নিতান্ত স্বাভাৱিক। *বাপিৰাম, নকওঁ* আদি এই ধাৰাৰ অন্তর্গত গল্প হিচাপে উল্লেখ কৰিব পাৰি।

ভাষাৰ অননুকৰণীয় তথা অপূর্ব ব্যৱহাৰ বেজবৰুৱাৰ গল্পৰ মন কৰিবলগীয়া বৈশিষ্ট্য। ঘৰুৱা প্রচলিত শব্দৰ ব্যৱহাৰ, নিজাকৈ সাজি লোৱা শব্দৰ ব্যৱহাৰ, অসমীয়া-ইংৰাজী মিশ্রিত শব্দৰ নিজস্ব ধৰণৰ ব্যৱহাৰ, জতুৱা ঠাঁচৰ প্রয়োগ আদি বেজবৰুৱাৰ প্রতিটো গল্পৰ মন কৰিবলগীয়া বিশেষত্ব। গল্পৰ ঠাইবিশেষে ভূমুকি মৰা কৃপাবৰী ৰসায়নে গল্পসমূহৰ ভাষিক দিশটো অধিক ৰসাল কৰি তুলিছে।

বেজবৰুৱাৰ গল্পসমূহৰ ভাষিক দিশৰ আলোচনা প্রসঙ্গত উল্লেখযোগ্য আন এটা দিশ হ'ল, চৰিত্রৰ মুখত প্রয়োজন অনুসৰি হিন্দী, বাংলা, ইংৰাজী ভাষাৰ প্রয়োগ। ঠাই বিশেষে এনে প্রয়োগে হাস্যৰসৰ সৃষ্টি নকৰাকৈ নাথাকে।

পৰম্পৰাগত অসমীয়া সমাজৰ লগতে তেওঁ নিচেই ওচৰৰ পৰা পর্যবেক্ষণ কৰা উৰিয়া তথা বঙালী সমাজৰ ভালেমান আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, সংস্কাৰ, বিশ্বাস, উৎসৱ-অনুষ্ঠান, খাদ্যাভ্যাস, সাজ-পাৰ আদিৰ উল্লেখ গল্পসমূহত মন কৰিব পাৰি।

সমকালীন অসমীয়া সমাজ তথা জীৱনধাৰাৰ ভালেমান দিশৰ বাস্তৱ চিত্রণ বেজবৰুৱাৰ গল্পৰ উল্লেখনীয় দিশ। বিশেষকৈ অসমীয়া সমাজৰ জাত-পাতৰ বিচাৰৰ প্রসঙ্গ, কানীয়া তথা নিচাখোৰ মানুহ চৰিত্র, নতুনকৈ শিক্ষিত হোৱা এচাম অন্ধ-অনুকৰণপ্রিয় লোকৰ চৰিত্র চিত্রণ আদিৰ মাজেৰে সমকালীন অসমীয়া সমাজৰ কেইবাটাও গুৰুত্বপূর্ণ দিশৰ প্রতিফলন ঘটিছে।

চৰিত্রসমূহলৈ মন কৰিলে দেখা যায় যে, বেজবৰুৱাৰ প্রায়বোৰ গল্পই বাস্তৱৰ অনুকৃতি

মাত্ৰ। পৰম্পৰাগত নাৰী চৰিত্ৰৰ বিবিধ দিশ তেওঁৰ গল্পত চিত্ৰিত হোৱা দেখা যায়। সৰলতা, ত্যাগ, উপস্থিত বুদ্ধি, সহনশীলতা আদি গুণ তেওঁৰ নাৰী চৰিত্ৰসমূহৰ বিশেষত্ব।

আপুনি নিশ্চয় বুজি পাইছে যে, এই বিশেষত্বসমূহে বেজবৰুৱাৰ গল্পসমূহক স্বকীয়ত্ব প্ৰদান কৰিছে। কাহিনী, চৰিত্ৰ, ভাষা, সামাজিক চিত্ৰ আদি দিশত বেজবৰুৱাৰ গল্পসমূহ বিশেষত্বপূৰ্ণ। সমাজৰ পৰিৱৰ্তনৰ লগে লগে বেজবৰুৱাই অঙ্কন কৰা সমাজখনৰ বিভিন্ন দিশত পৰিৱৰ্তন নিশ্চয় আহিছে। কিন্তু নিজৰ সমকালীন সমাজখনক হাস্যৰসিক, সমাজ-সচেতন গল্পকাৰগৰাকীয়ে ব্যঙ্গাত্মক শৈলীৰে সুন্দৰকৈ উপস্থাপন কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ বেজবৰুৱাৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে এটি আলচ প্ৰস্তুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

৩.৫ *লাওখোলা*

৩.৫.১ মূল গল্পটোৰ পাঠ

কলিকতাৰ ফালে 'বাগানবাড়ী' কাক বোলে, অসমীয়া মানুহৰ ভিতৰত ভালেমানে তাক 'খায় নে পিন্ধে' ক'বই নোৱাৰে। ভিকহু বদনামৰ চেকাৰে ক'লা-মলা অসমত বিদেশী মানুহৰ আগত লাজ নলগাকৈ উলিয়াব পৰা অ'ত-ত'ত এক ৰিঙৰ বাটত দুঘৰ-এঘৰ দুটা-এটা ঘৰৰ বাহিৰে সৰহখিনি অসমীয়া মানুহৰ ঘৰ, তাহানি পুৰাণত লিখা বকদল ঋষিৰ ঘৰ আৰু শোৱাপাটী, বিদুৰৰ শয্যাৰে ৰিজাব পৰা। এনেস্থলত 'বাগানবাড়ী'ৰ বাতৰি তেওঁলোকৰ পক্ষে আদাৰ বেপাৰীৰ জাহাজৰ খবৰৰ নিচিনা বুলিব লাগে। মানুহৰ ঘৰুৱা আৰু বাহিৰা দুসাঁজ কাপোৰৰ দৰে, কলিকতাৰ প্ৰায় চহকী গৃহস্থৰ দুখন ঘৰ থাকে; এখনৰ নাম তেওঁলোকে 'বসতাবাড়ী' আৰু আনখনৰ নাম 'বাগানবাড়ী' ৰাখিছে। বসতাবাড়ী মানে সদায় বাস কৰি থাকিবৰ ঘৰ, আৰু বাগানবাড়ী মানে, বসতা-বাড়ীত থাকোঁতে ভোটা হোৱা মন গা তালৈ লৈ গৈ শনাই চোকা কৰি আনিবৰ অৰ্থে ৰখা ঘৰ। চহৰৰ পৰা বেঙা মেলি পোৱা আঁতৰত, আম, কঁঠাল, লেচু, কল, নাৰিকল আদি ফলৰ গছ ; গোলাপ, সেউতী, মালতী, জাঁই, যুতি, আদি ফুলৰ গছ, 'ক্ৰটন' 'পাম' পাণৰ মাহী আদি স্বদেশী-বিদেশী নানা বৰণীয়া নানা ঠগীয়া পাতৰ গছ থকা, আৰু ৰৌ-বাহু আদি পোহনীয়া মাছেৰে ভৰা পুখুৰী এটা আৰু ইটাৰে সৈতে ধুনীয়া পকীঘৰ এটা বা দুটা থকা শুৱনি বাগিচা এখনকে বঙলা মাতেৰে 'বাগানবাড়ী' বোলে। বাগিচাৰ গৰাকীয়ে মাজে-সময়ে দুই-

চাৰিজন সমনীয়া অন্তৰংগ বন্ধু লগত লৈ ঘোঁৰাৰ গাড়ীৰে বা ৰেলগাড়ীৰে নাইবা (নৈৰ পাৰত হ'লে) নাৱেৰে সেই বাগিচালৈ আহি, এই সংসাৰৰ বিস্তৰ দুখৰ দিন-বালি ধুই এচিকটা আদচিকটা সুখৰ দিন-সোণ উপভোগ কৰে। তাত বৰশী নাইবা জাল আদি তামসিক অস্ত্রেৰে বাগিচাৰ ভিতৰৰ পুখুৰীনিৱাসী আশ্রিত-পালিত ৰৌ-বাহু আদি মাছৰ প্রতি নিষ্কাৰণ বৈৰতাচৰণ কৰি সিহঁতক বধ কৰি সিহঁতৰ শৰোৰ পেটত ভৰোৱা হয়। আম, নাৰিকল, লেচু, আদি গছৰ ফল 'জবৰ্দস্তি' কৰি পাৰি উদাৰন্তর্গত কৰা হয়; পুখুৰীত নামি জলকেলি কৰা হয়; আৰু মাছ-মঙহ আদিৰে ভোজ-ভাত খাই অজগৰ পৰাদি পৰি থকা হয়। কোনো কোনোৰ বাগানত বাই-নাচ নটী-নাচ আৰু ফটিকাৰ বীভৎস আমোদৰ ভৰসোঁত যে নবয় এনে নহয়; কিন্তু সেই বিধৰ কাম স্বভাৱ ভেদে কার্যভেদৰ নিয়ম অনুসৰি চলে বুলি ধৰিব লাগে। মুঠতে ক'বলৈ গ'লে অফিচ, কাছাৰী আদি বন্ধৰ দিনত বাগানৰ আমোদ-আহ্লাদ খোলা হয়। সেই দেখি শনিবাৰ আহিলেই বাবুসকলৰ মুখত লোভৰ পানী ওলায় আৰু শনিবাৰক 'সোণৰ শনিবাৰ' নাম দি তেওঁলোকে আদৰ কৰি মাতে।

এনে বন্ধৰ এদিনত বন্ধুবৰ নির্মলচন্দ্র বানুর্জীৰ উচতনিত মোৰো গাৰ আৰু মনৰ তেওঁৰে সৈতে তেওঁলোকৰ দমদমাৰ বাগহাবাড়ীলৈ গতি কৰিলোঁ। আমাৰ লগত আৰু দুই-চাৰিজন পালি বন্ধু যে নাছিল এনে নহয়, কিন্তু বাই-নাচ আদি আন কোনো প্রচলিত উপসর্গ বা প্রত্যয় নাছিল গুণে, সেইবিধীয়া বন্ধুৰ লেখও কম হৈছিল। মোৰ সৰুৰে পৰা মাছ ধৰা বায়ু। নির্মল বাবুৰ বাগিচাৰ পুখুৰীত সেই বায়ুৰ পাল মোৰ মন-নাৱত ভালকৈ তৰি দিব পাৰিম। এই লোভত মই উছাহেৰে ওলালোঁ। ওলালোঁ বোলাটো ঠিক নহয়; কাৰণ, কলিকতাৰ আলিবাটৰ ৰাতি মতলীয়া মানুহক কনিষ্টবলে ধৰি থানালৈ টানি লৈ যোৱা দি বাস্তৰিকপক্ষত মোক সেই ধৰা বায়ুয়ে ধৰি সেই বাগিচালৈ টানি লৈ গ'ল। আৰু নির্মল বাবুৰ নিমিত্তৰ ভাগি হ'ল মাথোন। ৰাতিপুৱাই তপতে তপতে প্রকৃত স্বদেশী চাহ-পানী এবাটি পেটত পেলাই নিৰম্বু নিশা শুকাই থকা শৰীৰৰ গুৰিত সেই কার্যৰ দ্বাৰাই পানী এটুপা দি সাত বজাৰ সময়ত ঘৰৰ পৰা ওলাই, নির্মল বাবুৰে সৈতে গৈ আঠ মান বজাত তেওঁৰ বাগিচা পালোঁগৈ। তেওঁৰ লগত জলপান-পাতি গৈছিল, লগুৱা-লিকচৌ গৈছিল, খাবৰ-দাবৰ অনেক বয়-বস্তুও গৈছিল; এতেকে বাগিচা পায়ে আমি জলপান একোটাৰে, বাটত অলপ অলপ কৈ ধোঁৰাই অহা পেটৰ খং-জুই মাৰ নিয়ালোঁহঁক। নির্মল বাবুৰ মানুহে আগদিনাই তালৈ গৈ মাছ ধৰিবলৈ জালোৱা ঠিক কৰি থৈছিল। আমি গ'লতে সেই জালোৱাই পুখুৰীত জাল পেলাই দিলে। টনা বৰজালে পুখুৰীৰ ইপাৰৰ পৰা সিপাৰলৈ লাহে লাহে মাছ চুঁচি টানি লৈ যাবলৈ ধৰিলে। জাল পাৰৰ ওচৰত চাপিলত তাত পৰা আৰু নপৰা সৰু-বৰ মাছবিলাকে, বৰাঝানৰ আখৈয়ে তপত খোলাৰ পৰা জঁপিয়াদি জঁপিয়াবলৈ ধৰিলে আৰু দর্শকসকলৰ মনেও লগে

লগে সেইটো গ'ল ঔ! সেইটো ধৰ ঔ! সেইটো বৰ মাছ ঔ!! এনেবিলাক উদ্বিগ্নৰ ধ্বনি কৰি জঁপিয়াবলৈ ধৰিলে। অন্তত ডাঙৰ ডাঙৰ ৰৌ-বাহু মাছ আঠোটা কি দহোটামান ৰাখি বাকীবোৰ নির্মল বাবুৱে আকৌ পুখুৰীত এৰি দিবলৈ জালোৱা হঁতক ক'লত সিহঁতে তাকে কৰিলে। জালখন টানি বামলৈ তুলি আনিলত দেখা গ'ল যে মাছৰ লগতে তাত মানুহৰ লাওখোলা এটাও উঠিছে। সেইটো দেখি আমাৰ উৎসাহৰ সোঁতত ক্ষন্তেকলৈ এটা ভেটা পৰা যেন লাগিল কি আপদ! মানুহৰ মূৰটো ওলালহি ক'ৰ পৰা! এইবুলি আমি সকলোৱে কোৱা-মেলা কৰিবলৈ ধৰিলোঁ। মোৰ হাতত চাহগছৰ লাখুটি এডাল আছিল, তাৰ আগেৰে আমাৰ আনন্দৰ বিঘিনি সেই লাওখোলাটো জালৰ পৰা এৰুৱাই পাৰৰ ফালে অলপ দূৰলৈ পেলাই দি মৎস্য পুৰাণৰ সেই আধ্যাৰ সেইখিনিতে ওৰ পেলালোঁ।

ভোজনৰ ব্যৱহাৰৰ দ্বিতীয় আধ্যা ৰং-ধেমালিৰে আৰম্ভ কৰি ৰন্ধা-বঢ়া, মাছ-মঙহ, পিঠা-ভাত, আদিৰে সমাপন কৰা গ'ল। সেই আধ্যাৰ বহল বিৱৰণ দিয়াটো যুগুত যেন বিবেচনা নকৰোঁ। কিয়নো সেই লোভলগা বিৱৰণ শুনি আমাৰ পাঠকসকলৰ মুখত পানী অনাহকত পৰাৰ বাহিৰে আন একো নহয় আৰু সেই পানীৰ নিবৃত্তিৰ উপায় ততালিকে কৰিব নোৱাৰাৰ বাবে আমাৰ গাতে দোষ চুব।

তৃতীয় বা শেহ আধ্যা হাতত লৈ কোৱা যাওক যে সেই ৰাতিটো আমি বাগিচাতে থাকি কটাবৰ মনস্থ কৰি ৰাতিৰ যোগ্য খোৱা-শোৱাৰ আয়োজন কৰিলোঁহঁক। তাৰ ঘৰৰ ভিতৰত শুবৰ সুন্দৰ আয়োজন অনেক। গাখীৰৰ ফেনৰ নিচিনা শুকুলা নির্মল শোৱাপাটী আৰু সেই পাটীৰ মান ৰক্ষা কৰি চলিব পৰা সুন্দৰ গাৰু আৰু চাৰিওফালে চকি-মেজ আদি উপকৰণ বিস্তৰ। ঘৰৰ ভিত-বাজ বগা শিলৰ মজিয়াৰে জকজকীয়া আৰু বাৰ-চাল ৰুৱা-মাৰলী ৰহণসনা আৰু নানান নক্সা ছবি আদিৰে চকচকীয়া। নির্মল বাবুৱে প্রমুখ্য কৰি সকলোৱে ঘৰৰ ভিতৰত সেই মনমোহা শোৱাপাটীবিলাকত শুৱৰ দিহা কৰিলে। কিন্তু মই সেই মিহি বন্দৱস্তত উভঁহা উলিয়াই বাহিৰত পুখুৰীৰ বগা শিলৰ খটখটীৰ ওপৰত শুবলৈ থিক কৰিলোঁ। মোৰ মতলব আছিল এইটো যে সুন্দৰ জোনাকত জুৰ, ফুৰফুৰীয়া বতাহ গাত লগাই স্বভাৱৰ বিচিত্র শোভা চাই অনন্ত আকাশৰ অনন্ত গৌৰৱৰ ফালে একচিতে চকু দি বিশ্বেশ্বৰৰ বিশ্বব্রহ্মাণ্ডৰ লীলা অনুভৱ কৰিবৰ সুবিধা পাম। নির্মল বাবুৱে মোৰ এই অদ্ভুত বন্দোৱস্তত দুর্ঘোৰ আপত্তি কৰিলে। তেওঁ ক'লে— 'ই হ'ব নোৱাৰে। বাহিৰত শুই গাত নিয়ৰ লগাই চেঁচা লগাই তোমাৰ কাইলৈ গা বেয়া কৰক আৰু তেতিয়া মোৰ গাত দায় লাগিব আৰু তাৰ বাহিৰে পুখুৰীৰ পাৰত সাপ-সুপ কত কি ৰাতি ওলাব, এনে কথা অসম্ভৱ, কোনোমতে হ'বই নোৱাৰে।' মোৰ কিন্তু বামুণৰ গ, শুম বুলি দৃঢ় প্রতিজ্ঞা কৰি বহিলোঁ। মোৰ মইমতীয়া স্বভাৱৰ বিষয়ে নির্মল বাবুৰ জনা আছিল। তেওঁ যেতিয়া বুজিলে যে মোক মোৰ সংকল্পৰ পৰা লৰোৱা টান, তেতিয়া তেওঁ

তেওঁৰ লগুৱাহঁতক সেই পুখুৰীৰ পাৰৰ খট্‌খটীৰ বগা শিলৰ ওপৰত মৌলৈ শুবৰ দিহা কৰিবলৈ আদেশ কৰিলে আৰু নিমিষতে সেই আদেশ প্ৰতিপালিত হ'ল। আমি নিজ নিজ ঠাইত দীঘল দি দুখ-ভাগৰৰ অন্তকাৰী টোপনিক মাতি নিমাত হ'লোহঁক। দিনত নৈৰ পাৰত ঘঁৰিয়ালে গা ৰ'দাই পৰি থকাদি ৰাতি পুখুৰীপাৰত মোক জোনাকত গা পোহৰাই পৰি থকা দেখি নিশা বিমানত ফুৰা দেৱতাসকলে কি ভাবিছিল ক'ব নোৱাৰোঁ, কিন্তু তেওঁলোকৰ ভিতৰত কোনো চিকাৰী দেৱতাই যে মোৰ ওপৰত গুলী চলোৱা নাছিল এইটো ধুৰুপ; নতুবা তেওঁ মোক আজি এই সাধু কবলৈ জীয়াই নথৈ নিশ্চয় মোৰ ছালেৰে তেওঁৰ চ'ৰাঘৰ সজালেহেঁতেন। এই নিৰ্মাতে নিফুট ৰাতি এটা বৰ আহুকালৰ কথা হৈছিল যে বাগিচাৰ গৰাকী নিৰ্মল বাবুৰ মনে মনে থাকিব নোৱৰা স্বভাৱৰ নাকে ঘোঁট ঘোঁট শব্দ কৰি শোৱনি-ঘৰ তল-ওপৰ কৰি তেওঁৰ ওচৰত শোওঁতাসকলৰ শান্তি ভংগ কৰিছিল। মই দূৰৰ পৰা সেই অপৰূপ শব্দ শুনিছোঁ আৰু তেওঁৰ ওচৰত ঘৰৰ ভিতৰত নোশোৱা বাবে নিজৰ বুধিক ধইন ধইনকৈ শলাগিছোঁ। জোনৰ সুবিমল জোনাকে মোৰ গোটেইটো গা বুৰাই দিলে। মই আনন্দত আপ্লুত হ'লোঁ। এইদৰে জোন আৰু তৰাৰে ভৰপূৰ নীল আকাশলৈ চাই ঈশ্বৰৰ সৃষ্টি কৌশল আৰু মহিমাৰ বিষয়ে ভাবি থাকোঁতে থাকোঁতে কেতিয়া কোনটো চেগত ক'ব নোৱাৰোঁ, মনে মনে টোপনিয়ে আহি মোৰ মূৰৰ পৰা ভৰিলৈকে ঢাকি ক'লা কাপোৰ এখন মোৰ গাৰ ওপৰত পেলাই দিলে আৰু সেই কাৰ্যত বিনা প্ৰতিবাদে মই সৈমান হোৱা দেখি হ'বলা মোৰ চকু-কাণ আদি বাহিৰৰ বনুৱা-লগুৱা ইন্দ্ৰিয়বোৰে ৰোহ পাতি ধৰ্মঘট কৰি নিজৰ কাম-বন বন্ধ কৰি দিলে।

এইদৰে 'স্বাধীনতা হীনতাৰস্থাত নাবাচি' টোপনিৰ 'দাসত্বশংখল' ভৰিত পিন্ধি, কিমানপৰ আছিলোঁ ক'ব নোৱাৰোঁ, কিন্তু হঠাৎ কোনোবাই মোৰ ভৰিত চেঁচা হাত এখন দিয়া যেন পালোঁ। চাঁতকৰে টোপনিয়ে মোৰ গাৰ পৰা ওপৰত কৈ অহা ক'লা কাপোৰখন তুলি নিলে আৰু কাৰবাৰ এইকেইযাৰ কথা মোৰ কাণত পৰিল— 'হেঁগা বাবু মশায়! তোমাৰ কি আৰ ঘুম ভাংগবে না? ওঠ না একবাৰটি, আমাৰ একটু কথা বলবাৰ আছে।' মই খকমককৈ উঠি বহিলোঁ। দেখোঁ পাৰ নিদিয়া শাৰী পিন্ধা ওৰণিৰে আদখিনি মুখ ঢকা, কুৰি-বাইশ বছৰ বয়সীয়া বঙালী তিৰোতা মানুহ এজনী মোৰ আগতে থিয় হৈ আছে। তিৰোতাজনীৰ মুখখন শোঁতা, বিৱৰ্ণ, যেন তাত কোনোবাই দুখৰ ডাঠ ৰহন সানি থৈছে। দুপৰ ৰাতি মই অকলশৰীয়া, এনে সময়ত এই গাভৰু তিৰোতাজনী ক'ৰ পৰা কিয় আহি মোৰ ওচৰত থিয় হৈ আছে, আৰু লোকে বা কি বুলিব, কি নিন্দাৰ কথা হ'ব, এই কথা ভাবি ভাবি মোৰ লাজ-ভয় দুইটা সমানে লাগিল। মাতৰ সুৰ কঠুৱা আৰু তাল খৰ দি মই তাইক সুধিলোঁ— 'তই কোন? তিৰোতাজনীয়ে মিহিকৈ উত্তৰ দিলে— 'আমি কে, এখনই বলছি, ব্যস্ত হবেন না মশায়। কিন্তু তাৰ আগে বলুন দেখি আপনি কে? কাৰ পৰামৰ্শ শুনে

আজ আপনি টনা-হ্যাচড়া কোৰে নাস্তানাবুদ কৰলেন? হেঁগা বাবু, তোমাৰ কাছে আমি এলুম না তুমি আমাৰ কাছে এলে? আচ্ছা উল্টোচাপ দেখজি!' মই আচৰিত হৈ মাত লগালোঁ— 'কি কয় অ' এইজনীয়ে! মই কেতিয়া তোক টনা-আঁজোৰা কৰিলোঁ? আৰু কেতিয়া তোৰ কাষলৈ আহিছিলোঁ? তোৰ মতলবটো কি? ৰাতি গোলমাল এটা পকাই মোৰ গাত বদনাম দি দাড়ি ধন উলিয়াই ল'বলৈ আহিছ হ'বলা। সি কথা নেচেল। নির্মল বাবুৰ বাগিচাত এনেকুৱা বেয়া শ্রেণীৰ মানুহ থকা বুলি জনাহেঁতেন মই কেতিয়াও ইয়ালৈ নাহিলোঁহেঁতেন। এই বাগিচাত এখন্তকো ভাল মানুহৰ থকা উচিত নহয় দেখিছোঁ। সি যি হওক, তই ভালে ভালে মোৰ কাষৰ পৰা যা নাইবা মালী আৰু দাৰোৱানহঁতক মাতি তোৰ চুলিকোছাত ধৰোৱাই এতিয়াই মই তোক চোঁচোৰাই উলিয়াই দিয়াম।' মোৰ ভাবুকি শুনি মানুহজনীয়ে মিচিকিয়া হাঁহি মাৰি সমিধান দিলে— 'বাবুজী স্থিৰ হওঁ, পাগলামি কৰোনা। তোমাৰ কাউকে ডাকতে হবেনা। আমাৰ দু একটা দুঃখেৰ কথা আছে, তা তোমাকে বলে এখনই চলে যাব। আমি তোমাৰ সংগে ঝগড়া কৰতে আসিনি; দু-একটা কথা বলে মনটা একটু হালকা কৰতে এসেছি মাত্র। দৰওয়ান মালীকে আৰ ডাকাডাকি কেন, তাদেৰ চেয়ে ঢেৰ মস্ত লোকেও আমাৰ ছেড়া চুলস এক গাছিতে হাত দিতে পাৰে না! ওগো বাবু, বলি ব্যস্ত হইওনা। তোমাদেৰ একটুতেই ব্যস্ত হোয়ে উঠা স্বভাৰ আছে তা আমি জানি, কি তা না হোয়ে নাহয় একটু স্থিৰ হয়ে আমাৰ কথাটাই শুনলে, তাতে আৰ হানিটা কি? পুৰুষ! পুৰুষ! হে ভগৱান! তুমি কি দিয়ে এই জিনিষটাকে গড়েছ জানিনে, জলেৰ নীচে লুকিয়ে পড়ে থেকেও তাদেৰ হাত থেকে নিস্তাৰ নাই! ' মানুহজনীৰ কথা শুনি আমি তাইৰ কথা কোৱা গতিটো দেখি মই তধা লাগিলোঁ, আৰু মোৰ বুকুখন অলপ অলপকৈ লৰিবলৈ ধৰিলে। মই মনটো ডাঠকৈ মাত লগালোঁ, 'কি তই পানীৰ তলত লুকাই পৰি থকাৰ কথা বলকিছ? পুৰুষে তোৰ কি কৰিলে, কি দৌৰাত্ম্য কৰিলে? নিশ্চয় এইজনী মতলীয়া তিৰোতা। ক'ৰবাৰ পৰা আহি কিবা কুমতলবেৰে ৰাতি এই বাগিচাত সোমাইছেদি। দাৰোৱান! দাৰোৱান!'

মোৰ কথাষাৰ ঢুকাওঁতে নৌঢুকাওঁতে তাই তাইৰ তর্জনী আঙুলিটো মোৰ আগত জোকাৰি মাত লগালে— 'চুপ! বলি খবর্দাৰ, চুপ! ফেৰ যদি তুমি আমাকে মাতাল বলে অপমান কৰবে তো তোমাৰ ভাল হবে না বলছি। আগে যাৰ দোষে বা হয়েছিলুম হয়েছিলুম; সে সব হোয়ে গেছে। এখন আমি খাৰাপ মেয়ে নই। মাতাল নই! কোনও কুমতলবে তোমাৰ কাছে আসিনি। খবর্দাৰ আৰ সে ৰকম কথা মুখ থেকে বেড় কৰবে না, যা কৰলে কৰলে।'

তিৰোতাজনীয়ে ইমান তেজেৰে সৈতে এই কথাকেইষাৰ কৈছিল যে মই থমকি গ'লোঁ আৰু মোৰ গাৰ জোখটো দীঘলে কুঁচি গৈ কমি যোৱা যেন পালোঁ। এনেতে হঠাৎ মানুহজনীৰ চকুৰে সৈতে মোৰ চকু একে হ'ল। দেখি তবধ মানিলোঁ

যে তাইৰ চকুৰ পৰা অসংখ্য জুইৰ ফিৰিঙতি ওলাইছে আৰু মুখৰ ভিতৰৰ দাঁতবোৰ, পুহমহীয়া জাৰৰ ঠেঁটুৱাইত কঁপা মানুহৰ দাঁতৰ দৰে, এপাৰিৰ ওপৰত এপাৰি পৰি থক থক শব্দ কৰিছে। এইবাৰ সচাঁকৈয়ে মোৰ বুকুত ভয়ে বাহ ল'লে, মুখৰ মাত হৰিল আৰু মই শোটমোট খাই পৰিলোঁ। মোৰ অৱস্থা দেখি তাই খন্তেকতে শান্ত মূৰ্তি ধৰি মিহিকৈ মাত লগালে— 'তুমি না জেনে আমাকে সেই ৰকম কথা বলেছিলে, আমি বুঝতে পেৰেছি। আৰ বলোনা। আমি খাৰাপ লোক নাই। কোনও খাৰাপ মতলবে আমি তোমাৰ কাছে আসিনি। দুখেৰ কথা একটা আদটা বলবাৰ জন্য তোমাৰ কাছে এসেছি। তুমি একটু মন দিয়ে শুনলেই আমি কৃতার্থ হোয়ে চলে যাব।'

মই উত্তৰ দিলোঁ— 'বাৰু কি ক'ব খুজিছা কোৱা, মনদি শুনিম।' তিৰোতাজনীয়ে ক'বলৈ আৰম্ভ কৰিলে। তাইৰ সেই কথাৰ অবিকল অসমীয়া ভাঙনি তলত দিলোঁ—

'এই বাগিচাখন আজিকালি কাৰ ক'ব নোৱাৰোঁ। কিন্তু আগেয়ে ইয়াৰ গৰাকী আন এজন আছিল। সি আজি ডেৰকুৰি বছৰৰ আগৰ কথা। সেইজনা সম্বন্ধত মোৰ জেঠাল আছিল। মোৰ স্বামীৰ মুখ মই দেখিবলৈকে নাপালোঁ। আমাৰ বিয়াৰ এমাহৰ পিছতে তেওঁ জহনীত পৰি ঢুকাল। মই তেতিয়া মোৰ আই-বোপাইৰ ঘৰত উমলি ভাত খোৱা সৰু ছোৱালী। মোৰ চকাচমকাকৈ মনত পৰে, হঠাৎ এদিন আবেলি আমাৰ ঘৰত কোঢ়াল লাগি পৰিল। মই ঘৰৰ আগচোতালত আমাৰ ওচৰ-চুবুৰীয়া এজনী সমনীয়া ছোৱালীৰে সৈতে উমলি আছিলোঁ; কোঢ়াল শুনি, কি হ'ল বুলি ঘৰৰ ভিতৰলৈ লৰ মাৰি আহি দেখিলোঁ যে আয়ে হিয়ামূৰ ভুকুৰাই কান্দিছে, বোপায়ে বহি চকুৰ পানী টুকি থাকি থাকি 'মোৰ কি হ'ল ঐ!' বুলি একোবেলি মাতি উঠিছে। পেহী আৰু আমাৰ বুঢ়ী বেটীজনীয়ে দীঘলকৈ ৰাউচি জুৰি কান্দি গছৰ পাত সৰাইছে। তেওঁলোকৰ কি হ'ল মই একোটো বুজিব নোৱাৰি, তেওঁলোকৰ লগতে কান্দিব ধৰিলোঁ। ভালেমান বেলিৰ মূৰত কোঢ়াল কমি আহিলত পেহী আৰু বুঢ়ী বেটীজনীয়ে মোক বৰঘৰৰ ভিতৰলৈ মাতি লৈ গৈ মোৰ হাতৰপৰা শংখৰ খাৰু আৰু কপালৰ সেন্দূৰ মচি দি ক'লে যে মই সেইবোৰ আৰু পিন্ধিব নেপায়, কাৰণ মোৰ স্বামী মৰিল। মোৰ স্বামী কি পদার্থ তেতিয়া মই ভালকৈ একো নুবুজিলোঁ। মাত্র লোকে মোক ঠাট্টা আৰু ধেমালিকৈ কোৱা কথাৰ পৰা এইফেৰা বুজিব পাৰিছিলোঁ যে কিছুমান দিনৰ আগেয়ে মোৰ সৈতে যে লোকৰ ল'ৰা এটাৰ বিয়া হৈছিল যি বিয়া মোৰ ধেমালিৰ পুতলাৰ দৰা-কন্যাৰ বিয়াৰ নিচিনা বুলি মই সদায় ভাবিছিলোঁ, সেই ল'ৰাটোকে ইহঁতে মোৰ স্বামী বোলে। মোৰ সেই কথাটো সমূলি ভাল নেলাগিছিল আৰু লোকে সেই ল'ৰাটোক মোৰ স্বামী বুলি মোক জোকালে মোৰ বৰ খং উঠিছিল। মই ভাবিছিলোঁ, মই পুতলাৰ দৰা-কন্যা পাতি বিয়া দিয়াদি আয়ে

ধেমালিকৈ আমাৰ বিয়া পাতি ৰং কৰিছিল; বিয়াও ভাগিল, ধেমালিও ভাগিল, গ'ল কথা গুচিল; সদায় সেই একোটা পুৰণি কথাকে লৈ মোক সকলোৱে জোকাই থাকে কিয় ক'ব নোৱাৰোঁ। শেহত মোৰ মনত সেই কথা অসহনীয় হৈ উঠিছিলগৈ। সেই নিমিত্তে তেতিয়া পেহী আৰু বুঢ়ী বেটীৰ মুখে মোৰ স্বামী মৰি যোৱাৰ কথা শুনি মই পেটে পেটে সন্তোষ পালোঁ; ভাবিলোঁ, আপদ গ'ল; আজৰ পৰা আৰু কোনেও মোক তাৰ কথা কৈ জোকাই থাকিব নোৱাৰে আৰু মোৰ আই-বোপাৰ লগ ঘৰ এৰি লোকৰ ঘৰলৈকো যাবলৈকো কোনেও ক'ব নোৱাৰে। কিন্তু মোৰ হাতৰ পৰা তেওঁলোকে খাৰুকেইডাল কাঢ়ি নিয়াতহে মই নথৈ বেজাৰ পাইছিলোঁ। মই পেহীক সুধিলোঁ— 'পেহী, বাৰু খাৰুকেইডাল নিছ নে কিন্তু কাইলৈ মোক পিন্ধিবলৈ দিব লাগিব।' পেহীয়ে চকুৰ পানী টুকি উত্তৰ দিলে— 'আৰু খাৰু পিন্ধিবলৈ নেপায় মইনা! তই বাঁৰী হলি! বাঁৰী মানুহে খাৰু পিন্ধিব নেপায়। মই জানো কেতিয়াবা খাৰু পিন্ধা দেখিছ? এই কথা শুনি মই ফেঁকুৰি ফেঁকুৰি খুব কান্দিলোঁ।

'মই আই-বোপাই আলাসৰ লাডু আছিলোঁ। বোপাই ধনী মানুহ আৰু তেওঁৰ সন্তান-সন্ততিৰ ভিতৰত ময়েই। তুমি সহজেই অনুমান কৰিব পাৰা। মই কেনে আদৰুৱা আছিলোঁ।'

'মোৰ শহুৰৰ ঘৰ আমাতকৈ চহকী। জোঁৱায়েকৰ শোকত মোৰ আই-বোপাই জুৰুলা হ'ল! পাঁচ বছৰৰ ভিতৰতে এজনৰ পিছত এজনকৈ দুয়ো ঢুকাল। মই নিঠৰুৱা হ'লোঁ। ধন-সম্পত্তি মাটি-বাৰী মোৰ একোৰো অভাৱ নাছিল; কিন্তু মতা মানুহ অভিভাৱকৰ অভাৱত সেইবোৰ দেখিব-শুনিবলৈ কোনো নাইকিয়া হ'ল। কিছুদিনৰ আগেয়ে মোৰ শহুৰৰো মৃত্যু হৈছিল। শাহু মোৰ বিয়াৰ আগতেই ঢুকাইছিল। মোৰ জেঠালৰ বাহিৰে নিজৰ মানুহ বুলিবলৈ কোনো নাছিল। গতিকে মই তেওঁৰ ঘৰলৈকে উঠি আহিবলৈ থিৰ কৰিলোঁ। তেওঁ বৰ উৎসাহেৰে মোক আনিলে আৰু মোৰ ধন-বস্তু মাটি-বাৰীৰ দিহা-পোহা কৰিবলৈ গাত ল'লে।'

'তেতিয়া মোৰ বয়স ওঠৰ বছৰ, আৰু মোৰ মহাশত্ৰু যৌৱনৰ মোৰ গাত মহাপয়োভৰ। তুমি এতিয়া মোক দেখি নিশ্চয় অনুমান কৰিব পাৰিছা মই কেনে শুৱনী ছোৱালী আছিলোঁ।'

'মই আই-বোপাইৰ ঘৰত থাকোঁতে, মোৰ জেঠোত কেনেকুৱা মানুহ মই নেজানিছিলোঁ; কিন্তু তেওঁৰ লগলৈ আহি দুই-চাৰি দিনৰ ভিতৰতে মই তেওঁৰ জঘন্য স্বভাৱ-চৰিত্ৰৰ চিনাকি পালোঁ। কোনোবাই দুৰ্ঘোৰ মদপী আৰু বেশ্যাসক্ত মানুহৰ আৰ্হি বিচাৰিলে মোৰ জেঠোতৰ ফালে আঙুলিয়াই দিলেই যথেষ্ট হ'ব। ঘৰত তেওঁৰ সতী লক্ষ্মীৰ নিচিনা ঘৈণীয়েকক তেওঁ ভৰিৰে ঠেলি পেলাই নটীৰ সৈতে খোৱা-লোৱা কৰি পশুতকৈও অধইচ জীৱন কটাইছিল। বাৰীৰ ঘাঁহেৰে সৈতে গোহালিৰ গৰুৰ ৰাহি নহাদি ঘৈণীয়েকে সৈতে তেওঁৰ ৰাহি নাহিছিল। মই তেওঁৰ ঘৰলৈ

আহিহে বুজিব পাৰিলোঁ যে কি এটা ভয়ানক ভুল কৰিলোঁ আৰু সেই ভুলেই কিজানি মোৰ ইহকাল-পৰকাল দুইটাৰ সর্বনাশ কৰিব। মনত এই কথা খেলোঁতে মই তেওঁৰ আশ্রয় এৰি আকৌ আমাৰ আগৰ ঘৰলৈ উভতি যাবলৈ সংকল্প কৰি মোৰ জাক সেই কথা ক'লোঁ। মোৰ কথা শুনি জাৰ নির্মল মুখ ক'লা পৰি গ'ল; চকুৰ পানীৰে তেওঁৰ চকুৰ লো টুকি তেওঁ ক'লে— 'ভনীটি, জীৱনত বিধতাই মোৰ সুখ নেলেখিলে নতুবা তুমিও মোক এৰি যাবলৈ ওলাবা কিয়! সৰহ নকওঁ, তুমি মৰা-বাঁৰী মই জীয়া-বাঁৰী। স্বামী সুখৰ পৰা তুমি বঞ্চিত ময়ো বঞ্চিত। তোমাৰ দুখ পতিয়াবলৈ পাই খন্তেকমান সুখৰ ছাঁ দেখিছিলোঁ, গোসাঁয়ে তাক সহিব কেলৈ।'

'বাইদেউৰ চকুৰ লো আৰু হিয়াৰ তলিৰ পৰা ওলোৱা এইকেইষাৰ কথাই মোক সমূলি ঘটুৱালে আৰু মই যি থাকে কপালত ভাবি তাৰ পৰা গুচি যোৱা সংকল্প পৰিত্যাগ কৰি তাতে থাকিলোঁ।'

'লক্ষ মানুহৰ ভিতৰত এটা দুটাৰ মনেহে কেতিয়াবা কাচিৎ অৱস্থা আৰু সময়ৰ সৈতে তমোময়কৈ লগা দীঘল যুঁজ যুঁজি শেহত জিকিব পাৰে। এনেস্থলত মোৰ নিচিনা নিঃসহায় দুর্বল ছোৱালীয়ে কিছুকাল সেই দুর্দান্ত দুই শত্রুৰে সৈতে যুঁজি শেহত ঘাট মনা আচৰিত কথা নহয়। কিছুমান দিনৰ মূৰত জেঠালৰ ঘৰত বাস কৰা সেই অপূর্ব অৱস্থাৰ উভহাবিলাক মৰি মোৰ পক্ষে সি মিহি হৈ পৰিল। তেওঁৰ অদ্ভুত অসহনীয় স্বভাৱ-চৰিত্রৰ উৎপাতবোৰ মোৰ চুকে-কোণে সহিবলৈ শিকিলে আৰু তাৰো কিছুমান দিনৰ মূৰত তাত দোষ বা পাপৰ হুল মোৰ চকুৱে একেবাৰেই নমনা হ'ল।'

'এইখিনিতে কোৱা আৱশ্যক যে মই মোৰ জেঠোতৰ ঘৰলৈ যাবৰ দিনাৰে পৰা তেওঁৰ পপীয়া চকু মোৰ ওপৰত পৰিছিল আৰু তেওঁৰ নানা বিধ গঢ়-গতিত সেই কথা ফুটি ওলাইছিল। মই মোৰ বিষম বিপদ বুজিও, ঈশ্বৰৰ চৰণত একান্ত নির্ভৰ কৰি জাৰ মৰমৰ মায়াজৰীডাল ছিঙিব নোৱাৰি তাতে আছিলোঁ। দিনকদিনে মোৰ বৰজনাই মোক জালত পেলাবলৈ নানা চক্রান্ত কৰিবলৈ ধৰিলে। শেহত অজগৰ সাপৰ আকর্ষণত নিৰুপায় হৰিণী তাৰ মুখৰ ভিতৰত সোমাৱাদি গৈ মই পাপ-অজগৰৰ মুখত সোমালোঁ। মোৰ সর্বনাশ ঘটিল। কলংকৰ পাচি মই মূৰত তুলি ল'লোঁ।

'এই বাগিচাৰ সেইটো ঘৰতে মই মোৰ পপীয়া জীৱন পাষণ্ড জেঠোতৰ সৈতে আমোদ-প্রমোদত কটাইছিলোঁ। মোৰ জাই তেওঁৰ স্বামীৰ সৈতে মোৰ জঘন্য ব্যৱহাৰ লক্ষ্য কৰি হতাশ হৈ এদিন যিকেইষাৰ কথা কৈছিল, সেই কেইষাৰ কথা আজিলৈকে মোৰ মনত আছে। জেঠোতে তেওঁৰ ঘৰৰ পৰা মোক উলিয়াই লৈ এই বাগিচাৰ ঘৰলৈ আহিবলৈ ওলাইছে, এনেতে জাই চুলি মেলি বলিয়াৰ দৰে হৈ ক'ৰবাৰ পৰা লৰি আহি দুহাতে বুকু চপৰিয়াই মোৰ ফালে চাই ক'লে— 'নলিনী! শেহত তয়ো এনেটো কাম কৰিলি! চুকতে থাকি তই মোৰ ভাল বুকুত কামোৰ মাৰিলি' পাপ ফটিকাৰ ৰাগিত মতলীয়া হৈ তেতিয়া জাৰ সেই হিয়া ভাগি ওলোৱা

কথাৰ উত্তৰত মই মাথোন হো হো কৰে হাঁহিলোঁ। পিশাচৰ হাঁহিৰ নিচিনা মোৰ সেই হাঁহি শুনি জাই আকৌ ইয়াকে মাথোন ক'লে— 'আইৰ ঘৰলৈ যাম। দুই হাতে খাম বিধাতাই বোলে মই পাছে পাচে যাম। তই যা, যা, যা, ময়ো কাল হৈ তোৰ পাছে পাছে যাব লাগিছোঁ। সঁচাকৈ ক'ব লাগিলে জাৰ সেই কথা কেইযাৰ মোৰ অন্তৰত শেল সোমোৱাদি সোমাইছিল; কিন্তু সেই সন্তাপ সেই ধিক্কাৰ ততালিকে উৰি গ'ল; কাৰণ তেতিয়া মই পাপ পুখুৰীত ডিঙিলৈকে তল যোৱা। তাৰ পৰা মোৰ উঠিবৰ শক্তি নাই।'

'দুখুনী জাৰ মৰ্মভেদী কথা অচিৰতে মোৰ গাত ফলিয়ালে। ছমাহ যাওঁতে নৌযাওঁতে মোৰ পাপৰ পৰাচিত ঘটিল। মই গৰ্ভৱতী হ'লোঁ। পাপিষ্ঠ জেঠাল যদিও পশুতকৈ অধম, তথাপি হিন্দু সমাজৰ ভিতৰত তেওঁ এজন বৰমূৰীয়া আছিল। দুৰ্বল হিন্দু সমাজে, ধনৰ বলেৰে বলী তেওঁক এৰিবলৈ সাহস গোটাব পৰা নাছিল; বৰং সেই সমাজে তুৰি-মূৰি কৰিব নোৱাৰাকৈ তেওঁহে ধনৰ সোপাৰে সমাজৰ মুখত সোপা দি থৈছিল। কিন্তু এইবাৰ তেওঁৰ ভয় হ'ল। তেওঁ ভাবিলে এশ গৰু মাৰিলে বাঘৰো মৃত্যু বুলি কয়। কিজানি ইমানটো ডাঙৰ কলংক এইবাৰ তেওঁ চম্ভালিব নোৱাৰেই। সেইদেখি তেওঁ মোৰ গৰ্ভ নষ্ট কৰিবলৈকে মনতে সংকল্প কৰি সেই কার্যৰ অর্থে খুব চেষ্ট কৰিবলৈ ধৰিলে। কিন্তু তেওঁৰ সকলো চেষ্টা বিফল হ'ল। বীৰ পুৰুষে শেহত কি কৰিলে কওঁ শুনা।'

'এদিন ৰাতি মোৰ টোপনিত পাষণ্ডই মোৰ টেটুটো চেপা মাৰি ধৰি মোক বধ কৰিলে। পাপিষ্ঠৰ এটা পৰম বিশ্বাসী পামৰ লগুৱা বা লগৰীয়া আছিল। তাৰে সৈতে লগ লাগি মোৰ ডিঙিত এটা শিল জৰীৰে বান্ধি দি সেই ৰাতিয়েই মোক এই পুখুৰীৰত পেলাই দি পাপিষ্ঠই কলংকৰ হাতৰ পৰা উদ্ধাৰ হ'ল। পাপীৰ হাতত মোৰ প্রাণ যোৱাৰ দিনাৰে পৰা আজিলৈকে মই এই পুখুৰীতে পৰি আছিলোঁ। বেছ আছিলোঁ, শান্তিত আছিলোঁ। এই স্বার্থপৰ দুখৰ সংসাৰত জোন-বেলি-তৰা, বিশেষকৈ পুৰুষৰ মুখ মোৰ চকুত নপৰাকৈ আছিল। আহা কি শান্তি! কি আৰাম! তুমি কিহৰ বাবে, কি আখেজত আজি মোক জালোৱাৰ হতুৱাই আজোৰাই লটিঘটি কৰি মোৰ শান্তি ভংগ কৰি এইদৰে পাৰত পেলাই দিয়ালা? মোৰ সৈতে তোমাৰ শত্রুতা কোনোকালে নাছিল। তোমালোক মতা মানুহে তিৰোতা মানুহৰ ওপৰত দৌৰাত্ম্য কৰিবলৈ আৰু নেৰা নে? চিৰকাল আমাৰ ওপৰত তোমালোকে জুলুম কৰিয়েই থাকিবানে?

'হৰি হৰি! তিৰোতাৰ জীৱন দুখৰ জীৱন। তাক আৰু দুর্ভগীয়া কৰিবলৈ মতা সদায় সাজু! বিয়া কাক বোলে তাক জনাৰ আগেয়েই, আৰু স্বামী কাক বোলে তাক চকুৰে দেখাৰ আগেয়েই অর্থাৎ প্রকৃতপক্ষে স্বামীক পোৱাৰ আগেয়েই মই স্বামী হেৰুৱালোঁ। বিধৱা হ'লোঁ। তোমালোক পুৰুষৰ কেনে যুক্তি! কেনে ন্যায়! তোমালোক আপোনপেটীয়া স্বার্থপৰ জাতি। তিৰোতাৰ আগত বৰমতা বোলোৱা

তোমালোকৰ স্বভাৱ। সত্য-ত্রেতা-দ্বাপৰ যুগৰ 'বাতিল' ব্যৱস্থা শাস্ত্রবিলাক তোমালোকৰ আজিকালিৰ আইন; শ্রীৰামপুৰৰ 'নতুন পঞ্জিকা'ৰ দৰে সি কেতিয়াও কোনোকালে পুৰণি হ'ব নোৱাৰে। আৰু আইন কৰোঁতাসকলো অৱশ্যে পুৰুষ মানুহেই। সত্য-ত্রেতা-দ্বাপৰৰ ৰজা গ'ল, ৰাজত্ব গ'ল, বৈদিক পৌৰাণিক ক'ত কি ধৰ্ম গ'ল, আচাৰ গ'ল, ব্যৱহাৰ গ'ল, আন কি বগা আৰ্যবোৰৰ গাৰ বৰণ সলনি হৈ তেওঁলোক ক'লা হ'লগৈ। কিন্তু সেইবোৰৰ যুগৰ সমাজৰ মানুহে চলিবলৈ কৰা আইনৰ সলনি নাই। সি মোট নসলোৱাকৈ তেনেই জীয়াই আছে। আৰু বেলি পানী হৈ সৌ চাপৰিটো তল গৈছিল, এইবেলি সি শুকাই টকলানি হৈ আছে। তুমি তাতে জোবো�ৱা এটা মাৰি গাটো ধুই নাহাগৈ কিয়? তোমালোকৰ ন্যায়মতে স্মৃতি শাস্ত্রমতে বিচাৰ কৰি চালে তুমি দেখিবা যে তাত এতিয়াও পানী আছে, তুমি মনুৰ মতে এতিয়াও তাত জোবোৱা মাৰি আহিব পাৰাগৈ। কিবা বোলেনে 'ওলোটা বুজিলি ৰাম'— তোমালোক মতা মানুহ। পুৰুষে পুৰুষে ওলোটা বুজিহে তোমালোকে সকলোকে হেৰুৱাই এই নীহ অৱস্থা পাইছাহি। তোমালোকৰ লক্ষণ ধ্বংসৰ ফালে, তেনেলৈ তোমালোকে যিহকে কোৱা। তোমালোকৰ ভিতৰৰ কোনোবা কাচিৎ এজন- দুজনে তোমালোকৰ অন্যায় ব্যৱহাৰ দেখুৱাই তিৰোতাৰ প্রতি ভদ্র আৰু ন্যায় ব্যৱহাৰ কৰিবলৈ তোমালোকক যদি কয়, তেন্তে তোমালোকে কঁকালত টঙালি বান্ধি উঠি বক্তাজনক কিলাবলৈ যোৱা আৰু নানা অত্যাচাৰ উৎপাত তেওঁৰ ওপৰত কৰা! বিদ্যাসাগৰে আমাৰ হৈ আষাৰচেৰেক কথা কোৱাৰ বাবে তেওঁক তোমালোকে নকৰিবৰ চকৰি কৰিলা। গালি-শপনি-নিন্দাৰে তেওঁক তোমালোকে পুতি শেহত এঘৰীয়া কৰি এৰিলা। ন্যায় আৰু ধৰ্মৰ ব্যৱহাৰ তোমালোকৰ পৰাতো আমি পাব নোৱাৰোঁৱেই, তোমালোকে যি স্মৃতিশাস্ত্র মানো বুলি কোৱা, সেই শাস্ত্রই বিহাৰ দৰেও কিন্তু তোমালোকে আমাৰ প্রতি ব্যৱহাৰ কৰিবলৈ অমান্তি হোৱা। ধইন তোমালোক। বিদ্যাসাগৰে শাস্ত্র সাগৰ মথি তাৰ পৰা বিধৱাৰ বিয়াৰ ব্যৱস্থা উলিয়াই তোমালোকৰ আগত ধৰিলে। তোমালোকে নানা তর্কজাল পাতি সেই ব্যৱস্থা টিলিকি মাৰি উৰাই দিবলৈ চেষ্টা কৰি, নোৱাৰি শেহত তেওঁক গালি পাৰি ৰণ জিকিলা। তোমালোকৰ গুণৰ কথা তিন দিন তিন ৰাতি কৈ থাকিলেও ওৰ নপৰে। আমি এবাৰ স্বামী হেৰুৱাই তোমালোকৰ পুৰুষৰ ব্যৱস্থা মতে দুনাই বিয়া কৰাব নোৱাৰোঁ। কিন্তু তোমালোকলৈ হ'লে সেই বাট একেবাৰেই মুকলি ৰাজআলি। ঘৈণীয়েক মৰি থাকক যতবাৰ হয়, তোমালোকে যিমান মন যায় বিয়া কৰি থাকিবা; তালৈ শাস্ত্রই হাতত ছাতি ধৰি তোমালোকক আদৰি লগে লগে লৈ যাব। ছিঃ, এনেখন শাস্ত্র তোমালোকৰ? এনেকুৱা তোমালোক! এনেকুৱা এইখন সংসাৰ। এইখন সংসাৰৰ গৰাকী কোন? আপোনপেটীয়া মতাকেইটাৰ বাহিৰে ইয়াৰ আন কোনোবা গৰাকী আছে যেন মনে নধৰে।'

এইখিনিতে মই মাত লগালোঁ— 'শুনিছানে বোলোঁ, জানি-শুনি আজি আমি তোমাৰ শান্তি ভংগ কৰা নাই। নজনাতহে এই কাণ্ড ঘটিছে। এতিয়া কি কৰিলে আমাৰ গাৰ পৰা দায় যাব আৰু তোমাৰো আকৌ শান্তি স্থাপন হ'ব কোৱা, মই নিশ্চয় তাকে কৰিম।'

তিৰোতাজনীয়ে উত্তৰ দিলে— 'আকৌ মোক এই পুখুৰীত পানীত পেলাই দিয়া। তেনেহ'লে মই আকৌ আগৰ ঠাইতে আগৰ দৰে নিশ্চিন্ত হৈ শুই থাকিম। আৰু নুমুৰা অগনি নজ্বলে।' মই ক'লোঁ— 'দিম পেলাই; কিন্তু এটা কথা;— তোমাক মই যেনে দেখিছোঁ এই অৱস্থাত তোমাক পুখুৰীত পেলাই দিলে মোক নৰহত্যা অপৰাধত পুলিচে ধৰি লৈ যাব আৰু মোৰ ফাঁচী হ'ব।' মোৰ এই কথা শুনি মানুহজনীয়ে পিশাচৰ দৰে ইমান হাঁহিলে যে শেহত তাই মাটিত বাগৰি পৰিও তাইৰ হাঁহিৰ ওৰ নপৰা হ'ল। তাইৰ সেই বিকট হাঁহিত মোৰ বুকু কঁপিবলৈ ধৰিলে। তাই হাঁহি হাঁহি বাগৰি পৰিল। মই চকীদাৰ চকীদাৰ বুলি মাতিলত, বাগিচাৰ চকীদাৰ লৰি আহিল! মই তাক ক'লোঁ— 'সেয়া দেখিছ নে?' সি সুধিলে 'কি দেউতা মই উত্তৰ দিলোঁ— 'সেইজনী তিৰোতা মানুহ মতলীয়াই নে কি মই ক'ব নোৱাৰোঁ, বাগৰি গৈ খাৱৈত পৰিছে।' চকীদাৰে তধা লাগি অলপমান ৰৈ ক'লে— 'ক'তা দেউতা! মই দেখোন একো দেখিবলৈ পোৱা নাই; দেউতাই কিজানি কিবা সমাজিক দেখিছিল হ'বলা। উঠক দেউতা, ইয়াৰ পৰা বলক, ভিতৰত শোৱকগৈ; এই বাগিচাত দেও আছে, বাহিৰত শোৱা ভাল নহয়।'

মই 'বাৰু, ব'ল যাওঁ' বুলি কৈ তাক ক'লোঁ— 'দেখ, যোৱাৰ আগেয়ে তই চাচোন বাৰু খালটোত কি আছে।' সি মোৰ কথামতে চাই ক'লে— 'অ', এইটো আজি ৰাতিপুৱা জালত উঠা সেই লাওখোলাটো। ইয়াক দূৰৈত পেলাই দিব লাগিছিল, ইয়াতে কোনে পেলাইছিল ক'ব নোৱাৰোঁ।' এইবুলি সি জেওৰা এচলা আনি তাৰ আগেৰে সেই লাওখোলাটো দূৰলৈ মাৰি পঠিয়াব খোজোঁতেই মই 'ৰ'বি ৰ'বি' বুলি তাক হাক দি ক'লোঁ— 'পুখুৰীৰ বস্তু আকৌ তাক পুখুৰীতে পেলাই দে। সি আগেয়ে য'ত আছিল ত'তে থাকক।' চকীদাৰে সেই কথাত অমত প্ৰকাশ কৰিব খোজোঁতেই মই আকৌ ক'লোঁ— 'নহয়, তই জনা নাই, বাগিচাৰ ওচৰত পৰি থকা তাক পুলিচে দেখিলে নানা সন্দেহ কৰি আমাক দিগ্‌দাৰি কৰিবৰ সম্ভৱ; সেইদেখিহে মই কৈছোঁ যে তাক পুখুৰীতে পেলাই দিয়াহে ভাল।' পুলিচৰ নাম শুনি চকীদাৰে ভয় খাই আৰু একো নকৈ সেই লাওখোলাটো আকৌ পুখুৰীত পেলাই দিলে। মই তাৰ পৰা উঠি আহি ভিতৰত শুবৰ চেষ্টা কৰিলোঁ। কিন্তু আৰু টোপনি নাহিল, কেতিয়া ৰাতি পুৱায় কেতিয়া ৰাতি পুৱায় ভাবি বাট চাই থাকোঁতে ৰাতি পুৱালে। 'মোৰ বৰ সকাম এটা আছে' বুলি নিৰ্মল বাবুক কৈ তেওঁলোকৰ আগেই মই সেই বাগিচাৰ পৰা গুচি আহিলোঁ।

৩.৫.২ *লাওখোলা* গ্ৰন্থৰ সাধাৰণ আলোচনা

আপুনি জানে যে, *লাওখোলা* গল্পটিত সামাজিক বিষয়বস্তুৰ উপস্থাপন কৰা হৈছে। পূৰ্বে উল্লেখ কৰা হৈছে যে, বেজবৰুৱাই তেওঁৰ ভালে সংখ্যক গল্প কলিকতাৰ পটভূমিত ৰচনা কৰিছে। আলোচ্য গল্পটিতো কলিকতাৰ পটভূমিত কাহিনীৰ জুমুঠি তৈয়াৰ কৰা হৈছে। পুৰুষতান্ত্ৰিক সমাজত নাৰীৰ ওপৰত হোৱা অবিচাৰ আৰু সামাজিক বৈষম্যৰ চিত্ৰণ গল্পটিৰ প্ৰতিপাদ্য বিষয়। গল্পটিৰ কথকে অফিছ, কাছাৰী বন্ধ হৈ থকা দিনত বন্ধু নিৰ্মলচন্দ্ৰ বানুৰ্জীৰ দমদমাত থকা 'বাগানবাড়ী'লৈ প্ৰমোদৰ উদ্দেশ্যে গৈ ৰাতিৰ অন্ধকাৰত এগৰাকী 'মতলীয়া তিৰোতা' লগ পালে। কিন্তু তিৰোতাগৰাকীৰ অৰ্থাৎ নলিনীৰ কথাৰ পৰা গম পোৱা গ'ল যে, তেওঁ প্ৰকৃততে কথকে প্ৰথমে ভবাৰ দৰে মতলীয়া নহয়। তেওঁ হ'ল গল্পটিৰ কেন্দ্ৰীয় চৰিত্ৰ নলিনী। চৰিত্ৰটিৰ মুখেৰেই তেওঁৰ নিজৰ কাহিনী গল্পকাৰে আগু�ৰাই নিছে। গল্পটিৰ এই কেন্দ্ৰীয় চৰিত্ৰৰ নলিনীৰ সেই সময়ৰ সমাজিক প্ৰথা অনুসৰি বাল্যকালতে বিয়া হৈছিল, কিন্তু দুৰ্ভাগ্যজনকভাৱে সংসাৰৰ পাতনি মেলাৰ আগতেই বুজি নোপোৱা বয়সতে তেওঁ বিধৱা হ'ল। মাক-দেউতাক আটাইকে হেৰুৱাই তেওঁ অৱশেষত শহুৰেক ঘৰলৈ আহি জেঠোতৰ আশ্ৰয় গ্ৰহণ কৰিলে। কিন্তু কালক্ৰমত তেওঁৰ এই সিদ্ধান্ত ভুল বুলি প্ৰমাণিত হ'ল। জেঠোতৰ লম্পট স্বভাৱৰ পৰিচয় পাই তেওঁ সেই ঘৰ ত্যাগ কৰিব খুজিছিল যদিও জায়েকৰ কথা পেলাব নোৱাৰি তেওঁ ৰৈ গ'ল। কিন্তু এই কথাই অৱশেষত নলিনীৰ সৰ্বনাশ কৰিলে। ক'ব নোৱাৰাকৈয়ে তেওঁ পাপত নিমজ্জিত হৈ পৰিল আৰু বদনামৰ ভয়ত নিৰ্মম জেঠোতে গৰ্ভৱতী অৱস্থাত হত্যা কৰি তেওঁৰ মৃতদেহ ৰাতিৰ অন্ধকালত পুখুৰীত পেলাই দিলে।

অতিপ্ৰাকৃত উপাদানৰ সংযোগ গল্পটিৰ আন এটি লক্ষ্যণীয় দিশ। পুখুৰীত মাছ মাৰিবলৈ জাল পেলাওতে উদ্ধাৰ হোৱা এটি মানুহৰ লাওখোলাৰপৰাই গল্পটিৰ মূল কাহিনী আৰম্ভ হৈছে। অশৰীৰি অৰ্থাৎ নলিনীয়ে নিজৰ জীৱনকালৰ কথাৰে গল্পটিৰ কাহিনী আগবঢ়াই লৈ গৈছে। অৱশ্যে তাকে কৰিবলৈ যাওঁতে কোনো ধৰণৰ ভয়ানক পৰিৱেশৰ সৃষ্টি কৰা হোৱা নাই। এহাতে সমাজ সচেতনতা আৰু আনহাতে নাৰী জীৱনৰ দুৰ্দশাৰ চিত্ৰ অংকন গল্পটিৰ বিশেষত্ব। সমকালীন সমাজ-জীৱনৰ কিছুমান বিশেষ দিশ, যেনে— বাল্য-বিবাহ, বিধৱা নাৰীৰ জীৱন যন্ত্ৰণা, বিদ্যাসাগৰৰ বিধৱা বিবাহ প্ৰচলনৰ প্ৰচেষ্টা আদিৰ ওপৰতো গল্পটিয়ে আলোকপাত কৰিছে। কলিকতাৰ সমাজ-জীৱনক পটভূমি হিচাপে লোৱা হৈছে যদিও গল্পটিত সন্নিবিষ্ট নাৰীৰ জীৱনৰ দুৰ্দশাময় চিত্ৰ প্ৰকৃততে ভাৰতীয় সমাজত অতি সুলভ। আপুনি নিশ্চয় মন কৰিছে যে, গল্পটিৰ চৰিত্ৰৰ মুখত বাংলা ভাষাৰ ব্যৱহাৰ কৰা হৈছে। চৰিত্ৰৰ প্ৰয়োজন অনুসৰি বাংলা ভাষাৰ প্ৰয়োগ কৰাটো গল্পটিৰ গুৰুত্বপূৰ্ণ

দিশ। *লাওখোলা* গল্পটিৰ ওপৰত ৰবীন্দ্রনাথ ঠাকুৰৰ *ক্ষুধিত পাষাণ* গল্পৰ প্রভাৱৰ কথা কোনো কোনো সমালোচকে উল্লেখ কৰিছে। কেন্দ্রস্থ ভাৱৰ দিশৰপৰা বিচাৰ কৰিলে গল্পটিৰ নামকৰণ সঠিক হোৱা বুলিব পাৰি।

গল্পটিৰ ঠায়ে ঠায়ে সমালোচক বেজবৰুৱাই ভুমুকি মাৰিছে। গল্পকাৰে নিজে বিভিন্ন বিষয়ত নিজা মতামত প্রকাশ কৰাৰ লগতে মূল চৰিত্র নলিনীৰ জৰিয়তেও পুৰুষতান্ত্রিক সমাজ-ব্যৱস্থাৰ বিভিন্ন দোষ-ত্রুটিৰ কঠোৰ সমালোচনা কৰিছে। অৱশ্যে তাকে কৰিবলৈ যাওঁতে গল্পটিত বর্ণনাৰ বাহুল্য ঘটিছে। বিশেষকৈ গল্পৰ আৰম্ভণি আৰু শেষৰ ভালেমান বর্ণনা অপ্রয়োজনীয় যেন ধাৰণা হয়।

৩.৫.৩ *লাওখোলা* গল্পৰ চৰিত্র চিত্রণ

লাওখোলা গল্পটি অধ্যয়ন কৰি আপুনি ইতিমধ্যে নিশ্চয় গম পাইছে যে, গল্পটিত নিচেই কম সংখ্যক চৰিত্রৰ জৰিয়তে কাহিনী আগবঢ়াই নিয়া হৈছে। মূল চৰিত্র বুলিবলৈ মাত্র দুটা চৰিত্রৰ কথা উল্লেখ কৰিব পাৰি— কথকৰ চৰিত্র আৰু নলিনীৰ চৰিত্র। আন চৰিত্রসমূহ পার্শ্ব চৰিত্র হিচাপেহে উপস্থাপন কৰা হৈছে। সেয়া হৈছে নির্মলচন্দ্র বানুর্জী ওৰফে নির্মল বাবু, চকিদাৰ, নলিনীৰ জেঠাল, জায়েক, মাক-দেউতাক, পেহীয়েক আদিৰ চৰিত্র।

প্রকৃতার্থত চাবলৈ গ'লে নলিনীয়েই গল্পটোৰ একমাত্র প্রধান চৰিত্র। কথক চৰিত্রটি নলিনীৰ বক্তব্য বিষয় স্পষ্ট কৰি তুলিবৰ বাবে সংযোগ কৰা এটি চৰিত্র মাত্র। মূল কাহিনীৰ বা বিষয়বস্তুৰ গতি অথবা বিকাশত কথক চৰিত্রৰ কোনো বিশেষ ভূমিকা নাই বুলিব পাৰি। মাত্র গল্পটোৰ কাহিনীৰ পাতনি মেলিবৰ প্রয়োজনতহে চৰিত্রটিৰ গুৰুত্ব দেখা যায়। এইখিনিতে মন কৰিবলগীয়া যে, ষ্টিভেনচনে উল্লেখ কৰা গল্প লিখাৰ তিনি ধৰণৰ কৌশলৰ ভিতৰত বেজবৰুৱাই এই গল্পটো এটা পৰিৱেশ সৃষ্টি কৰি মানুহ আৰু কার্য-কলাপৰ জৰিয়তে সেই পৰিৱেশক মূর্ত কৰি তোলাৰ উপায় অৱলম্বন কৰি লিখা বুলি ভাবিব পাৰি।

নলিনী চৰিত্রটি সমকালীন সামাজিক প্রেক্ষাপটত পৰিৱেশে যিফালেই লৈ যায়, সেইফালেই গুচি যোৱা এটা গতানুগতিক নাৰী চৰিত্র। কিন্তু চৰিত্রটিৰ জৰিয়তে সামাজিক অন্যায় আৰু নাৰীৰ ওপৰত হোৱা অবিচাৰৰ চিত্র অঙ্কন কৰা হৈছে। মন কৰিলবগীয়া যে, স্বামী কি বস্তু সেয়া বুজি পোৱাৰ আগেয়েই নলিনীৰ স্বামীৰ মৃত্যু ঘটিছে। যিজন মানুহৰ লগত হোৱা বিয়া নলিনীৰ মানত পুতলাৰ বিয়াতকৈ বেছি একো নাছিল; যিজন মানুহক নলিনীয়ে ভালদৰে দেখাই নাপালে বা যিজনৰ কথা শুনিলেই তাইৰ খংহে উঠিছিল, সেইজন মানুহৰ অকাল মৃত্যুৱে নলিনীকো জীৱন্তে মাৰি থৈ গ'ল। পুতলাৰে উমলি-জামলি থকা সেই বয়সত নলিনীয়ে স্বামী মৰা বুলি শুনি মনে মনে সন্তোষহে লাভ কৰিছে কিন্তু একে সময়তে গোটেই জীৱন অলঙ্কাৰ

পিন্ধাৰ অধিকাৰো হেৰুৱাৰ দুখতহে দুখী হৈ পৰিছে। বাল্য-বিবাহৰ এই কৰুণ পৰিণতিয়ে নলিনীৰ ভৱিষ্যত জীৱন দুখময় কৰি তুলিছে। অৱধাৰিতভাৱেই বিধৱা নাৰীৰ জীৱনলৈ অহা বা আহিব পৰা আটাইবোৰ বিপদে নিজৰ অলক্ষিতেই নলিনীৰ জীৱনৰ গতি সলাই পেলাইছে। ভূতৰ ওপৰত দানহ পৰাৰ দৰে জোঁৱায়েকৰ মৃত্যুৰ শোকত অগা-পিছাকৈ মাক-দেউতাকৰ মৃত্যু হোৱাত নলিনী অথাই সাগৰত পৰাৰ দৰে হৈছে। আশ্রয়ৰ আশাত জেঠোতৰ ঘৰলৈ যোৱাৰ সিদ্ধান্ত সময়ত দুগৰাকী নাৰীৰ জীৱনৰ বাবে বিপদজনক হৈ পৰিছে। এই দুই নাৰী এগৰাকী নলিনী নিজে আৰু আনগৰাকী হৈছে নলিনীৰ জায়েক গৰাকী। জায়েকৰ কথা ভাবি জেঠালৰ ঘৰ এৰি নোযোৱাৰ সিদ্ধান্তৰ মাজেৰে নলিনী চৰিত্রৰ সংবেদনশীল মনৰ পৰিচয় পোৱা যায়। কিন্তু মন কৰিলবলগীয়া যে, নিজৰ ভুল সিদ্ধান্ত শুধৰাবলৈ নলিনীয়ে চেষ্টা কৰিব খুজিছে যদিও বাধ্য হৈ পৰিস্থিতিৰ সৈতে সহাৱস্থান কৰিছে। কিন্তু লাহে লাহে এই সহাৱস্থান নলিনীৰ বাবে ভয়ঙ্কৰ হৈ উঠিছে। সংবেদনশীল নলিনী এসময়ত নিষ্ঠুৰভাৱে স্বার্থপৰ হৈ উঠিছে। তাৰ ফলত গর্ভৱতী নলিনীক হত্যা কৰি পুখুৰীত পেলাই দি জেঠালে হিন্দু সমাজৰ ৰৱমুৰীয়া হিচাপে নিজৰ আসন ৰক্ষা কৰিছে।

আপুনি মন কৰিব, নলিনীৰ মুখেৰে গল্পকাৰে বাল্য-বিবাহ আৰু বিধৱা-বিবাহ সম্পর্কত নিজৰ বক্তব্য উপস্থাপন কৰিছে। পুৰুষশাসিত সমাজত পুৰুষে নিজৰ স্বার্থৰ অনুকুলে সামাজিক নীতি-নিয়মবোৰ সাজি লয়। তাৰ চুলিডালমানো ইফাল-সিফাল হ'লেই আওপুৰণি শাস্ত্রৰ উল্লেখেৰে তাক সহজ কৰি লোৱা হয়। নলিনীৰ ভাষাৰে, 'তিৰুতাৰ জীৱন দুখৰ জীৱন। তাক আৰু দুর্ভগীয়া কৰিবলৈ মতা সদায় সাজুহু বিয়া কাক বোলে তাক জনাৰ আগেয়েই আৰু স্বামী কাক বোলে তাক চকুৰে দেখাৰ আগেয়েই অর্থাৎ প্রকৃতপক্ষে স্বামীক পোৱাৰ আগেয়েই মই স্বামী হেৰুৱালোঁ, বিধৱা হ'লোঁ। তোমালোক পুৰুষৰ কেনে যুক্তিহু কেনে ন্যায়হু তোমালোক আপোনপেটীয়া স্বার্থপৰ জাতি। তিৰুতাৰ আগত বৰ-মতা বোলোৱা তোমালোকৰ স্বভাৱ। সত্য ত্রেতা দ্বাপৰ যুগৰ 'বাতিল' ব্যৱস্থা শাস্ত্রবিলাক তোমালোকৰ আজিকালিৰ আইন; শ্রীৰামপুৰৰ 'নতুন পঞ্জিকা'ৰ দৰে সি কেতিয়াও কোনো কালে পুৰণি হ'ব নেজানে। ...বিদ্যাসাগৰে শাস্ত্র সাগৰ মথি তাৰ পৰা বিধৱাৰ বিয়াৰ ব্যৱস্থা উলিয়াই তোমোলোকৰ আগত ধৰিলে। তোমোলোকে নানা তর্কজাল পাতি সেই ব্যৱস্থা টিলিকি মাৰি উৰাই দিবলৈ চেষ্টা কৰি, নোৱাৰি শেহত তেওঁক গালি পাৰি ৰণ জিকিলা। তোমালোকৰ গুণৰ কথা তিন দিন তিন ৰাতি কৈ থাকিলেও ওৰ নপৰে। আমি এবাৰ স্বামী হেৰুৱাই তোমালোক পুৰুষৰ ব্যৱস্থা মতে দুনাই বিয়া কৰাব নোৱাৰোঁ; কিন্তু তোমালোকলৈ হ'লে সেই বাট একেবাৰেই মুকলি ৰাজআলি। ঘৈণীয়েক মৰি থাকক যতবাৰ হয়, তোমালোকে যিমান মন যায় বিয়া কৰি থাকিবা, তালৈ শাস্ত্রই হাতত ছাতি ধৰি তোমালোকক আদৰি লগে লগে লৈ যাব।...'

আপুনি নিশ্চয় উপলব্ধি কৰিব পাৰিছে যে, জীৱনৰ সমস্যাবোৰ এনেদৰে যুক্তিৰে বিশ্লেষণ কৰিব পাৰিলেও নলিনীক বেজবৰুৱাই প্ৰতিবাদী চৰিত্ৰ হিচাপে গঢ়ি তোলা নাই। বৰং সামাজিক শাসন ব্যৱস্থাৰ বলি হৈ নলিনীয়ে প্ৰাণ ত্যাগ কৰিবলগাত পৰিছে। যিগৰাকী নলিনীক কথকে লগ পাইছে তেওঁ বিদ্যাসাগৰৰ উল্লেখেৰে বিধৱা বিবাহৰ সপক্ষে যুক্তি দাঙি ধৰিছে। এইখিনিতে নাৰীগৰাকীৰ মাজৰ সামান্য সত্তা দৃষ্টিগোচৰ হৈছে যদিও এই নলিনীয়ে কাৰ্যক্ষেত্ৰত এই যুক্তিসমূহ কাৰ্যকৰী কৰাৰ কোনো উপায় নাই। গতিকে মৰাৰ পিছত নলিনীয়ে পুখুৰীৰ পানীত শান্তিৰে শুই থাকিবহে খুজিছে। ৰিপ ভান উইঙ্কল টোপনিত থাকোতেই তেওঁৰ চৌপাশৰ পৰিৱেশ, পৰিস্থিতি আচৰিত ধৰণেৰে সলনি হৈ যোৱাৰ দৰেই যেন নলিনী টোপনিত থাকোতেই চৌপাশৰ পৰিৱেশ সলনি হৈ পৰিছে। কিন্তু সময়ৰ পৰিৱৰ্তন হ'লেও নলিনীৰ দৰে দুৰ্ভগীয়া নাৰীৰ জীৱনৰ দুৰ্দশাময় চিত্ৰলৈ পৰিৱৰ্তন আহিছে নে নাই, সেই কথা গল্পটিৰ জৰিয়তে জনাৰ সুযোগ বিশেষ নাই। অতিপ্ৰাকৃত ধৰণেৰে নলিনী চৰিত্ৰটিৰ উপস্থাপন কৰি বেজবৰুৱাই প্ৰকৃততে যেন এটা ছাঁয়াবাজীহে দেখুৱাইছে। সপোন আৰু দিঠকৰ সীমাত চৰিত্ৰটি ৰৈ গৈছে।

পূৰ্বে উল্লেখ কৰা হৈছে যে, কথক চৰিত্ৰটি গল্পটিৰ আন এটি প্ৰয়োজনীয় চৰিত্ৰ। গল্পটিত প্ৰকৃততে দুটি ছদ্মবেশী কাহিনীয়ে ঠাই পাইছে। তাৰে অপ্ৰধান কাহিনীটোত কথকজন মূল চৰিত্ৰ। তেওঁ নিজৰ বন্ধু নিৰ্মল বাবুৰ 'বাগান বাড়ী'ত প্ৰমোদ বিহাৰ কৰিবলৈ যোৱাৰ পৰাই *লাওখোলা* গল্পটিৰ আৰম্ভণি ঘটিছে। কিন্তু এই কাহিনীটোৱে গল্পৰ মূল কাহিনী অৰ্থাৎ দুৰ্ভগীয়া নলিনীৰ কাহিনীৰ গতি আৰু বিকাশত কোনো প্ৰত্যক্ষ প্ৰভাৱ পেলাব পৰা নাই। নলিনীৰ কাহিনী কোনোবা দূৰ অতীতৰ কাহিনী আৰু কথকৰ কাহিনী তাৰ বহু পিছৰ। কিন্তু গল্পকাৰে অতিপ্ৰাকৃত ধৰণেৰে দুয়োটা কাহিনীৰ মাজত সংযোগ স্থাপন কৰিছে। কথক চৰিত্ৰটিৰ জৰিয়তে যিখিনি বৰ্ণনা দাঙি ধৰা হৈছে তাৰ মাজেৰে প্ৰকৃততে বেজবৰুৱাৰ কৃপাবৰী মেজাজৰ প্ৰতিফলন ঘটাহে পৰিলক্ষিত হয়। অৱশ্যে কথকৰ লগতে নিৰ্মল বাবু আৰু তেওঁলোকৰ লগৰীয়া দুই চাৰিজন বন্ধুৰ উল্লেখৰ জৰিয়তে সমকালীন কলিকতীয়া সমাজৰ এচাম মানুহৰ লাহ-বিলাহৰ জীৱন-চৰ্যা তথা পৰম্পৰাৰ পৰিচয় পাব পৰা যায়।

গৌণ আৰু পৰোক্ষ অথচ এটি গুৰুত্বপূৰ্ণ চৰিত্ৰ হিচাপে নলিনীৰ জেঠাল চৰিত্ৰটিৰ কথা উল্লেখ কৰিব পাৰি। চৰিত্ৰটি সমাজৰ যিকোনো সুবিধাবাদী আৰু চৰিত্ৰহীন পুৰুষ চৰিত্ৰৰ প্ৰতিভূ। নলিনীৰ জীৱনৰ দুৰ্দশা তথা তেওঁৰ মৃত্যুৰ বাবে সম্পূৰ্ণৰূপে জগৰীয়া এই চৰিত্ৰটিয়ে সমাজৰ সেই ধৰণৰ মানুহৰ মানসিকতা উদঙাই দেখুৱাইছে। পুৰুষতান্ত্ৰিক সমাজ-ব্যৱস্থাত নলিনীৰ জেঠালৰ দৰে চৰিত্ৰ অতি সুলভ।

নলিনীৰ জায়েকৰ চৰিত্ৰৰ মাজেৰে পৰম্পৰাগত ভাৰতীয় নাৰীৰ মানসিকতাৰ প্ৰতিফলন ঘটিছে। স্বামীৰ অন্যায়-অবিচাৰ চকুৰ আগতে দেখি থাকিও তাৰ প্ৰতিবাদ কৰা সলনি সকলো ভাগ্যৰ লিখন বুলি ধৰি লৈছে। তেওঁৰ ধাৰণা,

নলিনী মৰা-বাঁৰী, তেওঁ জীয়া-বাঁৰী। গিৰীয়েকৰ অন্যায়ৰ প্ৰতিবাদ কৰাৰ সলনি তেওঁ পৰোক্ষভাৱে নলিনীকো গিৰীয়েকৰ অন্যায়ৰ বাটত আগবঢ়াইহে দিছে। তেওঁৰ কথা ভাবিয়েই নলিনীয়ে জেঠালৰ ঘৰ ত্যাগ নকৰিলে। কৰাহেঁতেন নলিনীৰ জীৱন জেঠালৰ হাতৰ পুতলা হৈ নপৰিলহেঁতেন বুলি ভাবিবৰ থল আছে। যি হওক, কাহিনীৰ গতি আগবঢ়াই নিয়াৰ ক্ষেত্ৰত চৰিত্ৰটি এটি প্ৰয়োজনীয় চৰিত্ৰ।

নলিনীৰ মাক-দেউতাক, পেহীয়েক আদিও পৰম্পৰাগত ভাৰতীয় মানসিকতাৰ চৰিত্ৰ। জোঁৱায়েকৰ অকাল মৃত্যুৰ বাতৰি পাই মাক-দেউতাক দুয়োজনেই ভাগি পৰিছে। পেহীয়েকে পৰম্পৰাৰ দোহাই দি কণমানি নলিনীক তাইৰ জীৱনলৈ অহা পৰিৱৰ্তনৰ প্ৰতি সচেতন কৰি দিব খুজিছে। অৱশ্যে গল্পটিত চৰিত্ৰসমূহৰ উপস্থাপন কৰোঁতে গল্পকাৰে মনস্তাত্ত্বিক দিশৰ প্ৰকাশ তথা বিকাশত বিশেষ গুৰুত্ব দিয়া নাই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ *লাওখোলা* গল্পটিৰ চৰিত্ৰ সম্পৰ্কে এটি বিশ্লেষণাত্মক টোকা যুগুত কৰক। (২০০টা শব্দৰ ভিতৰত)

.....

৩.৫.৪ *লাওখোলা* গল্পত ফুটি উঠা নাৰী জীৱনৰ কাৰুণ্য আৰু পুৰুষতান্ত্ৰিক সমাজৰ স্বাৰ্থপৰতা

বেজবৰুৱাই প্ৰায় ক্ষেত্ৰতে তেওঁৰ গল্পত বাস্তৱ সমাজৰ চিত্ৰণ কৰিছে। সমকালীন সমাজখনক ফুটাই তুলিব পৰাকৈ তেওঁ তেওঁৰ গল্পৰ চৰিত্ৰ বাছি লৈছে। আপুনি নিশ্চয় মন কৰিছে যে, বেজবৰুৱাৰ *লাওখোলা* গল্পটিত সমাজৰ কেইটিমান বিশেষ দিশ প্ৰতিফলিত হোৱা দেখা যায়। সেয়া হ'ল—

১। নাৰীৰ দুৰ্বল সামাজিক স্থিতি

২। সামাজিক পৰম্পৰাৰ ক্ষেত্ৰত— পুৰুষশাসিত সমাজ

আপুনি নিশ্চয় জানে, বেজবৰুৱাৰ আটাইবোৰ গল্পতে কম-বেছি পৰিমাণে বিভিন্ন নাৰী চৰিত্ৰই ভূমুকি মাৰিছে। অৱশ্যে ইয়াৰে আটাইবোৰ নাৰী-চৰিত্ৰ সমপৰ্যায়ৰ বা সমানে গুৰুত্বপূৰ্ণ বুলিব নোৱাৰি। কিছুমান চৰিত্ৰ প্ৰধান ৰূপে চিত্ৰিত হ'লেও, আন কিছুমানৰ ভূমিকা নিতান্তই অপ্ৰধান। আকৌ কিছুমান গল্পত ঠায়ে ঠায়ে সামান্য উল্লেখ থকা কেতবোৰ পাৰ্শ্ব নাৰী-চৰিত্ৰও পোৱা যায়। নাৰী-জীৱনৰ সুখ-দুখ, হৰ্ষ-বিষাদ, অন্তৰৰ ভাৱ-অনুভূতি ইত্যাদি বিভিন্ন দিশৰ প্ৰতিচ্ছবি বেজবৰুৱাৰ গল্পসমূহত লক্ষ্য কৰিব পাৰি। বেজবৰুৱাৰ গল্পৰ আলোচনা প্ৰসঙ্গত নগেন শইকীয়াই উল্লেখ

কৰিছে, 'সাধাৰণ মানুহৰ প্ৰতি আৰু নাৰী চৰিত্ৰৰ প্ৰতিও বেজবৰুৱাৰ মাজত এটি অকৃত্ৰিম সহমৰ্মিতা সদায় আছিল। তাৰ পৰিচয় তেওঁৰ ভদৰী, ৰতনমুণ্ডা, কন্যা, নকওঁ, পাটমুগী, ভৈৰা আদি চৰিত্ৰই ধৰি ৰাখিছে।' কোনো কোনো গল্পত আকৌ মনস্তাত্ত্বিক বিশ্লেষণৰ সার্থক প্রয়াসো চকুত পৰে। *পাতমুগী* গল্পৰ পাতমুগী চৰিত্ৰত তেনে প্রয়াস লক্ষ্যণীয়। ইয়াৰ বিপৰীতে কেইটামান গল্পত আদর্শ প্রচাৰৰ অহেতুক প্রৱণতাই সিবোৰ গল্পৰ শৈল্পিক গুণ সমূলি বিনষ্ট কৰা বুলি ক'ব পাৰি। বেজবৰুৱাৰ গল্পৰ প্রধান আৰু অপ্রধান নাৰী-চৰিত্ৰৰ বুজন অংশই পৰম্পৰাগত ভাৰতীয় নাৰীৰ প্রতিভূ। অর্থাৎ, বেজবৰুৱাই অঙ্কন কৰা প্রায়বোৰ নাৰী-চৰিত্ৰই ভাৰতীয় মূল্যবোধ তথা আদর্শৰ প্রতি আস্থাশীল। জীৱনৰ ভাল-বেয়া যিকোনো ধৰণৰ পৰিস্থিতি এই চৰিত্ৰসমূহে কপালৰ লিখন বুলি মানি লৈছে। প্রায় ক্ষেত্ৰতে দেখা যায় যে, পৰিস্থিতিৰ দাবী অনুসাৰে এই নাৰী-চৰিত্ৰসমূহে বাট বুলিছে। অর্থাৎ, পৰিস্থিতিয়ে যিফালেই লৈ যাব খুজিছে চৰিত্ৰসমূহ সেইফালেই গৈছে বা যাবলৈ বাধ্য হৈছে। সোঁতৰ বিপৰীতে যাব খোজা নাৰী-চৰিত্ৰ প্রায় নাই বুলিব পাৰি। তথাপি তাৰে মাজৰ দুই-এটা নাৰী-চৰিত্ৰত এক প্রকাৰৰ প্রতিবাদী সত্তা লক্ষ্য কৰা যায়। বেজবৰুৱাৰ গল্পসমূহত ঠাই লাভ কৰা পৰম্পৰাগত নাৰী-চৰিত্ৰসমূহৰ মাজত ঠায়ে ঠায়ে কিছু প্রতিবাদী উপাদান লক্ষ্য কৰিব পাৰি। পৰম্পৰাগত সমাজ-ব্যৱস্থাৰ ফলস্বৰূপে নানা ধৰণৰ দুখ-দুর্দশাৰ সন্মুখীন হোৱা এনে চৰিত্ৰৰ মাজত অৱশেষত একপ্রকাৰৰ প্রতিবাদী মনোভাৱ পৰিলক্ষিত হৈছে। *লাওখোলা* গল্পৰ 'নলিনী' এই শ্রেণীৰ নাৰী-চৰিত্ৰ। কিন্তু নলিনীৰ প্রতিবাদ কার্যত পৰিণত কৰাৰ কোনো সুযোগ বা সুবিধা নাই।

লাওখোলা গল্পৰ নলিনীৰ জীৱন অত্যন্ত কষ্টকৰ। বাল্য-বিবাহৰ কৰুণ পৰিণতিত নিজৰ অজ্ঞাতেই নলিনীয়ে বিধৱাৰ কঠিন জীৱন আকোঁৱালি ল'বলগীয়া হৈছে। নিজৰ ইচ্ছা-অনিচ্ছা, সুখ সকলো জলাঞ্জলি দি সামাজিক নিয়ম অনুসৰি কঠোৰ জীৱন যাপন কৰিবলৈ বাধ্য হৈ পৰিছে। কিন্তু আপোন বুলি ভবাসকলৰ সুবিধা-অসুবিধা, ইচ্ছা-অনিচ্ছা আদিৰ প্রতি মনোযোগ দিওঁতে দিওঁতে ক'ব নোৱৰাকৈয়ে নলিনীৰ জীৱন এক চাকনৈয়াত সোমাই পৰিছে। গতিকে চৰম বিৰক্তিৰে মৃত্যুৰ পিছতো যেন নলিনীয়ে শান্তি বিচাৰি পোৱা নাই।

আপুনি নিশ্চয় বুজি পাইছে যে, *লাওখোলা* গল্পটিত পুৰুষশাসিত সমাজ-ব্যৱস্থাৰ প্রতিফলন ঘটিছে। এই সমাজত পুৰুষে নিজ ইচ্ছা অনুসৰি নিজৰ জীৱন পৰিচালিত কৰিব পাৰে। পত্নীৰ মৃত্যু ঘটিলে যিমান বাৰ ইচ্ছা সিমান বাৰ বিয়া কৰাব পাৰে। কিন্তু নাৰীৰ বাৰে পতিৰ মৃত্যুৰ পিছত পুনৰ বিয়া কৰোৱা দূৰৰ কথা, নিজ ইচ্ছা অনুসৰি নিজৰ ভাললগা ধৰণেৰে সাজ-পাৰ কৰাৰ অধিকাৰো কাঢ়ি লোৱা হয়। পুৰুষে যিকোনো মহিলাৰ লগত সম্পর্ক স্থাপন কৰিব পাৰে। কিন্তু

স্বামীহাৰা মহিলাগৰাকী মৃত স্বামীৰ (যিগৰাকী স্বামীক হয়তো মহিলাগৰাকীয়ে স্বামী হিচাপে নাপালেই) চৰণ চিন্তি ওৰে জীৱন অকলশৰে কটাব লাগিব বুলি সমাজে নিয়ম বান্ধি দিছে। পুৰুষতান্ত্রিক সমাজত পুৰুষৰ স্বার্থসিদ্ধি হ'ব পৰাকৈ সমাজে সকলো নীতি-নিয়ম ঠিক কৰি লৈছে। প্রয়োজন সাপেক্ষে পুৰণিকলীয়া নিয়মবোৰো পুনৰাই প্রৱর্তন কৰি লোৱা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ *লাওখোলা* গল্পটিত নাৰী জীৱনৰ কাৰুণ্য কেনেদৰে প্রতিফলিত হৈছে, আলোচনা কৰক।

(২০০টা শব্দৰ ভিতৰত)

.....

৩.৬ *মলক গুইন গুইন*

৩.৬.১ মূল গল্পটোৰ পাঠ

'হেয় আও! তোম কোন হ্যাঁয়? দৰৱাজাক চামনে কাহে খাৰা হ্যাঁয়?' কঁকালত পিতলৰ চাপৰাচ আৰু মূৰত ৰঙা-ক'লাৰে সানমিহলি কাপ্ কাপ্ পাগুৰি পিন্ধা হিন্দুস্থানী চাপৰাচী এটাই, মুগাৰ ৰৰচুৰিয়া আৰু এৰিয়াৰ মির্জাই চোলা পিন্ধা গাত খনীয়া কাপোৰ আৰু হাতত বাঁহৰ লাখুটি লোৱা, শুদা ভৰি, ওঁঠত তামোলৰ ৰং, মুখত তামোলৰ মোকোৰাৰে আদহীয়া বয়সৰ চহা মানুহ এজনক এইদৰে কেৰ্কেৰীয়া মাতেৰে এদিন পুৱা ৯ মান বজাত সম্বোধন কৰিছে। চাপৰাচীৰ প্রশ্ন শুনি মানুহজনে উত্তৰ দিলে— 'মই মোৰ পো মলুখ বোপাক চাবলৈ আহিছোঁ। বতৰা কৈ দিয়া চাপলাঠি ককাই, মই আহিছোঁ বুলি।'

চাপৰাচী। — 'তোমাৰ কোই মলখু পৌ হিয়া ন্যাহি হ্যায়। এইথু গুই গুই চাহাবকা মোকান হ্যায়। হিয়াছে ভাগ যাও। নাহিতো চাহাব বাহাৰমে আয়কে তোমকু হিয়া দেখনেচে হমাৰা উপৰ বহুত গোচা কৰেগা।'

মানুহজন। — 'নহয় ছাপলাঠি ককাই, মোৰ নিজৰ লেৰেকা মলখু বাবুৰ ঘৰ মই জানো। তুমি নতুন মানুহ হ'বলা, সেই দেখি মোক চিনি পোৱা নাই। তুমি ভিতৰলৈ গৈ মোৰ কথা মোৰ ল'ৰাৰ আগত কোৱাগৈ, সি এতিয়াই ওলাই আহিব।'

চাপৰাচী। — 'বুঢ়াথু পাগলা হ্যায় না ক্যা কুচ মালুম নাহি হ্যায়। ইচকা মলখু বাবু লেৰকাকু হিয়া চাহাবকা কুঠিমে তল্লাচ কৰেন আয়া। যাও ভাগ হিয়াচে।

হিয়া তোমাৰ মলখু-উলখু কোই নাহি হ্যায়। মগৰ, বাত নাহি শুনেগা তো তোমকু গর্দান পাকৰকে হিয়াছে নিকাল দেগা।'

কথাষাৰ শুনি মানুহজন খণ্ডত থৰ্থৰ্ কৰে কঁপিবলৈ ধৰিলে। ক্ষন্তেক তভক মাৰি থাকি তেওঁ মাত লগালে— 'কি কলি কটা কুকুৰ ধূলি চাপলাঠি? তোমাৰ ইমানটো সাহ নে? তই মোৰ গলধনটোত ধৰি উলিয়াই দিবি? মোৰ নাম তোলন সাজতোলা বুলি কটা ভু পাৱ নে নাই? তোৰ চাহাবৰ মই বাপেক বুলি তই বঙালে জনা নে নাই? কটা, তোৰে ইমানটো কেৰামত? এতিয়াই মোৰ ল'ৰাক কৈ দি তোৰ দাঁত আটাইবেইটা ভঙাম বুলি জানিছ নে বোলোঁ?'

এই কথাৰো অন্ত পৰিল আৰু তোলন সাজতোলা আৰু চাপৰাচীৰ মাজত জোঁটাপুটি লাগি পৰিল। ডাঢ়ি-গোঁফ খৰুৱা মুখ, পাহ-কটা চুলি, উধনীয়া খোপা আৰু ফটুৱাই ফটা ভৰিৰে আঢ়ৈকুৰি বছৰীয়া গাঁৱলীয়া মানুহ এজনে হিন্দুস্তানী চাপৰাচীটোৰ সৈতে জোঁটাপুটি লগাই বাহিৰত হাই-উৰুমি কৰিছে শুনি মিষ্টাৰ মলক গুইন্ গুইন্ চাহাব, 'কোন হাল্লা কৰতা?' বুলি হুকি মাৰি দি ভিতৰৰ পৰা 'শ্লিপিং চুট' আৰু 'শ্লিপাৰ' অর্থাৎ ৰাতি শুবলৈ যাওঁতে পিন্ধা ঢিলা চোলা আৰু ঠেঙা আৰু ভৰিত চটি জোতাৰে বাহিৰলৈ ওলাই আহিল। জোঁটাপুটি লগা শালিকাই কোনো মানুহ সিহঁতৰ কাষ চাপি গ'লে ততালিকে জোঁটাপুটি ভাঙি আঁতৰা-আঁতৰি হৈ চেকচেকোৱাদি অহা দেখিয়ে চাপৰাচী আৰু তোলন দুয়ো জোঁটাপুটি ভাঙি দুয়ো দুইকো এৰি আঁতৰ হৈ ফোঁপাই-জোপাই একেবেলিয়ে দুয়ো দুয়োৰে নামে চাহাবৰ আগত গোচৰ দিবলৈ ধৰিলে।

চাপৰাচী। — 'দেখিয়ে হুজুৰ। এইথু বুঢ়া পাগলা না চোৰ কুচ ঠিকনা নাহি, কাহাচে আয়কে হিয়া হাল্লা কৰণে লগা। আউৰ হামকু বলতা উচকা কোই মলখু বেটাকা স্যাৎ মুলুকাত কৰাই দেলকু। হম ভালা কৰকে ইছকু চমজাইকে দিয়া যে এইথু চাহাবকা কুঠি, হিঁয়া উচকা মলখু লেৰকা ন্যাহি হ্যায়; লেকিন বুঢ়াথু হামকু গালি দেনে লাগা।'

তোলন। — 'হেৰ চাচোন বোপাই মলখু! তোৰ চাপলাঠি নে টেকেলা কি এইটোৱে মোক গালি পাৰি টানি আঁজুৰি নগুর্ণাগতি কৰি কি অপমানবিলাক কৰিব লাগিছে। কুকুৰৰ সাহটো চাচোন, সি হেনো মোৰ গলধনটোত ধৰি মোক গঁতিয়াই ইয়াৰ পৰা উলিয়াই দিয়ে।'

তোলন সাজতোলাই এই কথা গুইন্ গুইন্ চাহাবৰ আগত কৈ চকুৰ পানী টুকিবলৈ ধৰিলে। চাহাবে সাজতোলাৰ ফালে চাই গম্ভীৰভাৱে ক'লে— 'তুমি ক'ৰ পৰা আহিছে? কোন আছে? মই তোমাক চিনি নাপাওঁ। ইয়াৰ পৰা এতিয়াই তুমি গুচি যাব লাগে।' এইবুলি চাহাবে সাজতোলাৰ ফালে পিঠি দি চাপৰাচীৰ ফালে মুখ কৰি আকৌ ক'লে— 'চাপৰাচী, এই বুঢ়াক হিয়াছে বাহাৰ যানে বলা। লেকিন গালি

দেও মৎ, মাৰ মৎ, হাল্লা কৰ মৎ।

এইকেইষাৰ কথাৰো অন্ত পৰিল, মলক গুইন্ গুইন্ চাহাবে চট্ চট্ কৰে চটি জোতাৰে নিজৰ ভৰিৰ তলুৱাত কোবাই ঘৰৰ ভিতৰ সোমাই অন্তর্ধান হ'ল। পুতেকৰ ব্যৱহাৰ দেখি বুঢ়া তোলন সাজতোলা চৰগ পৰা মানুহ যেন হৈ থৰ লাগি অলপপৰ থাকি 'হেৰ মলখু তই মোক চিনিকে নোপোৱা হলিনে?' বুলি কওতেই চাপৰাচীয়ে তেওঁৰ হাতত ধৰি টানি লৈ গৈ তেওঁক ৰাজআলি পোৱালে গৈ। বুঢ়া মর্মান্তিক হৈ 'হে পৃথিৱী মাতৃ! তুমি দুফাল হোৱা, মই তোমাৰ গর্ভত সোমাওঁ' বুলি কৈ এটা দীঘল হুমুনিয়াহ কাঢ়ি যি বাটেদি আহিছিল সেই বাটেদিয়েই তাৰ পৰা গুচি গ'ল।

এইখিনিতে এই বুঢ়াৰ চিনাকিটো দিয়া যাওক আৰু মলক চাহাবৰ আখ্যানৰো যৎকিঞ্চিৎ আভাস দিয়া যাওঁক। এওঁ চেতিয়া গাঁৱৰ তোলন সাজতোলা। চেতিয়া গাঁৱত তোলন এজন গণ্যমান্য মানুহ। দিহিঙৰ গোসাঁয়ে তেওঁক সাজতোলা পাতি সন্মানিত কৰিছে। গাঁৱৰ ল'ৰা, ডেকা, বুঢ়া সকলোৱেই তেওঁৰ হাকবচন শুনে আৰু তেওঁক মানি চলে। সাজতোলা দুটা ল'ৰাৰ বাপেক; এটাৰ নাম মলখু আৰু আনটোৰ নাম পুণৰাম। সাজতোলাই পুণাইক খেতি-বাতি কৰিবলৈ শিকাই তেওঁৰ লগতে ৰাখিছিল আৰু বৰটো ল'ৰা মলখু লখিমপুৰ জিলাত দেউনাথ খাজাঞ্চিৰ ঘৰত লাচনি-পাচনি বন-বাৰী কৰা আৰু লগে লগে লেখা-পঢ়া শিকাবলৈ থৈছিল। মলখুৰ বুধিটো সৰুৰে পৰা জোঙা আছিল গুণে, সি বন-বাৰীৰ অন্তত যি ফেৰা আহৰি পাইছিল সেই ফেৰা কালত তাক লেখা-পঢ়াত লগাই দি বিদ্যাৰ বাটত ভৰ্ ভৰ্ কৰে সোমাই যাবলৈ ধৰিলে। মাহেকে-পযেকে জিলালৈ আহি মলখুৰ ঘৰলৈ লৈ গেছিল, আৰু ঘৰত তাক দুদিন-চাইদিন ৰাখি আকৌ জিলাত থৈ গৈছিলহি। কালক্রমত মলখু এণ্ট্রেন্স পৰীক্ষাত উঠিল আৰু অসমীয়া ছাতৰৰ নিমিত্তে চৰকাৰৰ ঘৰৰ পৰা দিহা কৰা জলপানি পাই কলিকতাত এল. এ. পঢ়িবলৈ আহিল। খাজাঞ্চীৰ ঘৰত থকা শেহডোখৰ কালতে মলখুৰ খোপা ক্রমশঃ টুটি গৈ টিকনিত পৰিছিল, কলিকতা পায়েই সি একেবাৰেই অন্তর্ধান হ'ল। লালুকীৰ নেজ সৰিল সি ভেকুলী হৈ জঁপিয়ায়। আমাৰ মলখুৰ ওলোটা ফালৰ নেজ অর্থাৎ টিকনি সৰি কলিকতা চহৰৰ আলিত তেওঁ জঁপিয়াই 'ক'লৈ যাওঁ গোপাল, ক'লৈ যাওঁ কৃপাল' লগালে। এফালে টুটিলে আনফালে বাঢ়ে। এই নিয়মমতে মলখু টিকনিত টুটিল হয়। কিন্তু উপাধিত বাঢ়িল। খোলাখুলিকৈ ক'বলৈ গ'লে কলিকতাৰ কলেজৰ হাজিৰা বহীত আৰু চিঠি-পত্র আদি আন কাকত-পত্রতো তেওঁৰ নাম পিছত গগৈ উপাধি গজিল। ইংৰাজ পণ্ডিতে বোলা 'ল অব্ ইভলিউচন' যাক বঙালী পণ্ডিতে বিৱর্তনবাদ বুলি তর্জমা কৰিছে, সেই নিয়মমতে কলিকতাৰ বালাম নামৰ চাউল, ৰসগোল্লা সন্দেশ নামৰ মিঠাই আৰু লুচি-কচুৰি নামৰ পিঠাৰ সহায়ত, মাহ-চেৰেকৰ পিছত শ্রীমান মলখু গগৈ

মিষ্টাৰ এম. গগৈ হৈ পৰিল। দুবছৰৰ পিছত, ওভোতা কোলৰ নিচিনা বুধিৰ মলখুৰে এল. এ. পৰীক্ষাটো কোনোমতে খুচি ধৰিলে আৰু কলিকতা গেজেটেত তৃতীয় বিভাগত তেওঁৰ নামটো তৃতীয়বাৰ চন্দ্ৰৰ দৰে উদয় হ'ল। বি. এ. পৰীক্ষাটোকো তেওঁ সেইদৰে কাবু কৰিবৰ মতলবেৰে 'চেণ্ট জেভিয়ার্ছ' কলেজৰ তৃতীয় বার্ষিক শ্রেণীত ভর্তি হ'ল। কাতি মাহৰ পহিলা তাৰিখটো মনত ৰাখিবলগীয়া দিন। আমাৰ নহ'লেও মিষ্টাৰ এম. গগৈৰ, কাৰণ সেইদিনা গধূলি পাঁচ বজাত মিষ্টাৰ এম. গগৈয়ে দেশী চুৰিয়া চোলা চেলেঙক কুটা ছিঙি এৰি হেট কোট পেণ্টলুন পিন্ধি চাহাব হৈ ডাক্তৰ চৰকাৰৰ 'ছায়েঞ্চ এছ'চিয়েচন'ৰ বক্তৃতা শুনিবলৈ গৈছিল। আঘোণৰ শেষ পষটোকো কাতিৰ পহিলা তাৰিখৰ শালপতিয়েক বুলিলে হয়; কিয়নো সেই পষতে তেওঁৰ নামেও তেওঁৰ সাজৰ পাচ ধৰি, পুৰণি লেটাটো ফুটাই তাৰ ভিতৰৰ পৰা পোক গুচি পখিলা হৈ ওলাল। অর্থাৎ মিষ্টাৰ এম. গগৈ মলক গুইন্ গুইন্ (Mullock Gwyn Gwyn) হ'ল। কেৰেলুৰাটো গৈ থাকোঁতে তাক কোনোবাই চুই দিলে যেনেকৈ সি থমকি গোট বান্ধি ঘূৰণীয়া হয়, সেইদৰেই আমাৰ মলখু চাহাব পঢ়া-শুনাৰ বাটত বাটবুলি থাকোঁতেই চাহাবী সাজ 'খানা' আৰু নামে তেওঁ চুই দি থমকাই দিলে আৰু তেওঁ হেট-কোট-পটলুঙে সৈতে গোট বান্ধি ঘূৰণীয়া হ'ল। অধিক কি, মলক্ গুইন্ গুইন্ চাহাব বি. এ. পৰীক্ষাৰ ঘূৰণীয়া মেৰটোত সোমাই গৈ ঘূৰি ঘূৰি আকৌ আগৰ ঠাইতে ওলাবলৈ ধৰিলে, কোনোমতে অলপো আগবাঢ়িব নোৱৰাত পৰিল; অর্থাৎ পোনাই ক'বলৈ গ'লে তেওঁ 'ফেল' হ'ল। ইফালে চৰকাৰৰ ঘৰৰ পৰা পোৱা জলপানিৰো ওৰ পৰিল আৰু তেওঁৰ কাপোৰ-কানিও ক'লা হ'ল। অগত্যা তেওঁ কৰে কি, ঘৰলৈকে উভতি যাবলৈ থিৰ কৰিলে। দুখৰ কথা কি ক'বা, গুইন্ গুইন্ চাহাবে বজাৰত প্রস্তুত চাহাবী কোটেৰে ঢকা বহল পিঠিখন 'চিভিলাইজেচনৰ বোটলত' অর্থাৎ সভ্যতাৰ ৰণত দেখুৱাই ঘৰমুৱা হৈ অসভ্য অসম দেশলৈ অগত্যা যাবলগীয়াত পৰিল। অদৃষ্টই কলিকতাৰ সাৱৰা মাটিৰ পৰা তুলি নি অসমৰ মাটিত মলক চাহাবক ৰুই দিয়া বাবে তেওঁ চঁক খাই কিছুমান দিন গজালি-পোখা একো নেমেলাকৈ আছিল; কিন্তু শেষত দয়াময় হাকিম পর্টিয়িচ চাহাবৰ দয়াত তেওঁ স্কুলৰ ছব ইন্সপেক্টৰৰ বিষয়খন পালে। টেঙৰ ক'লা মলক চাহাবৰ এটা গুণ আছিল; তেওঁ বগা চাহাবসকলৰ ভৰিত ভালকৈ তেল-টেঙা ঘঁহিব জানিছিল; গতিকে তেওঁ অলপ দিনৰ ভিতৰতে চাব ইন্সপেক্টৰ মোটটো তহচিলদাৰৰ মোটটোত সোমাবলৈ পালে।

এইখিনিতে কোৱা আৱশ্যক যে পো তুলি-তালি ডাঙৰ-দীঘল কৰি তাৰ ঘটন- পিটন খাম বুলি চাই থকা বাপেক তোলন সাজতোলা আৰু মাক সাজতোলনী আশাত নথৈ নিৰাশ হ'ল। মলক চাহাবে অসমলৈ উভতি যোৱাৰ দিনৰে পৰা তেওঁলোকক আন কোনো প্রকাৰে সহায় কৰা দূৰৈত থাওক, এদিনো দর্শন দিবলৈকে

নগ'ল। মাকে পুতেকক মতাই ঘূৰি নোযোৱা দেখি শেষত সাজতোলা আৰু পুণাইক পঠিয়াই দি কৈ পঠিয়ালে যে 'মোৰ গা বৰ বেয়া। সৰহ দিন আৰু মই নিজীওঁ। এইবাৰ যদি সি নাহে তেন্তে মই এতিয়াই মৰিলোঁ বুলি সি এৰিব।' কিন্তু 'বামুণেই মৰক বা লগুণেই ছিগক' অর্থাৎ মাকেই মৰক বা এই পৃথিৱীয়েই ওলটক, মিষ্টাৰ গুইন্ গুইন্ 'ন লৰস্তি ন চৰন্তি।' সাজতোলা নিৰুপায় হৈ শেষত চাহাবৰ এজন কলিকতীয়া বন্ধুৰ কাষলৈ গৈ 'ল'ৰাটোক' বুজাই-বৰাই কোনোমতে তেওঁলোকৰ লগত ঘৰলৈ পঠিয়াই দিবলৈ খাটিলে। বন্ধুৰ বুজনত চাহাব অলপ কুমলিল। চাহাবে বাপেকক ক'লে— 'অল ৰাইট মই যাম; 'বট্' কিন্তু ৰাজআলিৰ পৰা ঘৰলৈ যাবলৈ পথাৰৰ মাজেদি যিটো আলি আছে সেইটো বৰ নেৰ', — অলপ বহল কৰিব লাগিব, নতুবা মই সেই ঠেক আলিত বুট জোতাৰে যাব নোৱাৰিম; কিজানি পিছলি পৰিব পাৰিম, তেনেহ'লে হক্লো মাট্টি।'

সাজতোলা। —'নপৰ বোপাই নপৰ। আজিকালি পানী-বোকা একো নাই; শুকান। সেই আলিটো বহল কৰিবলৈ মই ইমান খৰচ ক'ত পাম? তাৰ বাহিৰে, লোকৰ মাটিৰ ওপৰেদি আলি; লোকে তাক বহলাবলৈ দিব কেলেই?'

মলক। — 'আচ্ছা আলি বহলাব নোৱাৰা যদি কি কৰিবা। কিন্তু পুখুৰীৰ গেলা পানী হ'লে মই খাব নাই পাৰিম; খালে মোক একদম মেলেৰীয়া আৰু কলেৰা দোনো পাকুৰিব।'

সাজতোলা। — 'বাৰু বোপাই মই তাকে কৰিম; কিন্তু তই মোৰে শপত যাব লাগিব, নগ'লে মাৰ কান্দি-কাটি এধামৰা হ'ব।'

মলক। — 'অৱশ্যে অৱশ্যে যাম। যাম বুলি মই 'প্রমিছ' মানে প্রতিজ্ঞা কৰিলোঁ যেতিয়া 'ডিডটি বাউণ্ড!' যাম। আইক ক'বা বেছি 'ছেণ্টিমেণ্ট' নকৰিবলৈ। কৰিলে কোনো 'ফয়দা' নাই। কিন্তু এটা কথা— তাত মই ভাত খাবলৈ দুবেলা গা ধুব নোৱাৰোঁ। তোমালোক ভেকুলী বেঙৰ নিচিনাকৈ পানীত পৰিয়েই থাকা। তেনে কৰিলে মোৰ পানী লাগিব, চর্দি হ'ব, জ্বৰ আহিব, বহুত 'তকলিপ' হ'ব আৰু জ্বৰ হ'লে বাই জোভ! হুই উইল ছেভ মি? ন ব্লডি ডক্তৰ, ন ব্লুমিং মেডিচিন দেয়াৰ!'

সাজতোলা। — 'নোলাগে তুমি আমাৰ দৰে দুবেলা গা ধুব মোৰ বোপাই, পুৱাবেলা এবাৰ ধুলেই হ'ব।'

মলক। — 'অল ৰাইট বট, ৰাতিপুৱাই গা নোধোৱাকৈ মোক 'ছোট হাজিৰি' দিব লাগিব; নতুবা মোৰ 'হেল্থ' মানে স্বাস্থ্য নষ্ট হ'ব।'

সাজতোলা। — 'ছোট হাজিৰি মানে কি বোপাই? তোৰ কি নষ্ট হ'ব? ৰাতিপুৱাই তুমি তাত কাৰো ওচৰত হাজিৰা দিব নালাগে।'

মলক। —'ইচ ইচ তুমি একো নুবুজা, ছোট হাজিৰি মানে হাজিৰা নহয়, খানা। প্রাতঃভোজন। ৰাতিপুৱাৰ খানা।

সাজতোলা। — 'এতিয়া বুজিলোঁ। কোনো খাব নোপোৱা বস্তু নহয় নহয়? খাব পোৱা বস্তু কিয় খাবলৈ নিদিম? দুপৰ বেলিলৈকে তোক শুকাবলৈ দিম কিয়, মোৰ সোণাই! তোৰ মাৰে চিৰা সান্দহ নানা ৰকমৰ পিঠা, পিঠাগুৰি টেকেলিয়ে টেকেলিয়ে তোলৈ সাঁচি থৈছে। তই যত পাৰ খাবি, গা নোধোৱা নালাগে ধুব।'

কমল। — 'গুডনেছ গ্রেস্যচ! মোক মাৰিবলৈ বন্দবস্ত কৰি থৈছেনে কি? হু দি ডেভিল উইল টেক ইয়াৰ ব্লুমিং চিৰা-পিঠা, এণ্ড পার্টিকিউলার্লি দেট্ ডেলিকেচি ইয়ৰ পিঠাগুৰি? বোলো সেইবোৰ 'ডেথ' মানে মৃত্যু! মোক ৰাতিপুৱাই এপিয়লা চাহ আৰু কণী এটা বা দুটা সিজাই দিবা, বচ। কণী পোৱা যাবতো?

সাজতোলা। — 'আমাৰ ঘৰৰে দুজনী হাঁহে কণী পাৰিছে, পোৱা নাযাব কিয়?'

মলক। — 'হাঁহ কণী! হৰিবোল! অল ৰাইট, আই নো উই পিপোল আৰ ষ্টিল ষ্টিপ্‌দ ইন ডার্কনেছ। আচ্ছা চলি যাব। আই উইল মেনেজ এনি হাউ। চোৱাচোন দেউতা! মিন টু চে বিৰক্ত নহ'বা। তুমি যেতিয়া মোৰ ওচৰলৈ আহা তেতিয়া বগা কাপোৰ-কানি পিন্ধি আহিবা। তোমাৰ গাত মলিৰে ক'লা কাপোৰ দেখিলে মোৰ বৰ 'ছেম' হয়, মানে বৰ লাজ পাওঁ। আৰু মোৰ 'ছাৰভেণ্ট আই মিন' লগুৱাহঁতে বা মোক কি ভাবিব। কোট পেণ্টলুন পিন্ধি আহিব পাৰিলে মই বৰ সন্তোষ পাম।

তোলন। — 'বোলে সাত পুৰুষত নহ'ল গাই, কৰীয়া লৈ খীৰাবলৈ যায়। মৰিবৰ কালত মই এতিয়া ঠেঙা পিন্ধি বহুৱাৰ ভাও দিম। বোপা, তহঁতে যিমানে লেখা-পঢ়া শিকিছে, কিন্তু তহঁতৰ বুধিবিলাক কিবা কলিকতীয়া বেঁকা হৈ গৈছে।

মলক। — 'অল ৰাইট। হোৱাট দি গুড্ অব্ ডিচকচিং উইথ এ-এ- -?' বাৰু গুডবাই। তুমি যোৱা মই কাইলৈ যাম।'

পিছদিনা আমাৰ মলক চাহাব ঘৰলৈ গৈ কি কৰিলে, কেনেৰূপে চলিলে, সেইবোৰ বহলাই লেখিবলৈ গ'লে এখন পুৰাণ পুথি হ'ব। মুঠতে ইয়াকে কওঁ যে প্রথমতে ক'লা কাপোৰ পিন্ধি মাক আৰু ভায়েক তেওঁৰ ওচৰলৈ অহা বাবে তেওঁলোকে এজাউৰি বক্তৃতা শুনিলে। গাঁৱৰ অঙহী-বঙহী মিটিৰ-কুটুম্ব যি তেওঁক চাবলৈ আহিছিল, কোনেও তেওঁৰ পৰা একোপালি নোপোৱাকৈ ঘৰলৈ উভতি যাব পৰা নাছিল। হাতেৰে ভাত খাবলৈ আপত্তি কৰাৰ বাবে পুণাৰামে বাঁহৰ কাঁটা চামুচ সাজি, আৰু খুৰা দিয়া পীৰাৰ ওপৰত মাকে কাঁহী তুলি দিহে তৰণি পাইছিল। মুঠতে যি তিন দিন মলক চাহাব ঘৰত আছিল, সেই তিন দিনৰ ভিতৰতে তেওঁৰ মাক-বাপেক-ভায়েকক আদি কৰি গাঁৱৰ লগা-ভগা সকলোৱে দেওঁ দেওঁ দেখি তেওঁ কেতিয়া তাৰ পৰা ওলাই যায় তাকেহে চিন্তিছিল।

ইয়াৰ মাহচেৰেকৰ পিছত মলক চাহাব কিবা এটা দৰকাৰী কামত মফচললৈ যাওঁতে, আলিৰ কাষৰৰ পথাৰত ম'হৰ পিঠিত উঠি ম'হ চৰাই থকা ভায়েক পুণাৰামে

তেওঁক দেখিবলৈ পাই উলাহত আগ-পিছ সকলো হঠাৎ পাহৰি, সাধুকথাৰ শিয়ালৰ দৰে আনন্দত আপ্লুত হৈ মাত লগালে 'হেৰওঁ ককাইটি! ক'লৈ যাৱ?' ম'হ গুৱালে হাকিমক এইদৰে সম্ভাষণ কৰাটো কি 'বিয়াদপৰ' কথা হাকিমেহে তাক ভালকৈ বুজিব পাৰে; গতিকে আমাৰ হাকিমে তৎক্ষণাৎ ছাপৰাচীৰ হতুৱাই ভায়েকক ধৰাই আনি চৰ গোটাচেৰেক মৰাই গঁতিয়াই দিয়ালে। কিল খাই পুণায়ে নিজৰ গৰুৱালি বুজিব পাৰি একোকে নামাতিলে। আৰু পুণাৰামৰ আৰ্হি লৈ গছ-গছনি পহু-পতং চৰাই- চিৰিকটি বাটৰুৱা-পৰুৱাও নিৰ্বাক। দেখি-শুনি আমিও অবাক।

৩.৬.২ *মলক গুইন গুইন* গল্পৰ সাধাৰণ আলোচনা

আপুনি নিশ্চয় জানে যে, *মলক গুইন গুইন* গল্পটি বেজবৰুৱাৰ সমাজ-সচেতনতাৰ এক সুন্দৰ নিদর্শন। সমকালীন সমাজৰ নতুনকৈ শিক্ষিত হোৱা এচাম মানুহৰ মানসিকতা গল্পটিত সুন্দৰকৈ ফুটাই তোলা হৈছে। ইংৰাজী শিক্ষাৰে শিক্ষিত হৈ নিজৰ অতীতক পাহৰি যোৱাৰ লগতে আনকি পিতৃ-মাতৃকো চিনিবলৈ অস্বীকাৰ কৰা এইচাম মানুহ বেজবৰুৱাৰ গল্পটিৰ মূল প্রতিপাদ্য। গল্পটিৰ আৰম্ভণি ঘটিছে দেশী চাহাব 'মলক গুইন গুইন'ক এজন বৃদ্ধই লগ ধৰিবলৈ আহি ছাপৰাচীৰ দ্বাৰা অপমানিত হোৱা ঘটনাৰে। বৃদ্ধই বাৰে বাৰে তেওঁৰ 'মলখু' পো-ক লগ ধৰিবলৈ অনুমতি বিচাৰি ছাপৰাচীক অনুনয় কৰে অথচ ছাপৰাচীয়ে তেওঁক তাৰপৰা আঁতৰাই পঠিয়াবলৈ চেষ্টা কৰে। এই হুলস্থূল শুনি গুইন গুইন চাহাব নিজে ওলাই আহি কাজিয়াখন ভাঙি দি বৃদ্ধক তাৰ পৰা স-সন্মানে আঁতৰাই পঠিয়াবলৈ ছাপৰাচীক হুকুম দিলে। কিন্তু কোনোপধ্যে ছাপৰাচীৰ আগত সেয়া তেওঁৰ পিতৃ তোলন সাজতোলা বুলি পৰিচয় নিদিলে। কাহিনীৰ গতি আগুৱাই যোৱাৰ লগে লগে গম পোৱা গ'ল যে, সৰুকালৰেপৰা চোকা বুধিৰ পৰিচয় দিয়া মলখুৱে পঢ়া-শুনাত দোপত দোপে উন্নতি কৰি অৱশেষত চাহাবৰ দয়াত ক্রমে চব-ইন্সপেক্টৰ আৰু তহচিলদাৰৰ বিষয়বাব ভোগ কৰিবলৈ সুবিধা পালে। ইতিমধ্যে পঢ়ি থকা কালতে তেওঁ নিজৰ আওপুৰণি মলখু নাম গুচাই আৰু নামৰ পিছত গগৈ উপাধি 'গজাই' 'মলক গুইন গুইন' হৈ পৰিছিল। গতিকে চাহাব হৈ পৰাৰ পিছত তেওঁ আনক নিজৰ পিতৃ-মাতৃ-ভাতৃ আদিৰ পৰিচয় দিয়াটো অপমানজনক বুলি অনুভৱ কৰিবলৈ ধৰিলে।

গল্পটিৰ নামকৰণ কিছু পৰিমাণে আচহুৱা যেন ভাব হয়। কিন্তু গল্পৰ কাহিনীৰ গতি যিমানে আগুৱাই যায়, সিমানে নামটোৱে গল্পকাৰৰ ব্যঙ্গাত্মক মনোভাৱ ফুটাই তোলাত সহায় কৰে। নামটোৱেই সমকালীন কিছুমান শিক্ষিত মানুহৰ অনুকৰণপ্রিয়তা তথা ফোপোলা আভিজাত্যৰ ভেম উদঙাই দেখুৱায়। মূল চৰিত্রৰ নামে�ৰে গল্পটিৰ নামকৰণ যথার্থ হৈছে।

৩.৬.৩ *মলক গুইন গুইন* গল্পৰ চৰিত্ৰ চিত্ৰণ

আপুনি জানেই যে, *মলক গুইন গুইন* গল্পটিৰ প্ৰধান চৰিত্ৰৰ ভিতৰত গুইন গুইন চাহাব ওৰফে শ্ৰীমান মলখু গগৈ, তোলন সাজতোলা, মলখুৰ মাক, ভায়েক পুণাৰাম, ছাপৰাচী আদি উল্লেখযোগ্য।

মলখু ওৰফে মলখু গগৈ ওৰফে মলক গুইন গুইন চাহাব গল্পটিৰ মূল চৰিত্ৰ। মলখুৰ বুধিটো চোকা দেখি পঢ়া-শুনাত ক্ৰমান্বয়ে আগবাঢ়ি গৈ কালক্ৰমত চৰকাৰী জলপানী লাভ কৰি এল এ পাছ কৰিলে। কিন্তু বি এ পৰীক্ষাৰ দেওনা অতিক্ৰম কৰিব নোৱাৰিলে। যি হওক, পঢ়া-শুনা কৰি থকা কালতে এফালে মলখুৰ টিকনি টুটিল আনফালে নামৰ পিছফালে গগৈ উপাধি গজিল। কালক্ৰমত সেই নাম মিষ্টাৰ এম গগৈ হৈ শেষত মলক গুইন গুইনত পৰিণত হ'ল। নামৰ এই ব্যঙ্গাত্মক পৰিৱৰ্তনে পাঠকক হাঁহিৰ খোৰাক যোগায়। ধাৰণা কৰিব পাৰি যে, মলখুৰ চৰিত্ৰটি বেজবৰুৱাই সমসাময়িক শিক্ষিত ডেকাৰ অনুকৰণত সৃষ্টি কৰিছে। মলখু হৈছে নিজৰ সৰ্বস্ব বিসৰ্জন দি কেৱল আনৰ অন্ধ অনুকৰণ কৰি চলি থাকিব খোজা যিকোনো নব্য শিক্ষিত ডেকাৰ প্ৰতিনিধি। কলিকতাত উচ্চ শিক্ষা লাভ কৰিবলৈ গৈ মলখুৱে নিজে সংস্পৰ্শলৈ অহা চাহাবী ঢঙৰ ব্যক্তিসকলৰ অনুকৰণত আনৰ মাত-কথা, আদৰ-কায়দা আদি সকলো আহৰণ কৰিলে। আনহাতে আত্মাভিমান তথা মানৱতাবোধ পাহৰি গ'ল। অসমলৈ ঘূৰি অহাৰ পিছত নিজৰ ঘৰখনলৈ যাবলৈও নানা আহুকাল পোৱা হ'ল। ঘৰৰ থকা-খোৱাৰ ধৰণ, খাদ্য, ৰীতি-নীতি আদি সকলো মলখুৰ মানত লাজৰ বিষয় হৈ পৰিল। শিক্ষা-দীক্ষা লাভ কৰি ভাগ্যক্ৰমে এটা চাকৰি পোৱাৰ পিছত মলখুৱে আনকি নিজৰ পিতৃ-মাতৃক চিনি পাওঁ বুলি ক'বলৈও লাজ পোৱা হ'ল। সামান্য ছাপৰাচীৰ আগতো নিজৰ পিতৃক পিতৃ বুলি পৰিচয় দিলে সন্মান নাশ হোৱা বুলি অনুভৱ কৰিবলৈ ধৰিলে। অন্তঃসাৰশূন্য আভিজাত্যৰ ভেমত তেওঁ নিজৰ আত্মীয়-স্বজন, বংশ-পৰিয়াল সকলোৰে পৰা আঁতৰি আহিহে শান্তি লাভ কৰিছে। আনকি মফস্বললৈ যাওঁতে ম'হ গুৱাল ভায়েকে সকলো পাহৰি তেওঁক ককাইটি বুলি মাত দিয়াৰ 'অপৰাধ'ত ভায়েক পুণাৰামক ছাপৰাচীৰ হতুৱাই মাৰ-পিত কৰোৱাবলৈও কুণ্ঠাবোধ কৰা নাই।

তোলন সাজতোলা *মলক গুইন গুইন* গল্পটিৰ আন এটা গুৰুত্বপূৰ্ণ চৰিত্ৰ। চৰিত্ৰটিৰ জৰিয়তে মলখু চৰিত্ৰটিৰ ভাৱধাৰা, আচাৰ-আচৰণ অধিক স্পষ্ট ৰূপত ফুটাই তোলাত গল্পকাৰ সফল হৈছে। তোলান সাজতোলা হৈছে গাঁৱৰ সহজ-সৰল, সাধাৰণভাৱে চলি থকা এজন চহা ব্যক্তি। নিজৰ গাঁৱত সাজতোলা এজন গণ্য-মান্য ব্যক্তি। তেওঁক দিহিঙৰ গোঁসায়ে সাজতোলা পাতি সন্মানিত কৰিছে। পুতেক মলখু চাহাব হোৱা দেখি তেওঁ আনন্দিত হৈছে আৰু ঘৈণীয়েকৰ কথা মতে পুতেকক

ঘৰলৈ ঘূৰাই নিবৰ বাবে যৎপৰোনাস্তি চেষ্টাও কৰিছে। কিন্তু সামান্য ছাপৰাচী এটাই অপমানজনকভাৱে ব্যৱহাৰ কৰাৰ পিছতো পুতেকে তেওঁৰ হৈ এবাৰো এষাৰ কথাও নোকোৱাত আনকি তেওঁক চিনি নোপোৱাৰ ভাও ধৰাৰ পিছত তেওঁৰ সমস্ত আনন্দ-আশা আদি ধূলিস্যাৎ হৈ পৰিছে।

মলখুৰ মাক-ভায়েক আদি চৰিত্ৰ গল্পটিৰ আন দুটিমান গতানুগতিক চৰিত্ৰ। মাক যিকোনো এগৰাকী মাকৰ দৰেই পুতেকৰ চিন্তাত ব্যাকুল। কিন্তু পুতেক মলখুৰ বাবে তেওঁৰ এনে আৱেগ-অনুভূতি একেবাৰে মূল্যহীন। পুণাৰাম চৰিত্ৰটিৰ কোনো ধৰণৰ বিকাশ ঘটা দেখা নাযায়। ছাপৰাচীৰ দৰে চৰিত্ৰ হৈছে সমাজত নকৈ গঢ় লৈ উঠা এনে ধৰণৰ সাধাৰণ কাম-কাজৰ বাবে অসমলৈ ভাৰতৰ আন ঠাইৰ পৰা অহা লোকৰ প্ৰতিনিধি চৰিত্ৰ।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৫ ঃ *মলক গুইন গুইন* গল্পটিৰ চৰিত্ৰ সম্পৰ্কে এটি বিশ্লেষণাত্মক আলোচনা যুগুত কৰক।

(২০০টা শব্দৰ ভিতৰত)

.....

৩.৬.৪ *মলক গুইন গুইন* গল্পত ফুটি উঠা সমাজ বাস্তৱতা

আপুনি নিশ্চয় বুজি পাইছে যে, গল্পটিত সমকালীন সমাজৰ ছবি অঙ্কন কৰোঁতে বেজবৰুৱাই সমাজলৈ অহা পৰিৱৰ্তনৰ কেতবোৰ দিশ উনুকিয়াই গৈছে। *মলক গুইন গুইন* গল্পটিত সমসাময়িক সমাজত দেখা পোৱা নকৈ গঢ় লৈ উঠা এচাম মানুহৰ চৰিত্ৰ অঙ্কন কৰা হৈছে। কলিকতাত উচ্চ শিক্ষা লাভ কৰিবলৈ গৈ নিজস্ব সকলো ধ্যান-জ্ঞান, আত্মাভিমান ত্যাগ কৰি আনৰ ভাল-বেয়া সকলোখিনি গ্ৰহণ কৰা এইচাম লোকৰ পক্ষে নিজৰ সমাজ, বংশ-পৰিয়াল সকলোবোৰ লাজৰ বিষয় হৈ পৰিছে। এহাতে তোলান সাজতোলা হৈছে তেওঁৰ গাঁৱৰ ভিতৰতে এজন মান্যবন্ত ব্যক্তি, আনহাতে এই একেজন ব্যক্তি পুতেক মলক চাহাবৰ মানত ছাপৰাচীৰ তুলনাত হীন। পৰিস্থিতিৰ এনে বৈপৰীত্যই সমকালীন সমাজ তথা মানুহৰ মূল্যবোধলৈ অহা ব্যাপক পৰিৱৰ্তনকে উদঙাই দেখুৱাইছে।

নতুনকৈ শিক্ষিত হোৱা এচাম মানুহে নিজৰ সাতাম পুৰুষীয়া আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি আদি ত্যাগ কৰি নতুন জীৱন-পদ্ধতি আকোঁৱালি লৈছে। এই পদ্ধতিত খাপ খাই পৰাৰ পিছত তেওঁলোকৰ পক্ষে পুৰণি জীৱন অত্যন্ত আহুকালৰ কাৰণ হৈ পৰিছে। বোকাপানীত খোজ কাঢ়ি যোৱাটো তেওঁলোকৰ পক্ষে ভয়ানক

কথা হৈ পৰিছে। হাতেৰে ভাত খোৱাৰ সলনি মলখুক ভাত খাবৰ বাবে পুণাৰামে বাঁহৰ কাঁটা চামুচ সাজি দিবলগীয়া হোৱাৰ বৰ্ণনাৰে অনুকৰণপ্রিয়তাক তীব্রভাৱে ব্যঙ্গ কৰা হৈছে। চিৰা-সান্দহ, পিঠা আদি খাদ্য অখাদ্যত পৰিণত হৈছে।

সমকালীন সমাজত সামাজিক প্রতিপত্তিৰ দিশত বিদেশী বগা-চাহাবসকল আটাইতকৈ উচ্চ স্থানৰ অধিকাৰী হৈছে। গতিকে দেশীয় এচাম ব্যক্তিয়ে তেওঁলোকক অনুকৰণ কৰি চাহাবী ৰং-ঢং আয়ত্ত কৰি লৈছে। বগা চাহাবৰ লগে লগে দেশীয় ক'লা চাহাবসকলেও দেশীয় মানুহৰ পৰা সন্মান আদায় কৰিবৰ বাবে চেষ্টাৰ ত্রুটি কৰা নাই। আনকি চাহাবৰ টেকেলা- ছাপৰাচী আদিয়েও দেশীয় মানুহৰ তুলনাত অধিক গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ *মলক গুইন গুইন* গল্পটিত সমকালীন সমাজৰ কোনবোৰ দিশ প্রকাশিত হৈছে, বিশ্লেষণ কৰক।

(২০০টা শব্দৰ ভিতৰত)

.....



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কবিতা, গল্প, উপন্যাস, নাটক, হাস্য-ব্যঙ্গ ৰচনা আদি বিবিধ সাহিত্য-ৰূপৰ সৃষ্টিৰে বেজবৰুৱাই অসমীয়া সাহিত্যক এক নতুন গতি প্রদান কৰি গৈছে। *জোনাকী* আলোচনীৰ লগত আলোচনীখনৰ জন্মলগ্নৰে পৰা ওতঃপ্রোতভাৱে জড়িত থকাৰ লগতে তেওঁ *বাঁহী* আলোচনীৰো প্রতিষ্ঠাপক তথা সম্পাদক আছিল।
- বেজবৰুৱা হ'ল অসমীয়া চুটিগল্পৰ জনক। *জোনাকী* আলোচনীৰ চতুর্থ বছৰৰ চতুর্থ সংখ্যাত প্রকাশিত বেজবৰুৱাৰ *সেউতী* নামৰ গল্পটিয়েই হৈছে প্রথম অসমীয়া চুটিগল্প।
- বেজবৰুৱাৰ সাহিত্যৰাজিৰ ভিতৰত গল্পসংগ্রহ আছে মুঠ চাৰিখন— *সুৰভি* (১৯০৯), *সাধু কথাৰ কুঁকি* (১৯১০), *জোনবিৰি* (১৯১৩) আৰু *কেহোঁকলি*।
- প্র াদ কুমাৰ বৰুৱাই বিষয়বস্তুৰ দিশৰ পৰা বেজবৰুৱাৰ গল্পক প্রধানকৈ দুটা ভাগত ভগাইছে—

ক) সমাজ সংস্কাৰধর্মী। *মলক গুইন গুইন, ভোকেন্দ্র বৰুৱা, জাতিৰামৰ জাত* আদি এই ভাগৰ;

খ) ব্যক্তি জীৱন সম্পর্কীয়। *পুত্রবান পিতা, ভদৰী, জলকুঁৱৰী, মুক্তি* আদি দ্বিতীয় ভাগৰ

গল্প।

- বর্ণনাধর্মিতা; কাহিনীৰ ব্যাপক তথা বহল পৰিসৰ; হাস্য, ব্যঙ্গ আৰু শ্লেষৰ প্ৰাধান্য; সমাজ সচেতনতা তথা সংস্কাৰৰ মনোভাৱ; মানৱীয় মূল্যবোধৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন; ভাষাৰ অননুকৰণীয় তথা অপূৰ্ব ব্যৱহাৰ আদি বেজবৰুৱাৰ গল্পৰ কেইটিমান লক্ষ্যণীয় বৈশিষ্ট্য।
- *লাওখোলা* আৰু *মলক গুইন গুইন* গল্প দুটাত বেজবৰুৱাই সমকালীন সমাজ-জীৱনৰ পৃথক পৃথক ব্যৱস্থাসমূহ স্পষ্ট কৰি তুলিছে। তেওঁৰ অন্যান্য ভালেমান গল্পসমূহৰ দৰেই এই গল্প দুটাও সামাজিক সচেতনতাৰ সুন্দৰ উদাহৰণ।



৩.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কাকতি, বাণীকান্ত, (২০০৩); *বাণীকান্ত-চয়নিকা,* নতুন দিল্লী ঃ সাহিত্য অকাডেমি।

২) গগৈ, হৃদয়ানন্দ (সম্পা.) (২০০৭); *লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প সমগ্ৰ,* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৩) গোস্বামী, ত্ৰৈলোক্যনাথ (১৯৮৭); *আধুনিক গল্প সাহিত্য,* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৪) গোস্বামী, প্ৰফুল্লদত্ত (২০১২); 'বেজবৰুৱাৰ ব্যঙ্গ', বাণীকান্ত শৰ্মা সম্পাদিক বেজবৰুৱাৰ সাহিত্য প্ৰতিভা, গুৱাহাটী ঃ টেকনো এড্ পাব্লিকেচন।

৫) গোস্বামী, যতীন্দ্ৰনাথ (১৯৬৮); *সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা,* যোৰহাট ঃ অসম সাহিত্য সভা।

৬) দাস, যোগেশ (২০০৭); 'কাহিনীকাৰ বেজবৰুৱা', ৰফিকুজ জামানৰ দ্বাৰা প্ৰকাশিত লক্ষ্মীনাথ বেজবৰুৱা, গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৭) নেওগ, মহেশ্বৰ (সম্পা.) (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৮) বৰুৱা, প্ৰ াদ কুমাৰ (২০০৫); *অসমীয়া চুটি গল্পৰ অধ্যয়ন,* ডিব্ৰুগড় ঃ বনলতা।

৯) বেজবৰুৱা, লক্ষ্মীনাথ (১৯৯৮); *মোৰ জীৱন সোঁৱৰণ,* ডিব্ৰুগড় ঃ বনলতা।

১০) শইকীয়া, নগেন (সম্পা.) (২০১০); *বেজবৰুৱা ৰচনাৱলী (চতুৰ্থ খণ্ড),* গুৱাহাটী ঃ বনলতা।

১১) শৰ্মা, অনুৰাধা (সম্পা.) (২০১৪); *আধুনিকতাৰ অধিনায়ক সাহিত্যৰথী লক্ষ্মীনাথ*

বেজবৰুৱা, গুৱাহাটী ঃ জ্যোতি প্রকাশন।

১২) শর্মা, তীর্থনাথ (২০০৭); 'সাহিত্যৰথী বেজবৰুৱা', ৰফিকুল জামান (প্রকাশিত) *লক্ষ্মীনাথ বেজবৰুৱা,* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

১৩) শর্মা, বাণীকান্ত (সম্পা.) (২০১২); *বেজবৰুৱাৰ সাহিত্য প্রতিভা,* গুৱাহাটী ঃ টেকনো এড্ পাব্লিকেচন।

১৪) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১৫) হাজৰিকা, অতুলচন্দ্র (মুখ্য সম্পা.) (১৯৬৮); *বেজবৰুৱা গ্রন্থাৱলী-প্রথম খণ্ড,* গুৱাহাটী ঃ সাহিত্য প্রকাশ।

ইংৰাজী গ্রন্থ ঃ

1. Neog, Maheswar (ed.) 2014 (1972); *Lakshminath Bezbaroa-The Sahityarathi of Assam,* Gauhati University, Gauhati.



৩.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ প্র াদ কুমাৰ বৰুৱাই বিষয়বস্তুৰ দিশৰ পৰা বেজবৰুৱাৰ গল্পক প্রধানকৈ দুটা ভাগত ভগাইছে....কোনো কোনো সমালোচকে বেজবৰুৱাৰ গল্পসমূহ— অর্থনৈতিক, সামাজিক....বিষয়বস্তু বৈচিত্র্য, অন্তর্নিহিত ভাৱ আদিৰ আধাৰত এই ভাগসমূহ সমালোচকসকলে উল্লেখ কৰিছে।

২নং প্রশ্নৰ উত্তৰ ঃ বেজবৰুৱাৰ গল্পৰ বিশেষত্বসমূহ এনেদৰে বিশ্লেষণ কৰিব পাৰি— (ক) বেজবৰুৱাৰ গল্পসমূহ প্রধানকৈ বর্ণনাধর্মী....।

৩নং প্রশ্নৰ উত্তৰ ঃ *লাওখোলা* গল্পটিৰ মূল চৰিত্র বুলিবলৈ মাত্র দুটা চৰিত্রৰ কথা উল্লেখ কৰিব পাৰি....অৱশ্যে গল্পটিত চৰিত্রসমূহৰ উপস্থাপন কৰোঁতে গল্পকাৰে মনস্তাত্বিক দিশৰ প্রকাশ তথা বিকাশত বিশেষ গুৰুত্ব দিয়া নাই।

৪নং প্রশ্নৰ উত্তৰ ঃ বেজবৰুৱাই প্রায় ক্ষেত্রতে তেওঁৰ গল্পত বাস্তৱ সমাজৰ চিত্রণ কৰিছে।.... পুৰুষতান্ত্রিক সমাজত পুৰুষৰ স্বার্থসিদ্ধি হ'ব পৰাকৈ সমাজে সকলো নীতি-নিয়ম ঠিক কৰি লৈছে। প্রয়োজন সাপেক্ষে পুৰণিকলীয়া নিয়মবোৰো পুনৰাই প্রৱর্তন কৰি লোৱা হৈছে।

১নং প্রশ্নৰ উত্তৰ ঃ মলখু ওৰফে মলখু গগৈ ওৰফে *মলক গুইন গুইন* চাহাব গল্পটিৰ মূল চৰিত্র।....এনে ধৰণৰ সাধাৰণ কাম-কাজৰ বাবে অসমলৈ ভাৰতৰ আন ঠাইৰপৰা অহা লোকৰ প্রতিনিধি চৰিত্র।

১নং প্রশ্নৰ উত্তৰ ঃ *মলক গুইন গুইন* গল্পটিত সমসাময়িক সমাজত দেখা পোৱা নকৈ গঢ়

লৈ উঠা এচাম মানুহৰ চৰিত্র অংকন কৰা হৈছে।....সমকালীন সমাজত সামাজিক প্রতিপত্তিৰ দিশত বিদেশী....।



৩.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসমীয়া গল্প সাহিত্যৰ ইতিহাসত লক্ষ্মীনাথ বেজবৰুৱাৰ স্থান নিৰূপণ কৰক।

প্রশ্ন ২ ঃ বেজবৰুৱাৰ গল্প সম্পর্কে বিভিন্নজন সমালোচকে আগবঢ়োৱা মন্তব্যসমূহৰ যথার্থতা বিচাৰ কৰক।

প্রশ্ন ৩ ঃ বেজবৰুৱাৰ গল্পৰ বৈশিষ্ট্য সম্পর্কে এটি বিশ্লেষণাত্মক আলচ যুগুত কৰক।

প্রশ্ন ৪ ঃ *লাওখোলা* গল্পৰ নলিনী চৰিত্রটিৰ বিষয়ে আটাইবোৰ দিশ সামৰি এটি নাতিদীর্ঘ আলোচনা আগবঢ়াওক।

প্রশ্ন ৫ ঃ *লাওখোলা* গল্পত প্রতিফলিত নাৰীৰ সামাজিক স্থিতি সম্পর্কে এটি আলচ প্রস্তুত কৰক।

প্রশ্ন ৬ ঃ *মলক গুইন গুইন* গল্পটিত প্রতিফলিত বেজবৰুৱাৰ সমসাময়িক সমাজ সম্পর্কে এটি বিশ্লেষণাত্মক টোকা যুগুত কৰক।

*** ***** ***

অধ্যায় ৪ ঃ সাহিত্য সমালোচক বেজবৰুৱা ঃ দুই মহাপুৰুষৰ ছন্দ আৰু সুৰবোধ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ দুই মহাপুৰুষৰ ছন্দ আৰু সুৰবোধ
৪.৩.১ পাঠৰ চমু আলোচনা
৪.৩.২ পাঠৰ আলোচনাত প্ৰকাশ পোৱা বেজবৰুৱাৰ সূক্ষ্মদৰ্শী বিশ্লেষণ ক্ষমতা
৪.৩.৩ শংকৰী সাহিত্যৰ আলোচক হিচাপে বেজবৰুৱা
৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৫ অধিক জানিবলৈ
৪.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৪.৭ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

অসমীয়া ভাষা সাহিত্যৰ সমৃদ্ধি সাধনত মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে কেনেদৰে অসমীয়া কাব্য-সাহিত্য সমৃদ্ধ কৰিছিল সেই বিষয়ে জানিব পাৰিব।

- অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধিত দুগৰাকী মহাপুৰুষে গ্ৰহণ কৰা যোগাত্মক ভূমিকা সম্পৰ্কে জ্ঞাত হ'ব
- নিজৰ দেশ আৰু জাতিৰ প্ৰতি মহাপুৰুষ দুজনাৰ দায়বদ্ধতাৰ বিষয়ে জানিব পাৰিব
- স্বদেশ আৰু স্বজাতিৰ প্ৰতি তেৰা সৰৰ প্ৰীতিৰ বিষয়ে আবগত হোৱাৰ লগতে সাঙ্গীতিক সুৰ সম্পৰ্কে ধাৰণা লাভ কৰিব
- অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিলৈ গুৰু দুজনাৰ আৱদানৰ পুনৰীক্ষণ কৰিব পাৰিব। কীৰ্ত্তন-নামঘোষাৰ অন্তৰ্গত সঙ্গীতিক সুৰ সম্পৰ্কে ধাৰণা লাভ কৰিব।

৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ ষান্মাসিকৰ সাহিত্য শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা 'অনুবাদ সাহিত্য আৰু বিশেষ সাহিত্যিক'ৰ দ্বিতীয় খণ্ডৰ অন্তৰ্গত পাঠ্যবিষয় (ক)। ইয়াৰ শিৰোনাম 'সাহিত্য সমালোচক বেজবৰুৱা ঃ দুই মহাপুৰুষৰ সুৰবোধ।' পাঠ্যবিষয়ৰ এইটো চতুৰ্থ অধ্যায়।

অসমীয়া কাব্যক্ষেত্রত শংকৰদেৱ আৰু মাধৱদেৱে মহাৰথীৰ দৰেই মধ্যযুগৰ সাহিত্যচর্চাক নিয়ন্ত্রণ কৰিছিল। মধ্যযুগত বিভিন্ন শিষ্য-প্রশিষ্যৰ সহযোগত কাব্য নাইবা গীত প্রভৃতিৰ চর্চাৰে অসমীয়া সাহিত্যৰ স্বর্ণসৌধ নির্মাণ কৰিছিল দুজনা মহাপুৰুষে। তেওঁলোকে অসমীয়া সাহিত্যক সমৃদ্ধ কৰি চিৰকালৰ বাবে সুজলা-সুফলা কৰি তুলিছিল। শংকৰদেৱ আৰু মাধৱদেৱে নিজৰ মাতৃভূমি, নিজৰ জাতি আৰু ভাষা-সাহিত্যক আগু�ৱাই নিয়াৰ প্রয়াস কৰিছিল। স্বদেশ আৰু স্বজাতিৰ মঙ্গলৰ কাৰণে দেশবাসীৰ অন্তৰত মানৱীয় প্রেম আৰু অনুভূতিৰ সঞ্চাৰ কৰিছিল। মানৱ সমাজত মানৱীয় ভাবনাৰাজিৰ সঞ্চাৰ কৰিবৰ কাৰণে তেওঁলোকে বিভিন্ন শাস্ত্রাদি অধ্যয়ন কৰি সেইসমূহ অসমীয়া ভাষাত ভাঙনি কৰি জাতীয় জীৱনত সমৃদ্ধি সাধন কৰিছিল। *কীর্ত্তনঘোষা, নামঘোষা, ভক্তিৰত্নাৱলী, দশম স্কন্ধ ভাগৱত* আদি তাৰ উল্লেখযোগ্য নিদর্শন।

বেজবৰুৱাই শঙ্কৰ-মাধৱৰ সাহিত্যৰ আদৰ আৰু জনপ্রিয়তাৰ কথা উল্লেখ কৰি সেই কথা অতি সুন্দৰভাৱে উপস্থাপন কৰিছে। অসমৰ নামঘৰত শঙ্কৰ-মাধৱৰ *কীর্ত্তনঘোষা-নামঘোষাৰ* নিৰন্তৰ চর্চা হয়। দেৱ আৰু পিতৃকার্যত অসমীয়া জনসাধাৰণে শঙ্কৰদেৱ-মাধৱদেৱৰ পৰিত্র গ্রন্থৰাজি শ্রৱণ-কীর্ত্তন কৰে। মুঠতে শয়নে-সপোনে অসমৰ জাতীয় জীৱনত মহাপুৰুষ দুগৰাকীৰ গীত-মাত-নাটক, কবিতাই প্রভাৱ বিস্তাৰ কৰি আহিছে। তেওঁলোকৰ গীত-পদ আদি অসমীয়াই গাই গাই আত্মতৃপ্তি লাভ কৰে। মুঠতে জীৱনৰ প্রতি মুহূর্ততে শঙ্কৰ-মাধৱৰ গীত আৰু কবিতাই অসমীয়া জীৱন সমৃদ্ধ কৰিছে। *কীর্ত্তন-দশম-নামঘোষা, ৰত্নাৱলী* অসমীয়াৰ বাবে স্মৰণীয়, অনুকৰণীয়, শ্রৱনীয় আৰু অতি আদৰৰ। ইয়াৰ মূলতে ছন্দ আৰু সুৰৰ গুৰুত্ব অনস্বীকার্য।

পুৰণি দিনত অশিক্ষিত জনসাধাৰণেও শ্রৱণ-কীর্ত্তনৰ যোগেদি *কীর্ত্তন-নামঘোষাৰ* পদ মনত ৰাখিছিল। তেওঁলোকে আয়ৰ নিচিনিলেও আনৰ মুখৰ পৰা এইবোৰ শুনি পৰম তৃপ্তি লাভ কৰিছিল। বেজবৰুৱাৰ ভাষাত *'কীর্ত্তন-নামঘোষা'* অসমীয়াৰ মহামাৰলী, ভকতৰ পৰম ৰহস্য জ্ঞানীৰ পৰম জ্ঞান ভঁৰাল। বাস্তৱতে *কীর্ত্তন-নামঘোষাৰ* নিচিনা ধর্মশাস্ত্র আৰু সাহিত্য লাভ কৰা পৰম ভাগ্যৰ কথা।'

মানৱ অন্তৰ কোমল কৰিবলৈ, মানুহৰ হৃদয়ত কোমল ভাৱানুভূতিৰ সঞ্চাৰ কৰিবলৈ *কীর্ত্তন-নামঘোষাৰ* দৰে কোমল মধুৰ সাহিত্য অন্যান্য সাহিত্যত অত্যন্ত বিৰল। *নামঘোষাৰ* একোটা পদ শ্রৱণেই মানুহৰ মন ভগৱতমুখী কৰি তুলিবলৈ সক্ষম হয়। বেজবৰুৱাই তেনে বিবিধ পদ উদ্ধৃত কৰিছে। এই অধ্যায়টোত দুয়োজনা মহাপুৰুষ ছন্দ আৰু সুৰবোধৰ বিশ্লেষণৰ মাজেদি তেওঁলোকৰ সাংগীতিক মহিমাৰ কথা জনা যায়।

৪.৩ দুই মহাপুৰুষৰ ছন্দ আৰু সুৰবোধ

মহাপুৰুষ দুগৰাকীয়ে মধ্যযুগৰ অসমৰ সমাজ, ভাষা আৰু ধর্মৰ সংস্কাৰক ৰূপে অৱতীর্ণ হৈ মধ্যযুগৰ অসমীয়া সমাজখনক পুনৰ গঠন কৰে। সমাজ সংস্কাৰ কৰিব লাগিলে

পুৰণি সমাজ তন্ন তন্ন কৰি সেই সময়ৰ উপযোগিতাখনি ৰাখি নতুন ভাব আৰু কথা তাত মিহলাই নতুন সাঁচত গঢ় দিব লাগে। তাকে কৰিবৰ বাবে ভাষাৰ প্ৰয়োজন কিয়নো ভাষাৰ অবিহনে মানুহৰ মনৰ ভাব প্ৰকাশ অসম্ভৱ।

মনৰ ভাব আৰু চিন্তা প্ৰকাশ কৰিব নোৱাৰিলে ধৰ্ম বা সমাজ নতুন কৰি নিজৰ সাঁচত তোলা অসম্ভৱ। গতিকে মনৰ ভাব প্ৰকাশ কৰিবৰ কাৰণে ভাষাৰ প্ৰয়োজন। ভাষাৰ প্ৰকাশৰ যোগেদিহে সাহিত্যৰ সৃষ্টি সম্ভৱ হৈ উঠে। সমাজৰ অৱস্থা আৰু মানুহৰ মনৰ উৎকৃষ্টতা অনুসৰি সকলোকে সৎপথ, সৎচিন্তাত উপনীত কৰাবলৈ আকৰ্ষণীয় শক্তি বিস্তাৰ কৰা নিত্যান্ত আৱশ্যক। কাঠচিতীয়া ভাবশূন্য মানুহৰ মন সৎপথলৈ অনা সহজ কথা নহয়। কিন্তু সুৰ লগা মাতেৰে একেবাৰে কঠিনমনা মানুহকো দ্ৰৱীভূত কৰিব পাৰি। কিয়নো সঙ্গীতৰ গেত দুৰ্দমনীয় সৰ্পকো দমন কৰিব পাৰি, মানুহৰটো কথাই নাই। সেই কাৰণে শঙ্কৰ-মাধৱে সুললিত পদ ৰচনা কৰি মানুহৰ মন আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছিল। আকৌ একে ৰকমৰ পদ হ'লে আমনি লাগিবৰ সম্ভৱ, গতিকে তেওঁলোকে নানা ধৰণৰ পদ, ছন্দ, ছবি, দুলড়ি, লেছাৰি, ঝুমুৰী আদি নতুন পদ বন্ধাৰ উপায় উলিয়ায় আৰু নানা তৰহৰ সঙ্গীত সৃষ্টি কৰি অসমীয়া ভাষা স্থাপন কৰে আৰু অসমীয়া ভাষা ৰমক-জমক কৰি তোলে। ছন্দনো কি এই সম্পৰ্কে বেজবৰুৱাই ভালেমান উদ্ধৃতি দিছে ঃ

লেখকৰ ভাষাত— 'শ্ৰৱণ ইন্দ্ৰিয়েৰে আমি সৌন্দৰ্য অনুভৱ কৰোঁ তাৰ মূলত ছন্দ বা তাল আৰু সুৰ।' 'অকল ছন্দই প্ৰাকৃতিক সকলো ধ্বনিকে মধুৰ কৰে। ছন্দবিহীন হ'লে সি মধুৰতা বিহীন হয়।" "ছন্দ নহ'লে কবিতা হ'ব নোৱাৰে। সাহিত্যৰ মূল সঙ্গীত। ছন্দই সঙ্গীতক মধুৰ কৰি তোলে। ছন্দময় সাহিত্যকে কবিতা বুলিব পাৰি।"

এইদৰে বিভিন্ন প্ৰকাৰৰ সুললিত পদ ৰচনা কৰাৰ কাৰণে পদবোৰৰ সুৰ আৰু তাল মান ৰাখিবৰ কাৰণে বহুতো বাদ্য-বাজনাৰ সৃষ্টি কৰে। সেই ধৰণে তেওঁলোকে পদ আৰু গীত ৰচনা কৰিলে আৰু সেই সময়ৰ উপযোগী পদ আৰু গীতৰ তাল মান ৰক্ষা কৰিবলৈ খোল, তাল, খুতিতাল, কাঁহাল, বেণু, গোমুখ, মুৰজ, মৃদঙ্গ আদি বাদ্যৰ সৃষ্টি কৰে। সেইদৰে ৰাগশ্ৰী, ধনশ্ৰী, একতাল, ৰাগ, ভৈৰৱ, পদ, লেছাৰি, ঝুমৰী, দুলাড়ি, ৰৱগীত, ভটিমা, টোটয় আদি নানা ৰকমৰ সুৰৰ তালমান ৰাখিবলৈ বেলেগ বেলেগ ৰাজ্যৰ বাজনা সৃষ্টি কৰে।

শব্দৰ ঝংকাৰৰ লগে লগে বাদ্যৰ ঝংকাৰ মিলি শ্ৰুতিমধুৰ হৈ উঠে আৰু প্ৰত্যেক পদআকৰ্ষণীয় হৈ মানুহৰ মন প্ৰাণ শীতল কৰে আৰু তাৰ লগে লগে সদভাৱ আৰু সদচিন্তাৰে উদ্বেলিত কৰি মন চিন্তাশীল কৰে। বাস্তৱতে তেওঁলোকৰ বাদ্য বাজনা আৰু সুৰৰ মিলন দেখিলে তেওঁলোকৰ প্ৰতিভা শক্তি যে কিমান বহল তাক ভাবিলেই বিস্ময় হ'ব লাগে।

মূল পাঠচোৱা ঃ

দুই মহাপুৰুষৰ ছন্দ আৰু সুৰবোধ

আমি নিজে ছন্দ-বিজ্ঞানত অজ্ঞান। কাব্যৰসত নিৰস। সেইদেখি আমি ছন্দ, সুৰ আৰু কাব্যৰ কথা

বিচাৰি নিজৰ মন-ভঁৰালত নেখেপিয়াওঁ; কাৰণ সি উদং। বাঁহীত শ্রীযুত সুৰেন্দ্রমোহন দাসৰ 'ছন্দ' বোলা তিনিটা প্রবন্ধ প্রকাশিত হৈছে। তেওঁ ফাঁকিচেৰেক কথাকে তাৰ পৰা আনি তলত তুলি দি আমাৰ এই প্রবন্ধৰ প্রস্তাৱনা কৰিলোঁ।

'কাব্যাদানত ছন্দবোৰ নানান তৰহৰ ফুল। ছন্দৰ নৃত্যলীলা আৰু সুৰ-বৈচিত্র্যই কাব্যৰ ৰসক আৰু ভাবৰ অনির্বচনীয়তাক, ৰসজ্ঞৰ অন্তৰত প্রকাশিত কৰে।"

"শ্রৱণ ইন্দ্রিয়ৰে আমি সৌন্দর্য অনুভৱ কৰোঁ, তাৰ ছন্দ বা তাল আৰু সুৰ।"

"অকল ছন্দই প্রাকৃতিক সকলো ধ্বনিকে মধুৰ কৰে। ছন্দবিহীন হ'লে সি মধুৰতাবিহীন হয়।"

"ছন্দ নহ'লে কবিতা হ'ব নোৱাৰে। সাহিত্যৰ মূল সঙ্গীত। ছন্দই সঙ্গীতক মধুৰ কৰি তোলে। ছন্দময় সাহিত্যকে কবিতা বুলিব পাৰি।"

"প্রাণৰ ভিতৰৰ এটা আবেগ যেতিয়া বিশ্বৰ মাধুৰীৰে মিলি যায়, তেতিয়া সিস ওলাই পৰে কবিতাৰে। তেতিয়া সি ছন্দৰ জালত ধৰা পৰে। কবিতা হ'লেই নহয়, তাত ছন্দ থাকিব লাগিব। ("কবিতাৰ বিশেষত্ব হচ্ছে তাৰ গতিশীলতা। শেষ হ'লেও শেষ হয়না। ছন্দোময় চলমানতাৰ মধ্যেই সত্যেৰ আনন্দৰূপ। আর্টে ছন্দে, গানে প্রকাশেৰে সেই আনন্দ মূর্তিছন্দেৰ দ্বাৰা ব্যক্ত হয়। -- ৰবীন্দ্রনাথ")

"স্বৰৰ নাইবা মাত্রাৰ সংখ্যা অনুযায়ী বর্ণৰ যি বিন্যাস তাকে সাধাৰণতে ছন্দ বোলে। যিফাঁকি কথাত লয় থাকে আৰু যাক ফুটাই পঢ়িলে শুনিবলৈ কাণত ভাল লাগে, তাক ছন্দ বোলা হয়। মানুহ মাত্রই গীতৰ সুৰৰ ভাল-বেয়া বুজিব পাৰে অকল লগত ওপজা ছন্দ-বোধৰ গুণত। দুটা বা সৰহ শব্দ কোনো এটা বিশেষ ক্রমত লেখিলে ছন্দ হয়। কবিতাৰ মূল বস্তু ছন্দ। বেলেগ বেলেগ ভাব আৰু

বিষয় ৰচিবলৈ বেলেগ ভাব আৰু বিষয় ৰচিবলৈ বেলেগ বেলেগ ছন্দৰ দৰ্কাৰ। ছন্দৰ কাম হৈছে, কবিতাৰ ভাব, ৰস, ৰসজ্ঞৰ মনত সুমাই দিয়া। ছন্দৰ ভিতৰত সুৰ, তাল, নাচ, সঙ্গীত, ভাব সকলো যেন লুকাই আছে।"

ওপৰৰ কথাবোৰ শ্ৰীযুত দাসৰ প্ৰবন্ধৰ পৰা তুলি দিয়াৰ পিছত অসমীয়া পাঠক-পাঠিকাসকলক ইয়াকে দেখুৱাব খুজিছোঁ, যে আমাৰ দেশৰ সাহিত্যৰ, বিশেষকৈ বৈষ্ণৱ ধৰ্ম-সাহিত্যৰ দুটি উচ্ছৃত শৃঙ্গ গৌৰীশঙ্কৰ আৰু কাঞ্চজংঘা-মহাপুৰুষৰ শ্ৰীশঙ্কৰ আৰু শ্ৰীমাধৱদেৱৰ কেনে প্ৰগাঢ় প্ৰচুৰ ছন্দবোধ আছিল, তেওঁলোকে চাই লওক। শ্ৰীশ্ৰীশঙ্কৰদেৱৰ ৰচিত গ্ৰন্থবোৰত, ঘাইকৈ কীৰ্ত্তনৰ পয়াৰ, ছবি, দুলড়ী, ঝুমৰি, ঝুনা, ইত্যাদি প্ৰচলিত ছন্দৰ বাহিৰেও কত বিভিন্ন ছন্দত তেওঁৰ কাব্য কুসুমমালা গ্ৰথিত হৈছে, এবাৰ মন কৰিলেই দেখি। কীৰ্ত্তনৰ কত ঘোষাত কত সুন্দৰ ছন্দ; যি ছন্দত সেইবোৰ গীত হৈ গায়ক আৰু শ্ৰোতাৰ কাণত অমৃত ঢালি দিব লাগিছে। যি সুৰ-লয়েৰে সেইবোৰ নিৰ্দোষকৈ গাব পাৰে সিয়েই তাৰ মধুৰতা উপভোগ কৰে। কীৰ্ত্তনৰ প্ৰথম ঘোষা --

(১) "জয় হৰি গোবিন্দ।
নাৰায়ণ ৰাম কেশৱ হৰি।
ৰাম ৰাম কেশৱ হৰি।।"

(২) যদুমণি যাদৱ।
যাদৱ, যাদৱানন্দ হৰি।।

(৩) মাধৱ ৰাম হৰি,
যাদৱ ৰাম হৰি।

(৪) কৰিও হৰিৰ চৰণে ৰতি।
কলিত হৰিৰ নামে গতি।।

(৫) জয় জগন্নাথ, অনাথ বন্ধু
মাধৱ মুকুন্দ ৰাম।

(৬) তাৰিয়া নিও নাথ নাৰায়ণ,

চৰণে শৰণ লৈলো।

(৭) হৰি বোল, হৰি বোল, আহে লোকাই
হৰি বিনে নাই গতি।

(৮) পুণ্ডৰীকাক্ষ, কৰা কৃপা অ' ৰাম,
কৰা দয়া কমললোচন।
নেৰো যেন অৰুণ চৰণ।

(৯) কৃষ্ণ যদুপতি।
ৰামে মোৰ গতি।

(১০) এ ৰাম হৰি নিৰঞ্জন।

(১১) ৰাম হৰি, ৰাম হৰি, গোপাল, গোপাল।

(১২) ও হৰি চৰণে লাগো শৰণ মাগো,
গোপাল গোবিন্দ।
ভৱসিন্ধু মাজে আৰু মজিলোঁ মাধৱ
সুমৰি নাময় নিন্দ।।

(১৩) ৰাম ৰাম ৰাম হৰি,
ৰাম ৰাম ৰাম।

এই (ৱ) ঘোষাৰ সুৰ ক্ষীৰ-সাগৰৰ মাজত থকা ত্রিকুট পর্বত, উপবন, সৰোবৰ আদি বর্ণনাৰে সৈতে কেনে সুন্দৰকৈ খাপ খায়।

(১৪) এ হৰি নাৰায়ণ!

হৰমোহনৰ মোহিনী ৰূপধাৰী কন্যাৰ ভটা খেলা কটাক্ষ-ছটা, লীলা গতি যেনে ---

"উর্দ্ধক ক্ষেপন্ত ভটা, কৰন্ত কটাক্ষ ছটা,
লীলাগতি দেখাই ফুৰে পাক,
সোলকে উচ্ছল খোপা, খসে পাৰিজাত থোপা
বাম হাতে সম্বৰন্ত তাক।"

ইত্যাদি বর্ণনাৰ সৈতে এই ঘোষাৰ ছন্দৰ সুৰেৰে সৈতে কি সুন্দৰ সামঞ্জস্য সহায়েৰে সেই কন্যাৰ বিনন্দীয়া অভিনয়, যেন গায়ক-পাঠকে চকুৰ আগতে দেখিছে আৰু কাণেৰে শুনিছে।

(১৫) "হে কৰণাময়! ৰাম কৃষ্ণ প্রভু ৰঘুপতি।"

এই ঘোষাৰ ছন্দ আৰু সুৰত যশোদাৰ দধি-মথন চিত্ৰ যেন সজীৱ হৈ উঠিছে।

(১৬) "ৰাম হোপাল হৰি কৃষ্ণ,
গোবিন্দ হৰি।"

শিশু কৃষ্ণৰ কঁকালত বন্ধা উড়াল লাগি দোজোপা অর্জুন গছ ভগাৰ শব্দকো এই ঘোষাৰ সুৰে শুনাই দিয়ে---

"অর্জ্জুনত লাগি ভৈল উড়ল পথালি।
কঙ্কাল ফান্দিয়া বল দিয়া বনমালী।
কাম্পে দুয়ো গোটা বৃক্ষ উড়খল লাগি।
উভতি পৰিল মচ মচ কৰি ভাগি।"

(১৭) 'বন্দো মন্দৰধাৰী।
গতি মতি মোৰ মুৰাৰি।।'

এই ঘোষাৰ সুৰত বিৰহিনী গোপীসকলে কৃষ্ণ বিৰহত কৃষ্ণক চিন্তোতে চিন্তোতে নিজে কৃষ্ণময় হৈ অভিনয় কৰাটো চকুৰ আগত হানি আনি ধৰে।

(১৮) "হেৰা পাইলোঁ পাইলোঁ ৰে।
প্রাণ ধন মুকুন্দ মুৰাৰি।
দিলা দেখা দামোদৰ জীৱন হামাৰি।।"

হেৰোৱা কৃষ্ণৰ পুনৰ আৱির্ভাবত আনন্দ আপ্লুত গোপীসকলৰ গদগদ ধ্বনি এই ঘোষাৰ সুৰে শুনায়। এইদৰে প্রত্যেকটো ঘোষাৰ সুৰ আৰু ছন্দৰ বিতোপন সামঞ্জস্য কীর্তন-ঘোষাত বিদ্যমান। অবান্তৰ হ'লেও এইখিনিতে এটা ঘটনাৰ উল্লেখ কৰোঁ।

আজি এবছৰমান হ'ল সম্বলপুৰলৈ এজন বঙালী ভদ্রলোক আহিছিল। তেওঁ এম-এ, বি-এল আৰু আগেয়ে ভাগলপুৰত গৱর্ণমেণ্ট উকীল আছিল। কিছুমান বছৰৰ আগতে তেওঁ সেই কাম কৰি অৱসৰ গ্রহণ কৰিলে। অৱসৰৰ কালডোখৰত তেওঁ ধর্মাশাস্ত্রালোচনা কৰি আৰু বিশেষকৈ শ্রীমদ্ভাগৱত পঢ়ি কটাইছিল। দ্বাদশস্কন্ধ সংস্কৃত

শ্রীমদ্ভাগৱত -- বিশেষকৈ তাৰ দশমস্কন্ধৰ শ্লোকবোৰ তেওঁৰ জিভাৰ আগত মানুহজন কৃষ্ণভক্ত আৰু সাধু প্রকৃতিৰ । তেওঁ তিনিদিন কি চাৰিদিন সম্বলপুৰৰ এঠাইত শ্রীমদ্ভাগৱত পাঠ আৰু ব্যাখ্যা কৰিছিল। সেই ব্যাখা শুনিবলৈ ময়ো দুদিন গৈছিলোঁ; তাতে তেওঁৰ সৈতে মোৰ আলাপ-পৰিচয় হয়। তেওঁ সম্বলপুৰ এৰি যোৱাৰ আগদিনা মোৰে সৈতে সাক্ষাৎ কৰিবলৈ মোৰ ঘৰলৈ আহিলত কথাই কথাই শ্রীমদ্ভাগৱত বর্ণিত ৰাসলীলাৰ কথা ওলাল। তেওঁ অনর্গল শ্লোক মাতি যাবলৈ ধৰিলে। মোৰ আগতে মোৰ মেজত 'কীর্ত্তন-ঘোষা' এখন আছিল, মই সেইখন মেলি লৈ তেওঁ মতা শ্লোক একোটাৰ পাছে পাছে একোটা পদ পঢ়ি যাবলৈ ধৰিলোঁ। তেওঁ অবাক হৈ সুধিলে, এই পদ কাৰ দ্বাৰাই ৰচিত। আৰু কিতাপখন মোৰ হাতৰ পৰা নি তেওঁ ভালকৈ পঢ়িবলৈ ধৰিলে। মই আমাৰ শ্রীশঙ্কৰদেৱৰ বুলি কৈ শ্রীশঙ্কৰদেৱৰ বিষয়ে দুই-এটা কথা তেওঁক ক'লোঁ। তেওঁ মোক ক'লে যে তেওঁ অনেক দেশত, অনেক ঠাইত শ্রীমদ্ভাগৱতৰ, বিশেকৈ দশমস্কন্ধৰ ৰাসলীলাৰ পদ্য অনুবাদ দেখিছে, কিন্তু এনেকুৱা true অথচ সুললিত সুশ্রাব্য অনুবাদ তেওঁ ক'তো দেখা নাই। তেওঁৰ বঙ্গদেশততো এনে অনুবাদ নায়েই, ভাৰতৰ আন কোনো ঠাইতো নাই বুলি তেওঁৰ ধাৰণা হৈছে। ৰাসলীলাৰ যি অনুবাদ কৰিব পাৰে, সেইজন যে মহাপুৰুষ তাত তেওঁৰ সন্দেহ নাই। কোৱা বাহুল্য যে শ্রীশঙ্কৰদেৱৰ বিষয়ে ইয়াৰ আগেয়ে তেওঁ একো নাজানিছিল আৰু ময়ো বিশেষকৈ একো কোৱা নাছিলোঁ। 'হেৰা পাইলোঁ পাইলোঁ ৰে, প্রাণধন মুকুন্দ মুৰাৰি' এই অধ্যায়ৰ পদবোৰ মই পঢ়িছিলোঁ। তেওঁ কৈছিল যে পদবোৰ 'ideal translation'।

যাওক, কীর্ত্তনৰ আৰু ঘোষা তুলি আমি আমাৰ কথা নবহলাওঁ। মাথোন ইয়াকে কওঁ যে

প্ৰায় প্ৰত্যেকটি ঘোষাৰ সুৰ আৰু ছন্দ সুকীয়া; অৱশ্যে সেই সুৰ নিশিকিলে সেই ঘোষা নিৰ্ভুলকৈ গাব নোৱাৰি।

শ্ৰীমাধৱদেৱৰ ঘোষাত অতুলনীয় সুৰ আৰু ছন্দৰ ঝঙ্কাৰ। তাক নিশিকা নজনাৰ পক্ষে সি অৱশ্যে প্ৰাণহীন। ঘোষাত তেওঁৰ ব্যৱহৃত ছবি, দুলড়ী, লেচাৰি ইত্যাদি প্ৰচলিত ছন্দ আৰু সুৰৰ কথা এৰি দিও দেখিবলৈ পোৱা যায় যে তেওঁৰ ঘোষাছন্দ আৰু নামছন্দ বিভিন্ন সুৰ আৰু ছন্দৰ মৌচাক বিশেষ। প্ৰায় প্ৰত্যেকটোৰে একোটি সুকীয়া ছন্দ আৰু সুৰ, অথচ কি মৰ্মস্পৰ্শী আৰু তাত কি তাল-লয়ৰ সমাবেশ। অৱশ্যে ভক্ত গায়কৰ মুখতহে; অজ্ঞৰ মুখত সি শব্দসমষ্টি মাথোন। অৰ্থাৎ সেইবোৰ ভক্তৰ মুখত সুললিত সুমধুৰ নাম, অভক্তৰ মুখত 'নাম নহয়, কোদোৰ বাহ।'

ঘোষাছন্দত প্ৰথমতে শৰণৰ ঘোষা ---

"যাদৱ যদুনন্দন, মাধৱ মধুসূদন
তুমি নিত্য নিৰঞ্জন নাৰায়ণ তোমাত লৈলো শৰণ।।"

তাৰ পিছতে আন ছন্দ আন সুৰৰ ---

"ইবাৰ কৰুণাময় হৰি কমলাপতি
মোৰে নাছাড়িবা নাৰায়ণ।
অৰুণ চৰণ তলে হৰি কমলাপতি,
সত্যে সত্যে পশিলেঁআ শৰণ।।"

তাৰ পিছতে আৰু আন সুৰ, আন ছন্দ --

"হৰি চৰণত শৰণ লৈলোঁ এ হৰি নাৰায়ণ
মানৱী জনম সফল কৈলোঁ এ হৰিনাৰায়ণ।

তাৰ পিছতে ভিন্ন ছন্দ ভিন্ন সুৰ ---

"গোপাল গোবিন্দ যদুনন্দন।
কৃষ্ণৰ চৰণে লৈলোঁ শৰণ।।"

আকৌ আন ---

"ৰাঘৱৰ অভয় চৰণে।

সত্যে সত্যে পশিলেঁআ শৰণে।।"

অথচ এটি সুৰ এটি ছন্দৰ পৰা তাৰ পাছৰটিলৈ যাওঁতে উজুটি খোৱাতো দূৰৰ কথা ঠিক, যেন নদীৰ কল্লোল-প্রবাহত গায়ক-পাঠক উটিহে গৈছে।

ভজনটো তেনেকুৱাই বিভিন্ন সুৰ আৰু ছন্দৰ সমাবেশ অথচ সম্পূর্ণ । আগৰ পৰা গুৰিলৈকে ঘোষাছন্দ খণ্ড এনেকুৱা।

খেদ পৰিচ্ছেদত ----

"তুমি শুদ্ধ বুদ্ধ নিত্য নির্ম্মল নির্গুণ দেৱ,
মোৰ প্রভু নাৰায়ণ এ।
স্বৰূপ আনন্দে সদা সুখী।
হৰি হৰি তুমি নিৰানন্দে সদা সুখী।
মই মূঢ়মতি ঘোৰ অবিদ্যা সাগৰে মজি,
মোৰ প্রভু নাৰায়ণ এ।
তোমাক নাজানি ভৈলো দুঃখী।
হৰি হৰি স্বৰূপ নাজানি ভৈলো দুঃখী হৰি এ।"

.....

ইবেলি কৰুণাময় তোমাৰ কিঙ্কৰ ভৈলোঁ,
দীনবন্ধু দামোদৰ এ,
হৰি হৰি ৰতি মোৰ ৰহোক তোমাত।
প্রাণবন্ধু চৰণত কৰো প্রণিপাত।।

-এইদৰে খেদ কৰি কৰি হঠাৎ ভক্ত কবিয়ে আন এনে এটি ছন্দ আৰু সুৰেৰে কাকূতি-স্তুতি কৰিলে, যে সেই ছন্দ আৰু সুৰ ভগৱদ্ভক্তি মথিত তেওঁৰ হৃদয়ৰ গদগদ ভাব কেনেকৈ প্রকাশ কৰিলে চোৱাঁ--

"মাধৱ মুকুন্দ মুৰাৰি!
কি গতি হইল আমাৰ!
মায়াৰ ৰচনা আশা-নদী মজে
মজিয়া নাপাইলো পাৰ!"

ঘোষাৰ নামছন্দত এনেকুৱা। প্রসঙ্গৰ

আৰম্ভৰ নাম-ঘোষা

"কৃষ্ণ ৰাম কৃষ্ণ ৰাম।।
কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম।।"

কি গম্ভীৰ সুৰ আৰু ছন্দত ওপৰৰ এই দুফাঁকি উচ্চাৰিত হয়। নাম-লগাওঁতা ভক্তই যেতিয়া এইদৰে এই ঘোষা দুফাঁকি উচ্চাৰণ কৰি প্ৰসঙ্গ আৰম্ভ কৰে, তেতিয়া তাৰ সুৰ আৰু ছন্দৰ গুণত এনে মনত হয়, যেন সেই নাম ভক্তৰ নাভি-কমলৰ পৰা উদ্ভূত হৈ ষটচক্ৰ ভেদ কৰি উঠিছে। যেন প্ৰকৃত সুৰ আৰু ছন্দত বেদমন্ত্ৰহে গীত হৈছে।

এই নাম মন্ত্ৰেৰে প্ৰসঙ্গৰ প্ৰাণ প্ৰতিষ্ঠা কৰি, তাৰ পিছত ---

"কৃষ্ণ হৰি ৰাম হৰি ৰাম ৰাম।
অনন্ত অচ্যুত সনাতন নাৰায়ণ প্ৰাণ।।"

এই দুফাঁকি নামৰ ঝঙ্কাৰে প্ৰসঙ্গস্থল কম্পিত কৰি ভক্তৰ প্ৰাণ সচ্চিদানন্দৰ প্ৰেমৰ ৰসেৰে আন্দোলিত কৰি দিয়ে; যেন কীৰ্ত্তনৰ প্ৰেম-মন্দাকিনী স্বৰ্গৰ পৰা কল্লোল কৰি মৰ্ত্যলৈ নামি আহিছে। যেনে---

বৈকুণ্ঠ প্ৰকাশে হৰিনাম ৰসে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলে,
বহে ব্ৰহ্মাণ্ডক ভেদি।।"

এই ঘোষাই মূৰ্তি ধৰি প্ৰসঙ্গস্থলত উপস্থিত হয়; তাৰ পিছত ---

গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ,
গোবিন্দ ৰাম মুৰাৰি।
অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী।।

এই ঘোষাই গীত হৈ অনন্ত কোটি ব্ৰহ্মাণ্ডৰ পতি বিশ্বপিতাৰ মহিমাৰে ভক্তৰ মন বিস্ময় বিমিশ্ৰিত ভক্তি ৰসপূৰ্ণ কৰি দিয়ে।

এই ঘোষাত সেই মহান শ্লোকৰ ভাবৰ সমাবেশ --

"একোপ্যসো ৰচোয়িতুং জগদণ্ড কোটিং
গোবিন্দমাদি পুৰুষং তহমাং ভন্দামি।।"

অর্থাৎ সেই আদি পুৰুষ গোবিন্দক ভজনা কৰোঁ যি কোটি কোটি ব্রহ্মাণ্ড ৰচনা কৰিছে। শ্রীমদ্ভাগৱতৰ তৃতীয় স্কন্ধৰ একাদশ অধ্যায়ৰ ৪১ শ্লোকতো ইয়াকেই কৈছে --

"লক্ষ্যন্তেহস্তর্গতাশ্চান্যে
কোটিশোহ্যণ্ডৰাশয়ঃ।"

অর্থাৎ বিশ্বৰ ভিতৰত কোটি কোটি ব্রহ্মাণ্ডৰাশি লক্ষিত হৈছে।

এনে ঘোষা, এনে কীর্ত্তন দুইজনা মহাপুৰুষে ৰচনা কৰি, প্রচাৰ কৰি, গাই অসমৰ আবাল বৃদ্ধ-বনিতা আর্য-অনার্য আৰু অচণ্ডাল পর্যন্ত সকলোকে ভগৱন্তক ভজনা কৰি ভব-সংসাৰ তৰিবৰ উপায় কৰি দি গৈছে। আমাৰ কি মহাভাগ্য যে আমি এনেখন অসম দেশত জন্মগ্রহণ কৰিবলৈ পালোঁ। আহাঁ আমি সাধক ভক্তৰে সৈতে সুৰ মিলাই এইখিনিতে গাওঁ---

"মহা সিংহাসনে বসে শুনিছ হে বিশ্বপতি।
তোমাৰ ৰচিত ছন্দ মহাবিশ্বেৰ গীত।।"

(ব্রহ্মসঙ্গীত)

---

* বাঁহী ঃ ১৮শ বছৰ, ৭ম সংখ্যা, কাতি, ১৮৭১ শক

৪.৩.১ পাঠৰ চমু আলোচনা

শঙ্কৰদেৱ মাধৱদেৱ আছিল অসমীয়া সাহিত্যৰ সমৃদ্ধি সাধনৰ অন্যতম কাণ্ডাৰী। মধ্যযুগত অসমীয়া কাব্য, নাটক আৰু গীতৰ ৰচনাৰে তেওঁলোকে অসমীয়া সাহিত্যক সমৃদ্ধি কৰিছিল। তেওঁলোকৰ সাহিত্যই অসমীয়া ভাষাক চহকী কৰাৰ লগে লগে মানুহৰ মনত ভক্তি আৰু আদর্শৰ বীজ ৰোপন কৰিছিল। দুয়োগৰাকী কবিয়ে মানৱ মনৰ অফুৰন্ত ভাৱনাৰাশিক নিজৰ জাতি আৰু দেশৰ মঙ্গলৰ অর্থে সাহিত্যৰ

মাধ্যমেদি প্ৰকাশ কৰিছিল।

শঙ্কৰদেৱ-মাধৱদেৱে বিভিন্ন পু�ৰাণ-উপনিষদত সন্নিৱিষ্ট কাহিনীসমূহ অসমীয়া ভাষালৈ ভাঙনি কৰি নিৰক্ষৰ অসমীয়া জনসাধাৰণক ধৰ্মীয় আৰু নৈতিক শিক্ষা প্ৰদান কৰিছিল। মধ্যযুগত নানা দেৱ-দেৱীৰ জটিল আৰু ব্যয়বহুল বিধিৰে পালিত হোৱা পূজা-উপাসনাৰ ঠাইত বিশুদ্ধ হৰিনাম ধৰ্মৰ পৱিত্ৰ ভক্তি পন্থাৰ মাধ্যমেদি মুক্তিৰ পথ প্ৰদৰ্শন কৰাত মহাপুৰুষ দুগৰাকীৰ ভূমিকা আছিল যথেষ্ট।

তেওঁলোকে বিভিন্ন গীত আৰু কবিতাৰ মাধ্যমেদি নৱবৈষ্ণৱ ভক্তিধৰ্মৰ মূলতত্ত্বসমূহৰ মাহাত্ম্য ঘোষণাৰে হৰিভক্তিৰ প্ৰতি আকৰ্ষিত কৰিছিল। "তত্ত্বৰ নাইবা মাত্ৰাৰ অংশ অনুযায়ী যি বিন্যাস আছে তাকে সাধাৰণতে ছন্দ বোলে। যি ফাঁকি কথাত লয় থাকে আৰু যাক ফুটাই পঢ়িলে শুনিবলৈ কাণত ভাল লাগে, তাক ছন্দ বোলে। মানুহ মাত্ৰেই গীতৰ সুৰ, ভাল-বেয়া বুজিব পাৰে অকল লগত ওপজা ছন্দবোধৰ গুণত। দুটা বা সহজ শব্দ কোনো এটা বিশেষ ক্ৰমত লিখিলে ছন্দ হয়।" কবিতাৰ বাবে ছবি, দুলড়ি, পদ, পয়াৰ, ঝুমুৰী, ত্ৰিপদী, লেছাৰি ইত্যাদি বিবিধ ছন্দৰ সৃষ্টি কৰাৰ লগে লগে বৰগীত, টোটয়, ভটিমা আদিৰ যোগেদি ভালেমান বৈশিষ্ট্যপূৰ্ণ সাঙ্গীতিক সুষমাৰ সৃষ্টি কৰিছিল। শঙ্কৰদেৱ-মাধৱদেৱে নামঘৰ আৰু সত্ৰৰ সৃষ্টি কৰি অসমবাসীক এক সুসংস্কৃত মেৰপাকৰ জীৱন-যাপনৰ কাৰণে উৎসাহিত কৰিছিল।

মধ্যযুগৰ ধৰ্মান্ধতাৰ মাজৰ পৰা তেওঁলোকক মুক্ত কৰি সৎপথলৈ নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। শঙ্কৰ-মাধৱে মানৱ জীৱনৰ চৰম উৎকৰ্ষ সাধনৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰিছিল। শঙ্কৰ-মাধৱৰ সাহিত্যত যি সাৰ্বজনীন আবেদন সন্নিৱিষ্ট হৈ আছে, তাৰ বাবেই অসমত তেওঁলোকৰ কাব্যৰ সুললিত সুৰে প্ৰতিগৰাকী অসমীয়াক অনাবিল আনন্দ প্ৰদান কৰিছে। অসমীয়াই প্ৰতি মুহূৰ্ততে তেওঁলোকৰ গীত-পদ আওৰাই নিজৰ ভক্তিভাৱৰ পৰিচয় প্ৰদান কৰিছে। নিৰক্ষৰ জনসাধাৰণেও শঙ্কৰ-মাধৱৰ গীতত তৃপ্তি পায়, পৰম আনন্দ লাভ কৰে। *কীৰ্তন পুথিত* এনে বহু নিদৰ্শন পোৱা যায়।

ক) জয় হৰি গোবিন্দ/নাৰায়ণ ৰাম কেশৱ হৰি।
ৰাম নাম কেশৱ হৰি।।

খ) যদুমনি যাদৱ / যাদৱ, যাদৱানন্দ হৰি।।

গ) মাধৱ ৰাম হৰি/যাদৱ ৰাম হৰি।

ঘ) কৰিও হৰিৰ চৰণে ৰতি। সলিত হৰিৰ নামেসে গতি।
আকৌ নামঘোষাত—

ক) ইবাৰ কৰুণাময় হৰি কমলাপতি।
মোৰে নছাৰিবা নাৰায়ণ।

অৰুণ চৰণ তলে হৰি কমলাপতি
সত্যে সত্যে পশিলো শৰণ।।
খ) গোপাল গোবিন্দ যদুনন্দন
কৃষ্ণৰ চৰণে লৈলো শৰণ।।

৪.৩.২ পাঠৰ আলোচনাত প্ৰকাশ পোৱা বেজবৰুৱাৰ সূক্ষ্মদৰ্শী বিশ্লেষণ ক্ষমতা

বেজবৰুৱাই শঙ্কৰদেৱ আৰু মাধৱদেৱক অসমীয়া সাহিত্যৰ মহাৰথী আখ্যা দিছে। শঙ্কৰ-মাধৱৰ লেখনিয়ে অসমীয়া কাব্য সাহিত্যক সমৃদ্ধ কৰিছিল। তেওঁলোকৰ সাহিত্যই অসমীয়া ভাষা ফুলনিক ফুলে পাতে সকলো দিশতেই ৰমক-জমক কৰি তুলিছে।

শঙ্কৰদেৱৰ সাহিত্যই অসমীয়া সাহিত্য ফুলনিক চিৰকাল সুজলা, সুফলা আদি কৰা বুলি বেজবৰুৱাই উল্লেখ কৰিছে। সেইবাবেই শঙ্কৰ-মাধৱৰ সাহিত্যৰ অসমত আদৰ আছে। অসমৰ ঘৰে ঘৰে শঙ্কৰ মাধৱৰ *কীৰ্ত্তন-নামঘোষা, দশম-ৰত্নাৱলী*য়ে ঠাই পাইছে। অসমীয়া মানুহে যুগে-যুগে প্ৰতিমুহূৰ্ততে শঙ্কৰ মাধৱৰ ৰগীত, *কীৰ্ত্তন, দশমৰ* স্মৰণ কৰি আনন্দ লভে।

বেজবৰুৱাই শঙ্কৰ-মাধৱৰ সাহিত্যৰাজিয়ে অসমীয়াৰ মন-মগজু কেনেদৰে আচ্ছন্ন কৰি ৰাখিছে, কৃষ্ণ ভক্তিৰ অমৃতময় প্ৰেমত মজি মানুহে কেনে ধৰণৰ তৃপ্তি লাভ কৰিছে, সেইবিষয়ে বৰ্ণনা দাঙি ধৰিছে। শঙ্কৰ মাধৱ সকলো দিশতে অসমীয়াৰ আৰ্হি, অসমীয়াৰ আদৰ্শ, অসমীয়াৰ নামঘৰত তেওঁলোকৰ কবিতাৰ ঝংকাৰ উঠিছে। দেৱ আৰু পিতৃকাৰ্যত তেওঁলোকৰ কাব্যৰ সুললিত সুৰ মিশ্ৰিত হৈ অপাৰ্থিব শান্তি প্ৰদান কৰে। মেলে দৰবাৰে তেওঁলোকৰ দৃষ্টান্ত, তেওঁলোকৰ ফঁকৰা আপদ, সম্পদ, আনন্দে, বিষাদে সকলো কথাতে তেওঁলোকৰ পদ অসমীয়াই আওৰায়। তেওঁলোকৰ পদৰ অমিয়া সুৰে তেওঁলোকৰ ভাবনাত গভীৰভাৱে ঠাই পাইছে। নিৰক্ষৰ জনসাধাৰণৰ ওপৰতো কেনেদৰে শঙ্কৰ-মাধৱৰ ৰচনাই প্ৰভাৱ বিস্তাৰ কৰিছিল, সেইকথা সূক্ষ্মদৰ্শী বেজবৰুৱাই গভীৰভাৱে অনুধাৱন কৰিছে আৰু প্ৰবন্ধত উল্লেখ কৰিছে। বেজবৰুৱাৰ ভাষাত— 'মাধৱদেৱৰ ঘোষাত অতুলনীয় সুৰ আৰু ছন্দৰ ঝংকাৰ। তাক নিশিকা নজনাৰ পক্ষে যি অৱশ্যে প্ৰাণহীন। ঘোষাত তেওঁৰ ব্যৱহৃত ছবি, দুলড়ি, লেছাৰি ইত্যাদি প্ৰচলিত ছন্দ আৰু সুৰৰ কথা এৰি দিও দেখিবলৈ পোৱা যায় যে তেওঁৰ ঘোষা ছন্দ আৰু নামছন্দ বিভিন্ন সুৰ আৰু ছন্দৰ মৌচাক বিশেষ। প্ৰায় প্ৰত্যেকটোৰ একোটি সুকীয়া তাল লয়ৰ সমাবেশ।'

৪.৩.৩ শংকৰী সাহিত্যৰ আলোচক হিচাপে বেজবৰুৱা

লক্ষ্মীনাথ বেজবৰুৱাই শঙ্কৰদেৱ-মাধৱদেৱ সম্পৰ্কীয় ভালেসংখ্যক সাহিত্য ৰচনা কৰিছিল। তাৰ ভিতৰত প্ৰথমে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত '*শ্ৰীশ্ৰীশঙ্কৰদেৱ*' শীৰ্ষক জীৱনীমূলক ৰচনাৰ উল্লেখ কৰিব পাৰি। 'বেজবৰুৱাই বিভিন্ন চৰিতপুথি অধ্যয়ন কৰি শঙ্কৰদেৱৰ জীৱনী প্ৰস্তুত কৰি উলিয়াইছিল। *গুৰুচৰিত* শঙ্কৰবংশীয় ভক্তসকলৰ বিষয়ে যিবোৰ কথা লিখা আছে, তাৰ আধাৰত তেওঁ ইতিহাসৰ বিভিন্ন দিশ পৰ্যবেক্ষণ কৰি এটা সিদ্ধান্তত উপনীত হোৱাৰ প্ৰয়াস কৰিছিল। তেওঁৰ ৰচনাৱলীৰ লগে লগে বিভিন্ন চৰিতপুথি, বুৰঞ্জী আদিৰ আধাৰত তেওঁ শঙ্কৰদেৱৰ জীৱনী প্ৰস্তুত কৰিছিল।


'*মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ*' গ্ৰন্থত দুয়োগৰাকী মহাপুৰুষৰ সুদীৰ্ঘ জীৱনৰ ঘটনা আৰু কাৰ্যাৱলীৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে বেজবৰুৱাই শঙ্কৰদেৱ আৰু মাধৱদেৱক কেনেদৰে বুজিছিল, ঠিক তেনেদৰে অঙ্কন কৰিবলৈ প্ৰয়াস কৰিছিল। মহাপুৰুষ দুগৰাকীৰ জীৱনী প্ৰস্তুত কৰিবৰ কাৰণে তেওঁ চৰিতপুথিসমূহ বিস্তৃতভাৱে অধ্যয়ন কৰাৰ উপৰিও মহাপুৰুষীয়া সত্ৰৰ সন্ত-সাধুসকলৰ মুখে-মুখে প্ৰচলিত হৈ অহা কথাবোৰ আৰু লগতে তেওঁৰ পিতৃ দীননাথ বেজবৰুৱাৰ মুখে শুনা কিছু কথাও গ্ৰন্থৰ অন্তৰ্ভূক্ত কৰিছে। লেখকে পূৰ্বাপৰ প্ৰচলিত আৰু সাধুসকলৰ গ্ৰহনীয় কথাসমূহক ইয়াত স্থান দিছে। তেনেদৰে কোনো সত্যও গোপন কৰাৰ হাবিয়াস তেওঁৰ ৰচনাত দেখা নাযায়।

বেজবৰুৱাই আটাইকেইগৰাকী মহাপুৰুষৰ ৰচনা অধ্যয়ন কৰি তেওঁলোকৰ ধৰ্ম, কৰ্ম, নীতি, আদৰ্শ আদিৰ বিষয়ে আলোচনা দাঙি ধৰিছে। শঙ্কৰদেৱৰ ন্যায়নিষ্ঠা স্বধৰ্মত মতি আদিৰ বিষয়ে তেওঁৰ পুঙ্খানুপুঙ্খ ৰূপত আলোচনা দাঙি ধৰিছে।

তেওঁ উল্লেখ কৰিছে যে মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে অজ্ঞান আন্ধাৰত পৰি থকা লক্ষ লক্ষ জীৱক মানৱী জীৱনৰ সাৰ্থকতাৰ বাট দেখুৱাই মুক্তিৰ পথ প্ৰশান্ত কৰি দিছিল। পৰকালত অভীষ্ট বস্তু ঈশ্বৰক পোৱাৰ আনন্দৰ অধিকাৰী কৰিছিল। বিভিন্ন পু�ৰাণ, শ্ৰুতি, মূৰ্তি, দৰ্শন, নাট, ভটিমা আদি আদিৰ মাধ্যমেদি অসমীয়া জনসাধাৰণক প্ৰকৃত সত্যৰ সন্ধান দিয়া লগতে জীৱনৰ প্ৰকৃত মুক্তিৰ পথ দেখুৱাইছিল।

বেজবৰুৱাৰ দৃষ্টিত শঙ্কৰ-মাধৱ আমাৰ গুৰু। তেওঁলোকে যি অমৃতৰ ভাণ্ড অসমীয়া জাতিক প্ৰদান কৰি গ'ল যি অক্ষয়, অব্যয়। মাধৱদেৱে সেয়ে তেওঁক পৰম 'কৃপালু' বুলি অভিহিত কৰিছে। দুয়োগৰাকী মহাপুৰুষ অসমীয়াৰ পথ-প্ৰদৰ্শক মহান গুৰু। বেজবৰুৱাই শঙ্কৰ-মাধৱক সত্ৰৰ চাৰিবেৰৰ মাজৰ পৰা উদ্ধাৰ কৰি তেওঁলোকৰ সাহিত্যৰ মধু পাণ কৰাৰ লগতে অসমবাসীকো তাৰ ৰস উপলব্ধি কৰালে। শংকৰী

সাহিত্যৰ ৰস, ছন্দ আদি কাব্যিক দিশৰ পৰা আৰম্ভ কৰি ধর্মীয় দর্শন তত্ত্ব আৰু জাতীয় জীৱনত তাৰ গভীৰ প্রভাৱৰ বিষয়ে বেজবৰুৱাৰ তত্ত্বদর্শী চিন্তাৰ তুলনা অসমীয়া সাহিত্যত বিৰল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ন ং ১ ঃ শংকৰী সাহিত্যৰ অধ্যেতা আৰু ৰচক হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ মূল্যায়ন কৰক। (১৫০ শব্দৰ ভিতৰত)

.....



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শঙ্কৰদেৱ আৰু মাধৱদেৱ অসমীয়া সাহিত্যৰ দুগৰাকী যুগদ্রষ্টা মহাপুৰুষ।
- শঙ্কৰ-মাধৱৰ গীতে-মাতেই অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে।
- দুয়োৰে সুললিত সুৰত ৰচিত গীতসমূহ অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। *কীর্ত্তন-ঘোষা আৰু নামঘোষা* অসমীয়া ভক্তি সাহিত্যৰ ছন্দোময়, সুৰময় প্রকাশ।
- মহাপুৰুষৰ বৰগীত, ভটিমা আদিৰ সুৰে অসমীয়া মানুহক নতুন সুৰ দিছে। সেই সুৰ হৃদয়ৰ সুৰ, প্রাণৰ সুৰ।
- মহাপুৰুষ দুজনৰ দ্বাৰা ৰচিত কাব্য আৰু গীতত বিবিধ ছন্দত সমাহাৰ লক্ষ্য কৰা যায়। ছবি দুলড়ি, ত্রিপদী পদ, পয়াৰ, ঝুমুৰী, লেছাৰী আদিৰ মধুৰ সমাবেশ মনকৰিবলগীয়া।
- উভয়ৰে কাব্যত মানৱ অন্তৰত কোমল ভাবনাৰাশি প্রকাশ পাইছে।
- তেওঁলোকৰ সাহিত্যই সাধাৰণ মানুহক পৰম ব্রহ্মৰ কায চাপিবলৈ অনুপ্রাণিত কৰিছিল।
- তেওঁলোকৰ কার্যই পুৰণি আৰু নতুনৰ মাজত সমন্বয় সাধন কৰিছো।
- ধর্ম, ভাষা, সমাজৰ সংস্কাৰত তেওঁলোকৰ ৰচনাৰ প্রভাৱ যথেষ্ট।
- সমাজ সংস্কাৰত তেওঁলোকৰ ভাবধাৰাই বিশেষ প্রভাৱ বিস্তাৰ কৰে।



৪.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1. বৰঠাকুৰ, সত্যকাম, ভট্টাচার্য, অজয় কুমাৰ (সম্পা ঃ) (২০০৫); বেজবৰুৱা-সমগ্ৰ, পঞ্চম, ষষ্ঠ আৰু অষ্টম খণ্ড; যোৰহাট ঃ প্ৰেমানন্দ ন্যাস।

ইংৰাজী গ্ৰন্থ ঃ

1. Baruah, Birirchi Kumar (1978)% Sankardeva : Vaisnavite Saint of Assam, New Delhi : Sahitya Akademi
2. Kakati, Banikanta (1959)% Aspects of Early Assamese Literature ; Guwahati : Guwahati University.
3. Neog, Maheswar (1965); Sankardeva and His Times; Guwahati : Guwahati University
4. Sarma, S.N. (1966) ; The New Vaisnavite Movement and the Satra Institute of Assam; Guwahati : Guwahati University



৪.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ ৪.৩.২ আৰু ৪.৩.৩ উপশাখাৰ আধাৰত এই বিশ্লেষণধর্মী উত্তৰটো লিখিব লাগিব।



৪.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ শংকৰদেৱ-মাধৱদেৱৰ ছন্দ আৰু ৰসবোধ সম্পর্কে লিখক।

প্ৰশ্ন ২ ঃ শংকৰদেৱ মাধৱদেৱৰ সুৰবোধ সম্পর্কে লিখক।

*** ***** ***

অধ্যায় ৫ ঃ হাস্যৰসিক বেজবৰুৱা (নির্বাচিত পাঠ- *অসমীয়া জাতি ডাঙৰ জাতি, কঁকালৰ বিষ ভাল কৰিবৰ উপায়)*

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ মূল পাঠ

৫.৩.১ *অসমীয়া জাতি ডাঙৰ জাতি*

৫.৩.২ *কঁকালৰ বিষ ভাল কৰিবৰ উপায়*

৫.৪ মূল পাঠৰ বিষয়বস্তুৰ আলোচনা

৫.৫ পাঠ দুটাৰ গদ্যশৈলীৰ সাধাৰণ আলোচনা

৫.৬ হাস্য-ব্যঙ্গৰ মাজেদি ভূমুকি মৰা সমাজ-সংস্কাৰকজন

৫.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান(কেৱল ৰূপৰেখা)

৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিষয়বস্তুৰ সৈতে পৰিচয় হ'ব *অসমীয়া জাতি ডাঙৰ জাতি* আৰু *কঁকালৰ বিষ ভাল কৰিবৰ উপায়*
- অধ্যায়টি অধ্যয়ন কৰি আপুনি লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যঙ্গসাহিত্যৰ স্বৰূপ উপলব্ধি কৰিব পাৰিব
- বেজবৰুৱাৰ ব্যঙ্গসাহিত্যৰ গদ্যশৈলীৰ বৈশিষ্ট্যসমূহ জানিব পাৰিব
- বেজবৰুৱাৰ হাস্যৰসাত্মক সাহিত্যৰ মাজেৰে প্রকাশিত সামাজিক চিন্তা, সমালোচনাত্মক দৃষ্টি সম্পর্কে অৱগত হ'ব।

৫.২ পৰিচয়

'বিশেষ সাহিত্যিক' খণ্ডৰ 'লক্ষ্মীনাথ বেজবৰুৱা'ৰ অন্তর্গত পাঠ্যবিষয়ৰ এইটো পঞ্চম অধ্যায়। এই অধ্যায়ৰ শিৰোনাম 'হাস্যৰসিক বেজবৰুৱা *(অসমীয়া জাতি ডাঙৰ জাতি, কঁকালৰ বিষয় ভাল কৰিবৰ উপায়)*। *অসমীয়া জাতি ডাঙৰ জাতি* পাঠটো *কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা* কিতাপখনৰ পৰা দিয়া হৈছে।পুথিখনৰ প্রথম সংস্কৰণ প্রকাশ

হৈছিল ১৯০৪ চনত। মোৰ জন্ম ৰহস্য, বিষয় আৰু বিষয়া, সমাজিক, প্ৰত্নতত্ত্ব, বাতৰিকাকতৰ জাননী, কবিতা, বৰবৰুৱাৰ বিয়া, চুমা-বিজ্ঞান আদি বহুকেইখন তীক্ষ্ণ বাস্যৰসাত্মক ৰচনা আৰু কবিতা ইয়াত সন্নিৱিষ্ট হৈছে।*কঁকালৰ বিষ ভাল কৰিবৰ উপায়* পাঠটো লক্ষ্মীনাথ বেজবৰুৱাৰ 'কৃপাবৰ বৰুৱাৰ ওভতনি' পুথিখনৰ পৰা দিয়া হৈছে। কিতাপখন প্ৰথম প্ৰকাশ হৈছিল ১৯০৯ চনত। অৱতাৰ, ভাৰত উদ্ধাৰ, বন্দে মাতৰম্, ভুল, বৰবৰুৱাৰ বৰ বক্তৃতা, অশ্বাৰোহণ পৰ্ব, টকৰুৰ দৌৰাত্ম্য আদি বহুকেইখন ব্যঙ্গাত্মক ৰচনাৰ লগতে ইয়াত অসমীয়া ডেকাৰ প্ৰতি উপদেশ, ভাৰতবৰ্ষীয় জাতীয় সঙ্গীত, টোপনি ভাঙনি, পুৱাৰ বৰগীত আদি কেইবাটাও হাস্যৰসাত্মক গীত-কবিতা সন্নিৱিষ্ট হৈছে। এইসমূহৰ প্ৰতিটোৱেই বেজবৰুৱাৰ গভীৰ সমাজ চিন্তাৰ সাক্ষৰ বহন কৰিছে।

আধুনিক অসমীয়া সাহিত্যৰ যুগনিৰ্মাতা ব্যক্তি লক্ষ্মীনাথ বেজবৰুৱাই চুটিগল্প, উপন্যাস, কবিতা নাটক, জীৱনী, আত্মজীৱনী, বুৰঞ্জী, গীত আদি ৰচনাৰে আধুনিক অসমীয়া সাহিত্যৰ ভেটি শক্তিশালীকৈ বন্ধাৰ উপৰিও বিপুল সংখ্যক হাস্যৰসাত্মক সাহিত্য ৰচনা কৰিছিল। কৃপাবৰ বৰবৰুৱা নাম লৈ তেওঁ অসমৰ সমাজ ব্যৱস্থাৰ বিভিন্ন দিশ সমালোচনা কৰিবৰ বাবে মাধ্যম হিচাপে গ্ৰহণ কৰিছিল ব্যঙ্গসাহিত্যক। বেজবৰুৱাৰ হাস্য ৰসাত্মক সাহিত্যসমূহ হৈছে— কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা, কৃপাবৰ বৰুৱাৰ ওভতনি, বৰবৰুৱাৰ বুলনি, বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি (১ম ভাগ), বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি (২য় ভাগ), বৰবৰুৱাৰ চিন্তাৰ শিলগুটি, বৰবৰুৱাৰ সাহিত্যিক ৰহস্য, কৃপাবৰ বৰুৱাৰ সামৰণি। পদ্মধৰ চলিহাই কৈছিল— হাস্যৰসৰ প্ৰধান উপকৰণ হৈছে সম্পদশালিতা (*Resourcefulness*), অসামঞ্জস্যৰ সম্যক জ্ঞান (*keen sense of incongruity*), সূক্ষ্মতা (*Subtlety*), সুৰুচি (*Good taste*), প্ৰত্যুৎপন্নমতি (*Presence of mind),* পৰ্যবেক্ষণ শক্তি *(Power of observation*), আৰু নিৰপেক্ষতা (*Impartiality*)। লক্ষ্মীনাথ বেজবৰুৱা বিশুদ্ধ হাস্যৰস সৃষ্টিৰ বাবে প্ৰয়োজনীয় এই সকলোবোৰ গুণৰে অধিকাৰী আছিল।

৫.৩ মূল পাঠ

৫.৩.১ *অসমীয়া জাতি ডাঙৰ জাতি*

যি এই কথাত নুই কৰে তেওঁক বৰবৰুৱাই 'চমন' বা 'গিলিপ্‌দাৰী' পৰণা দি 'গিলিপ্‌দাৰ' কৰি ধৰি আনিব, কিয়নো তেওঁ নুই কৰে তাৰ কাৰণ দেখুৱাবলৈ; আৰু সুধিবলৈ, তেওঁনো কোন তুংখুঙীয়াৰ ঘৰৰ ল'ৰা যে ইমান বৰমতা ওলাইছেহি। বৰবৰুৱাই কয়, অসমীয়া জাতি ডাঙৰ জাতি। ডাঙৰ জাতিৰ যি যি কেইটা ডাঙৰ ডাঙৰ লক্ষণ এটাইকেটা অসমীয়া জাতিৰ গাত পোৱা যায়

দিলে হাত। অল্পমতি অমুকৰ তমুক চকু-ষাঠিত এই ডাঙৰ লক্ষণ নপৰিব পাৰে, কিন্তু মহামতি বৃহৎ বৰুৱাৰ চকু-শক্তিশেলত যে এটা লাখটকীয়া লক্ষণ— লক্ষণ নপৰিব তাৰ মানে দিবলৈ কোনো অভিধানে ব্রহ্মাত বৰ পাই অহা নাই নিশ্চয়। কি কথাত খোপনি পুতিনো অসমীয়া জাতিক লঠিয়া দি ডাঙৰ জাতিৰ শাৰীলৈ বগৰাই দিয়া হৈছে তাক কোৱা ভাল। সেই গুণে কোন কোন গুণে অসমীয়া জাতিক গুণ টানি উজাই নি ডাঙৰ জাতিৰ ধূৰীত সুমুৱাইছে গৈ, বৰবৰুৱাই তেওঁৰ মনৰ পৰা তাক হুবহু.... উদ্ধৃত কৰি বা টুকি তলত দিলে ঃ

কোনো এটা জাতিক ডাঙৰ কৰিব লাগিলে কিছুমান সঁজুলিৰ আৱশ্যক। জাতীয় "ডাঙৰতালৈ" সেই সঁজুলিবিলাক নহ'লে নহয়। কোনো বাঢ়ৈয়ে চাছ, হাতুৰি, ৰেন্দা, বটালি প্রভৃতি নহলে কোনো বৰপেৰা সাজিব নোৱাৰে। জাতীয় বৰপেৰা সাজিবলৈকো তেজৰ চাছ, বলৰ বটালি, সহিষ্ণুতাৰ ৰেন্দা, একতাৰ গজাল, স্থিৰতাৰ কৰত, গাম্ভীর্য্যৰ হাতুৰি, বাহ্যাড়ম্বৰ পাক-ভোঁহৰ, ধর্মনিষ্ঠাৰ খিলি, সদাচাৰৰ গর্ভ-গজাল লাগে। অসমীয়াৰ জাতীয় বৰপেৰা সাজিবলৈ এইবিলাক পুৰাপুৰ আছে। তেন্তেনো অসমীয়া জাতি ডাঙৰ জাতি নহব কিয় হে ককাই কোৱাঁ? অসমীয়া জাতি ডাঙৰীয়া-জাতি। জাতিক ডাঙৰীয়া কৰিবৰ হ'লে যি যিবিলাক উপকৰণৰ আৱশ্যক সেইবিলাক অসমীয়া জাতিৰ সমান ভাৰতবর্ষৰ আন আন জাতিত নাই। কোনোৱে কয়, ডাঙৰ জাতি আৰু গোটাচেৰেক লক্ষণ আছে। বৰবৰুৱাও কয় তথাস্তু। যথা দেশ-গৌৰৱ, বংশ-গৌৰৱ আৰু আত্ম-গৌৰৱ, অনুসন্ধিৎসা, আত্মবিসর্জ্জন আৰু পৰোপকাৰিতা। অসমীয়া জাতিত এই কেইটাৰো ষোল কলা বর্তমান। প্রমাণৰ ভাৰ বৰবৰুৱাৰ গাত। দেখি শুনি বিশ্বাস কৰি সাধু সাধু বুলি চাপৰি বজাই বৰবৰুৱাক শলাগাৰ ভাব তোমাৰ তেওঁৰ গাত।

অসমীয়া জাতিকনো ডাঙৰীয়া-জাতি বুলিছোঁ কিয় কৈ দিওঁ। অসমত ডাঙৰীয়াৰ ভাগ সৰহ। গাঁৱে গাঁৱে, নগৰে নগৰে ডাঙৰীয়া বৃন্দ বৃন্দ। আগেয়ে ৰজাৰ দিনত অসমত দমাই ডাঙৰীয়া নাছিল স্বীকাৰ কৰোঁ, কিন্তু আজিকালি ইমান ডাঙৰীয়া বাঢ়িছে যে অসম-বৰপুখুৰী ডাঙৰীয়া-লালুকীৰে ক'লা পৰি আহিছে। তিনি জনা ডাঙৰীয়া, বৰবৰুৱা, চৰাৰ ছয় ফুকন আৰু বাৰজনা ৰাজখোৱা আগেয়ে অসমৰ ঘাই ডাঙৰীয়া আৰু তেওঁবিলাকৰ কাষৰে-পাঁজৰে কিছুমান পালি-ডাঙৰীয়া আছিল। আজিকালি কিন্তু সেইকেজনা ডাঙৰীয়াৰ পৰা পৰোক্ষেই বা অপৰোক্ষেই অষ্টাদশ অক্ষৌহিণী লেখী-ডাঙৰীয়া আৰু পিঁজলা ডাঙৰীয়া হৈ অসম দেশখন উৰাই বাঁহগছৰ আগ পোৱাব লগীয়া কৰিছেগৈ। দেশৰ ই এটা উন্নতিৰ প্রধান চিন নহয় নে? 'এৰিষ্টক্রেচি' অর্থাৎ ডাঙৰীয়াসকলেই দেশৰ ইড়া-পিঙ্গলা-সুষুম্না নাড়ী। এই ত্রি-নাড়ীয়েই

মনুষ্যজীৱনৰ ত্ৰিবেণী। ত্ৰিবেণী যদি সহস্ৰবেণী হৈ সি গোটেই অসম দেশক স্নান কৰাই শুচি কৰে, তেন্তে ইয়াতকৈ আৰু মঙলৰ চিন কি হ'ব পাৰে? জাতীয় 'ডাঙৰতাৰ' লক্ষণবিলাকৰ সম্পৰ্কে অলপ অলপ কোৱা যাওক।

তেজ— কোনে ক'ব পাৰে যে অসমীয়াৰ তেজ ইংৰাজ, ফ্ৰেন্স, এমেৰিকান আৰু জাৰ্মান জাতিতকৈ কম? ৰসায়ন শাস্ত্ৰ জনাসকলে পৰীক্ষা কৰি বঢ়িয়াকৈ জানিব পাৰিব যে এই কেখন দেশৰ মানুহৰ তেজত যি যি কেইটা পদাৰ্থ আছে, অসমীয়া মানুহৰ তেজতো সেই সেই কেইটা পদাৰ্থই আছে। বিশেষ, চাহাবৰো তেজ ৰঙা আমাৰো তেজ ৰঙা। সূক্ষ্মদৰ্শী বিচক্ষণ বনৰজাই ৰক্তপান কৰিবৰ সময়ত, জুই নাইবা এচেছৰব সাহায্য ব্যতিৰেকেও চাহাব আৰু অসমীয়াৰ মাজত নিৰপেক্ষ বিচাৰ কৰে। জনাথন আৰু জনার্দ্দন, ব্ৰিটিছ-বৰ্ণ আৰু বনগাঁও-বৰ্ণ, এন্দ্ৰ, পেদ্ৰু আৰু এন্ধাৰত পদো, হেট্, বুট আৰু জাপি ফানটি, চুৰট পাইপ আৰু হোকা ঘুৰবূৰী, এইবিলাকৰ মাজত পাৰ্থক্য উলিয়াই উক্ত মহাৰাজ ৰাজাধিৰাজ কাননৰাজেতো কেতিয়াও অলপো পক্ষপাতিতাচৰণ নকৰে। মুঠতে ক'বলৈ গ'লে, তেওঁ ইলবাৰ্টবিল নেমানে অৰ্থাৎ তেওঁৰ মানত কলিকতাৰ ইলবাৰ্টবিল আৰু গোলাঘাটৰ গেলাবিল সমান।

বল— বলৰ পাকেও অসমীয়াক পেলাওঁতা নাই। কাৰণ অসমীয়াই শাৰীৰিক বলতকৈ দৈব বল বা কপালৰ বলত বেছি ভেজা দিয়ে। শাস্ত্ৰত কৈছে, "দৈব বলাৎ এব নান্যবলং।" বুঢ়ালোকে কয়, "মাঘমহীয়া কল, পুহমহীয়া জল, খায় যি তাৰ সাত ভতৰাৰ বল।" অসমীয়াক জলে কলে জলাকলা কৰি থৈছে। মাহেকীয়াৰ পৰা আঠীয়াকল খোৱা বাহুবলী বৰবৰুৱাই তাৰ প্ৰকৃষ্ট প্ৰমাণ।

সহিষ্ণুতা- এই গুণ অসমীয়া জাতিৰ যিমান আছে, বঙালীৰ বাহিৰে আন কোনো জাতিৰ সিমান আছে নে নাই ঠিক নাই। এই পাকেও অসমীয়া মানুহক যে পেলাওঁতা নায়েই, হালৰ আৰু গাড়ীৰ গৰুৱেও অসমীয়াত আঁঠু লব। কেছাৰীৰ আমোলা ডাঙৰীয়াসকলক সুধিলেই আমুকাইৰ কথাৰ সঁচা-মিছাৰ প্ৰমাণ পাব। এই গুণো বৰ গুণ। গৰুৰ এই সহন গুণ আছে দেখিয়েই, গো আৰু ব্ৰাহ্মণক বেদে একে শাৰীতে থৈছে আৰু ব্ৰহ্মাৰ মুখৰ পৰা ওলাইছে বুলি কৈছে। 'অসমীয়াও গতিকে গো-জাতিৰ তুল্য, আৰু ব্ৰহ্মাৰ মুখ হন্তে বাজ', গতিকে পূজ্য। কোনো প্ৰত্নতত্ত্ববিদ্ পণ্ডিতে 'অনুমে', গো ব্ৰহ্মাৰ মুখত এবাৰ প্ৰথমতে নোসোমালে তাৰ পৰা ওলাব কেনেকৈ? গোহালিত গধূলি গৰু নুসুমালে পুৱা তাৰ পৰা উলিয়াবা কি? বৰবৰুৱাই কিন্তু এনে অসন্ত কথালৈ কৰ্ণপাত নকৰে।

একতা— একতাৰ বিষয়ে অসমীয়া জাতি পৃথিৱীত অদ্বিতীয়। একতা মানে একেটা, অৰ্থাৎ গাইপতি এটা এটা গোট গোট। অসমীয়া মানুহ গাইগোটা-

পেটে-ভঁৰাল বুলি ভুবনবিদিত। অসমীয়া আপুনি শকত, তেওঁ কেতিয়াও নিবিচাৰে পৰৰ ভকত। লোকৰ dependent পৰমুখাপেক্ষী বুলি অসমীয়াৰ গাত কোনেও দোষৰ চাট দিব নোৱাৰে। যদি একতাৰ নিচিনা মহৎ গুণ এটা অসমীয়াৰ থাকিলেই তেন্তে তুমি আৰু অসমীয়াৰ গাত কি বিচাৰাঁ? আৰু কিবা লাগে যদি মোৰ নেজত ধৰি অলপ আগবাঢ়ি আহি চোৱাঁ।

স্থিৰতা— অসমীয়া যে অস্থিৰ এইটো কথানো তুমি ক'ত শুনিলাঁ? বোধ কৰো তুমি কতো অসমীয়াৰ কানিখোলো দেখা নাই। জীয়াই থাকিলে গুৰুজনৰ আশীৰ্বাদত দেখিবা আৰু তেতিয়া মোৰ এই কথাৰ মগজুৰ মৰ্ম্ম বুজিবা।

গাম্ভীৰ্য্য— অসমীয়াই কথা কৈছে নে গহীনকৈ দবাতে কোব মাৰিছে, তত ধৰিব নোৱাৰি। বিশেষকৈ অসমীয়া ডাঙৰীয়াৰ প্ৰাতঃকৃত্যৰ পৰা সায়ংকৃত্যলৈকে 'গহীনতাৰ' ইমান ধুমধাম যে "গহীন নভে গহীনাই কৈও" তাৰ অন্ত কৰিব নোৱাৰে।

বাহ্যাড়ম্বৰ— ডাঙৰ লোক বুলিলেই বাহিৰা আড়ম্বৰ আছে। অমৰাৱতীৰ সহস্ৰলোচনৰ পৰা আউনীআটীৰ বৰমেধি ত্ৰিলোচনলৈকে "আমৰা ইতস্ততঃ যে সমুদয় বাহ্যাড়ম্বৰপূৰ্ণ প্ৰাণী দেখিতে পাই, সেই সমুদয়কে ডাঙৰ মনুষ্য-পদাৰ্থ কহে।" অৱশ্যে তাৰ ভিতৰতে চেতন অচেতন, আৰু উদ্ভিদ আছে। ডাঙৰ অসমীয়া জাতিৰো যে এই বাহ্যাড়ম্বৰ থাকিব তাৰ কোনো বিচিত্ৰ নাই। সৰহ কি, ইন্দ্ৰৰ ভূষণ মেঘাড়ম্বৰ, অসমীয়াৰ ভূষণ বাহ্যাড়ম্বৰ। অসমীয়াৰ হয় যদি হয়, তাত হানি কি? কিন্তু আলিবাটলৈ ওলালে তেওঁ চুৰীয়াই কাপোৰে, ঠেঙাই, বুকু খোলা কোটে, টুংখুঙীয়া ফৈদৰ ল'ৰা, নাইবা বৰফুকনৰ নাতি, নাইবা জমিদাৰৰ বাচ্ছা নাইবা চুণাগলীয়া বৰচাহাব নহয় বুলি ফেপেৰি পাতি ফেট্‌লেঙা ডিঙিৰে, ফেকুন্দা মুখেৰে, ফেদেলা জিভাৰে ফেচেৰ্ কৰে কবলৈ যি সাহ কৰি আহিব, সেই মৰসাহ দিয়া মহাপাপীৰ, মহামতি বৰৱৰুৱাই তেতিয়াই মুখাগ্নি কৰি থবলৈ গাত লৈছে। পেটৰ ভিতৰত বেয়া বস্তু ছিপ-কমিছন চাহাবৰো আছে, গগৰ্ণমণ্ডলৰো আছে। অসমীয়াৰ ঘৰৰ ভিতৰত কেনে অৱস্থা তাৰ দ্বাৰাই অসমীয়াৰ ডাঙৰ-সৰু ঠিক কৰিবলৈ যোৱাসকলৰ বুদ্ধিৰ বৰৱৰুৱা চাহাবে শলাগ লব নোৱাৰে।

ধৰ্ম্মনিষ্ঠা ঃ কোনে কয় অসমীয়াৰ ধৰ্ম্মনিষ্ঠা নাই? কত্তনেৱালাসকলে অসমীয়াই কৰা ৰাজহুৱা বৰসবাহ, ৰাজহুৱা কালীপূজা আদি দেখিছে নে নাই দেখা? কোনখন মুখেৰে তেওঁবিলাকে তেনে কথা কয় বৰৱৰুৱাকু দেখ্‌লাই দেনে হোগা। বৰৱৰুৱাই স্বচক্ষে দেখিছে বৰসবাহৰ দিনা, উবুৰি-হোৱা ল'ৰাৰ পৰা উবুৰি-হোৱা বুঢ়ালৈকে সকলো অসমীয়াই ৰাজহুৱা নামঘৰলৈ গৈ ভস্মৰ ফোট লৈ জঁপিয়াই হাত বাউলি দি "কাল অ-জগৰে লৈ যায় টা-আ-নি। ৰাখা

ৰাখা প্ৰভু সাৰঙপাণি।।" গোৱা। অৱশ্যে কালীপূজাৰ দিনা বহুত নৈষ্ঠিত অসমীয়া ভক্তই কালীতকৈ পাঠাত ঈষৎ বেছি তৎপৰ হয়। কিন্তু তাতনো দোষ কি? ভক্তৰ লক্ষণেই সেই। ঈশ্বৰতকৈ ঈশ্বৰৰ প্ৰসাদ ডাঙৰ, শাস্ত্ৰত আছে। আকৌ সোধোঁ, কওনেৱালসকলে, অসমীয়াই সন্ধ্যা কৰা, পূজা কৰা অশোকাষ্টমী-মাধীসপ্তমীত স্নান কৰা, ফাকুৱা খেলা, অশুচি হাতী-মাউতক খেদাই শুচি নিজে মাউত হৈ হাতী চলাই হাতীৰ ওপৰত তুলি নিজৰ গুৰুক অনা দেখিছে নে নাই? নিন্দকে কয়, "অসমীয়াৰ সন্ধ্যা মানুহ-দুনুহ দেখিলে দীঘল হয়, নেদেখিলে, ছুটী হৈ জপ নাইবা তদভাৱে এটা বৰ প্ৰমাণ অৰ্থাৎ য ধানৰ তুল্য সৰু প্ৰণামত পৰে। দুৰ্গা পূজাদিত দেবগঞানীহঁতৰ পূজাভাগ পালাপাঞ্চাত ফেৰ মাৰি নললে দেৱীৰ ভাগতকৈ অলপ গধুৰ হব খোজে। অশোকাষ্টমীৰ স্নানতকৈ ব্ৰহ্মপুত্ৰৰ বালি-ভাতত তীৰ্থযাত্ৰীসকলৰ ভাব বেছি হয়। ইত্যাদি ইত্যাদি।" নিন্দকৰ নিন্দা কৰোঁতেই কাল যায়। সজ কথাত পেংলাই কৰা যাৰ স্বভাৱ তেনে শিখণ্ডীক দেখিলে বৰবৰুৱাই হাতৰ ধেনু কাঁৰ দলিয়াই পেলায়। হানি কি, অসমীয়া নৈষ্ঠিক ধাৰ্ম্মিকসকলে পূজা-সন্ধ্যাত নিমগ্ন হৈ থকাৰ মাজৰ পৰা, দৰ্কাৰ পৰিলে, মাজে মাজে "হেৰ ভাত হল নে?" "ছুঃ! ছুঃ! হেৰ চোতালত মেলি দিয়া ধান গৰুৱে খালে!" ইত্যাদি কথা কয়? শাস্ত্ৰত কৈছে, "আগেয়ে চাউল কঠা, তাৰ পিছতহে হৰি-কথা।" যদি হৰি-কথাত লাগি থাকোঁতে গৰুৱে চোতালৰ চাউল-কঠা খাই আজৰি কৰে, তেন্তে দেখোন বাপুৰ টেকেলি কাতি। দিনৰ দিনটো কাপ কাপকৈ থাকিব লাগিব। বিশেষ ইমান খোৱা-জীয়াৰ লক্ষণ যি জাতিৰ আছে, সেই জাতি যে স্বৰ্গৰ পৰা সোণৰ জখলাৰে নামি অহা আহোম ৰজাৰে সৈতে আকৌ উঠিগৈ হেংদাং হন্তে পুনৰ স্বৰ্গ প্ৰৱেশ কৰিব তাক কোন মাইকীৰ পোৱে নুই কৰিব পাৰে?

সদাচাৰ ঃ অসমীয়াৰ সদাচাৰ জগত-জাননী পতিতপাৱনী। বামুণভেকোলাৰে সৈতে অসমীয়া সমানে পানীত পৰি থাকে বুলিলেও বৃহৎ বৰুৱাৰ গাত অত্যুক্তি দশাদোষ, গ্ৰহদোষে নপৰ্শে। বৰবৰুৱাই হিচাপ কৰি চাই অৱগত হৈছে যে গড়-হিচাপে অসমত সাৰে পঁচ্‌সত্তৰ জন অসমীয়াই দিনটোত তিনি জোবোৱা মাৰে। অৱশ্যে নিন্দকে কয়, ভালেমান সদাচাৰী অসমীয়াই গা ধুবলৈ গৈ, বিশেষকৈ ৰাতি, এঘটি পানী লৈ কোনোৱে ঘৰৰ পানীপাছত, কোনোৱে গাতে হুৰহুৰকৈ ঢালি তিন ধাৰা বোৱাই সেহাইফোঁপাই 'গঙ্গে ত্ৰিভুৱনতাৰিণী ত্ৰাহি মা তৰঙ্গে, বা 'মোৰ পৰম গু-উ-উ-ৰু' বুলি ঘৰৰ ভিতৰ পায়হি।' নিন্দকৰ হাত সৰা টান। বৰবৰুৱাৰ বাহিৰে নিন্দকক জব্দ কৰনেৱালা আউৰ কই নাহি হেঁয়। তেওঁ "মৃগ-মীন সজ্জনানাং" এই শ্লোকৰ মোখোৱা লগাই বাহ-নিন্দকক হালে হালে সাঙুৰি সদাচাৰৰ মৰণা মাৰিবলৈনো কত দিন

লগাইছে তাৰ এতাৱন্ত নাই। ঘটিৰ পানী তিনি ধাৰা হৈ যোৱাত হানি কি? চৰ্চ্চিব জানিলে তাতে গূঢ়ার্থ আছে। সেই তিনধাৰা সংক্ষেপে গঙ্গা, যমুনা, সৰস্বতীৰ বাহিৰে আৰু কি হব পাৰে? ধৰ্ম্মতঃ কবলৈ গলে সদাচাৰৰ পাকে অসমীয়া শিৰৰ মুকুট। ৰঙা চুৰিয়া পিন্ধি ৰামনামী কাপোৰ লৈ যেতিয়া তেওঁ গা ধুই ধুতী হৈ আহিব, তেতিয়া তেওঁৰ 'দর্শনে পুণ্যং, স্পর্শনে পাপনাশনং।' নিন্দনৰ চকুত ৰঙা চুৰিয়াৰ তিনিপুৰুষীয়া মলি আৰু নাকত ৰামনামী কাপোৰৰ শিৱসিংহীয়া শিয়ালকটহীয়া গোন্ধ পৰিবৰ কথাই, কাৰণ যি যিহকে বিচাৰে সি তাকেহে পায়। কিন্তু বৰবৰুৱাই হলে এনে সাজেৰে অসমীয়া দর্শন কৰিলে তেওঁৰ কৌটী পুৰুষৰ পাপ পলোৱা যেন লাগি গাটো পাতল পায়। অসমীয়াৰ নিচিনা এনে কোন সদাচাৰী জাতি আছে, যি স্কুল-কেছাৰি-বজাৰৰ-পৰা আহি তামোল নেখায়, কাৰো ঘৰত আন কি মিতিৰ-কুটুমৰ ঘৰত বা নিজ পুতেকৰ হাতে সিদ্ধান্ন-পাক্কান্ন ভক্ষণ নকৰে? সৰহ কথাৰ সকাম কি, অসমীয়া জাতিৰ পুণ্যৰ বলতহে ভাৰতৰ আন আন জাতি আজিলৈকে তললৈ নোযোৱাকৈ ৰৈ আছে। পাপৰ গোহালি কলিকতাৰ গঙ্গাতীৰত যদি অসমীয়া ভেকো-ককাৰ পাতচেৰেক মৰচেৰেলা শর্মাবৰুৱা-খৰম নেথাকিলহেঁতেন, এই কলিকতাক সাগৰে কেতিয়াবাই বুৰাই লেঠা ছিঙি থলেহেঁতেন। দেশ-গৌৰৱ, বংশ-গৌৰৱ আৰু আত্মগৌৰৱ এই কেটা মহৎ গুণ অসমীয়াৰ সম্পূর্ণৰূপে থকাটো প্রমাণ কৰিবলৈ যোৱাটো বাহুল্যমাত্র। বিদেশী মাত্রৰে প্রতি ঘৃণায়েই দেশ-গৌৰৱৰ সাক্ষী। ভেম বুলি যে অসমীয়াৰ এটা সাত-পুৰুষীয়া বহুমূলীয়া সম্পত্তি আছে, সিয়েই আত্ম-গৌৰৱৰ চিন। এই ভেমৰ কথা আন কি বিলাইতৰ গেজেপতো ফট্‌ফটীয়া আখৰেৰে মৰা আছে।

অনুসন্ধানেচ্ছা অসমীয়াৰ কিমান প্রবল, তাক কবলৈ ব্রহ্মাৰ চাৰি মুখ শতকৰা বাৰ টকা বাঢ়িত ধাৰ কৰিব লাগিব। আত্মবিসর্জন আৰু পৰোপকাৰিতাও তদ্বৎ। লোকক ভাল কৰিবৰ ইচ্ছাৰে অর্থাৎ পৰোপকাৰায় আত্মবিসর্জন কৰি অর্থাৎ আপোনাৰ সময় খৰচ কৰি অনুসন্ধিৎসু অসমীয়া পৰৰ দোষ-ছিদ্রাদি অনুসন্ধানত সদায় তৎপৰ। এনেবিলাক মহৎ-গুণ একাধাৰে কোন জাতিৰ আছে Tell me? Oh i beg my pardon, say me?

আমাৰ নাই কি? উমানন্দ আছে, কামাখ্যা আছে, জয়সাগৰৰ দল আছে, শিৱসাগৰৰ দল আছে, ব্রহ্মপুত্র আছে, দিখৌ আছে, অসমীয়া ছেক্সপীয়েৰ আছে, অসমীয়া ছেলি আছে, অসমীয়া পপ্-অৱ-ৰম আছে অসমীয়া মার্টিন লুথাৰ আছে। অসমীয়াৰ কল-কাৰখানা বা নাই? কুঁহিয়াৰ-পেৰা কলৰ পৰা এন্দুৰমৰা কললৈকে বাৰীয়ে-ধাপে অসমীয়াৰ কলৰ অন্ত নাই। বিলাতৰ টেম্‌ছ্ আমাৰ দিখৌ। বিলাতৰ জাহাজ আমাৰ তেলীয়া নাও। সিহঁতৰ ইয়ট আমাৰ

খেলনাও। লোকৰ ছাপাখানা, আমাৰ "মদতখানা"। ৰেল, গাড়ীতকৈও আমাৰ ভাল বস্তু আছিল যেনে কৃষ্ণ কুণ্ডিনলৈ বা শদিয়ালৈ যোৱা ৰথ। বেদনিধিৰ নিচিনা হৰকৰাই আমাৰ অসমত চিঠি বিলাইছিল। মোমাইতামুলী ৰৰবৰুৱা, শিৱসাগৰীয়া বৰুৱা; নৰকাসুৰ শোণিতপুৰ; ভগদত্ত হৰদত্ত; নৰনাৰায়ণ বৰ্ৱাহন; লেকাইচেতীয়া, পানীমুৱা, হিড়িম্বা, বশিষ্ঠ; কেন্দুকলাই পূর্ণানন্দ বুঢ়াগোহাঁই; অনন্তকন্দলি, জোনাকী, বিজুলী; মণিৰাম দেৱান, বাঘমৰাণ; শঙ্কৰদেৱ, হৰিদেৱ; কলা অধ্যাপক, বগাৰাম পাঠক; ৰুদ্রসিংহ ৰজা, নৰসিংহ ওজা; ভুমুক বহুৱা, কৃপাবৰ ৰৰবৰুৱা, এই এটাইবোৰ অসমীয়া। তেন্তে আউৰ ক্যা মাংতা হেঁয়? কোনোৱে কয়, অসমত পকাঘৰ নাই। সেইবোৰে পাহৰে যে অসমত ভুঁইকঁপ আছে। আকৌ কয়, অসমীয়াৰ টকা নাই। সিহঁতে আকৌ পাহৰে যে "অর্থমনর্থং ভাবয় নিত্যং। নাস্তি ততঃ সুখলেশঃ সত্যং।।" অসমীয়া মানুহ ইমান মুর্খ হোৱা নাই যে টকা উপার্জন কৰি চিন্তা-চর্চা বঢ়াই অনর্থৰ গুটি সিঁচি লব। বিশেষতঃ অসমত আকালো নাই, ভঁৰালো নাই। বুধিয়ক অসমীয়াই বেছ জানে যে অসমত ভঁড়াল হ'লেই একাল হব, গতিকে তেওঁ সেই ফালে কাৰবাৰ কৰি দেশৰদ্রোহী কিয় হব? কোনোৱে কয় অসমীয়াই বেহা-বেপাৰ নকৰে সোৱোপা। অসমীয়াই মান-মর্য্যাত সকলোকে দলিয়াই পেলাই দোকানী পোহাৰী আৰু বেপাৰী হলেহে এই লপ্লপীয়াকৈ কথা কোৱাবোৰৰ সুখ লাগে। অসমীয়াই আপোন ৰজা হেৰুৱালে, স্বাধীনতা হেৰুৱালে, শেহত এই কুচ্চিটীয়াখনৰ কথা শুনি সেখঁ ইম মুদি আৰু কালুমুকুন্দ আগ্রৱালৰ ব্যৱসায়ত ধৰি যাউতি যুগীয়া মান-মর্য্যাত ফেৰাও হেৰুৱাব লাগে? দেহি! এনে উপদেশ অত দিনে কোনটো থুনপাকত সুমাই থৈছিলাহঁক তোমালোকে? ৰৰবৰুৱাই কিন্তু ভাই অসমীয়াক এই শকুনিবিলাকৰ কথা শুনি পাশাখেলত নবহিবলৈ সাৱধান কৰি দিছে। ইহঁতৰ কথা আজি শুনিলে, কাইলৈ ইহঁতে মৰা গৰুৰ ছাল বখলিৱা মুচী হবলৈকো অসমীয়াক উপদেশ দিব নাইবা অসমীয়াক বাৰ বছৰ বনলৈ খেদি অসমীয়াৰ ভেটি-মাটি ঘৰ-দুৱাৰ সোপাকে কাঢ়ি লব। ধর্ম্মতঃ অসমীয়া জাতি ডাঙৰীয়া জাতি। বাবু-মুদি বিধিমতে তেওঁবিলাকৰ যোগনিয়াৰ। কতে শুনিছা ডাঙৰীয়াক লগুৱাৰ কাম কৰিবলৈ পৰামর্শ দিয়া?

বিয়াৰ পক্ষেও এই কুবুধীয়াবিলাকৰ কথা নুশুনিবলৈ ৰৰবৰুৱাই দেশী ভাইসকলক কয়। ৰৰবৰুৱাৰ পৰামর্শ ঃ- দেশত বহু-বিবাহ, বাল্য-বিবাহ আদি যিমান পাৰে সিমান চলক। শিক্ষিতবিলাকে এই কার্য্যৰ গুৰি ধৰক। অসমৰ মাটি দম, মানুহ তাকৰ। আমাক মানুহ বেছিকৈ লগা হৈছে। ঠাৰে-চিয়াঁৰে ইয়াকে কলোঁ, বুজি লবাহঁক।

কোনোৱে কয়, অসমীয়া পঢ়া-শুনাত বেছি মনোযোগী নহয়। নহবতো

খাবলৈ নোপোৱাৰ পক্ষেহে পঢ়া-শুনা। জমিদাৰৰ ল'ৰাৰ, ডাঙৰীয়াৰ ল'ৰাৰ খাবলৈ ভাত নাই নে পিন্ধিবলৈ কাপোৰ নাই, যে পঢ়ি-শুনি ঢোৱাকোৱা হ'ব লাগিছে?

আকৌ কয়, বিলাতী সভ্যতাত পৰি অসমীয়াই মদ-মঙহাদি অভক্ষ্য ভক্ষণ কৰিবলৈ শিকিছে। আচ্ছা বলনেৱালা। যি মানুহৰ এই ফেৰা জ্ঞান নাই যে মদ-মাংস নেখালে জাতি ডাঙৰ হব নোৱাৰে, তাক আৰু বৰবৰুৱাই কি বুলি সম্বোধন কৰিব? বৰ্ত্তমান ডাঙৰ সভ্য জাতি মাত্রকে মদ-মাংস-ভোজী গেডষ্টন্ চাহাবো মদ-মাংস খাইহে গ্লেড্ষ্টন্ হব পাৰিছে। আর্য্যবিলাকে মদ-মাংস (সোমৰস আৰু গো-মাংস) খোৱালৈকে স্বাধীন ডাঙৰ জাতি হৈ আছিল। যেতিয়াই কুমতিয়ে পাই তেওঁবিলাকে সেইবিলাক এৰিলে, তেতিয়াৰ পৰাই তেওঁবিলাকৰ পতন আৰু পৰাধীনতা, বাৰু, যদি দেশত এই কার্য্য চলিত নাই বুলি তুমি আপত্তি কৰা, তেন্তে খাই-বৈ উঠি দিনৌ ভক্ষ্যাভক্ষ্যজনিত পাপ বুলি এধেনু দুধেনু পৰাচিত হবা। বিশেষ, ঔষধার্থে বচন আছেই। আকৌ "নেখালে আমাৰ নৰিয়া হয় কথাও আছে; তেন্তে ক্যা বাৎ? বৰবৰুৱাৰ মতে, অসমত যে আকৌ পূর্ব্বপুৰুষসকলৰ প্রিয় বস্তু দম-মাংসৰ প্রচাৰ হৈছে, ই উন্নতিৰ চিনহে। চুলি কটা, এলবার্ট ফেছন্ কৰা, পটলুং-কোট পিন্ধা, এধাড়ুখৰীয়া ইংৰাজীকৈ নাম চুনিকৈ লেখা, এইবিলাক গোটেই উন্নতিৰ লক্ষণ। বাস্তবিকতে, অর্থবিচাৰ বা Political economy পুথিৰ দিনত কৃপাবৰ বৰুৱাই যে ছুটীকৈ K. Borooah (Cobra?) নাইবা লৰবৰ বৰুৱাই L. Borooah (Lebra?) নেলেখিব ই হবই নোৱাৰে। নাম ছুটীকৈ লেখাঁত যি আপত্তি কৰে, তেওঁ বৰবৰুৱাৰে সৈতে ৰণ দিয়ক। নতুবা তেওঁ বৰবৰুৱাক জোকাই নলব। ল'লে বৰবৰুৱাই শুদাই নেৰে।

অসমীয়া জাতি যুঁজাৰু জাতি। মাছ-পোহাৰীৰে সৈতে যুদ্ধ বা ধেৱাই কৰি মাছ কাঢ়ি নিয়া মহীৰাম কনিষ্টবলেই তাৰ প্রমাণ।

সঙ্গীতত অনুৰাগ ঃ আনৰ কথা নকৱেই, অসমৰ প্রতি গাঁৱত ফুকলীয়া ল'ৰা পর্যন্ত শয়নে, সপোনে-সচেতে "অধোমুখে ৰইলি কেন" গান গাই গছৰ পাত সৰায়। ঢোলোক তবলাৰ-তো গুম্ গুম্ টেৰেকেটা ধেই'ৰ কথাই নাই।

ইত্যাদি অসংখ্য গুণ বৰবৰুৱা ডাঙৰীয়াই অসমীয়া জাতিৰ গাত দেখুৱাব পাৰে, যিবিলাকৰ দ্বাৰা প্রমাণ হয় যে অসমীয়া জাতি ডাঙৰ জাতি। আজিলৈ খতম।



জানি থোৱা ভাল

— পদ্মধৰ চলিহাৰ মতে— হাস্যৰসৰ প্রধান উপকৰণ হৈছে সম্পদশালিতা (*Resourcefulness*), অসামঞ্জস্যৰ সম্যক জ্ঞান (*keen sense of incengruity*), সূক্ষ্মতা (*Subtety*), সুৰুচি

(*Good taste*), প্ৰত্যুৎপন্নমতি (*Presence of mind),* পৰ্যবেক্ষণ শক্তি *(Power of observation*), আৰু নিৰপেক্ষতা (*Impertiality*)।

—বেজবৰুৱাই কৈছে যে এটা জাতি ডাঙৰ জাতি ৰূপে পৰিগণিত হ'বলৈ হ'লে দৰকাৰী গুণসমূহ হৈছে বল, একতা, সহিষ্ণুতা, ধৰ্মনিষ্ঠা, সদাচাৰ, পৰোপকাৰিতা, অনুসন্ধিৎসা, অধ্যয়নশীল মনোবৃত্তি, পৰোপকাৰিতা ইত্যাদি।

৫.৩.২ *কঁকালৰ বিষ ভাল কৰিবৰ উপায়*

"পৰোপকাৰায় সতাংহি জীৱন্‌ম"

মই যে সৎ হৈছোঁ, সেইটো মোৰ উমান আছে, যদি মই অসৎ বুলি আন কোনোৰ ওলোটা উমান আছে, তেন্তে তেওঁ তাক প্ৰমাণ কৰিলে, মোৰ ইচ্ছা হ'লে শুনিব পাৰোঁ। পৰৰ উপকাৰৰ অৰ্থে ভাবি তলত লেখা উপায়বোৰ লিপিবদ্ধ কৰিলোঁ।

সৰুতে মই এদিন নিয়মমতে মধুৰিআমৰ গছৰ পৰা নেকেহ কৰে মাটিত পৰিছিলো। অনিচ্ছা-পূৰ্ব্বক। নিয়মমতে বোলাৰ মানে পৃথিৱীত মানুহে আৰু মধুৰিআমৰ গছে বসতি কৰাৰে পৰা মাজে-সময়ে মানুহে মধুৰিআম পাৰিবলৈ গৈ তাৰ চনকা ডালত ভৰি দি যেনেকৈ পৰি আহিছে ময়ো সেইদৰেই পৰিছিলো। সেই পতনত মোৰ আন কোনো অনিষ্ট নঘটি মাথোন কিঞ্চিৎ কঁকালৰ জোৰা লৰিছিল। সেকিপুতকি কঁকালৰ জোৰাটো খাজ লগাই দি যথাসাধ্য মেৰামৎ কৰা হ'ল। তাৰ পিছত ডাঙৰ হলোঁ। বয়সত বাঢ়িলোঁ আৰু ভাটী দিলে। সৰুৰ কথা সমূলি পাহৰিলো। কিন্তু অত কালৰ মূৰত এদিন অলপতে ডাৱৰীয়া বতৰত দেখোন মোৰ কঁকালৰ জোৰাৰ বিষে মোক জাননী দিলে যে সি ইমান দিন মোৰ লগ এৰা নাই, মোৰ শৰীৰত পেঞ্চন খাইহে মনে মনে আছিল। এতিয়া আৰু সি সেইদৰে থাকিব নোখোজে; কাৰণ মই বুঢ়া হৈ আহিছোঁ। কোন দিন যাওঁ, কোন দিন থাকোঁ চিন নাই। সেই নিমিত্তে তাৰ এটা দিহাপোহা কৰি দিব লাগিব নহ'লে সি নেৰে। মই তাৰ জাননী পাই ভাবিলোঁ, ইমান দিন সি লুকাই চুৰকৈ মোৰ গাত আছিল, এতিয়া যেতিয়া সি দেখা-শুনাকৈ থাকিবলৈ ওলাইছে, তাক দূৰ কৰিবলৈ ভালকৈ চেষ্টা কৰাই উচিত। কি কি অস্ত্ৰেৰে তাৰে সৈতে ৰণ কৰি তাক মোৰ শৰীৰৰ পৰা নিকালি দিবৰ চেষ্টা কৰিছিলো তাৰ বৃত্তান্ত তলত দিলোঁ।

এদিন প্ৰথমতে যেতিয়া ডাৱৰীয়া বতৰত মোৰ কঁকালৰ বিষটো উক দিলে, মই উস্‌ উস্‌ আস্‌ আস্‌ কৰিবলৈ ধৰিলোঁ। এজনে মোৰ উস্‌উস্‌নি শুনি কি হৈছে বুলি মোক সোধাত মই মোৰ কষ্টৰ কথা তেওঁৰ ওচৰত নিবেদন

কৰিলোঁ। তেওঁ ততালিকে মোৰ কঁকালত সৰিয়হৰ তেল ঘঁহি দিবলৈ মোক পৰামর্শ দিলে। তেওঁৰ পৰামর্শমতে মই মোৰ লগুৱাৰ হতুৱাই আদপোৱা সৰিয়হ তেল মোৰ কঁকালত ঘহাই দিলোঁ। তেল ঘঁহি থাকোঁতেই এজন ব্যৱস্থাপকে ব্যৱস্থা দিলে যে সেই তেলতে অলপ হিং দি ল'লে ভাল। মই অনতিবিলম্বে হিং এডোখৰ অনাই মর্দ্দনোন্মুখ বাকী তেলত তাক মিহলাই ললোঁ। হিং মিহলোৱা তেল ঘঁহিবলৈ যো-জা কৰিছোঁহে মাথোন, আন এজনে হিঙৰ লগতে অলপ লোণ সানি লবলৈ মোক ক'লে। তেওঁ কোৱা মাত্রকে মোৰ হুকুমত লোণ আহিল আৰু মোৰ হুকুমতে সি তেলত লয়প্রাপ্ত হল। তৈলমিশ্রিমত লৱণ বা লৱণমিশ্রিত তৈল লগুৱাৰ হাতৰ তলুৱাৰ হেঁচাত মোৰ ককালত প্রৱেশ কৰিবলৈ ধৰিলে। ডেকা লগুৱা, চোকা তেল, মোৰ কঁকালত লাগি সেলবেল হল। ঘঁহনিৰ প্রতাপত মোৰ কঁকালৰ মাখিছাল ছিগিবলৈ ধৰিলে। এনেতে মোৰ আন এজন বুকুৰ বান্ধ ওলালহি। তেওঁ মোৰ ব্যাধিৰ বৃত্তান্ত আৰু ঔষধৰ সন্ধান লৈ, ছিগা মাখিছাল জোৰা লগাবৰ মনেৰে হবলা, সেই তেলতে সমানে চেঁচা পানী মিহলাই লবলৈ কলে। যেনে বিধান, তেনে কাম। চেচা পানীৰ গুণত চেক্‌চেকনিৰ চিনাকি ভালকৈ পালোঁ। মোৰ মুখৰ অঙ্গিভঙ্গিলৈ মন কৰি দয়াপৰবশ হৈ এজনে ক'লে যে তেল পানী মিহলাই দিবৰ সকাম নাই, মাত্র শুদা চেচা পানীত ফটাকানি এডোখৰ জুবুৰিয়াই মোৰ কঁকালত বান্ধি খোৱা হওক। সেই বিধান আচৰিত হল। ফলটো শ্রীমান সন্তোষৰ জনক হব নোৱাৰাত আন এজনৰ বুধি লৈ বাহিৰা ব্যৱস্থা সলাই ভিতৰুৱা ব্যৱস্থাত ধৰিলোঁ অর্থাৎ কেঁচা নহৰু চোবাই খাবলৈ ধৰিলোঁ। নহৰুৰ পৰা অপকাৰ উপকাৰ যি হওক, এইটো হল যে মোৰ মুখৰ গোন্ধত কোনো মোৰ কাষ চাপিব নোৱাৰা হল। মোৰ গাৰ নোমে নোমে নহৰুৰ গোন্ধ, হামিয়ে-হেকটিয়ে নহৰুৰ গোন্ধ, হাঁচিয়ে কাহে-নহৰুৰ গোন্ধ গোটেই গা নহৰুৰ গোন্ধে গোন্ধাকাৰ। ৰাইজৰ শান্তিৰ নিমিত্তে অগত্যা নহৰু পৰিত্যাগ কৰি আন এজনৰ বুধিত নহৰুৰ সৰুভায়েক পনৰুক মাতি আনিলো। বৰভায়েক যেনি যায়, সৰু ভায়েক পনৰুও তেনিয়েই গল যদিও সিমান দ্রুত বেগেৰে নহয়। মই নিৰুপায় হৈ আন এজনক বুধি সোধাত তেওঁ মোৰ কঁকালত গৰুমূত ঘঁহিবলৈ কলে। আন এজনে উপযাচি তাৰ ওপৰতে কেঁচা গোবৰ লেও দিবলৈ কলে। দুইটা কৰিলোঁ কিন্তু উপকাৰৰ ঘৰত শূন্য আৰু অপকাৰৰ ঘৰত অনেক হল। কবলৈ পাছ নোহোঁহকো যে দুর্গন্ধত মোৰ গাটো জানিবা গৰুগোহালি হল।

কিংকর্তব্যবিমূঢ় হৈ বহি আছোঁ, এনেতে কৰবাৰ পৰা এজন মঙলতি আহি মোৰ আগত ওলাল। তেওঁ মঙল চাই ক'লে যে মোৰ ওপৰত গুৰু বিতুষ্ট হৈচে সেইদেখি আমৰৰলীয়া হাঁহেৰে পাঁচজন ভকতক মই চাউল খুৱালে মোৰ

কঁকালৰ বিষ ভাল হব। মঙলতিয়ে কোৱা মতেই কৰিলোঁ। লাভৰ ভিতৰত এযোৰ আমৰলীয়া হাঁহৰ প্ৰাণ গল। ভকতসকলৰ পেট ভৰিল। পেট চলিল। কিন্তু মোৰ কঁকালৰ বিষ যতে আছিল, ততে থাকিল। এজন কৰম-কৰা বাপুৰে মোক ক'লে, "ডাঙৰীয়াই এইবিলাক ফপহুৱা দৰৱজাতি খাই ফুচুংফাচাং কাম কৰি অনাহক সময় আৰু ধন খৰচ কৰিছে আৰু কষ্ট পাইছে। এটা শান্তিকৰম আৰু গ্ৰহযজ্ঞ কৰক। ব্ৰাহ্মণক দক্ষিণা দিয়ক। অচিৰে নিৰোগ হব।" বাপুৰ ব্যৱস্থামতে সকলোখিনি কৰিলোঁ, কিন্তু পালোঁ ফুটুকাৰ ফেনসোপা। এজন গ্ৰহ-বিপ্ৰই সোণ-ৰূপ, তাম আদি ধাতুৰে আৰু ৰঙা, বগা, কলা, হালধীয়া কাপোৰেৰে মঙ্গল ৰাহু-কেতুৰ পূজাৰ বিধান দি মোক টেটুলৈকে খৰচেৰে পুতিলে। এজন উদাসীন ভকতে সবাহ পতাই নাম গোৱাই ভকতসকলৰ দ্বাৰাই মাহ-চাউল কলৰ দফা ৰফা কৰালে। ভকতনীয়ে গোপিনী-সবাহৰ ব্যৱস্থা কৰি বাহ-গোপিনী লগ লগাই দি মিঠৈ-প্ৰসাদ বিলোৱাই খৰচ কৰোৱাই মোৰ হাতনি-পেৰাৰ তলি উদং কৰালে। এইবোৰৰ ফল কি হ'ব শুনিবা নে? হল, "গালোঁ বালোঁ খোলাকটিৰ তাল। নাচিলেবাগিলে জয়গোপাল। ইয়াৰ পিছত বেজবৰুৱাৰ সহায় লৈ আয়ুৰ্ব্বেদীয় চিকিৎসা আৰম্ভ কৰিলোঁ। সেই চিকিৎসাৰ আৰম্ভণতে এজন বিলাতৰ পৰা ওভতা বন্ধুৱে মোক লগ পাই সেই চিকিৎসাক ৰাবিছ্ বুলি এৰুৱাই মোক ডাক্তৰী এলোপাথিক চিকিৎসাত ধৰাই দিলে। মই বিনীতভাৱে তেওঁৰ কথাত ভৰ দি বেজবৰুৱাক বিদায় দি ডাক্তৰক মোৰ ঘৰত সুমালোঁ। এনেতে মোৰ এজন কলিকতীয়া বন্ধুৰ সৈতে দেখা হল। তেওঁ এলোপেথিক চিকিৎসাৰ নাম শুনি মোক ছুইহে নিকিলালে। মই কি কৰিম বুলি তেওঁক সোধাত তেওঁ মোক হোমিওপেথিক চিকিৎসা কৰাবলৈ পৰামৰ্শ দিলে। তেতিয়াই এলোপেথিক সলাই হোমিওপেথিক ধৰিলোঁ। কিন্তু সেই হোমিওপেথিকে মোৰ কি কৰিলে ভগৱন্তইহে জানে, মই কিন্তু একো গম নাপালোঁ। সঁচাকৈ কবলৈ গলে, সেই চিকিৎসা মতে দিনৌ মই দৰব খাইও, সেই দৰবৰ সৈতে মোৰ কি সম্বন্ধ লাগিব একোকে গম ধৰিব নোৱাৰি, তাৰে সৈতে উপযাচি খুলশালিৰ সম্বন্ধ পতাই তাক সেই সম্বন্ধ ধৰি মাতি মোৰ খৰৰ পৰা বিদায় দিলোঁ। এজন বিজ্ঞলোকৰ উপদেশ শুনি জলবায়ু পৰিবৰ্ত্তন কৰিবৰ মনেৰে নাৱেৰে ফুৰিবলৈ গলোঁ। কথাতে কয় বোলে যলৈকে যায় জনমযুগী তাতে লাগে কুৰিয়াকুৰি। নাৱত নাৱৰীয়াৰ বুধি শুনি কঁকালৰ বিষয়টো মোৰ গাৰ ভিতৰৰ পৰা বাহিৰলৈ উলিয়াবৰ মনেৰে কানি ভিতৰলৈ সুমাবলৈ ধৰিলোঁ। দেখিলোঁ কানিৰ ৰাগীটো গাত থাকে মানে কঁকালৰ বিষয়টো নাথাকে। কিন্তু ৰাগীটো গাৰ পৰা গলেই বিষটো আকৌ কৰবাৰ পৰা আহি গাত সোমায়। ইয়াৰ দ্বাৰাই ভালকৈ বুজিলোঁ যে লোণেৰে নেমু-টেঙাৰ এচাৰ খৰাই দিনে-ৰাতিয়ে কানিৰে মোৰ গাটো খৰাই

নথলে নিস্তাৰ নাই। তাৰ মানে মই দোপাত কানীয়া নহলে নচলে। কঁকালৰ বিষ ভাল কৰিবলৈ গৈ মোৰ ইহকাল, পৰকাল খোৱাটো যুক্তিসঙ্গত নহয় ভাবি কানিক সিমানতে কুটা ছিঙি এৰিলোঁ। কানি এৰিয়েই মোৰ নাৱৰ গুৰিয়ালৰ বুদ্ধি শুনি ভাং খাবলৈ ধৰিলোঁ। ভাঙে কানিৰ দৰেই মোৰ হতুৱাই 'গিৰ্মিট' লেখাই লৈ মোক বহতীয়া কৰিব খোজাটো বুজি তাৰ মুখৰ ফালে চাই মুখ ভেঙুচাই তাক সিয়াঁৰি দি বিদায় দিলোঁ। ভাং গলত মিষ্টৰ জি-পি-দাস বন্ধুৰ কথা শুনি দিনৌ এগিলাছকৈ হুইস্কি খাবলৈ ধৰিলোঁ। হুইস্কি ঢালি থাকোঁতেই আৰু এজন বান্ধই মোক লগ পাই হুইস্কিৰ দুর্নাম ৰতি তাৰ মানহানি কৰি ব্ৰাণ্ডিৰ গুণ বখানিবলৈ লাগিল। ব্ৰাণ্ডিৰ গুণ-কীৰ্ত্তনত মুগ্ধ হৈ তেতিয়াই এবটল ব্ৰাণ্ডি কিনাই অনাই 'এপেগ' ব্ৰাণ্ডি খালোঁ। গুবৰ গোন্ধত বৰমাখি ওলোৱাদি ব্ৰাণ্ডিৰ গোন্ধত মোৰ ওচৰ-চুবুৰীয়া বন্ধু মাধমাৰ বৰবৰা ওলালহি। মিষ্টাৰ বৰবৰা ব্ৰাণ্ডিৰ ওপৰত খড়গহস্ত আৰু হুইস্কিৰ ওপৰত তাতোকৈ বেছি হুইস্কি, ব্ৰাণ্ডি খোৱাসকলক তেওঁ মদাহী বুলি গালি পাৰি 'বিয়েৰ'ৰ গুণকীৰ্ত্তন কৰিবলৈ ধৰিলে। দেখিলোঁ, বিয়েৰৰ গুণানুকীৰ্ত্তন কৰোঁতে তেওঁৰ জিভাত অমৃতৰ নৈ আৰু চকুত প্ৰেমাশ্ৰু বৈছে। যঁজা ভাই ভাই হুইস্কি ব্ৰাণ্ডিক বৰবৰাই ১৮১৮ চনৰ ৩ আইন মতে দিপর্ট অর্থাৎ বনবাস দণ্ড দিয়াটো উচিত বুলি মত প্ৰকাশ কৰি বিয়েৰত ৰায়বাহাদুৰ পাতিবলৈ মত প্ৰকাশ কৰাত মই তেওঁৰ মনৰ ভাব বুজি তেওঁক সন্তুষ্ট কৰিবলৈ, আৰু কিজানি কিবা উপকাৰ পাৰেঁই, এই ভাবি বিয়েৰ দুবটল অনাই এবটল খুলি তেওঁক খাবলৈ দি, আন এবটলেৰে নিজৰ পেট পুৰালোঁ। ইয়াৰ পিছত মোৰ কাণ্ডজ্ঞান শূন্য হল, মই 'বেহুচ' হৈ পৰিলোঁ। পিছ দিনা পুৱাহে মোৰ 'হুচ' আহিল।

দুখৰ বিষয় মোৰ কঁকালৰ বিষ আজিলৈকে কঁকালতে ৰল আৰু তাৰ উপৰি তাৰ দৰববিলাকৰ ভিতৰৰ শেহৰ কেইটাও মোৰ আশ্ৰয়তে থাকিল।

কঁকালৰ বিষয়ত কেকুৰি ফুৰাসকলে মই ব্যৱহাৰ কৰা প্ৰথামতে ঔষধবোৰ ব্যৱহাৰ কৰি চালে চাব পাৰে। সেইবোৰৰ পৰা তেওঁলোকে কোনো উপকাৰ নাপালেও বেছিকৈ অপকাৰ নাপায় অন্ততঃ সেইবোৰে তেওঁলোকক মৰাতকৈনো সৰহ কি কৰিবহে?

গতিকে তেওঁলোকে উৎসাহেৰে সৈতে সেইবোৰ ব্যৱহাৰ কৰি চাব পাৰে।

৫.৪ মূল পাঠৰ বিষয়বস্তুৰ আলোচনা

কৃপাবৰ বৰুৱাই কৈছে যে একান্ত পৰোপকাৰৰ উদ্দেশ্যতে তেওঁ কথাসমূহ ইয়াত ক'বলৈ লৈছে। তেওঁ সৰু থাকোতে এবাৰ মধুৰী গছৰ পৰা নিয়মমতে পৰি কঁকালৰ জোৰা

লৰিছিল। নিয়মমতে পৰা বুলি তেওঁ কোৱাৰ কাৰণ হৈছে তেনেকৈ মধুৰী গছত উঠি চনকা ডাল ভাঙি মানুহ পৰাৰ দৰে ঘটনা অসমীয়া সমাজত সচৰাচৰ ঘটিয়েই থাকে। প্ৰতিপাল কৰাত কঁকালৰ বিষ ভাল হৈ তেওঁ সুকলমে অতদিন আছিল। কিন্তু বুঢ়া হৈ অহাৰ লগে লগে বিষ বাঢ়িল। গতিকে বৰবৰুৱায়ো বিষৰ কিবা গতি লগাবৰ চিন্তা কৰিলে। গতিকে কি কি অস্ত্ৰ প্ৰয়োগ কৰি বৰবৰুৱাই তেওঁৰ শৰীৰৰ পৰা বিষক বিদায় দিবলৈ যত্ন কৰিছিল সেইসমূহ কথাকে ক'বলৈ লৈছে।

এদিন ডাৱৰীয়া বতৰত তেওঁৰ গাত বিষৰ আৰিৰ্ভাৱ হোৱাত তেওঁ উস আস কৰি থাকোতেই কোনোবা এজনে আহি তেওঁক কঁকালত সৰিয়হ তেল সনাৰ কথা ক'লে। কথা মতেই কাম । বৰবৰুৱায়ো সৰিয়হৰ তেল আনি লগুৱাৰ হতুৱাই কঁকালত ঘঁহিলে। তেনেতে আন এজনে আহি ক'লে যে সৰিয়হৰ তেলত হিং মিহলাই ল'লে অধিক ফল পোৱা যায়। হিং মিহলোৱা তেল সানিবলৈ যোজা কৰোঁতেই আন এজনে আহি ক'লে বোলে তাত নিমখ দি ল'লে সেয়া অধিক ফলপ্ৰসূ হয়। ডেকা লগুৱাৰ হাতত নিমখ দিয়া তেল। বৰবৰুৱাৰ কঁকালত ঘঁহনি খাই খাই মাখি ছাল চিগিল। তেনেতে বৰবৰুৱাৰ আন এজন বান্ধে ওলালহি। মাখি চাল চিগা কঁকালৰ ভকভকনি দেখি তেওঁ ক'লে যে তাত অকণমান চেচা পানী দি লোৱা ভাল। বৰবৰুৱাই তাকে কৰাত কঁকালত ঠাণ্ডা লাগি চেকচেকনি উঠিল। সেই চেকচেকনিৰ যন্ত্ৰণাত মুখৰ অঙ্গিভঙ্গি দেখি এজনে আকৌ ক'লে যে তেল-চেলৰ প্ৰয়োজন নাই। কেৱল চেচা পানীত কাপোৰ এখন তিয়াই কঁকালত বান্ধি ৰাখিলেই হ'ল। বিধানে একো সন্তোষজনক ফল দিব নোৱাৰাত তেওঁ এইবাৰ বাহিৰা সনা-পোতকা এৰি ভিতৰুৱা ব্যৱস্থাত ধৰিলে।এইবাৰ তেওঁ কেঁচা নহৰু চোবাই খোৱা আৰম্ভ কৰিলে। নহৰুৰ পৰা কঁকালৰ বিষৰ একো লৰচৰ নহ'লেও কিন্তু মুখৰ পৰা ধৰি বৰবৰুৱাৰ গাৰ ৰন্ধ্ৰে ৰন্ধ্ৰে নহৰুৰ গোন্ধত কোনো ওচৰ চাপিব নোৱাৰা হ'ল। হাঁচি, হামি, হিকটি সকলোতে নহৰুৰ গোন্ধ। ৰাইজক অশান্তিৰ পৰা পৰিত্ৰাণ দিবলৈ তেওঁ নহৰুক বিদায় দি নহৰুৰ ভায়েক পনৰুক ধৰিলে। নহৰুতকৈ গোন্ধৰ চোক কম হলেও কথা একেই থাকিল। বৰবৰুৱাই নিৰুপায় হৈ আন এজনক বুদ্ধি সোধাত গো-মূত্ৰ ঘঁহিবলৈ ক'লে। এজনে আকৌ উপযাচি তাতে গোবৰ অলপো লেও দি ল'বলৈ ক'লে। উপকাৰ একো নহ'ল যদিও দুৰ্গন্ধত পিছে তেওঁৰ ওচৰলৈ কোনো যাব নোৱাৰা অৱস্থা হ'ল।

বৰবৰুৱা উপায়হীন হ'ল। তেনেতে এজন মঙলতি আহি মঙল চাই ক'লে যে গুৰু বিতুষ্ট হৈছে। গতিকে আমৰলীয়া হাঁহেৰে পাঁচজন ভকতক চাউল খুৱালে তেওঁৰ কঁকালৰ বিষ পলাই পত্ৰং দিব। হাঁহৰ প্ৰাণ গ'ল, ভকতৰ পেটো ভৰিল, পেটো চলিল। কঁকালৰ বিষ পিছে লৰচৰ নহৈ য'তে আছিল ত'তে থাকিল। এজন কাজ-কৰ্ম কৰা বাপুৰে তেওঁৰ কাম দেখি-শুনি ক'লে যে এইবোৰ ফুচুংফাচাং কাম কৰি ফপহুৱা দৰব খাই একো লাভ নাই। তাৰ পৰিৱৰ্তে শান্তিকৰম আৰু গ্ৰহযজ্ঞ কৰাৰ বিধান দিলে। ব্ৰাহ্মণক দক্ষিণা দিবলৈ ক'লে। বাপুৰ ব্যৱস্থামতে সকলো কৰা হ'ল। ফলাফল পিচে ফুটুকাৰ ফেন। এজন

গ্ৰহবিপ্ৰই আকৌ বৰবৰুৱাক সোণ-ৰূপ-তাম আদি ধাতুৰে ৰঙা, বগা, ক'লা, হালধীয়া কাপোৰেৰে মঙ্গল-ৰাহু-কেতুৰ পূজাৰ বিধান দিলে।টেটুলৈকে খৰচ কৰি বৰবৰৱাই তাকে কৰিলে। আন এজন উদাসীন ভকতে সবাহ পতাৰ কথা কোৱাত মাহ-চাউল-কলৰ সবাহ চলিল।কোনোবা এগৰাকী ভকতনীয়ে আকৌ গোপিনী সবাহ কৰিবলৈ কোৱাত তাকো কৰিলে। মিঠৈ-প্ৰসাদৰ যা-যোগাৰ কৰোঁতে বৰবৰুৱাৰ হাতনি-পেৰাৰ তলি উদং হ'ল। এই গোটেইবোৰৰ ফল হ'ল গালো বালো খোলাকটিৰ তাল। নাচিলে বাগিলে জয়গোপাল। অৰ্থাৎ শূণ্য।এইবাৰ বৰবৰুৱাই বেজবৰুৱাৰ সহায় লৈ আয়ুৰ্বেদীয় চিকিৎসা আৰম্ভ কৰিলে।তেনেতে বিলাতৰ পৰা উভতি অহা এজনে সেই চিকিৎসাক ৰাবিছ্ বুলি কৈ সেয়া এৰুৱাই এলোপেথিক চিকিৎসাত ধৰালে। বৰবৰুৱায়ো বেজবৰুৱাক বিদায় দি এলোপেথিকত ধৰিল। সেই চিকিৎসাৰ কথা এজন কলিকতীয়া বন্ধুৱে জানি তেওঁক অনেক ভৰ্ৎসনা কৰিলে আৰু হোমিওপেথিক চিকিৎসা কৰিবলৈ পৰামৰ্শ দিলে। কথা মতেই কাম আৰু ফলাফল একেই। এজন বন্ধুৱে আকৌ চিকিৎসা এৰি জলবায়ু পৰিৱৰ্তনৰ পৰামৰ্শ দিয়াত বৰবৰুৱাই এইবাৰ তাত ধৰিলে। নাও বন্দবস্ত কৰি ফুৰিলেহে ফুৰিলে কঁকালৰ বিষো লগতে ফুৰিল। নাৱৰীয়াই বিধান দিলে বোলে কানি খালে বিষ ভাল হয়। বিধান নুশুনাৰ কথাই নাহে। বিষক বাহিৰলৈ পথাবলৈ কানি বৰবৰুৱাৰ শৰীৰত সোমাল। বৰবৰুৱাই দেখিলে যে কানিৰ ৰাগী থকালৈকে বিষৰ গম নাথাকে। ৰাগীও যায় আৰু কানিও হাজিৰ হয়। অৰ্থাৎ কঁকালৰ বিষ ভাল হ'বলৈ হ'লে অনবৰতে ৰাগী লাগি থকাকৈ তেওঁ কানি খাই থাকিব লাগিব। ইহকাল-পৰকাল ভাবি বৰবৰুৱাই কথাটো অযুগুত বুলি বিবেচনা কৰি নাৱৰ গুৰীয়ালৰ বুদ্ধি শুনি এইবাৰ ভাঙত ধৰিলে। ভাঙৰ ক্ষেত্ৰতো কথাটো কানিৰ দৰেই হ'ল। ভাঙে তেওঁক বহতীয়া কৰিবলৈ লোৱা বুলি উপলব্ধি কৰি এইবাৰ তেওঁ ভাঙক বিদায় দি দিনে এগিলাছকৈ হুইস্কি খোৱা আৰম্ভ কৰিলে। এনেতে এজন বন্ধুৱে হুইস্কিৰ বদনাম গোৱাত বৰবৰুৱাই হুইস্কি এৰি ব্ৰাণ্ডিত ধৰিলে।ওচৰৰে বন্ধু মাধৰাম বৰবৰাই সেই খবৰ পাই বৰবৰুৱাক চুইহে নিকিলালে।তেওঁ হুইস্কি-ব্ৰাণ্ডি খোৱাসকলক মদাহী বুলি ভাবে।তেওঁ বৰবৰুৱাক বিয়েৰ খোৱাৰ পৰামৰ্শ দিলে। বৰবৰাৰ নিজৰো লোভটো বৰবৰুৱাই পিছে ধৰিব পাৰিলে। বৰবৰুৱাই বন্ধুৰ ইচ্ছা পূৰাই তেওঁকো দিলে আৰু নিজেও বিয়েৰত ধৰিলে। বিয়েৰৰ নিচাত অজ্ঞান হৈ বৰবৰুৱা ৰাতিটো থাকিল। পুৱাহে হুচ আহিল।এনেদৰে কঁকালৰ বিষ আতৰাবলৈ বৰবৰুৱাই দীঘলীয়া এটা প্ৰক্ৰিয়া সমাপন কৰিলে যদিও কঁকালৰ বিষ কঁকালতে থাকিল, নলৰিল। কিন্তু শেষৰ দৰবটো অৰ্থাৎ বিয়েৰ সেৱনৰ অভ্যাস বৰবৰুৱাৰ গাত স্থায়ী হৈ থাকি গ'ল। গতিকে বৰবৰুৱাই কঁকালৰ বিষত ভোগা সকলোকে এইবোৰ বিধান মানি চাবলৈ পৰামৰ্শ দিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ এটা জাতি উন্নত জাতি হ'বলৈ হ'লে কি কি গুণৰ দৰকাৰ বুলি বেজবৰুৱাই ক'ব বিচাৰিছে আলোচনা কৰক। (২০০টা শব্দৰ ভিতৰত)

.....

৫.৫ পাঠ দুটাৰ গদ্যশৈলীৰ সাধাৰণ আলোচনা

লক্ষ্মীনাথ বেজবৰুৱাৰ সামগ্রিক ৰচনাৰ মাজেৰে গদ্যশৈলীৰ যি অসাধাৰণ, জতুৱা, চহকী ৰূপ গঢ় লৈছে (এইসম্পর্কে এইখন কাকতৰে দ্বিতীয় অধ্যায়ত বিস্তৃতভাৱে আলোচনা কৰা হৈছে)সেয়া তেওঁৰ ব্যঙ্গসাহিত্যৰ গদ্যৰ মাজতো বিদ্যমান। অসমীয়া ভাষাৰ নিভাঁজ জতুৱা শব্দ-বাক্যৰ প্রচুৰ ব্যৱহাৰ, ইংৰাজী, হিন্দী আদি শব্দৰ সুকৌশলী প্রয়োগ আদি বৈশিষ্ট্যসমূহ ব্যঙ্গসাহিত্যৰ গদ্যতো বিদ্যমান।ইয়াৰ উপৰিও ব্যঙ্গসাহিত্যত ভাষিক চাতুর্য অধিক মাত্রাত দেখিবলৈ পোৱা যায়। আনকি অনেক সময়তে লেখাৰ বিষয়বস্তুতকৈ তেওঁৰ ভাষা আৰু উপস্থাপন কৌশলেহে ব্যঙ্গ সৃষ্টিত অধিক শক্তিশালী ভূমিকা লৈছে। উদাহৰণস্বৰূপে— 'অসমীয়া জাতি ডাঙৰ জাতি' বুলি কৈ তেওঁ লেখাটোৰ আৰম্ভণিতে লিখিছে— "যি এই কথাত নুই কৰে তেওঁক বৰবৰুৱাই 'চমন' বা 'গিলিপদাৰী' পৰণা দি 'গিলিপ্‌দাৰ' কৰি ধৰি আনিব, কিয়নো তেওঁ নুই কৰে তাৰ কাৰণ দেখুৱাবলৈ; আৰু সুধিবলৈ, তেওঁনো কোন তুংখুঙীয়াৰ ঘৰৰ ল'ৰা যে ইমান বৰমতা ওলাইছেহি।"

ইয়াত বাক্যকেইটাৰ বিষয়বস্তুতকৈ শব্দ প্রয়োগৰ কৌশলেহে মানুহক অধিক ৰস দিয়ে। সেইদৰে বৰবৰুৱাই কৈছে— *অসমীয়া জাতি ডাঙৰীয়া জাতি*। বাক্যটো সম্পূর্ণৰূপে শ্লেষাত্মক। "ডাঙৰ জাতি"টো ইতিবাচক বক্তব্য। কিন্তু "ডাঙৰীয়া জাতি" কথাটো সম্পূর্ণভাৱে নেতিবাচক। অসমীয়া মানুহৰ অহংকাৰী মই বৰ স্বভাৱক সমালোচনা কৰিবলৈ গৈ তেওঁ এই শব্দটো প্রয়োগ কৰিছে। শব্দৰ চাতুর্যপূর্ণ সচেতন প্রয়োগেও বহুসময়ত ব্যঙ্গ সৃষ্টি কৰিছে। যেনে—

"তেওঁ কোৱা মাত্রকে মোৰ হুকুমত লোণ আহিল আৰু মোৰ হুকুমতে সি তেলত লয়প্রাপ্ত হ'ল।তৈলমিশ্রিত লৱণ বা লৱণমিশ্রিত তৈল লগুৱাৰ হাতৰ তলুৱাৰ হেঁচাত মোৰ কঁকালত প্রৱেশ কৰিবলৈ ধৰিলে।"

ইয়াত "লয়প্রাপ্ত হ'ল", " প্রৱেশ কৰিবলৈ ধৰিলে" আদি শব্দসমূহে মানুহক হাঁহিৰ খোৰাক যোগাইছে।

কেতিয়াবা অনেক বিশেষণ আদি প্রয়োগ কৰি একেটা বাক্যতে তেওঁ বহু কথা সন্নিৱেশ কৰে আৰু উশাহ নসলোৱাকৈ যেন মনৰ আক্ষেপ কিছুমান প্রকাশ কৰিব বিচাৰে। সচেতন শব্দবিন্যাসৰ বাবে এনেবোৰ ক্ষেত্রত অনুপ্রাসৰ সৃষ্টি হয় আৰু পাঠকেও হাঁহিবলৈ

সুযোগ পায়। যেনে—

"আলিবাটলৈ ওলালে তেওঁ চুৰীয়াই কাপোৰে, ঠেঙাই, বুকু খোলা কোটে, টুংখুঙীয়া ফৈদৰ ল'ৰা, নাইবা বৰফুকনৰ নাতি, নাইবা জমিদাৰৰ বাচ্ছা নাইবা চূণাগলীয়া বৰচাহাব নহয় বুলি ফেপেৰি পাতি ফেট্‌লেঙা ডিঙিৰে, ফেকুন্দা মুখেৰে, ফেদেলা জিভাৰে ফেচেৰ্ কৰে কবলৈ যি সাহ কৰি আহিব, সেই মৰসাহ দিয়া মহাপাপীৰ, মহামতি বৰবৰুৱাই তেতিয়াই মুখাগ্নি কৰি থবলৈ গাত লৈছে।"

বহুসময়ত বেজবৰুৱাই তুলনাৰ জৰিয়তেও হাস্যৰস সৃষ্টি কৰিছে। যেনে—

"আজিকালি ইমান ডাঙৰীয়া বাঢ়িছে যে অসম-বৰপুখুৰী ডাঙৰীয়া-লালুকীৰে ক'লা পৰি আহিছে।"

"আজিকালি কিন্তু সেইকেজনা ডাঙৰীয়াৰ পৰা পৰোক্ষেই বা অপৰোক্ষেই অষ্টাদশ অক্ষৌহিণী লেখী-ডাঙৰীয়া আৰু পিঁজলা ডাঙৰীয়া হৈ অসম দেশখন উৰাই বাঁহগছৰ আগ পোৱাব লগীয়া কৰিছেগৈ।"

"অসমীয়াৰ সদাচাৰ জগত-জাননী পতিতপাৱনী। বামুণভেকোলাৰে সৈতে অসমীয়া সমানে পানীত পৰি থাকে বুলিলেও বৃহৎ বৰুৱাৰ গাত অত্যুক্তি দশাদোষ গ্রহদোষে নপৰ্শে।"

শব্দ বাক্য আদি অপভ্রংশ ৰূপত ব্যৱহাৰ কৰিও বেজবৰুৱাই অনেক ঠাইতে ব্যঙ্গ সৃষ্টি কৰিছে।কেতিয়াবা সংস্কৃত, কেতিয়াবা পুৰণি অসমীয়া ভাষা, হিন্দী, ইংৰাজী, কেতিয়াবা জতুৱা ঠাঁচ আদি তেওঁ অপভ্রংশ ৰূপত প্রয়োগ কৰিছে। যেনে—

"কওনেৱালাসকলে অসমীয়াই কৰা ৰাজহুৱা বৰসবাহ, ৰাজহুৱা কালীপূজা আদি দেখিছেনে নাই দেখা? কোনখন মুখেৰে তেওঁবিলাকে তেনে কথা কয় বৰবৰুৱাকু দেখ্‌লাই দেনে হোগা।"

"বলৰ পাকেও অসমীয়াক পেলাওঁতা নাই। কাৰণ অসমীয়াই শাৰীৰিক বলতকৈ দৈব বল বা কপালৰ বলত বেছি ভেজা দিয়ে। শাস্ত্রত কৈছে, "দৈব বলাৎ এব নান্যবলং।"

"অসমীয়া ডাঙৰীয়াৰ প্রাতঃকৃত্যৰ পৰা সায়ংকৃত্যলৈকে 'গহীনতাৰ' ইমান ধুমধাম যে "গহীন নভে গহীনাই কৈও" তাৰ অন্ত কৰিব নোৱাৰে।"

"অমৰাৱতীৰ সহস্রলোচনৰ পৰা আউনীআটীৰ বৰমেধি ত্রিলোচনলৈকে "আমৰা ইতস্ততঃ যে সমুদয় বাহ্যাড়ম্বৰপূর্ণ প্রাণী দেখিতে পাই, সেই সমুদয়কে ডাঙৰ মনুষ্য-পদার্থ কহে।"

"বৰবৰুৱাৰ বাহিৰে নিন্দকক জব্দ কৰনেৱালা আউৰ কই নাহি হেঁয়। তেওঁ "মৃগ-মীন সজ্জনানাং" এই শ্লোকৰ মোখোৰা লগাই বাহ-নিন্দকক হালেহালে সাঙুৰি সদাচাৰৰ মৰণা মাৰিবলৈনো কত দিন লগাইছে তাৰ এতাৱন্ত নাই।"

বেজবৰুৱাই বিষয় একোটাক সমালোচনা কৰিবলৈ গৈ শ্লেষ সৃষ্টিৰ বাবে বহুঠাইতে প্রবচন, ফকৰা আদিৰ সহায় লৈছে। যেনে—

" "মাঘমহীয়া কল, পুহমহীয়া জল, খায় যি তাৰ সাত ভতৰাৰ বল।"অসমীয়াক জলে কলে জলাকলা কৰি থৈছে। মাহেকীয়াৰ পৰা আঠীয়াকল খোৱা বাহুবলী বৰবৰুৱাই তাৰ প্ৰকৃষ্ট প্ৰমাণ।"

শব্দৰ ভুল ব্যাখ্যাৰে বেজবৰুৱাই ঠায়ে ঠায়ে ব্যঙ্গ সৃষ্টি কৰিছে—

"একতাৰ বিষয়ে অসমীয়া জাতি পৃথিৱীত অদ্বিতীয়।একতা মানে একেটা, অর্থাৎ গাইপতি এটা এটা গোট গোট। অসমীয়া মানুহ গাইগোটা-পেটে-ভঁৰাল বুলি ভুবনবিদিত।"

এনেধৰণৰ ব্যাজস্তুতিৰ ব্যৱহাৰ তেওঁৰ ৰচনাত আৰু অনেক পোৱা যায়। যেনে— "কোনোৱে কয়, অসমীয়া পঢ়া-শুনাত বেছি মনোযোগী নহয়। নহবতো খাবলৈ নোপোৱাৰ পক্ষেহে পঢ়া-শুনা।"

বেজবৰুৱাই কৃপাবৰ বৰবৰুৱা নাম লৈ এনেদৰে ভাষিক চাতুর্য আৰু বর্ণনাকৌশলেৰে যি এক ব্যতিক্রমী গদ্য অসমীয়া সাহিত্যত সৃষ্টি কৰিলে সেই গদ্যক কৃপাবৰী গদ্য বুলি জনা যায়। এই কৃপাবৰী গদ্য অসমীয়া সাহিত্যৰ এক মহত্ত্বপূর্ণ, স্ববৈশিষ্ট্যপূর্ণ আৰু অভিনৱ সম্পদ।



জানি থোৱা ভাল

বেজবৰুৱাৰ ব্যঙ্গসাহিত্য ৰচনাৰ মুখ্য উদ্দেশ্য আছিল সমাজ সমালোচনা। কৃপাবৰৰ ৰূপ লৈ তেওঁ অসমীয়া সমাজৰ নেতিবাচক দিশ, ভণ্ডামি, অন্ধসংস্কাৰ আদি উদঙাই দেখুৱাইছিল। সমাজ সংস্কাৰৰ বাবে ব্যঙ্গসাহিত্যক তেওঁ চোকা অস্ত্র হিচাপে ব্যৱহাৰ কৰিছিল।তেওঁৰ এইশ্রেণীৰ ৰচনাক কৃপাবৰী সাহিত্য বুলি কোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ কৃপাবৰী গদ্য বুলিলে কি বুজে? কৃপাবৰী গদ্যৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(১৫০টা শব্দৰ ভিতৰত)

.....

৫.৬ হাস্য-ব্যঙ্গৰ মাজেদি ভূমুকি মৰা সমাজ-সংস্কাৰকজন


লক্ষ্মীনাথ বেজবৰুৱাই কৃপাবৰ বৰবৰুৱা নাম লৈ যিসমূহ ব্যঙ্গ সাহিত্য সৃষ্টি কৰিছিল সেই সকলোবোৰেই সুতীব্র সমাজচেতনাৰ ওপৰত প্রতিষ্ঠিত। অসমীয়া সমাজখনত প্রচলিত অযুক্তিকৰ ৰীতি-নীতি, অসমীয়াৰ কর্মবিমুখ সোৰোপা মনোবৃত্তি, অধ্যয়নবিমুখিতা আদি দেখি বেজবৰুৱাৰ মনত অশান্তি সৃষ্টি হৈছিল, কষ্ট পাইছিল। সেইবাবেই সমাজৰ বিভিন্ন

দিশ সমালোচনা কৰি তেওঁ ব্যঙ্গসাহিত্যসমূহ ৰচনা কৰিছিল। এই সকলোবোৰতে তেওঁৰ সূক্ষ্ম পর্যবেক্ষণ আৰু অসমৰ প্রতি থকা ভালপোৱাৰ প্রকাশ ঘটিছে। 'অসমীয়া জাতি ডাঙৰ জাতি'ত তেওঁ প্রকৃততে যিবোৰ দোষৰ বাবে অসমীয়া জাতিৰ উন্নতি নহয়, যিবোৰ কাৰণত অসমীয়া জাতি ডাঙৰ জাতিত পৰিগণিত হ'ব পৰা নাই সেইসমূহকে ইয়াত আঙুলিয়াই দেখুৱাইছে। জাতিৰ সামূহিক স্বার্থৰ ক্ষতি হ'লেও যিবোৰ মানুহে নিজকে কেৱল ডাঙৰ সজোৱাত ব্যস্ত সেইসকলকো "ডাঙৰীয়া জাতি" বুলি বেজবৰুৱাই কটাক্ষ কৰিছে। অসমীয়া মানুহৰ মাজত একতাৰ অভাৱ। নিজৰ স্বার্থক লৈয়ে ব্যস্ত। ধর্মৰ নামত যুক্তি হীন আচাৰ আৰু বাহ্যিক আচৰণতে মানুহ ব্যস্ত। কিন্তু ধর্মৰ তাৎপর্য কেৱল কিছুমান বাহ্যিক আচাৰ আৰু উৎসৱ নহয়। অসমীয়া মানুহে ঘন্টা ঘন্টা ধৰি ভগৱানৰ উপাসনাৰ নামত খৰচ কৰে। কিন্তু মনটো বৈষয়িক চিন্তাত ঘূৰি ফুৰে। সেয়া ধর্মনিষ্ঠা বুলিব নোৱাৰি।সেইদৰে সদাচাৰৰ নামত মানুহৰ মাজত পৰম্পৰাগতভাৱে কিছুমান অন্ধসংস্কাৰ প্রচলিত হৈ আহিছে। যুক্তিহীন ধুতী-নীতি, অস্পৃশ্যতা আদি সমাজৰ প্রগতিৰ ডাঙৰ অন্তৰায়। বেজবৰুৱাকালীন সমাজত তেনে আচাৰেৰে অসমীয়া সমাজ ভৰপূৰ আছিল। ঐতিহ্যৰ ফালৰ পৰা অসমীয়া চহকী জাতি। বুৰঞ্জীয়েও অসমীয়াৰ গৌৰৱ ঘোষণা কৰি আহিছে। কিন্তু আজিৰ অসমীয়াই অতীত ঐতিহ্যক সন্মান কৰিবও নাজানে, সঠিকভাৱে মূল্য দি সুৰক্ষিত কৰি ৰাখিবও নাজানে। গোটেই সমাজখনতে কেৱল তই থাক মই যাওঁ ধৰণৰ স্বার্থপৰ মনোবৃত্তি। আনৰ ঘৰে ঘৰে ব্যক্তিগত কথা সমালোচনা কৰি ফুৰাত অসমীয়াসকল আগৰণুৱা। লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সমাজত প্রচলিত এই কুপ্রবৃত্তিসমূহ আতৰাই সমাজখন সংস্কাৰ কৰিব বিচাৰিছিল।

সমাজৰ উন্নতি হ'বলৈ হ'লে দৰকাৰী গুণসমূহ হৈছে বল, একতা, সহিষ্ণুতা, ধর্মনিষ্ঠা, সদাচাৰ, পৰোপকাৰিতা, অনুসন্ধিৎসা, অধ্যয়নশীল মনোবৃত্তি, পৰোপকাৰিতা ইত্যাদি। অসমীয়া মানুহে এই গুণসমূহ সঠিকভাৱে আয়ত্ত কৰাটো বেজবৰুৱাই মনে-প্রাণে কামনা কৰিছে।

কঁকালৰ বিষ ভাল কৰিবৰ উপায় পাঠটিৰ জৰিয়তেও বেজবৰুৱাৰ সংস্কাৰাত্মক দৃষ্টিভংগী স্পষ্টভাৱে প্রকাশিত হৈছে। অন্ধবিশ্বাসৰ কৰাল গ্রাসত সোমাই থকা অসমীয়া মানুহে বেমাৰ আজাৰ হ'লে নিজৰ চিন্তা, যুক্তি-বুদ্ধি , সঠিক চিকিৎসা সকলো এৰি যিবোৰ নকৰিবলগীয়া কাম কৰি ফুৰে সেই সকলোবোৰকে কৃপাবৰে পাঠটোত চোকা ভাষাৰে সমালোচনা কৰিছে। কিবা বেমাৰ আজাৰ হ'লেই মানুহে গ্রহদোষ-কালদোষ বুলি ভাবে। তদুপৰি যিয়ে যিহকে কয় তাকে কৰি ফুৰে। ইয়াৰ ফলত বেমাৰ ভাল হোৱাতকৈ অধিক বেয়াহে হয় । বৰবৰুৱাৰূপী বেজবৰুৱাই সেয়েহে তেওঁৰ কঁকালৰ বিষ হোৱাৰ অচিলা লৈ অসমীয়া মানুহক নিজৰ স্বাস্থ্যৰ লগত তেনেবোৰ অপকর্ম নকৰিবলৈ সকিয়াই দিছে। অন্যথা হীতে বিপৰীত হোৱাৰহে সম্ভাৱনা অধিক। ইয়াৰ উপৰিও মানুহৰ এনে বেমাৰৰ সুযোগ লৈ বিভিন্ন বৈদ্য, পুৰোহিত আদি শ্রেণীৰ একাংশ স্বার্থান্বেষী মানুহে কিদৰে নিজৰ উদ্দেশ্য

সিদ্ধি কৰে তাকো বৰবৰুৱাই লিখাটোত উদঙাই দেখুৱাইছে। তেনে ধৰণৰ লোকে নিজৰ লাভ হোৱাকৈ ৰোগীক বেমাৰৰ বিধান দিয়ে আৰু স্বাৰ্থ পূৰণ কৰে। নিৰ্বোধ মানুহবোৰে তাকে উপলব্ধি কৰিব নোৱাৰি তেওঁলোকৰ ফন্দিত ভৰি থৈ নগুৰ-নাগতি হোৱাৰ বাহিৰে লাভ একো নহয়।বেমাৰৰ উপসম হোৱাটোতো দূৰৰে কথা। কঁকালৰ বিষ বা যি ৰোগেই নহওক তাৰ বাবে সঠিক চিকিৎসাৰ প্ৰয়োজন। তাকে নকৰি পূজা, স কাম, চাউলখোৱা পাতি থকাটো অযুক্তিকৰ কথা। অথচ অসমীয়া সমাজখন এনেধৰণৰ আচাৰেৰে ভৰপূৰ। সমাজৰ উন্নতিৰ বাবে মানুহৰ মাজৰ পৰা এই কুসংস্কাৰবোৰ আতৰোৱাটো অতি দৰকাৰ। সেইবাবেই বেজবৰুৱাই ব্যঙ্গসাহিত্যক সমাজ সমালোচনাৰ চোকা অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ *কঁকালৰ বিষ ভাল কৰিবৰ উপায়* পাঠটোৰ জৰিয়তে বেজবৰুৱাৰ সমাজ সংস্কাৰৰ আদৰ্শৰ প্ৰকাশ কেনেদৰে ঘটিছে বুজাই লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লক্ষ্মীনাথ বেজবৰুৱাই কৃপাবৰী ৰূপ লৈ কেনেদৰে অসমৰ সমাজ সংস্কাৰৰ চেষ্টা কৰিছিল সেয়া জানিব পৰা গ'ল।
- বেজবৰুৱাৰ কৃপাবৰী গদ্যৰ শক্তিশালী প্ৰকৃতি উপলব্ধি কৰিব পাৰিলোঁ।
- অসমীয়া সমাজৰ উন্নতিৰ ক্ষেত্ৰত আৰু অসমীয়া জাতি উন্নত জাতি ৰূপে পৰিগণিত হোৱাত কোনবোৰ দিশে প্ৰতিবন্ধক হৈ থিয় দিছে সেয়া বুজিব পৰা গ'ল।
- বেজবৰুৱাৰ সময়ৰ অসমীয়া সমাজত প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰৰ আভাস পোৱা গ'ল।
- বেজবৰুৱাৰ ব্যঙ্গসাহিত্যৰ ৰূপ কেনে ধৰণৰ আৰু এইসমূহৰ উদ্দেশ্য কি সেয়া জানিব পৰা গ'ল।



৫.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) নেওগ মহেশ্বৰ (২০০০) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২) বৰগোহাঞি, হোমেন (সম্পা.) (২০০৪) ঃ *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য,* গুৱাহাটী ঃ বনলতা।

৩) ভূঞা, স্মৃতিৰেখা (২০০৭) ঃ অসমীয়া গদ্যৰীতি, গুৱাহাটী ঃ বৃষ্টি প্ৰকাশন।

৪) শইকীয়া চন্দ্ৰ প্ৰসাদ (সম্পা.) (১৯৬৪) ঃ লক্ষ্মীনাথ বেজবৰুৱা, গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৫) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬) ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৬) শাস্ত্ৰী, বিশ্বনাৰায়ণ (১৯৯৪) ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য প্ৰতিভা, গুৱাহাটী ঃ শৰাইঘাট প্ৰকাশন।

৭) হাজৰিকা, অতুলচন্দ্ৰ (সম্পা.) (১৯৭০) ঃ বেজবৰুৱা-গ্ৰন্থাৱলী (দ্বিতীয় খণ্ড), গুৱাহাটী ঃ সাহিত্য প্ৰকাশ।



৫.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ এটা জাতি উন্নত জাতি ৰূপে পৰিগণিত হ'বলৈ হ'লে একতা, শক্তি, সহিষ্ণুতা, সদাচাৰ, পৰোপকাৰিতা, অধ্যয়নশীলতা আদি গুণৰ দৰকাৰ। সেইসমূহৰ বিষয়ে বহলাই লিখিব লাগিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ কৃপাবৰী গদ্য মানে হৈছে লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ ব্যঙ্গসাহিত্যত ব্যৱহাৰ কৰা গদ্য। কৃপাবৰ বৰবৰুৱা ছদ্মনাম লৈ ৰচনা কৰা বাবেই এই গদ্যক 'কৃপাবৰী গদ্য' বুলি আখ্য দিয়া হয়। কৃপাবৰী গদ্যত লিখকে ব্যঙ্গ সৃষ্টিৰ বাবে শব্দ, বাক্য, অলংকাৰ, ফকৰা আদিৰ প্ৰয়োগেৰে যিসমূহ কৌশল ৰচনা কৰিছে সেইসমূহৰ বিষয়ে উদাহৰণসহ আলোচনা কৰিব লাগিব।

৩নং প্ৰশ্নৰ উত্তৰ ঃ *কঁকালৰ বিষ ভাল কৰিবৰ উপায়* পাঠটোৰ জৰিয়তে বেজবৰুৱাৰ সমাজ সংস্কাৰকৰ ভূমিকাৰ স্পষ্ট প্ৰকাশ ঘটিছে। অসমীয়া সমাজত প্ৰচলিত যুক্তিহীন আচাৰ, বেমাৰ আজাৰৰ নামত প্ৰচলিত অন্ধবিশ্বাস আৰু সেইসমূহৰ প্ৰতি লিখকৰ সমালোচনাত্মক মনোভাৰ আদিৰ বিষয়ে লিখিব লাগিব।



৫.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যঙ্গাত্মক গদ্যশৈলীৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ বেজবৰুৱাৰ ব্যঙ্গসাহিত্যৰ মাজেৰে সংস্কাৰমূলক মনোভাৱৰ কেনে ধৰণৰ প্ৰকাশ ঘটিছে বুজাই লিখক।

প্ৰশ্ন ৩ ঃ কৃপাবৰ বৰবৰুৱাই এটা জাতি ডাঙৰ জাতি ৰূপে পৰিগণিত হ'বলৈ কি কি সজুলিৰ প্ৰয়োজন বুলি কৈছে লিখক।

প্ৰশ্ন ৪ ঃ কৃপাবৰে তেওঁৰ কঁকালৰ বিষ ভাল কৰিবৰ কাৰণে কি কি বিধান পালন কৰিছিল আৰু এইসমূহৰ ফলাফল কেনে ধৰণৰ হ'ল?

প্ৰশ্ন ৫ ঃ *কঁকালৰ বিষ ভাল কৰিবৰ উপায়* পাঠটোৰ জৰিয়তে কৃপাবৰে প্ৰকৃততে কি বুজাব বিচাৰিছে বিৱৰি লিখক।

প্ৰশ্ন ৬ ঃ *অসমীয়া জাতি ডাঙৰ জাতি* পাঠটোৰ অন্তৰ্নিহিত তাৎপৰ্য ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৬ ঃ বেজবৰুৱাৰ ৰচনাত আধ্যাত্মিকতা *(শ্রীকৃষ্ণতত্ত্ব আৰু ৰাসলীলা তত্ত্ব)*

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ বেজবৰুৱাৰ ৰচনাত আধ্যাত্মিকতা; তত্ত্বমূলক প্ৰৱন্ধৰাজিৰ বিশেষ উল্লেখনেৰে

৬.৪ 'শ্রীকৃষ্ণ তত্ত্ব' আৰু 'ৰাসলীলাতত্ত্ব'ৰ পৰিচয় আলোচনা, বিশ্লেষণ

৬.৫ 'শ্রীকৃষ্ণ তত্ত্ব' আৰু 'ৰাসলীলাতত্ত্ব'ৰ দার্শনিক অভিব্যক্তি

৬.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

৬.৭ অধিক জানিবলৈ

৬.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৬.৯ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি --

- লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাত আধ্যাত্মিকতাৰ প্রকাশ কেনেদৰে হৈছে তাৰ বিষয়ে জানিব পাৰিব
- বেজবৰুৱাই *শ্রীকৃষ্ণতত্ত্ব* আধ্যাত্মিক বিশ্লেষণ কি দৰে কৰিছে সেই বিষয়ে ধাৰণা লাভ কৰিব
- বেজবৰুৱাই কৰা *ৰাসলীলা* তত্ত্ব মনোগ্রাহী, তত্ত্বগধুৰ বিশ্লেষণ সম্পর্কে জানিব পাৰিব
- শ্রীকৃষ্ণ তত্ত্ব আৰু ৰাসলীলা তত্ত্বৰ সৰল দার্শনিক বিশ্লেষণ ভাগ বুজি পাব।

৬.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ যান্মাসিকৰ সাহিত্য শখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা চতুর্থ পাঠ্যবিষয় 'অনুবাদ সাহিত্য আৰু বিশেষ সাহিত্যিক'ৰ অন্তর্গত দ্বিতীয় খণ্ড (ক)ৰ অন্তর্গত এইটো ষষ্ঠ অধ্যায়। অধ্যায়টো হৈছে 'বেজবৰুৱাৰ ৰচনাত আধ্যাত্মিকতা" (শ্রীকৃষ্ণতত্ত্ব আৰু ৰাসলীলা তত্ত্ব)। এই অধ্যায়ত লক্ষ্মীনাথ বেজবৰুৱাৰ তত্ত্বমূলক বিচাৰ বিশ্লেষণেৰে নির্মিত প্রবন্ধৰাজিৰ অন্যতম '*শ্রীকৃষ্ণতত্ত্ব*' আৰু '*ৰাসলীলাতত্ত্ব*'ৰ সহজ আৰু সম্যক আলোচনাত আমি গুৰুত্ব দিম।

৬.৩ বেজবৰুৱাৰ ৰচনাত আধ্যাত্মিকতা তত্বমূলক প্ৰৱন্ধৰাজিৰ বিশেষ উল্লিখনেৰে

আধ্যাত্মিকতাই সাধাৰণভাৱে আত্মা-পৰমাত্মাৰ বিচাৰ-বিশ্লেষণৰ ক্ষেত্ৰখনকে সামৰি লয়। আত্মা শব্দৰ সংস্কৃত অৰ্থ প্ৰাণ, জীৱ আৰু জগতৰ প্ৰাণস্বৰূপে পৰমেশ্বৰ। (The boul, the spirit, the supreme being who is the soul of the Universe) আধ্যাত্মিকতাই আত্মা-পৰমাত্মা বিষয়ক আলোচনাক বুজায়। আত্মা-পৰমাত্মা সম্পৰ্কীয় মানসিকতাৰ বাবে আধ্যাত্মিকতা এটা গুণ। এই গুণ হৃদয়-মনৰ লগত সম্পৰ্কিত। সেয়ে ব্ৰহ্ম-পৰমব্ৰহ্ম সম্পৰ্কীয় চেতনাই আধ্যাত্মবোধ।

আধুনিক অসমীয়া সাহিত্যত বেজবৰুৱাৰ ভিন্নসুৰী সৃজনীমূলক সাহিত্যৰাজিৰ উপৰিও দাৰ্শনিক তত্বমূলক নিৱন্ধৰাজিয়ে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। বেজবৰুৱা এজন দাৰ্শনিক প্ৰবক্তা নহ'লেও তাত্বিক নিৱন্ধৰাজিৰ সফল বিচাৰ-বিশ্লেষণেৰে এজন কৃতী ব্যাখ্যাকাৰীৰূপে নিজকে প্ৰতিপন্ন কৰিছে। শঙ্কৰদেৱৰ ধৰ্ম, দৰ্শন আৰু আদৰ্শৰাজিৰ সম্যক বিচাৰ বিশ্লেষণ তেওঁৰ প্ৰবন্ধৰাজিৰ বিষয়বস্তু আছিল। মহাপুৰুষ শঙ্কৰদেৱৰ যাউতিযুগীয়া দানসমূহৰ সম্পৰ্ক ব্যাখ্যা কৰি বেজবৰুৱাই শঙ্কৰদেৱক নামঘৰৰ মণিকূটৰ পৰা জগতসভালৈ উলিয়াই আনিলে। শঙ্কৰদেৱ "পল মাথোন এজন ধৰ্মপ্ৰচাৰকেই নাছিল, তেৱা সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ অনেক সংস্কৃত গ্ৰন্থৰ সফল অনুবাদক, মৌলিক প্ৰতিভাসম্পন্ন কবি, সাহিত্যিক, আজন্ম শিল্পী, দাৰ্শনিক আৰু ধৰ্মমূলক তত্বসমূহৰ অনুধাৱনকাৰী কৃতী ব্যাখ্যাকাৰী আৰু লগতে এজন শ্ৰেষ্ঠ সমাজবিজ্ঞানী। তেৱাৰ অনন্যসাধাৰণ প্ৰতিভা আৰু দূৰদৰ্শিতাৰে এখন সমাজ গঢ়িলে, ভাষা, সাহিত্য, সংস্কৃতি দিলে আৰু অসমীয়া জাতিক আধ্যাত্মিক দিকঞ্জদৰ্শন কৰাই ভাৱতৰ পটভূমিত অসমীয়া জাতীয় জীৱনক স্বকীয় ৰূপত গঢ়ি তুলিলে। আজিও অসমীয়া জাতিয়ে বিশুদ্ধ সমাজ আৰু উদাৰ মহান ধৰ্মৰ উত্তৰাধিকাৰী হৈ নিজকে গৌৰৱান্বিত কৰিব পাৰিছে শঙ্কৰদেৱৰ সাংস্কৃতিক, আধ্যাত্মিক দানসমূহৰ যোগেদি। বেজবৰুৱাই যথাৰ্থভাৱে শঙ্কৰদেৱৰ আদৰ্শসমূহ বৰ্তমান সময়ৰ লগত খাপ খুৱাকৈ সহজ প্ৰাঞ্জল ভাষাৰে আধুনিক মানসিকতাই গ্ৰহণ কৰিব পৰাকৈ বাস্তৱিক বিচাৰ বিশ্লেষণেৰে দাঙি ধৰিছে।

১৮৬৪ চনত অসমৰ অসমৰ এটি সুসংস্কৃত নৈষ্ঠিক ব্ৰাহ্মণ পৰিয়ালত বেজবৰুৱাৰ জন্ম হৈছিল। বৈষ্ণৱ ধৰ্মৰ আদৰ্শেৰে নীতিনিষ্ঠ দীননাথ বেজবৰুৱাৰ গৃহত অতি শৃঙ্খলাৱদ্ধ ঘৰুৱা পৰিবেশত লক্ষ্মীনাথ বেজবৰুৱাই সুযোগ্য পিতৃৰ প্ৰভাৱত শঙ্কৰদেৱৰ ধৰ্ম দৰ্শনৰ প্ৰতি গভীৰভাৱে আকৃষ্ট হৈছিল। তদুপৰি কলিকতাৰ কলেজত অধ্যয়ন কৰোঁতে দৰ্শন বেজবৰুৱাৰ এটি বিষয় আছিল। বিষয়টোৰ প্ৰতি নিষ্ঠা আৰু আকৰ্ষণে পৰৱৰ্তী তত্বমূলক নিৱন্ধৰাজিৰ সৃষ্টিত সহায় কৰিছিল। সৰ্বোপৰী পৰিশ্ৰমী বেজবৰুৱাই বিভিন্ন দাৰ্শনিক মতবাদৰ প্ৰামাণ্য গ্ৰন্থসমূহ, ভাৱতৰ ষড়দৰ্শন, সমস্ত পুৰাণ, ভাগৱত, শ্ৰীমদ্ভাগৱত, গীতা, উপনিষদ সাহিত্যৰাজি, খ্ৰীষ্টিয়ান, হিন্দু, মুছলিম, বৌদ্ধধৰ্মৰ গ্ৰন্থসমূহ অধ্যয়ন কৰি গভীৰ জ্ঞান আয়ত্ব কৰিবলৈ চেষ্টা কৰিছিল। যাৰ ফলত তেওঁ তত্বমূলক বিচাৰ-বিশ্লেষণযুক্ত গহীন প্ৰৱন্ধৰাজি সৃষ্টি কৰিব পাৰিছিল।

বেজবৰুৱাৰ তত্বমূলক প্ৰৱন্ধবোৰ দুভাগত ভাগ কৰিব পাৰি-- (ক) ঐতিহাসিক, (খ) দাৰ্শনিক

তত্ত্বমূলক আৰু ধৰ্মতত্ত্বমূলক (Theological)। প্ৰথম ভাগত শঙ্কৰদেৱ, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱ আৰু চৈতন্যদেৱ পৰে। দ্বিতীয়ভাগৰ গ্ৰন্থ শ্ৰীশ্ৰী কৃষ্ণকথা, তত্ত্বকথা, Religion of Love and Devotion আৰু *ভগৱৎকথা*। বেজবৰুৱাৰ তত্ত্বান্বেষীমনৰ পৰিচয় বহন কৰা আটাইবোৰ গধূৰ চিন্তামূলক প্ৰবন্ধ বেজবৰুৱাৰ সম্পাদনাত প্ৰকাশিত *বাঁহী* (১৯০৯-১৯২৩) আলোচনীত প্ৰকাশ পাইছিল। *কৃষ্ণকথা* আৰু *তত্ত্বকথা* শিতানৰ প্ৰবন্ধ দুটাও *বাঁহী*তে প্ৰকাশ হৈছিল। *বাঁহী*ৰ বিভিন্ন সংখ্যাত প্ৰকাশিত প্ৰবন্ধ আৰু সম্পাদকীয়বোৰ গোটাই অতুলচন্দ্ৰ হাজৰিকাদেৱে *তত্ত্বকথা* নামৰ গ্ৰন্থখন সম্পাদনা কৰে। *ভগৱৎকথা* নামেৰে সৰু পুথিখন দেবেন্দ্ৰনাথ ঠাকুৰ ৰচিত এখনি সৰু পুথিৰ অসমীয়া অনুবাদ। তেওঁ আন এখন তত্ত্বমূলক গ্ৰন্থ ইংৰাজী ভাষাত ৰচিত The Religion of Love and Devotion ১৯৩৪ চনত বৰোদাৰ মহাৰাজৰ দ্বাৰা নিমন্ত্ৰিত হৈ বেজবৰুৱাই এলানি ৰচনা, বৰোদাৰ ৰাজদৰবাৰত পাঠ কৰে। এই বক্তৃতাৰাজি বৰোদৰা শিক্ষাবিভাগে History of Vaishnavism আৰু Rasalila of Shree Krishna নামে দুখন পুথিত প্ৰকাশ কৰে। এই দুখন পুথি আৰু ভক্তিমাৰ্গৰ ওপৰত লেখা আন দুখন অ-প্ৰকাশিত ৰচনা গোটাই ১৯৬৪ চনত অসম সাহিত্য সভাই মহেশ্বৰ নেওগৰ সম্পাদনাত The Religion of Love and Devotion গ্ৰন্থখন মৰণোত্তৰভাৱে প্ৰকাশ কৰে।

'*তত্ত্বকথা*' আৰু '*শ্ৰীকৃষ্ণকথা*'ৰ প্ৰবন্ধৰাজিত বেজবৰুৱাই উপনিষদৰ দৰ্শনৰ ওপৰত বিভিন্ন আলোচনা আগবঢ়াইছে। ভাৰতীয় আধ্যাত্মিক চিন্তাৰ চৰম বিকাশ ঘটিছিল উপনিষদত। উপনিষদৰ নিৰ্গুণ আৰু সগুণ ব্ৰহ্মৰ বিষয়ে বেজবৰুৱাই তেওঁৰ প্ৰবন্ধবোৰত বহল আলোচনা দাঙি ধৰিছিল। বেজবৰুৱাৰ মতে ব্ৰহ্মৰ সগুণ আৰু নিৰ্গুণ দুয়োটা ভাৱেই সত্য। দুই ভাৱনা মানিলেহে ব্ৰহ্মভাৱ সম্পূৰ্ণ হয়। শঙ্কৰদেৱে নিজে নিৰ্গুণ ব্ৰহ্মক স্বীকাৰ কৰিলেও ব্ৰহ্মৰ সগুণত্বৰ ওপৰতো গুৰুত্ব দিছিল। ইয়াকে আলোচনা কৰি বেজবৰুৱাই *কীৰ্ত্তন-ঘোষা*ৰ প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন, সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ" পদফাঁকিৰ উল্লেখ কৰিছে। বেজবৰুৱাৰ ভাষাত "কি grand conception আৰু সেই সম্পৰ্কে Conception উজুকৈ প্ৰকাশ কৰিবৰ কি আশ্চৰ্য্য শক্তি শঙ্কৰদেৱৰ" (তত্ত্বকথা পৃঃ ১১৪)। সনাতন ব্ৰহ্ম অনাদি, অনন্ত, নিৰ্বিকাৰ, নিৰুপাধি। কিন্তু তেঁৱেই আকৌ জীৱৰ কল্যাণৰ নিমিত্তে সগুণ ৰূপেৰ নানা অৱতাৰ ধাৰণ কৰে। আকৌ উপনিষদত ব্ৰহ্মাকে "সচ্চিদানন্দ" আখ্যা দিয়া হৈছে। এই অভিধাটো *ভাগৱত পুৰাণে* কৃষ্ণত আৰোপ কৰি "ঈশ্বৰঃ পৰমঃ কৃষ্ণঃ সচ্চিদানন্দ বিগ্ৰহঃ" বুলি কৈছে। বেজবৰুৱাই তত্ত্বকথাৰৰ শ্ৰীকৃষ্ণতত্ত্বত নামৰ ব্যাখ্যাত কৈছে- অস্তিত্ব, চৈতন্য আৰু পৰমানন্দৰ মিলনেই কৃষ্ণ শব্দটো। বেজবৰুৱাই কৃষ্ণ পৰমব্ৰহ্ম সৎ' অৰ্থাৎ তেওঁ চিৰ সত্য বুলি প্ৰতীয়মান হ'বলৈ কৃষ্ণ সত্য, শুদ্ধ জ্ঞান স্বৰূপ সচ্চিদানন্দ পৰমবিগ্ৰহেই শ্ৰীকৃষ্ণ বুলি কৈছে। বেদান্তৰ ব্যাখ্যাইহে বেজবৰুৱাক অনুপ্ৰাণিত কৰে যদিও বেজবৰুৱাই বিভিন্ন প্ৰবন্ধত ভাৰতবৰ্ষৰ ষড়দৰ্শনৰ কথা উল্লেখ কৰিছে। বেজবৰুৱাই গোটেইখন গ্ৰন্থতে বেদান্তৰ ব্যাখ্যা দিছে।

শ্ৰীকৃষ্ণকথাত বেজবৰুৱাই কৈছে - -"ভগৱন্তবস্তুক সগুণ ভাবেহে চিন্তা উপাসনা কৰি পাব পাৰি, নিৰ্গুণভাৱে নোৱাৰি। নিৰ্গুণভাৱে তেওঁৰ অজ্ঞেয়বাদীৰ অবাঙ্মনসগোচৰ অৰ্থাৎ বাক্যমনৰ

অগোচৰ অতীত । সগুণভাৱেহে তেওঁ সকলোৰে আৰাধ্য, উপলব্ধি আৰু উপভোগৰ বস্তু। এইয়া সম্ভৱ হয় সভক্তিৰে। সেই জ্ঞানময়, প্রেমময়, আনন্দময় ঈশ্বৰক জানিবলৈ জ্ঞানৰ যিদৰে প্রয়োজন, প্রেম আৰু ভক্তিৰ প্রয়োজন তাতোকৈ অধিক। সেয়েহে বেজবৰুৱাই কৈছে -- "অকল জ্ঞানে মস্তিস্ক উজ্জ্বল কৰিলেও হৃদয়ত শান্তি নিদিয়ে। হৃদয়লৈ শান্তি আনে প্রেমে, ভক্তিয়ে আৰু অন্যান্যই" (তত্ত্বকথা, পৃঃ ১৭৭) তেওঁৰ মতে জ্ঞানৰ দুষ্কৰ। সাধাৰণ মানুহে সীমাৱদ্ধ জ্ঞানেৰে অনির্বচনীয়, অখণ্ড, অসীম জ্ঞানপাব নোৱাৰে। গতিকে ভক্তিৰ পথেহে সর্বসসাধাৰণৰ বাবে সহজ, সুলভ আৰু আনন্দদায়ক, লগতে নিৰাপদো। কিয়নো জ্ঞানপ্রদত্ত ক্ষমতাৰ অইধকাৰী হ'লে মনলৈ কেতিয়াবা অহঙ্কাৰ আহিব পাৰে। অহঙ্কাৰভাৰ বিনাশকাৰী। সেয়ে জ্ঞান উৎকৃষ্ট হ'লেও ভক্তিৰ দৰে সৰল, সুলভ আৰু নিৰাপদ নহয়। এই কথা ৰাসলীলাতত্ত্বতো প্রতিপন্ন হৈছে।

ৰাসলীলা ভগৱন্তৰ "কামজয় নামে ইটো কেশৱৰ কেলি"। কাম আৰু প্রেমৰ মাজত পার্থক্য আছে। বেজববৰাই এই দুই সত্তাক এটা প্রকৃত আৰু আনটো ছায়া বুলি কৈছে। মায়াৰ ভ্রমত পৰি কামে প্রত্যেক প্রতিবিম্বিত সত্তাকে সন্তোষ দিবলৈ বিচাৰে। প্রকৃত সত্তা কিন্তু গভীৰত নিহিত হৈ থাকে। কামে প্রথম সত্তাক আনন্দ দিয়ে, কিন্তু প্রকৃত সত্তাক আনন্দ দিব পাৰে প্রেমে। ৰাসমণ্ডলত কৃষ্ণক হেৰুৱাই গোপীসকল গোপীসকল আকুল বিকুল হৈ কৃষ্ণক অন্বেষণ কৰিছিল। তাৰ ব্যাখ্যাতো বেজবৰুৱাই জ্ঞানী, যোগী আৰু ভক্তৰ মাজত যি সূক্ষ্ম পার্থক্য তাৰ বিশ্লেষণ আগবঢ়াইছে। গোপীসকলৰ আনন্দ জ্ঞানানন্দ, যোগীৰ আনন্দ আত্মানন্দ আৰু ভক্তৰ আনন্দ প্রেমানন্দ। জ্ঞানী আৰু যোগীয়ে তেওঁলোকৰ সাধনাৰ যোগেদি ঈশ্বৰত লীন যাবলৈ বাঞ্ছা কৰে। কিন্তু একান্ত ভক্তই মুক্তিৰ পিছতো ঈশ্বৰত লীন যাব নিবিচাৰি চিৰন্তনভাৱে তেওঁৰ সেৱা কৰি থাকিবলৈহে বিচাৰে। আধ্যাত্মিক সাধক মাধৱদেৱৰ 'মুক্তিটো নিস্পৃহ যিটো সেহি ভকতকো নমো, ৰসময় মাগোহো ভকতি" ইয়াৰ বিৰল উদাহৰণ। ঈশ্বৰৰ অস্তিত্বত বেজবৰুৱাৰ মনত কোনো দ্বিধাবোধ নাছিল। অদ্বৈতবাদ আৰু বিশিষ্টদ্বৈতবাদৰ পটভূমিত সৃষ্ট শঙ্কৰদেৱৰ ধর্মদর্শন আলোচনাৰে বেজবৰুৱাই হৃদয়ৰ সত্তাক (Intention) অধিক দৃঢ় কৰিব পাৰিছিল। ১৯১৬ চনৰ অসম ছাত্র সন্মিলনৰ অভিভাষণত বেজবৰুৱাই দৃঢ়তাৰে কৈছিল যে--- আমি চর্মচক্ষুৰে নেদেখা বাবেই ঈশ্বৰৰ অস্তিত্বক অবিশ্বাস কৰাটো অনুচিত। এইদৰে ভাৰতীয় দর্শনৰ গভীৰ অধ্যয়নে বেজবৰুৱাক আশাবাদী, আত্ম প্রত্যয়, উদাৰতা, কর্মনিষ্ঠা, অনলস, নিৰাসক্ত, জীৱনবোধ প্রদান কৰিছিল। ভগবৎগীতাৰ বাণীৰে উদ্বুদ্ধ হৈ আত্মাৰ অমৰত্বত বিশ্বাস কৰি সুখী হোৱা বেজবৰুৱাই তেওঁৰ লেখনীৰ মাজেৰে আধ্যাত্মিক চিন্তাচর্চাৰ এখনি বহল ক্ষেত্রত বিচৰণ কৰি আধুনিক অসমীয়া সাহিত্যত গভীৰ গহীন আধ্যাত্মিকতাৰ লেখনিসমূহ সৃষ্টি কৰি থৈ যায়।

৬.৪ শ্রীকৃষ্ণতত্ত্ব আৰু ৰাসলীলাতত্ত্বৰ পৰিচয় আৰু বিশ্লেষণ

'শ্রীকৃষ্ণতত্ত্ব 'আৰু 'ৰাসলীলাতত্ত্বৰ' লক্ষ্মীনাথ বেজবৰুৱাৰ দুটি তত্ত্বগধূৰ আধ্যাত্মিক বিচাৰ-বিশ্লেষণৰ নিৱন্ধ। উপনিষদৰ দর্শনৰ ওপৰত আলোকপাত কৰি বেজবৰুৱাই অতি সহজ-সৰল ভাষাত বিষয়-বস্তুৰ বিচাৰ বিশ্লেষণ আগবঢ়াইছে। ভাৰতবর্ষত আধ্যাত্মিক তত্ত্বৰ চৰম বিকাশ ঘটিছিল

উপনিষদসমূহত। বেজবৰুৱাই 'তত্ত্বকথা'ক 'শ্রীকৃষ্ণতত্ত্ব' নামৰ প্রবন্ধটিত উপনিষদৰ পৰা ব্রহ্মতত্ত্বৰ বিশ্লেষণ আগবঢ়াবলৈ অনেক উদ্ধৃতি দাঙি ধৰিছে ।

প্রথমতে *শ্রীকৃষ্ণতত্ত্ব*ত শ্রীকৃষ্ণৰ সচ্চিদানন্দ নামৰ ব্যাখ্যা আগবঢ়াবলৈ মাধৱদেৱৰ আধ্যাত্মিক গ্রন্থ নামঘোষাৰ উদ্ধৃতি দিছে-

কৃষ্ণঃ হেন শব্দ ইটো পৃথিৱীবাচক ভৈল
ন আনন্দত প্রৱর্ত্তয়
দুইৰো এক পদ ভৈল পৰম ব্রহ্ম কৃষ্ণ ইটো
নাম আনন্দক মাত্র কয়।

শ্রীমদ্ভাগৱত'ৰ টীকাকাৰ শ্রীধৰ গোস্বামীয়েও 'কৃষ্ণ' নামৰ পাৰিভাষিক অর্থ এনেদৰে দিছে- - কৃষ্ণ আৰু মূর্দ্ধণ্য 'ণ' এই দুইটা মিলি কৃষ্ণ শব্দৰ প্রতিপন্ন হৈছে। কৃষ শব্দৰ অর্থ ভূ অর্থাৎ সত্তা বা অস্তিত্ব আৰু মূর্দ্ধণ্য 'ণ' ৰ অর্থ নিবৃত্তি অর্থৎ পৰমানন্দ। সেইবাবে কৃষ আৰু ণ'ৰ মিলনৰ অর্থ অস্তিত্ব বা সত্তাৰ সৈতে পৰমানন্দৰ মিলন। অস্তিত্ব, চৈতন্য আৰু পৰমানন্দৰ মিলনৰ নামেই 'কৃষ্ণ'। অর্থাৎ যি বস্তুত চৈতন্য আৰু পৰমানন্দৰ অস্তিত্বৰ বাহিৰে একো নাই সেই বস্তুৱেই 'কৃষ্ণ'। কৃষ্ণ সৎ, চিৎ আৰু আনন্দস্বৰূপ। বেদত পৰম ব্রহ্মৰ লক্ষণ নির্দেশ কৰিছে সৎ, চিৎ আনন্দৰূপত।

সচ্চিদানন্দ শব্দৰ অর্থ--- অস্তিত্ব, চৈতন্য আৰু আনন্দ। এই প্রসঙ্গত বেজবৰুৱাই উপনিষদসমূহৰ পৰা অনেক উদ্ধৃতি দাঙি ধৰিছে। কঠোপনিষদত ব্রহ্মাৰ বিষয়ে কোৱা হৈছে-- কৃষ্ণ চিৎ অর্থাৎ চৈতন্য। কৃষ্ণ সত্য, শুদ্ধ, অখণ্ডিত চৈতন্যজ্যোতি। তৈত্তিৰীয় উপনিষদ মতে, "সত্যম জ্ঞানম অনন্বং ব্রহ্ম" শ্রীকৃষ্ণ আনন্দস্বৰূপ সত্বা। এই প্রসংগতো বেজবৰুৱাই ভৃগু খষিৰ এটা আখ্যান আলোচনা কৰিছে। ভৃগু ঋষিয়ে পিতৃ বৰুণৰ আজ্ঞামতে ব্রহ্মতত্ত্ব সম্পর্কে ধ্যান কৰি ক্রমান্বয়ে অন্নই ব্রহ্ম, প্রাণেই ব্রর্হ্ম, বিজ্ঞানেই ব্রহ্ম বুলি ধাৰণা কৰি শেষ সিদ্ধান্তত উপনীত হ'ল যে ব্রহ্ম সচ্চিদানন্দ। *ভাগৱত পুৰাণ*ৰ মতে এই সচ্চিদানন্দ বিগ্রহেই শ্রীকৃষ্ণ। ভৃগুৱে একনিষ্ঠ কঠোৰ সাধনাৰে শেহত উপলব্ধি কৰিছিল যে ব্রহ্ম সচ্চিদানন্দ।সেইবাবেই গুৰুৱে শিষ্যক কেৱল সংশয় ছেদন কৰি নিষ্যক একনিষ্ঠ সাধনাৰে আত্মনিষ্ঠ, আত্মদৃষ্টিগত ব্রহ্মোপলব্ধিকেহে গুৰুত্ব দিছিল। ব্রহ্মজ্ঞান বা ব্রহ্মবিদ্যা পৰপ্রত্যয়সিদ্ধ নহৈ আত্মদৃষ্টিগত ব্রহ্মোপলব্ধিতাতহে। ব্রহ্মজ্ঞান বা ব্রহ্মবিদ্যা পৰপ্রত্যয়সিদ্ধ নহৈ আত্মদৃষ্টিগত হ'লেহে কার্যকৰী হয়। এইদৰে ব্রহ্মসত্তাৰ চৰম প্রকাশ শ্রীকৃষ্ণতত্ত্বত আলোচনা কৰা হৈছে।

ভক্তিধর্মৰ বৰণীয় গুণসমূহৰ ব্যাখ্যা কৰি জ্ঞানৰ শ্রেষ্ঠত্বৰ বিষয়ে বেজবৰুৱাই মন্তব্য কৰিছে- - ঈশ্বৰ বা ভগৱান বা শ্রীকৃষ্ণ নিত্য শুদ্ধ, বুদ্ধ, অখণ্ডিত জ্ঞানস্বৰূপ আৰু আনহাতে তেওঁ আনন্দময় আৰু প্রেমোময়ো। সেই জ্ঞানময়, প্রেমময়, আনন্দময় ঈশ্বৰক জানিবলৈ স্বপোলব্ধি আৰু জ্ঞানৰ যিদৰে প্রয়োজন। প্রেম আৰু ভক্তিৰ প্রয়োজন তাতকৈ অধিক। অকল জ্ঞানে মস্তিষ্ক পোহৰাই তুলিলেও হৃদয়ত শান্তি নিদিয়ে। হৃদয়লৈ শান্তি আনে প্রেমে, ভক্তিয়ে আৰু আনন্দই। সেইবাবেই ভক্তি হৃদয়ৰ বস্তু, মস্তিষ্কৰ নহয়। জ্ঞানৰ দুষ্কৰ পথ অতিক্রম কৰা সাধাৰণজনৰ কাৰণে সম্ভৱ

নহয়। ভগৱানৰ জ্ঞানৰ অত্যুজ্জল প্ৰখৰ জ্যোতি জনসাধাৰণৰ চৰ্মচক্ষুৰে ধৰিব নোৱাৰে। সেইবাবেই তেওঁ কৈছে 'তুমি দেখুৱা জ্ঞান পন্থাৰে বাট বুলোতে মোৰ চকুত জলকতবক লাগি আহে। কিয়নো অধিক পোহৰ আন্ধাৰৰ নিচিনা। গতিকে ভক্তিৰ পথহে সাধাৰণজনৰ বাবে সহজ, সুলভ, আনন্দদায়ক আৰু নিৰাপদ। আনহাতে জ্ঞানপ্ৰাপ্ত হ'লেও কেতিয়াবা মনলৈ অহঙ্কাৰ আহিব পাৰে। তেতিয়াও বিপদ, পথভ্ৰষ্ট হোৱাৰ আশংকা। সেইবাৰে ভগৱানক অনুধাৱন কৰাৰ বাবে জ্ঞান উৎকৃষ্ট হ'লেও ভক্তিৰ দৰে সহজ, সুলভ আৰু নিৰাপদ নহয়।

মানুহে জীৱনত সদায় সুখ বিচাৰে, মৃত্যু আৱশ্যম্ভাৱী বুলি জানিও মৰিব নোখোজে। ইয়াৰ কাৰণ হ'ল একমাত্ৰ আত্মা। আত্মা সুখস্বৰূপ। ব্ৰহ্মা যিহেতু ভূমা তেঁৱেই সুখ। জীৱই বিষয়ৰ সংস্পৰ্শত যিফেৰা সুখ অনুভৱ কৰে, তেতিয়া বাস্তৱিকতে জীৱই পৰম আনন্দস্বৰূপ ব্ৰহ্মৰ ব্ৰহ্মানন্দৰ কণিকা এটি আস্বাদন কৰে। সেইদেখি জীৱই যেতিয়া সুখৰ লোভত বিষয় কামনা কৰে, তেতিয়া বাস্তৱিক সি সুখস্বৰূপ ব্ৰহ্মৰেই কামনা কৰে। অথচ সৰহ সময়ত আৰু সৰহভাগে সেইটো নাজানিয়েই কৰে। শেষত যি ভূমানন্দ, বাক্য মনৰ অতীত, তাৰ পৰিমাণ ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। উপনিষদত কোৱা হৈছে যাক ধৰিব নোৱাৰি বাক্য আৰু মন উভতি আহে, সেই আনন্দস্বৰূপ ব্ৰহ্মক জানিলে আৰু একোতে ভয় নাথাকে। সেয়ে আনন্দঘন ভগৱন্তৰ উপাসনা জীৱমাত্ৰৰে স্বাভাৱিক। জীৱই জন্মৰে পৰা মৃত্যু পৰ্যন্ত কেৱল এটা বস্তুকেই অন্বেষণ কৰে সেয়া আনন্দসুখ। স্ত্ৰী, পুত্ৰ, পৰিবাৰ, ধন, জন আদি পাৰ্থিৱ ক্ষণভঙ্গুৰ পদাৰ্থৰ ভিতৰত জীৱই আনন্দসুখ বিচাৰি ফুৰে। যদি কোনো জীৱই মূৰ্ত্তিমান আনন্দস্বৰূপক ধৰিব পাৰে, তেওঁ ক্ষণভঙ্গুৰ, ক্ষণস্থায়ী আনন্দৰ পিছে পিছে ঢাপনি নেমেলে। জীৱ আনন্দস্বৰূপ ভগৱন্তৰে অংশ বাবে জীৱৰ আনন্দলিপ্সাও বেছি। ফাটেকৰ বহুদিনীয়া কয়েদীৰ নিচিনাকৈ জীৱই দেহটোকে ভাল পাই তাৰ পৰা ওলাব নিবিচাৰিলেও জীৱৰ চিৰাস্বাদিত আনন্দৰ প্ৰতি টান অন্তৰৰ পৰা নাযায়। সেইবাবে মুগ্ধ জীৱই কি বিচাৰিছে নিজেই নাজানে। জীৱই বিচাৰিছে আগেয়ে আস্বাদন কৰা সেই আনন্দ। কিন্তু ক'ত আৰু কিহত আনন্দ আছে তাৰ ভূ-নাপাই পাৰ্থিৱ ক্ষন্তেকীয়া বস্তুতে তাক বিচাৰি হাৰাশাস্তি খায়। শেহত বেজবৰুৱাই জীৱন স্বাভাৱিক আনন্দলিপ্সাই কৃষ্ণপ্ৰেমৰ সংস্কাৰ আৰু উপৰুৱা পাৰ্থিৱ দ্ৰব্য প্ৰিয়তাই কাম বুলি অভিহিত কৰিছে।

ৰাসলীলাতত্ত্ব ঃ

শ্ৰীমদ্ভাগৱত পুৰাণৰ পাঁচটা অধ্যায়ত ৰাসক্ৰীড়াৰ বৰ্ণনা পোৱা যায়। দশম স্কন্ধৰ উনবত্ৰিংশৰ পৰা ত্ৰয়োত্ৰিংশ পৰ্য্যন্ত এই পাঁচোটা অধ্যায়ক সেয়েহে ৰাসপঞ্চাধ্যায়ী বোলা হয়। পদভাগৱতত যেনেকৈ সংস্কৃত ভাগৱতৰ সাতটা অধ্যায় ৰাসলীলা খণ্ডৰ অন্তৰ্ভুক্ত, শঙ্কৰদেৱৰ *দশম*তো ৰাসসপ্তধ্যায়ীহে আছে। শঙ্কৰদেৱৰ '*কেলিগোপাল*' নাটৰ কথাও মূলতঃ সংস্কৃত ভাগৱতৰ পৰা অনা। মুঠতে সংস্কৃত ভাগৱত, পদভাগৱত আৰু '*কেলিগোপাল*' ৰাসক্ৰীড়াৰ আখ্যানভাগ একেই। কেৱল কাব্য আৰু নাটৰ মাজত থকা পাৰ্থক্যৰ বাবে অলপ ইফালে-সিফাল কৰা হৈছে। ইয়াৰোপৰিও *হৰিবংশ, বিষ্ণুপুৰাণ, পদ্মপুৰাণ, ব্ৰহ্মবৈৱৰ্তপুৰাণ* আদি অনেক গ্ৰন্থত ৰাসক্ৰীড়াই

বিশিষ্ট স্থান অধিকাৰ কৰি আছে। ৰাসক্রীড়াৰ তাৎপর্য বিচাৰ কৰোতে দুটা দিশ প্রতিফলিত হয়। এটা হ'ল লৌকিক আৰু আনটি পৰমার্থিক। ধর্মীয় আলোচনাত লৌকিক অর্থৰ ওপৰত গুৰুত্ব নিদি কেৱল ভক্তিতত্ত্বৰ ওপৰতহে গুৰুত্ব প্রদান কৰা হয়।

লক্ষ্মীনাথ বেজবৰুৱাই '*ৰাসলীলাতত্ত্ব*'ত ভক্তি আৰু ভক্তৰ সম্পর্ক দেখুৱাই আধ্যাত্মিক দিশৰ তাৎপর্যপূর্ণ আলোচনা আগবঢ়াইছে। শৰতকালৰ পূর্ণিমা ৰাতি কৃষ্ণৰ বাঁহীৰ সুৰত মুগ্ধ হৈ বৃন্দাবনলৈ অহা গোপ-ৰমনীসকলক কৃষ্ণই প্রথমতে পৰীক্ষা কৰিছিল। গোপীসকল দেহবন্ধন, কর্মবন্ধন, সামাজিক ভয়, লোকসংস্কাৰ, পার্থিৱ সংসাৰৰ প্রতি মোহ ত্যাগ কৰি মুক্ত মনেৰে একমাত্র পৰমানন্দত উপবিষ্ট হ'বলৈ নির্মোহ হ'ব পাৰিছেনে নাই? কৃষ্ণই বিচাৰ কৰি চাই তাৰ পিছতহে তেওঁলোকৰ লগত 'মহাৰাস নৃত্য' কৰিছিল। কাম আৰু কামনাক জয় কৰিব পাৰিলেহে সংসাৰ পাহৰিব পাৰি। এইদৰে কৃষ্ণই কামজয় লীলা দেখুৱাই ৰাসনৃত্য কৰিছিল।

শৃঙ্গাৰৰসৰ ৰাসলীলা শুনি বা পঢ়ি পোনতে মনত যেনে ভাৱ উদয় হয় আচলতে তেনেকুৱা একো নাই। শৰৎকালত বিতোপন ৰাতি শ্রীকৃষ্ণই যোগমায়া নামৰ অচিন্ত্য নিজ শক্তিক আশ্রয় কৰি পূর্ব্ব প্রতিশ্রুত ৰাসক্রীড়া কৰিবলৈ ইচ্ছা কৰিলে। ইচ্ছা কৰা মানে তেওঁ মায়াক আশ্রয় কৰি ৰমনেচ্ছাৰ নিচিনা দেখুৱালে আচলতে শ্রীকৃষ্ণ পূর্ণকাম। তেওঁৰ ৰমনেচ্ছা নাই যদিও গোপীসকলৰ প্রীতি সাধিবৰ বাবেহে ৰমন কৰিলে। ভগৱান সদায় ভক্তৰ অধীন। গোপীসকল আছিল ভগৱানৰ পৰমভক্তা। ইয়াত 'ৰমণ'ৰ কথা উঠিছে যদিও এয়া কামজনিত ৰমণ নহয়। কামজয় নামে ইটো কেশৱৰ কেলিহে। ভগৱন্তৰ এক অত্যাশ্চর্য্য ঐশী শক্তিৰ নাম যোগমায়া। যোগমায়াৰ প্রভাৱত অসত্যক সত্য যেন দেখি। গীতাত ভগৱানে নিজ মুখে কৈছে মই যোগমায়াৰে সমাবৃত থাকোঁ সেইদেখি সকলোৱে মোক দেখিবলৈ নাপায়। ভগৱন্তই যোগমায়াৰে তেওঁৰ ৰাসলীলাক ৰতিক্রিয়াৰ নিচিনা দেখুৱাইছিল মাথোন।

বেজবৰুৱাই এই সম্পর্কত তাৎপর্যপূর্ণ যুক্তিসঙ্গত বিশ্লেষণ আগবঢ়াইছে। 'ৰাসলীলা'ক অশ্লীল ৰতিক্রিয়া বুলি ভাবোতে এইবোৰ কথা বিশ্লেষণ কৰি চোৱা উচিত। প্রথমতে ৰাসলীলা প্রণেতা কোন? বক্তা কোন? শ্রোতা কোন আৰু এওঁলোকৰ অভিপ্রায় কি?

'ৰাসলীলা' প্রণেতাজন সত্যৱতীসূত মহর্ষি কৃষ্ণ দ্বৈপায়ন বেদব্যাস। যিজনে বেদ বিভাগ কৰিছিল, মহাভাৰত আৰু ওঠৰ পুৰাণ ৰচনা কৰিছিল, যাক ঈশ্বৰৰ চতুর্বিংশতি অৱতাৰৰ ভিতৰত এজন। বক্তা, মহাভক্ত, মহাযোগী জীৱমুক্ত পুৰুষ, বিষয়ত বিৰাগী শুকদেৱ। শ্রোতা ব্রাহ্মণৰ শাপত পৰি থকা অনুতাপগ্রস্ত, মুক্তিকামী, মৃত্যুমুখত থিয় হৈ থকা মহাৰাজ পৰীক্ষিত। লোক নিস্তা�ৰৰ নিমিত্তে অৱতাৰ ধৰোতে মহর্ষি ব্যাসে কেতিয়াও অশ্লীল বিষয় নিলিখে আৰু অভিশপ্ত অনুতপ্ত পৰীক্ষিতক বিলাসপৰায়ণ মানুহৰ শৃঙ্গাৰ ৰসপূর্ণ কথা শুনাই মৃত্যুজয়ৰ ভৈষধিস্বৰূপে দান নকৰে। শুকদেৱে এনে সময়ত পৰীক্ষিতক সাংসাৰিক অশ্লীল কথা শুনাই প্রতাৰণা কৰিব পাৰে বুলি ভাবিব নোৱাৰি। আনহাতে আকৌ আঠ ন-বছৰীয়া শ্রীকৃষ্ণ বৃন্দাবনত ৰাসলীলাৰ নায়ক।

ব্রজৰ গোপীসকলে মূৰ্ত্তিমান আনন্দ শ্রীকৃষ্ণক আলিঙ্গন কৰি গোটেই সংসাৰ পাহৰি গ'ল। শ্রীকৃষ্ণৰ ৰাসলীলা জীৱব্রহ্মৰ আলিঙ্গনৰ অভিনয় । আনন্দমূৰ্ত্তিৰে সৈতে আলিংগৃত হ'বৰ উপায় প্রেম। প্রেমৰ ঘাই লক্ষণ প্রিয়তমৰ প্রাপ্তিৰ বাবে প্রবল উৎকণ্ঠা বিৰহিনী, ব্যভিচাৰিনী, কামিনীয়েই সেই উৎকণ্ঠাৰ এক মাথোন চূড়ান্ত দৃষ্টান্ত। সেইবাবেই গোপীসকলক ব্যভিচাৰিনী পৰনাৰীৰূপে দেখুৱাই ভক্তই ভগৱানক পাবৰ উৎকণ্ঠা দেখুওৱা হৈছে। অর্থাৎ জীৱৰ এনেকুৱা উৎকণ্ঠা হ'লেই জীৱই ভগৱন্তক পাব। এয়ে ৰাসলীলাৰ ঘাই শিক্ষা।

'বস্ত্রহৰণলীলা' ৰাসলীলাৰ পাতনি। এই লীলাত ভক্ত হিচাপে গোপীসকলক পৰীক্ষা কৰিছিল কৃষ্ণই। কৃষ্ণই গোপীসকলক জীৱৰ বিমুগ্ধ বুদ্ধি, ৰাগ, দ্বেষ, দম্ভ, লজ্জা, অহংকাৰ আদিৰ পৰা মুক্ত হ'ব পাৰিছিলনে তাৰ পৰীক্ষা কৰিছিল। তেতিয়া তেওঁলোকক অনুপযুক্ত জানি উপযুক্ত হ'বৰ নিমিত্তে এবছৰ সময় দি ঘৰলৈ পঠিয়াই দিলে। সেইদেখি নিৰপেক্ষভাৱে আৰু গভীৰকৈ ভাবিলে দেখা যায় যে ৰাসলীলাত অশ্লীলতা একো নাই, আছে পৰম তত্ত্বজ্ঞান আৰু ঈশ্বৰপ্রেমৰ চূড়ান্তৰূপ। আনন্দঘন ভগৱন্তৰ শুদ্ধজীৱৰ সৈতে স্বৰূপবিহাৰ। কৃষ্ণৰ কৃপাত পৰম ভক্তা গোপীসকল যেতিয়া কামৰোগৰ পৰা যুক্ত হৈ প্রেমানন্দত নিমগ্ন হ'ল তেতিয়া তেওঁলোকে সাংসাৰিক সুখ-দুখ পাহৰি গৈছিল। প্রেম নিত্য, অপ্রাকৃত আৰু আনন্দবিষয়ক; কাম আগন্তুক, প্রাকৃত আৰু পদার্থবিষয়ক। প্রাকৃত পদার্থত আনন্দ নাই। জীৱ মোহ মায়াত পৰি তাত আনন্দ বিচাৰি হায়ৰাণ হয়। যদি সৌভাগ্যবশতঃ জীৱৰ এই মোহ দূৰ হয় তেতিয়া তেওঁ প্রকৃত আনন্দৰ ফালে ধাৱমান হয়। তেতিয়া জীৱই বুজিব পাৰে যে অস্থি-মাংস-মেদ-মজ্জাময় দেহত আনন্দ নাই। আনন্দময় কৃষ্ণৰ আনন্দসমুদ্রত বুৰিব পাৰিলেহে আনন্দ। এই আনন্দসমুদ্রত বুৰিবৰ বাবে জীৱৰ যি ব্যাকুলতা সেই ব্যাকুলতাই প্রেম। সেই প্রেম প্রদর্শনেৰে প্রেমময়ৰ ফাললৈ ধাৱমান হ'বৰ বাবে গোপীসকলক নিমিত্তমাত্র কৰি ভগৱান শ্রীকৃষ্ণৰ বৃন্দাবনত এই ৰাসলীলা ।

ভগৱন্তক পতিভাৱে পোৱাটো জ্ঞানী আৰু যোগীৰো দুর্লভ বুলি কোৱা হয়। জ্ঞানী-যোগীয়ে পৰমেশ্বৰত লীন যাবলৈহে কামনা কৰে। কিন্তু ভক্তই নিজৰ অস্তিত্ব নেহেৰুৱাকৈ (যদিও জীৱ তেওঁৰেই অংশ) তেওঁৰ ন-বিধ ভক্তিৰে সেৱা কৰি তেওঁৰ প্রীতিসম্পাদন কৰি নিত্যানন্দ আস্বাদন কৰিবলৈহে বিচাৰে। আচলতে মহর্ষি বেদব্যাসে পাঠক, শ্রোতা আৰু দর্শকক শ্রীকৃষ্ণাভিমুখ কৰিবৰ বাবেহে ৰাসলীলা বর্ণনাত কাব্যৰস ঢালি দিছে। প্রকৃততেই এয়া "কামজয় নামে ইটো কেশৱৰ কেলি" মাথোন।

৬.৫ *শ্রীকৃষ্ণতত্ত্ব* আৰু *ৰাসলীলাতত্ত্বৰ* দার্শনিক অভিব্যক্তি

ভাৰতীয় সভ্যতাৰ অমূল্য অৱদান উপনিষদ সাহিত্য। পৃথিৱীৰ আধ্যাত্মিক সাহিত্য অনুৰাগী পাঠক সমাজলৈ ভাৰতবর্ষৰ জাউতিযুগীয়া দান উপনিষদৰ যি প্রধান তত্ত্ব "ৰসো বৈ সঃ" আৰু "আনন্দৰূপমৃতং যদ্বিভাতি" সর্বকালৰ সাহিত্যত প্রকাশ হৈ আহিছে। মানুহে বিচিত্র ৰূপত নিজৰ আনন্দইচ্ছাকে সাহিত্যৰ বুকুত প্রদান কৰে। প্রায় চাৰিহাজাৰ বছৰ ধৰি ভাৰতবর্ষৰ ধর্ম, জীৱন আৰু দর্শনক প্রভাৱিত কৰি অহা উপনিষদসমূহ বৈদিক সাহিত্যৰ শেষ অংশ আৰু

সমগ্র ভাৰতীয় দর্শনৰ উৎস। বেদান্ত দর্শন উপনিষদৰে সাৰাংশ। উপনিষদৰ আত্মাতত্ত্ব জ্ঞানকেই বাদৰায়ণ ব্যাসে জুকিয়াই লৈ ব্রহ্মসূত্র বা বেদান্তসূত্রত প্রতিষ্ঠা কৰিছিল। ভগৱতগীতা- কঠ আৰু ঈশ উপনিষদৰ দ্বাৰা প্রভাৱিত। সাংখ্যদর্শন, যোগদর্শন, মীমাংসা দর্শন, বৌদ্ধদর্শন, জৈনদর্শন সমস্ত দর্শনৰ মূল উপনিষদ সাহিত্য। উপনিষদৰ দর্শনে আত্মাক অবিনাশী চৈতন্য জ্যোতি বুলিছে যাৰ সম্পর্ক পৰমাত্মাৰ লগত অভিন্ন। এই ৰহস্য ভেদ কৰিবলৈ উপনিষদেই পৰামর্শ দিছে- 'আত্মা নং বিদ্ধি'। অর্থাৎ আত্মজ্ঞান, আত্মাচেতনাবোধৰ বৃদ্ধি। তেতিয়াহে বিশ্বজগতৰ পৰমসত্য অন্বেষণত আগবাঢ়িব পাৰি। শঙ্কৰদেৱৰ আৰাধ্যদেৱ, ভক্তিধর্মৰো মূল ভিত্তি উপনিষদৰ ব্রহ্ম।


উপনিষদ অধ্যয়নৰ মাজেদি বিশ্বজগতৰ পৰমসত্য সম্পর্কে অৱগত আধ্যাত্মজ্যোতিৰ লগতে *ভাগৱত পুৰাণৰ* ভক্তি সুধাৰে শঙ্কৰদেৱৰ বিশুদ্ধ ধর্ম আশৈশৱ বুকুত সাৱটি লক্ষ্মীনাথ বেজবৰুৱাই শ্রীকৃষ্ণতত্ত্ব আৰু ৰাসলীলাতত্ত্বত তাত্ত্বিক পর্যালোচনাৰ যোগেদি আধুনিক অসমীয়া সমাজক উপযোগী আধ্যাত্মিক দর্শন আগবঢ়াইছে। শ্রীকৃষ্ণতত্ত্বত ব্রহ্মতত্ত্বৰ সগুণ আৰু নির্গুণ দুয়োটা ধাৰণা বিশ্লেষণ কৰি উপযুক্তভাৱে মন্তব্য আগবঢ়াইযে দুয়োটা ভাৱৰ ধাৰণাইহে ব্রহ্মধাৰণা সম্পূর্ণ কৰিব পাৰে।

বেদোক্তক পৰমৱব্রহ্মৰ স্বৰূপ লক্ষণ সৎ, চিৎ, আনন্দ। মহর্ষি বেদব্যাসে শ্রীমদ্ভাগৱতত কৈছে- - "ঈশ্বৰঃ পৰমঃ কৃষ্ণ সচ্চিদানন্দবিগ্রহঃ ।" বেদোক্ত পৰম ব্রহ্ম আৰু শ্রীকৃষ্ণ একে বস্তু। ব্রহ্মৰ স্বৰূপ লক্ষণ নির্দেশক বেদমন্ত্র উচ্চাৰণ কৰা আৰু কৃষ্ণৰ নামগুণ কীর্ত্তন কৰা একে বস্তু। সেয়েহে শঙ্কৰদেৱে বৈষ্ণৱ ধর্মত নাম-কীর্ত্তনকে ধৰি নৱবিধ ভক্তিৰ মাজেদি কীর্ত্তনক শ্রেষ্ঠতা প্রদান কৰিছে। অদ্বিতীয় সৎ, চিত্ত, আনন্দস্বৰূপ বস্তুৱেই পৰমতত্ত্ব শ্রীকৃষ্ণ। জ্ঞানীসকলে সেই পৰমতত্ত্বকেই সৎ অর্থাৎ চৈতন্যপ্রধান পৰমাত্মা বুলি ধ্যান কৰে আৰু প্রেমিকভক্তই আনন্দপ্রধান চিদানন্দধন ভগৱন্ত বুলি সেৱা কৰে। আকৌ কর্মকাণ্ড বিশ্বাসীসকলে ঐহিক ধন-জন, বিষয়- বিভূতি আৰু পাৰলৌকিক স্বর্গসুখৰ কামনা কৰি এই পৰমতত্ত্ব বস্তুকেই নানা দেৱতাৰূপে উপাসনা কৰে। যি যেনেকৈ তেওঁক ভজনা কৰে বহুকল্পতৰু সমদর্শী তেওঁ তেনেকুৱা ফালেই দিয়ে। সেয়ে আনন্দঘন ভগৱন্ত বা ব্রহ্মৰ উপাসনাই জীৱমাত্রৰে মূল কর্তব্য হোৱা উচিত। জীৱ যিহেতু আনন্দস্বৰূপ ভগৱন্তৰে অংশ সেয়ে জীৱমাত্রেই আনন্দলিপ্সা বৰ বেছি। জীৱৰ স্বাভাৱিক আনন্দলিপ্সাই পৰমানন্দৰ অন্বেষণত মুখ্য ভূমিকা গ্রহণ কৰে।

'ৰাসলীলা'তো ভক্ত সাধকৰ চৰম অৱস্থা প্রদর্শন আৰু সাধন-ভজনৰ অতি ওখ অথচ সহজ উপদেশেৰে আধ্যাত্মিক দর্শন প্রদান কৰা দেখা যায় কিয়নো ৰাসলীলা জীৱাত্মাৰ সৈতে পৰমাত্মা শ্রীকৃষ্ণৰ লীলা। জীৱাত্মাৰ সৈতে পৰমাত্মা পৰমব্রহ্মৰ যি নিত্য লীলা অনাদি অনন্তকাল চলি আহিছে সেই লীলাৰ আভাস মানুহক বুজাবৰ নিমিত্তে মায়াৰ দ্বাৰাই মনুষ্য দেহ ধৰি পৰম ব্রহ্ম কৃষ্ণৰ বৃন্দাবনত গোপীসকলৰ সৈতে এই ৰাসলীলা। গোপীসকলৰ পার্থিৱ দেহ পার্থিৱ সম্বন্ধযুক্ত পার্থিৱ পতিৰ কাষতে পৰি ৰ'ল। পার্থিৱ পতিয়ে সেই পার্থিৱ শৰীৰময় পত্নীক কাষত পাই নিশ্চিন্ত। কিন্তু গোপীসকলৰ জীৱাত্মা, মন, বুদ্ধি, চিত্ত, চিন্ময় দেহ অনাবৃত পৰমব্রহ্ম

পতিৰ পতি শ্ৰীকৃষ্ণৰ কাষত। মানুহে সংসাৰতে থাকি সাংসাৰিক কৰ্তব্য কৰিও ক্ষণস্থায়ী পাৰ্থিৱ সুখৰ প্ৰতি অনাসক্ত হৈ ঈশ্বৰৰ সাধনা কৰি আত্মাৰাম পৰমাত্মা পৰমব্ৰহ্মৰে ৰমণ কৰি চিৰানন্দ চিৰশান্তি লাভ কৰিব পাৰে। ৰাসলীলাত অভিনয়ৰ যোগেদি মানুহক এই আধ্যাত্মিক শিক্ষাই দিয়া হৈছে। ভক্ত-সাধকে ইশ্বৰ লাভৰ বাবে বৈৰাগ আশ্ৰয় কৰি সন্ন্যাস গ্ৰহণ কৰাৰ আৱশ্যকতা নাই। সংসাৰত থাকিও নিৰ্লিপ্ত হৈ বাক্য মন বুদ্ধিক একীত্মাভাৱে শ্ৰীকৃষ্ণত নিবিষ্ট কৰি পৰমাত্মা শ্ৰীকৃষ্ণক পাব পাৰি। শঙ্কৰদেৱে এই বাবেই গৃহস্থী হৈ গৃহতে থাকি শ্ৰীকৃষ্ণক ভাজনা কৰি ভক্তি কৰাৰ উপদেশ দি নিজ জীৱনৰ আৰ্হিৰে তাক কৰি দেখুৱাইছিল।

সেয়েহে ৰাসলীলা অশ্লীলতাৰ গোন্ধেৰে কলুষিত হোৱাটো দূৰৈৰে কথা, সাধক, ভক্ত আৰু পৰমাত্মা ঈশ্বৰৰ নিগূঢ় তত্ত্ব প্ৰকাশক বিশ্বজনীন সাহিত্যৰাজিহে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আধ্যাত্মিক বিষয়ক গ্ৰন্থৰ ৰচক হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ মূল্যায়ন কৰক। (২০০ শব্দৰ ভিতৰত)

.....



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ অধ্যয়নৰ মাজেদি আমি লক্ষ্মীনাথ বেজবৰুৱাৰ আধ্যাত্মিক চিন্তাধাৰাৰ লগত পৰিচিত হ'লো।

পৰমনব্ৰহ্মৰ সাধনা কেৱল জ্ঞানী যোগী সাধকৰ বাবেই নহয়। ভক্তিৰ পথেৰে সাধাৰণ মনুষ্যয়ো পৰমানন্দৰ অন্বেষণত আগবাঢ়িব পাৰে।

আত্মচেতনাবোধেৰে সাধাৰণ মানুহেও পৰমতত্ত্ব উপলব্ধি কৰিবলৈ সক্ষম হয়। প্ৰায়বোৰ ধৰ্মতত্ত্বই মানুহক সেই পথৰেই সন্ধান দিয়াটো প্ৰকৃত ধৰ্মৰ উদ্দেশ্য আৰু লক্ষ্য।

জীৱমাত্ৰেই যিহেতু পৰমানন্দৰ এটি ক্ষুদ্ৰ অংশ, সেইবাবে মানৱ জীৱনতো সংসাৰ ত্যাগ নকৰাকৈয়ো মানহে ঐহিক জীৱনৰ কৰ্তব্যৰ মাজেদিও গৈ পৰমাৰ্থতত্ত্বৰ মূল লক্ষ্যত উপনীত হ'বগৈ পাৰে। তাৰবাবে মানুহে স্বপোলব্ধিৰে সত্য, ন্যায়, অহিংসা আদি মানৱী ধৰ্মৰ পথ বাচি লৈ প্ৰেমৰ যোগেদি কৃষ্ণ অন্বেষণত ব্ৰতী হ'বলৈ আলোচিত অধ্যায়টিয়ে নিৰ্দেশ দিছে।

সাংসাৰিক জীৱনৰ সমান্তৰালভাৱে ক্ৰমে আধ্যাত্মিক যাত্ৰাত আগবাঢ়িবলৈ মানুহক লাগিব ঐহিক জীৱনৰ সুখ-দুখৰ ক্ষণস্থায়ীত্ব বুজি সেইবোৰৰ পৰা লাহে লাহে মুক্ত হোৱাৰ মানসিকতা আৰু স্থায়ী, আধ্যাত্মিক সাধনাৰ প্ৰেমভক্তিৰ অস্তিত্ববোধ।



৬.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

১) শৰ্মা, তীৰ্থনাথ (২০১৭) ঃ *ভক্তিবাদ*, গুৱাহাটী, অসম প্ৰকাশন পৰিষদ

২) শইকীয়া নগেন (সম্পা.) (২০১০) ঃ *বেজবৰুৱা ৰচনাৱলী*, গুৱাহাটী, বনলতা।

৩) নেওগ, মহেশ্বৰ (১৯৮৭) ঃ *শ্ৰীশ্ৰী শঙ্কৰদেৱ*, গুৱাহাটী, চন্দ্ৰ প্ৰকাশ।

৪) শৰ্মা, বাণীকান্ত (সম্পা.) (২০১২) ঃ *বেজবৰুৱাৰ সাহিত্য প্ৰতিভা*, গুৱাহাটী, টেক্‌নো এড্ পাব্লিকেচন

ইংৰাজী গ্ৰন্থ

1. Radhakrishnan, Sarwapalli (1953) : The Principal Upanishads, Allen & Unwin; Harper India

2. Bhandarkar, R.G (1982); Vaishnavism, Saivism and Minor Religious Systems; Poona : Bhandarkar Oriental Research Institute

3. Sharma, C.D (2013); A Critical Survey of Indian Philosophy; New Delhi : Moti Lal Banarasi Dass

4. Rao, Nagaraja (1943); The Schools of Vedanta; Bombay : Bharatiya Vidya Bhavan.



৬.৮ অগ্ৰগতিৰ খতিয়ান (অগ্ৰগতি ৰূপৰেখা)

১ নং প্ৰশ্নৰ ঃ পাঠৰ আধাৰত প্ৰশ্নটো বিশ্লেষণাত্মক দৃষ্টিভঙ্গীৰে লিখিব।



৬.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জীত লক্ষ্মীনাথ বেজবৰুৱাৰ তত্ত্বমূলক প্ৰবন্ধৰাজিৰ গুৰুত্ব আৰু তাৎপৰ্য্য কিমান, বিচাৰ কৰক।

প্ৰশ্ন নং ২ ঃ *শ্ৰীকৃষ্ণতত্ত্ব*ৰ আলোচ্য বিষয়বস্তু সাৰাংশ আপোনাৰ নিজৰ ভাষাত লিখক।

প্ৰশ্ন নং ৩ ঃ *ৰাসলীলাতত্ত্ব*ৰ আলোচ্য বিষয়বস্তুৰ সাৰমৰ্ম আপোনাৰ ভাষাত লিখক।

অধ্যায় ৭ ঃ সমাজ সচেতক লক্ষ্মীনাথ বেজবৰুৱা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ দায়বদ্ধ লেখক হিচাপে বেজবৰুৱা
৭.৪ *চেৰেপাৰ আমনি*
৭.৪.১ মূল পাঠৰ বিষয়বস্তুৰ আলোচনা
৭.৪.২ মূল পাঠৰ বিষয়বস্তুৰ বিশ্লেষণ
৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৬ অধিক জানিবলৈ
৭.৭ অগ্রগতিৰ খতিয়ান (কৱল ৰূপৰেখা)
৭.৮ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- নিজৰ মাতৃভাষা আৰু তাৰ অন্তর্গত উপভাষাসমূহৰ প্রতি বেজবৰুৱাৰ যি শ্রাদ্ধবোধ আৰু সজাগতা তাৰ পৰিচয় পাব
- দায়বদ্ধ লেখক হিচাপে লক্ষ্মীনাথ বেজবৰুৱাক মূল্যায়ন কৰিব পাৰিব
- ‘চেৰেপাৰ আমনি’ পাঠটিত মাজেদি স্বজাতি আৰু নিজৰ মাতৃভাষাৰ প্রতি বেজবৰুৱাৰ যি প্রীতি ভাব তাৰ পৰিচয় লাভ কৰিব।

৭.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষান্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা চতুর্থ পাঠ্যবিষয় ‘অনুবাদ সাহিত্য আৰু বিশেষ সাহিত্যিক’ৰ দ্বিতীয় খণ্ডৰ (ক)-ৰ এইটো সপ্তম তথা শেষ অধ্যায়। অধ্যায়টোৰ শিৰোনাম ‘সমাজ সচেতক লক্ষ্মীনাথ বেজবৰুৱা’ (চেৰেপাৰ আমনি)।

‘চেৰেপাৰ আমনি’ পাঠটিত বেজবৰুৱাই অসমৰ ভাষা-সাহিত্যৰ দিশত ষড়যন্ত্রৰ গোন্ধ পাইছে। এচামে অসমীয়া ভাষাক নস্যাৎ কৰিবলৈ আগ্রাসী মনোভাৱ পোষণ কৰাটো তেওঁ লক্ষ্য কৰিছে। অসম সাহিত্য সভাৰ অধিবেশনত অনেক ভাষা-ভাষী লোক সমবেত হোৱাটো স্বাভাৰিক। অৱশ্যে কিছু সংখ্যাকে এই কথা সহ্য কৰিব নোৱাৰি ষড়যন্ত্র ৰচনা কৰিছিল বুলি

বেজবৰুৱাই সন্দেহ কৰিছিল। কাৰণ সেই সময়ত ধুবুৰী গোৱালপাৰাত অসমীয়াৰ বাবেও দৈনন্দিন কামকাজত আন ভাষাৰ প্ৰচলন আছিল। তাৰে গইনা লৈ এচামে অসমীয়া ভাষাৰ বিৰুদ্ধে বিদ্বেষ পোষণ কৰা বুলি বেজবৰুৱাই ব্যক্ত কৰিছে। প্ৰত্যক্ষভাৱে ষড়যন্ত্ৰকাৰীসকলে অসমীয়া ভাষাৰ ক্ষতি কৰিব নোৱাৰি *প্ৰান্তবাসী* কাকতত এটা প্ৰবন্ধত তেওঁলোকৰ বিদ্বেষ প্ৰকাশ কৰে আৰু বেজবৰুৱাই তাৰে প্ৰতিবাদত স্পষ্ট ভাষাৰে 'চেৰেপাৰ আমনি' প্ৰকাশ কৰে। বেজবৰুৱাই অভিযোগকাৰীৰ প্ৰতিটো অভিযোগ যুক্তিপূৰ্ণভাৱে খণ্ডন কৰে আৰু 'এনে কেলেহুৱাৰ কথা কোনেও নুশুনে' বুলি মন্তব্য দিছে। তেওঁ ষড়যন্ত্ৰকাৰীসকলৰ মানসিকতা নিম্ন খাপৰ বুলি মন্তব্য কৰিছে আৰু তেনে ষড়যন্ত্ৰৰ তীব্ৰ বিৰোধিতা কৰিছে। সংকীৰ্ণতা দূৰ কৰি ভাষাপ্ৰীতি গঢ়িব পাৰিলেহে জাতীয় চৰিত্ৰ প্ৰকৃততে অক্ষুন্ন থাকিব বুলি তেওঁ মতামত প্ৰকাশ কৰিছে। বেজবৰুৱাৰ মতে সাহিত্য সভাৰ অধিবেশন সগৌৰৱে অনুষ্ঠিত হোৱাটোৱে বুজাই যে ষড়যন্ত্ৰ নিটিকে; সদ্ভাৱে আধিপত্য বিস্তাৰ কৰে।

বেজবৰুৱাই আকৌ লিখিছে 'চকুচৰহা প্ৰান্তভাষীয়ে অসমত অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰত শংকিত হোৱাটো স্বাভাৱিক। কাৰণ অসমীয়াৰ উন্নতি তেওঁলোকে কামনা নকৰে, কাৰণ অসমীয়া জিলিকিলে তেওঁলোক নুমাই যাব। ৰাজনীতি সেইবাবে তেওঁলোকেই বিচাৰে। চকুচৰহাৰ পৰা হাত সাৰিবলৈ অসমীয়াই নিজ বুদ্ধি উলিয়াব লাগিব।' স্বাৰ্থপৰতাৰ প্ৰসঙ্গ টানি তেওঁ কৈছে - "কাউৰীয়ে কাকবাঁহৰ আগত উঠি কয়, যদি গোটেইখন দেশ পানীৰ ধলত বুৰি যায়, তেন্তে কি মজা হ'ব; ক'ত মৰাশ উটি আহিব আৰু মই উৰি গৈ তাত বহি খাম" ইত্যাদি। গতিকে আমি নিজেও সচেতন হ'ব লাগিব।

৭.৩ দায়বদ্ধ লেখক হিচাপে বেজবৰুৱা

বেজবৰুৱা এগৰাকী সামাজিকভাৱে দায়বদ্ধ লেখক। যেতিয়াই অসমীয়া ভাষা, জাতি আৰু সংস্কৃতিৰ সংঘাত উপস্থিত হৈছে, তেতিয়াই তেওঁ সংকটমোচনৰ বাবে অসমত আহি উপস্থিত হৈছে। অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ সকলো ধৰণৰ দুৰ্যোগ দূৰ কৰিবৰ কাৰণে তেওঁ হাতত কলম তুলি লৈছিল। 'চেৰেপাৰ আমনি', 'বাংলা আৰু আসামী ভাষা অভিন্ন নহে' ইত্যাদি বিভিন্ন লেখাৰ মাধ্যমেদি বেজবৰুৱাৰ সমাজ সচেতন মনটিৰ লগতে ভাষাৰ বিদ্যায়তনিক আলোচনাৰ প্ৰতি থকা তেওঁৰ আগ্ৰহৰ প্ৰকাশ ঘটিছে। ভাৰতৰ জাতিভেদ ব্যৱস্থা সম্পৰ্কে ব্যঙ্গ কৰি তেওঁ কৈছে— 'আন দেশৰ জাতিভেদক সময়ৰ আহ্বান অনুসৰি বেঁকাব পাৰি, কিন্তু ভাৰতৰ জাতিভেদক নোৱাৰি, সি ঠৰঙা আৰু বেঁকাবলৈ গ'লে ভাগি থাকে। গুৰিতে ভাৰত উধাই অহা ডোখৰ কালত ভাৰতৰ জাতিভেদো কৰ্মগত আছিল, আৰু সেইদেখি সি লেহুকা নাছিল; পিছত ভাৰত থিৰ হোৱা আৰু নামি যোৱা কালত সি গোট মাৰি বংশগত হ'লগৈ, অথবা সি বংশগত হোৱা বাবেই ভাৰত উধাব নোৱাৰি জখলাত নামি আহিবলৈ ধৰিলে' ইত্যাদি। 'বেজবৰুৱা য'তেই নাথাকক, তেওঁৰ হিয়া পৰি আছিল অসমৰ ৰসাল মাটিত; সম্বলপুৰৰ পৰা বঙ্গ আৰু অসমৰ বিভিন্ন ঠাইত ব্যৱসায়ৰ কামত ঘূৰি ফুৰিলেও যেতিয়াই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ সংকট উপস্থিত হৈছিল, তেতিয়াই তেওঁ বীৰদৰ্পে থিয় হৈ

অসমীয়াৰ অভাৱ-অভিযোগসমূহ দূৰ কৰিবৰ কাৰণে কলম হাতত তুলি লৈ শত্রুপক্ষক ধৰাশায়ী কৰিছিল।'

ধর্ম সম্পর্কত ভক্তৰ মনৰ সংশয় দূৰ কৰিবৰ কাৰণে তেওঁ এনেদৰে মন্তব্য কৰিছে— 'নিৰাকাৰ উপাসনাতেই যে সাকাৰ উপাসনা আছে, সেইটো আমি মানো। বাস্তৱিক পক্ষত ঈশ্বৰৰ উপাসনা আৰু চিন্তা কৰিবলৈ গ'লে মানুহ ৰূপে ভাবিব লাগিবই। কিন্তু সাকাৰ উপাসনাৰ (degree) পৰিমাণ কম-বেছি অনুসাৰে তাত শ্রেষ্ঠত্ব আৰু নীচত্ব, উৎকৃষ্ট আৰু অনুৎকৃষ্টৰ প্রভেদ হয়' ইত্যাদি।

প্রান্তবাসী সম্পর্কত তেওঁ লিখিছে— 'প্রান্তবাসী আৰু তেওঁৰ লগৰীয়াসকলে জানি থওক, আসাম সাহিত্য সভাই ৰাজনীতি নাজানে, আৰু তাৰ ধাৰো নাখায়। জানে ধর্মনীতি, স্বদেশৰতি আৰু স্বজনপ্রীতি; আৰু জানে নিজৰ অমিয়া মধুৰ মাতৃভাষাৰে ধর্মনীতি, স্বদেশৰীতি আৰু স্বদেশপ্রীতি প্রকাশ কৰিব। তাক সভাই ধুবুৰীত আৰু গোৱালপাৰাত কৰিছিল, এমুঠি বিদেশীক ধুবুৰী-গোৱালপাৰাত খেদিবলৈ যোৱা নাছিল। সভাই মহ মাৰিবলৈ বৰটোপ নালাগে। সাহিত্য সভাই আৰু এটা কাম কৰি আহিছে, সেইটো হিৰণ্যকশিপুৰ ঘৰত প্রহ্লাদৰ সৃষ্টি, মাতৃভক্ত সেই ঘৰুৱা প্রহ্লাদেই অচিৰতে তাত হিৰণ্যকশিপু বধ আৰু প্রেম আৰু শান্তিৰাজ্য স্থাপনৰ কাৰণ হ'ব, চাই থাকিব।'

৭.৪ *চেৰেপাৰ আমনি*

'*চেৰেপাৰ আমনি*' সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ এটি স্বদেশ চেতনাৰে পৰিপূর্ণ প্রবন্ধ। লেখকে অসমীয়া ভাষা-সাহিত্যৰ ওপৰত প্রান্তভাষীসকলে চলোৱা অপপ্রচাৰৰ বিষয়ে ইয়াত বর্ণনা দাঙি ধৰি তেওঁলোকৰ সংকীর্ণ জাতিপ্রেম আৰু জাতীয় চেতনাৰ স্বৰূপ উদঙাই দেখু�ৱাইছে। তেওঁলোকে নিজা প্রীতিৰ বাবেই গোৱালপাৰা জিলাৰ অন্তর্গত ধুবুৰীত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনত বিভিন্ন স্তৰৰ অসমীয়া লোক সমবেত হোৱা কথাটো ভাল চকুৰে চাব পৰা নাই। কিন্তু কাৰোবাৰ ৰঙাচকুলৈ ভয় কৰি অসমীয়া মানুহ কেতিয়াও ভাষাচর্চাৰ পৰা পিছহুহকি নাহে। বেজবৰুৱাই উল্লেখ কৰিছে যে 'আমি আমাৰ নিজৰ গুয়ালপাৰাৰ ককাই-ভাই, বাই-ভনীসকলৰ ভালৰ অর্থে মাতৃভাষা আৰু সাহিত্য চর্চা কৰিছোঁ আৰু কৰি থাকিম, ...।'

বেজবৰুৱাই কাছই কামোৰ মৰাদি ভাষাৰ চর্চাত যি মৰকামোৰ মাৰিছে, তাৰ পৰা কেতিয়াও উভটি নাহে। সেয়ে তেওঁ লিখিছে—

'ক'ৰবাৰ পৰা উৰি আহি ৰঘূমলাই গুৱালপাৰাৰ গা-গছত শিপাই, নিলাজভাৱে যদি কয় যে গছজোপা তাৰহে। তেন্তে আমাৰ কাম হ'ব, ৰঘূমলাৰ চুলিত ধৰি টানি আজুৰি তাক উভালি পেলাই দিয়া হ'ব।'

৭.৪.১ মূলপাঠৰ বিষয়বস্তুৰ আলোচনা

অসম সাহিত্য সভাৰ দুৱাৰ সকলোৰে বাবে মুকলি। তাত জাতি-বৰ্ণ নিৰ্বিশেষে সকলো অসমীয়াই অংশগ্ৰহণ কৰিব পাৰে। তাত ৰাজনীতিৰ গান্ধ পোৱা চকু চৰহাৰ কথালৈ কাণ দিবলৈ অসমীয়াৰ সময় নাই। অসমীয়াই সদায় নিজৰ ওপৰত আত্মবিশ্বাস ৰাখি আগবাঢ়ে আৰু তাকে কৰোঁতে দাঁতি-কাষৰত আহি পৰা কচু-বন নিৰলাই ল'ব পাৰে।

আলোচনাটোত প্ৰান্তবাসীৰ সকলো ধৰণৰ অভিযোগ খণ্ডন কৰি বেজবৰুৱাই তেওঁলোকৰ মুখত চুঙা চাই সোপা দিছে আৰু তেওঁ নিজেই নিজক এই জ্ঞান কৰি কৈছে- 'এই ভব্য অভিভাৱকজন যেতিয়া আছে আৰু গৱৰ্ণমেণ্টৰ ভয় কিয়?' তদুপৰি প্ৰান্তত বাস কৰোঁতা আমাৰ ভাষাই দিনে-ৰাতিয়ে পলিটিক্ছ ভাবি ফুৰোঁতে য'তে ত'তে তাৰ গোন্ধ পায়। আমাৰ সাহিত্য সভাতেই বা নাপাব কিয়? কোনে জানে, তেওঁৰ শোৱাপাটিতো তেওঁ তাৰ গোন্ধ নাপালে ৰক্ষা।'

বেজবৰুৱাই অভিযোগকাৰীক ঢাপত গজা বুলি উল্লেখ কৰি কৈছে যে— 'সৰকাৰী চাকুৰিজীৱি ব্যতিত আৰু যদি সাহিত্যসেৱক নাথাকে (অসমত), তবে এমন সাহিত্যেৰ উন্নতিকল্পে কোন সন্মিলন হওয়া উচিত নহে এবং এমন ভাষাৰ পঠন-পাঠন আইনৰ দ্বাৰা ৰহিত হওয়াই উচিত। জগতেৰ সপক্ষে তাৰ প্ৰচাৰ কৰিয়া হাস্যস্পাদ হওয়া আমাদেৰ মতে বাঞ্চনীয় নহে যে ভাষাৰ উন্নতি মুষ্টিমেয় সৰকাৰী চাকুৰিজীৱিৰ উপৰ নিৰ্ভৰ কৰিতেছে, এমন ভাষা গোৱালপাৰাবাসী চাছে নাই' ইত্যাদি।

এনেধৰণৰ বেবেৰিবাং কথাৰ যোগ্য প্ৰত্যুত্তৰ দি বেজবৰুৱাই অভিযোগকাৰীক 'মুদীখানাৰ মছলা বান্ধিবলৈকো যোগ্য নোহোৱা মৰকেলেপ' বুলি তিৰষ্কাৰ কৰিছে। তেওঁ *প্ৰান্তবাসী* কাকতখনে গোৱালপাৰাৰ বিষয়ে লিখাৰ কোনো নৈতিক অধিকাৰ নাই বুলি স্পষ্ট কৰি দিছে। তেওঁ লগতে প্ৰান্তদেশৰ কেইগৰাকীমান চাকৰিজীৱি সাহিত্যিকৰ প্ৰসঙ্গ এইক্ষেত্ৰত উল্লেখ কৰিছে। এইসকল চাকৰিজীৱি প্ৰান্তীয় সাহিত্যিকেই প্ৰান্ত ভাষাটো গঢ় লৈ উঠাত অৰিহনা যোগাইছিল।

প্ৰান্তত কাম কৰোঁতাই অসমীয়াক নিজৰ যঁতৰত তেল দিবলৈ কৈছে। অসমীয়াই সেইবাবে তেওঁৰ ওচৰত কৃতজ্ঞ হৈ তেওঁক উপদেশ দিলে, তেওঁ শুনক— 'কিয় হনুমন্ত বিচূৰ্তি হোৱা, তোমাৰ মুখৰ অগনি তুমি নিজৰ মুখৰেই নুমোৱা।'

বেজবৰুৱাই প্ৰান্তবাসীৰ চৰিত্ৰ উদঙাই দি তেওঁৰ কুঅভিসন্ধিৰ স্বৰূপ পাঠকৰ সন্মুখত দাঙি ধৰিছে। সাহিত্য সভাৰ অধিবেশনৰ বিধি-পথালি দিবলৈ চেষ্টা কৰি কোনোপ্ৰকাৰে সফল হ'ব নোৱাৰি তেওঁলোকে সভাৰ সভপতিক দোষাৰোপ কৰাটো স্বাভাৱিক। তেওঁলোকে নানা কথাৰ ৰহন দি কলিকতাৰ কাকতবোৰলৈ লিখিলেও অসত্য কথা কোনোও নচপোৱাত প্ৰান্তবাসীৰ আবিৰ্ভাৱ হয়। 'চোৰে চুৰ কৰি বস্তু লৈ

পলাইছে দেখি গিৰিহঁতে পিছে পিছে খেদা দিলে। চোৰে ততালিকে বুধি উলিয়াই উভটি ধৰি গিৰিহঁতৰ ফালে আঙ্গুলিয়াই গিৰিহঁতক চোৰ বুলি বাটৰুৱাক দেখুৱাই দিলে। এনেবিধৰ ফাকতি বহুত দেখা যায়' ইত্যাদি।

সেয়ে বেজবৰুৱাই প্রান্তবাসীক উদ্দেশ্যি কৈছে যে 'অসম সাহিত্য সভাই ৰাজনীতি নাজানে, আৰু তাৰ ধাৰো নেখায়। জানে ধর্মনীতি, স্বদেশৰতি আৰু স্বজনপ্রীতি আৰু জানে নিজৰ অমিয়া মধুৰ মাতৃভাষাৰে ধর্মনীতি, স্বদেশৰতি আৰু সৃজনপ্রীতিৰ প্রকাশ কৰিব। তাকে সভাই ধুবুৰীত আৰু গুৱালপাৰাত কৰিছিল, এমুঠি বিদেশীক ধুবুৰী-গুৱালপাৰাত খেদিবলৈ যোৱা নাছিল। সভাই মহ মাৰিবলৈ বৰটোপ নালাগে' ইত্যাদি।

বেজবৰুৱাৰ দৃষ্টিত গোৱালপাৰাৰ ভাষাৰ ওপৰত প্রান্তবাসীৰ আক্রোশী দৃষ্টিৰ অৱসান ঘটাবলৈ এই অঞ্চলৰ লোকসকল আগবাঢ়ি আহিব লাগিব। স্বার্থপৰৰ চক্রান্ত আৰু গৰাহৰ পৰা অসমীয়া ভাষাক মুক্ত কৰিবৰ কাৰণে সকলোবোৰ জাতিপ্রেমী-ভাষাপ্রেমী লোক আগবাঢ়ি আহিব লাগিব।

৭.৪.২ মূল পাঠৰ বিষয়বস্তুৰ বিশ্লেষণ

কৃষি পথাৰত চেৰেপা নামৰ এবিধ ক্ষুদ্র অনুজাতীয় পতঙ্গৰ আক্রমণে কৃষকসকলক যথেষ্ট আমনি দিয়ে। অতি ক্ষুদ্র অৱয়বৰ কাৰণে অকস্মাৎ চকুত নপৰে যদিও ইয়াৰ আক্রমণ অতি অসহনীয়। অসমীয়া ভাষাৰ সমৃদ্ধি সাধনত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰা অসম সাহিত্য সভাৰ ধুবুৰীত অনুষ্ঠিত ১৯২৬ চনৰ অধিবেশনত অসমৰ বিভিন্ন ঠাইৰ পৰা সভাত উপস্থিত হোৱা সাহিত্যপ্রেমী ৰাইজৰ সম্মিলিত প্রচেষ্টাত শৃঙ্খলাবদ্ধভাৱে অনুষ্ঠিত সভাত বিধিপথালি দিবলৈ গৈ সফল হ'ব নোৱাৰি অসমীয়া জাতি আৰু সাহিত্যৰ বিৰুদ্ধে অপপ্রচাৰ কৰিবৰ বাবে অভিযোগকাৰীয়ে *প্রান্তভাষী* কাকত উলিয়াই তাত নিজা আৰু মনেসজা কিছুমান অভিযোগ উত্থাপন কৰি অসমীয়া ভাষাৰ প্রতি থকা তেওঁলোকৰ বিদ্বেষৰ স্বৰূপ প্রকাশ কৰে।

বেজবৰুৱাই *প্রান্তবাসীত* প্রকাশিত প্রতিটো কথাৰে যোগ্য প্রত্যুত্তৰ দিছে। চৰকাৰী চাকৰিজীৱিসকলে সাহিত্য সভাত অংশগ্রহণ কৰাটো দোষণীয় বুলি প্রতিপন্ন কৰিবলৈ প্রয়াস কৰা বেজবৰুৱাই লোকসকলে তেওঁলোকৰ ভাষা গঢ়ি তোলাত ঈশ্বৰচন্দ্র বিদ্যাসাগৰ, বঙ্কিমচন্দ্র চেট্টার্জী, দীনবন্ধু মিত্র, নবীনচন্দ্র সেন আদিৰ ত্যাগ আৰু ভাষাসাহিত্যৰ প্রতি আগবঢ়োৱা অৱদানৰ কথা স্মৰণ কৰিবলৈ বেজবৰুৱাই আহ্বান জনায়।


১৯২৬ চনৰ সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত বর্বৰতা প্রকাশ পোৱা বুলি কৰা অভিযোগ খণ্ডন কৰি বেজবৰুৱাই উল্লেখ কৰে যে 'সচাঁক মিছাকৈ

দেখুৱাবলৈ যোৱাটোও এবিধ বৰ্বৰতা, যিটো তেওঁৰ গাত থকাটোৰ চিনাকি এতিয়া তেওঁ দিছে। ইয়াকে কয় বোলে 'বাজিব লাগে টেমিকটাৰী বাজিছে হাচটি।'

সাহিত্য সভাত ৰাজনীতিৰ গোন্ধ পোৱা প্ৰান্তবাসীক বেজবৰুৱাই কয় যে সাহিত্যসভাই ৰাজনীতি নাজানে।

অভিযোগকাৰীসকলে গোৱালপাৰাৰ দুই-এজন জমিদাৰক হাত কৰি অসমীয়া ভাষাৰ বিৰুদ্ধে অপপ্ৰচাৰ চলাইছিল যদিও অসম সাহিত্য সভাৰ অধিবেশনত সমবেত জনতাৰ ঐক্যবদ্ধ ৰূপ দেখি তেওঁলোক চিন্তিত হৈছিল। তেওঁলোকৰ চক্ৰান্ত মষিমূৰ কৰিবৰ বাবে বেজবৰুৱাই প্ৰান্তবাসীৰ প্ৰতিটো যুক্তিহীন কথাৰ যোগ্য প্ৰত্যুত্তৰ দিছিল।

জনসাধাৰণৰ সন্মিলিত শক্তিত ভীতিগ্ৰস্ত হৈ অসম সাহিত্য সভাৰ বিৰুদ্ধে অপপ্ৰচাৰত লিপ্ত হোৱা প্ৰান্তবাসীৰ সকলো অভিযোগ মনেসজা আৰু অযুক্তিকৰ বুলি তেওঁ মুক্তকণ্ঠে ঘোষণা কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'চেৰেপাৰ আমনি'-ত লক্ষ্মীনাথ বেজবৰুৱাৰ মাতৃভাষা প্ৰেম কি দৰে প্ৰকাশ পাইছে। (১৫০ টা শব্দৰ ভিতৰত)



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বেজবৰুৱাই চকু চৰহা লোকসকলৰ সংকীৰ্ণ ৰাজনীতিৰ বিৰুদ্ধে সজাগ আৰু সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে আৰু *প্ৰান্তবাসীত* অসমীয়া ভাষা অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ বিৰুদ্ধে অপপ্ৰচাৰত লিপ্ত হোৱা লোকসকলৰ মুখাৰ আঁৰৰ মুখাবোৰ উদঙাই দেখুৱাইছে।
- তেওঁ স্পষ্ট কৰি দিয়ে যে অসমীয়া মানুহে নিজৰ ভাষাক ভাল পায়। অসম সাহিত্য সভাই ৰাজনীতি নাজানে আৰু তাৰ ধাৰো নাযায়।
- দেশপ্ৰেম, স্বদেশপ্ৰীতি অসমীয়া মানুহৰ শিৰাই শিৰাই আছে। তাত চকুচৰহাৰ দৃষ্টিয়ে একো কৰিব নোৱাৰে।
- মাতৃভাষাৰ প্ৰতি অসমীয়াৰ প্ৰেম আছে আৰু ই আগ্ৰাসী নহয়।
- উগ্ৰ জাতীয়তাবাদ আৰু সংকীৰ্ণ ভাষাপ্ৰেম, আগ্ৰাসী মনোভাৱৰ সৈতে প্ৰগতিশীল আৰু উদাৰমনা অসমীয়াৰ কোনো কথা নিমিলে। অসমীয়া মানুহ, নিঃস্বাৰ্থ, ত্যাগী আৰু উদাৰ। ভাষাৰ নামত ৰাজনীতি তেওঁলোকে কামনা নকৰে আৰু আনৰ আগ্ৰাসী মনোভাৱৰ যোগ্য প্ৰত্যুত্তৰ দিব জানে।



৭.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। গোস্বামী, প্ৰফুল্ল দত্ত (২০১২) ; '*বেজবৰুৱা ব্যঙ্গ*', বাণীকান্ত শর্মা সম্পাদিত বেজবৰুৱাৰ সাহিত্য প্ৰতিভা, গুৱাহাটী, গুৱাহাটী ঃ টেকনো এড্ পাব্লিকেচন।

ইংৰাজী গ্ৰন্থ ঃ

১। Neog, Maheswar (ed.) (1972)% Lakshminath Bezbaroa - The Sahityarathi of Assam, Gauhati : Gauhati University



৭.৭ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ সামগ্ৰীকভাৱে পাঠটো অধ্যয়ন কৰি তাক যুকিয়াই লৈ এই উত্তৰটো লিখিব লাগিব।



৭.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ '*চেৰেপাৰ আমনি*' পাঠটোৰ মূল বিষয়বস্তু কি?

প্ৰশ্ন ২ ঃ '*চেৰেপাৰ আমনি*' পাঠটিত বেজবৰুৱাৰ সমাজ সচেতক মনটিৰ পৰিচয় কেনেদৰে পোৱা যায়?

প্ৰশ্ন ৩ ঃ '*চেৰেপাৰ আমনি*' পাঠটিৰ মূল বিষয়বস্তু আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ বেজবৰুৱাৰ সমালোচনাত্মক দৃষ্টিভংগীৰ পৰিচয় দিয়ক।

প্ৰশ্ন ৫ ঃ বেজবৰুৱাৰ সমাজ দৃষ্টিভংগী সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ প্ৰান্তবাসীত অসমীয়া ভাষা সম্পৰ্কে কেনে ধৰণৰ মন্তব্য প্ৰকাশ পাইছিল?

*** ***** ***



প্রসঙ্গ পুথি

অসমীয়া গ্রন্থ ঃ

১) কাকতি, বাণীকান্ত (২০০৩); *বাণীকান্ত-চয়নিকা,* নতুন দিল্লী ঃ সাহিত্য অকাডেমি।

২) গগৈ, হৃদয়ানন্দ (সম্পা.) (২০০৭); *লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প সমগ্ৰ,* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৩) গোস্বামী, ত্রৈলোক্যনাথ (১৯৮৭); *আধুনিক গল্প সাহিত্য,* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৪) গোস্বামী, প্রফুল্লদত্ত (২০১২); 'বেজবৰুৱাৰ ব্যঙ্গ', বাণীকান্ত শর্মা সম্পাদিক বেজবৰুৱাৰ সাহিত্য প্রতিভা, গুৱাহাটী ঃ টেকনো এড্ পাব্লিকেচন।

৫) গোস্বামী, যতীন্দ্রনাথ (১৯৬৮); *সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা,* যোৱহাট ঃ অসম সাহিত্য সভা।

৬) তামুলী, লক্ষ্মীনাথ (২০০৩); লক্ষ্মীনাথ বেজবৰুৱা; গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৭) দাস, যোগেশ (২০০৭); 'কাহিনীকাৰ বেজবৰুৱা', ৰফিকুজ জামানৰ দ্বাৰা প্রকাশিত লক্ষ্মীনাথ বেজবৰুৱা, গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৮) নাথ, ডাঃ প্রফুল্ল কুমাৰ (২০১৪); অসমীয়া নাটক ঃ বিচাৰ আৰু বিশ্লেষণ; গুৱাহাটী ঃ বান্ধৱ।

৯) নেওগ, মহেশ্বৰ (২০১৩); অসমীয়া সাহিত্যৰ ৰূপৰেখা; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১০) নেওগ, মহেশ্বৰ (সম্পা.) (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১১) বৰগোহাঞি, হোমেন (সম্পা.) (২০০৪); বিংশ শতাব্দীৰ অসমীয়া সাহিত্য, বনলতা।

১২) বেজবৰুৱা, লক্ষ্মীনাথ (২০০৪); মোৰ জীৱন সোঁৱৰণ, বনলতা।

১৩) বৰুৱা, প্র াদ কুমাৰ (২০০৫); *অসমীয়া চুটি গল্পৰ অধ্যয়ন,* ডিব্রুগড় ঃ বনলতা।

১৪) বেজবৰুৱা, লক্ষ্মীনাথ (১৯৯৮); *মোৰ জীৱন সোঁৱৰণ,* ডিব্রুগড় ঃ বনলতা।

১৫) ভূঞা, স্মৃতিৰেখা (২০০৭); অসমীয়া গদ্যৰীতি, বৃষ্টি প্রকাশন।

১৬) শইকীয়া, নগেন (সম্পা.) (২০১০); বেজবৰুৱা ৰচনাৱলী (প্রথম খণ্ড), গুৱাহাটী ঃ বনলতা।

১৭) শইকীয়া, নগেন (সম্পা.) (২০১০); বেজবৰুৱা ৰচনাৱলী (দ্বিতীয় খণ্ড), গুৱাহাটী ঃ বনলতা।

১৮) শইকীয়া, নগেন (সম্পা.) (২০১০); বেজবৰুৱা ৰচনাৱলী (তৃতীয় খণ্ড), গুৱাহাটী ঃ বনলতা।

১৯) শইকীয়া, নগেন (সম্পা.) (২০১০); বেজবৰুৱা ৰচনাৱলী (চতুর্থ খণ্ড), গুৱাহাটী ঃ বনলতা।

২০) শইকীয়া, নগেন (সম্পা.) (২০১০); বেজবৰুৱা ৰচনাৱলী (পঞ্চম খণ্ড), গুৱাহাটী ঃ বনলতা।

২১) শইকীয়া, নগেন (সম্পা.) (২০১০); বেজবৰুৱা ৰচনাৱলী (ষষ্ঠ খণ্ড), গুৱাহাটী ঃ বনলতা।

২২) শর্মা, সত্যেন্দ্রনাথ (২০১১); অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, গুৱাহাটীঃ সৌমাৰ প্রকাশ।

২৩) শইকীয়া চন্দ্র প্রসাদ (সম্পা.) (১৯৬৪); লক্ষ্মীনাথ বেজবৰুৱা, অসম প্রকাশন পৰিষদ।

২৪) শর্মা, গোবিন্দ প্রসাদ (১৯৯৩); জীৱনী আৰু অসমীয়া জীৱনী, ষ্টুডেন্টছ্ ষ্টোৰ্ছ।

২৫) শাস্ত্রী, বিশ্বনাৰায়ণ (১৯৯৪); লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য প্রতিভা, শৰাইঘাট প্রকাশন।

২৬) শইকীয়া, নগেন (সম্পা.) (২০১০); *বেজবৰুৱা ৰচনাৱলী (চতুর্থ খণ্ড)*, গুৱাহাটী ঃ বনলতা।

২৭) শর্মা, অনুৰাধা (সম্পা.) (২০১৪); *আধুনিকতাৰ অধিনায়ক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা,* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২৮) শর্মা, তীর্থনাথ (২০০৭); 'সাহিত্যৰথী বেজবৰুৱা', ৰফিকুল জামান (প্রকাশিত) *লক্ষ্মীনাথ বেজবৰুৱা,* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

২৯) শর্মা, বাণীকান্ত (সম্পা.) (২০১২); *বেজবৰুৱাৰ সাহিত্য প্রতিভা,* গুৱাহাটী ঃ টেকনো এড্ পাব্লিকেচন।

৩০) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৩১) হাজৰিকা, অতুলচন্দ্র (২০১৪); বেজবৰুৱা-গ্রন্থাৱলী (দ্বিতীয় খণ্ড), গুৱাহাটী ঃ সাহিত্য প্রকাশ।

৩২) হাজৰিকা, অতুলচন্দ্র (মুখ্য সম্পা.) (১৯৬৮); *বেজবৰুৱা গ্রন্থাৱলী-প্রথম খণ্ড,* গুৱাহাটী ঃ সাহিত্য প্রকাশ।

ইংৰাজী গ্রন্থ ঃ

1. Neog, Maheswar (ed.) 2014 (1972); *Lakshminath Bezbaroa-The Sahityarathi of Assam,* Gauhati University, Gauhati.